


গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা





একাদশ বছৰ ■ সংখ্যা ৩১০ ■ গুৱাহাটী ■ শনিবাৰ, ১৯ জুন, ২০২১, ৪ আহাৰ, ১৯৪৩ শক ■ RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ৭.০০ টকা ■ মুঠ পৃষ্ঠা =১২+২=১৪

VOL. 11 ISSUE NO. 310 Dainandin Barta ■ Guwahati, Saturday ■ 19 June 2021 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12+2=14 ■ Rs. 7.00 Only


আত্মনিৰ্ভৰশীল অসম

## কৰ্মসংস্কৃতি হওক আমাৰ আন্দোলন, অসমীয়াগিৰি হওক আমাৰ পথাৰখন



■ আশা বৰদলৈ

'জীৱন আৰু যুদ্ধ' যেন এটা মুদ্ৰাৰ ইপিঠি আৰু সিপিঠি। ভূমিষ্ঠ হোৱাৰ দিনৰ পৰাই এটা জীৱনৰ যুদ্ধ আৰম্ভ হৈ পৰে জীৱন-যাপন কৰিবলৈ। জীৱন-যাপনৰ এই যুদ্ধৰ সমান্তৰালকৈয়ে কিন্তু আন এক প্ৰক্ৰিয়াও আমাৰ লগত আগবাঢ়ি গৈ থাকে, সেয়াই হৈছে 'আত্মনিৰ্ভৰশীলতা'। শিশু অৱস্থাৰ পৰাই যিসমূহ কাম আমাক মা-দেউতাই কৰি দিছিল, সময়ৰ লগে লগে সেয়া আমি নিজেই কৰিব পৰা হ'লো। মায়ে গা-ধুৱাই দিয়া, ভাত খুৱাই দিয়া, কাপোৰ পিন্ধাই দিয়া আমি প্ৰক্ৰিয়াবোৰক সময়ৰ লগে লগে স্বাৱলম্বিতাৰে আমি নিজেই আগবঢ়াই নিবলৈ শিকিলো। সৰুতে এইখিনি কাম নিজেই কৰিব পৰাটো আছিল এক পৰম মানসিক তৃপ্তি। সেইখিনি সময়ত সেয়াই আছিল আমাৰ স্বাৱলম্বিতা। ■ ৮ পৃষ্ঠাত





## বিহালীত বনৰীয়া হাতীৰ তাণ্ডৱ

### কেইবাটাও গৃহ ভাঙি লণ্ড-ভণ্ড, কঠীয়া, শস্য খাই তহিলং, গুৰুত্ব নাই বন বিভাগৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ১৮ জুন ঃ** বিহালীত অব্যাহত আছে বনৰীয়া হাতীৰ তাণ্ডৱ। আন দিনাৰ দৰে বৃহস্পতিবাৰে নিশা প্ৰায় ১০ মান বজাত বিহালী সমষ্টিৰ বৰগাং বনাঞ্চলিক কাৰ্যালয়ৰ অধীনৰ ৰৌমাৰীত ২০/২৫টাৰ এটা হাতীৰ জাকে বিহালীৰ ৰৌমাৰীত প্ৰৱেশ কৰি ৰৌমাৰীৰ বদল দাসৰ প্ৰায় দুবিঘাৰ অধিক তিয়ঁহৰ খেতি নষ্ট কৰা লগতে এটা ■ ৮ পৃষ্ঠাত

বিভিন্ন সংগঠনৰ সৈতে স্বাস্থ্য বিভাগ আৰু শিক্ষামন্ত্ৰীৰ বৈঠকত গুৰুত্বপূৰ্ণ সিদ্ধান্ত

## মেট্ৰিক আৰু উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষা বাতিল

### মূল্যায়ন ফৰ্মুলা প্ৰস্তুতৰ বাবে গঠন হ'ব দুখন সমিতি ঃ বিদ্যালয়ৰ আভ্যন্তৰীণ ফলাফলৰ ভিত্তিত হ'ব মূল্যায়ন

### ৩১ জুলাইৰ ভিতৰত ফলাফল

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৮ জুন ঃ** দীৰ্ঘদিনীয়া অপেক্ষা আজি অন্ত পৰিল। বাতিল হ'ল মেট্ৰিক আৰু উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষা। জনতা ভৱনত আজি আছু, নিখিল বড়ো ছাত্ৰ সন্থা, অসম সাহিত্য সভা, বড়ো সাহিত্য সভা, ছেৱা, পৰিষদ, স্বাস্থ্য বিভাগৰ প্ৰতিনিধিৰ সৈতে শিক্ষা মন্ত্ৰী ৰণোজ পেগুৱে অংশগ্ৰহণ কৰা বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ বাবে বৈঠকত বিভিন্ন বিষয়ৰ আলোচনাই স্থান পাইছিল। বিশেষকৈ ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ প্ৰতি লক্ষ্য ৰাখি যাতে শিক্ষাৰ ক্ষেত্ৰত কোনো ক্ষতি নহয়, তাৰ বাবে এই সিদ্ধান্ত গ্ৰহণ কৰে। পৰীক্ষাৰ ■ ৮ পৃষ্ঠাত



# কংগ্ৰেছৰ পৰা হাতবন্ধনমুক্ত ৰূপজ্যোতি

ৰূপজ্যোতিৰ লগতে ১৫০ জনীয়া সতীৰ্থক লৈ দল এৰিলে জুৰি শৰ্মা বৰদলৈয়ে ঃ শীঘ্ৰেই পিন্ধিব গেৰুৱা বসন



## কংগ্ৰেছৰ পৰা হোৱা বিধায়ক পদ ত্যাগ কৰিলে কুৰ্মীয়ে

■ ৰূপজ্যোতি কুৰ্মীয়ে ইমান দিনে দলৰ বিপৰীত সুঁতিৰে কাম কৰি আছিল ঃ প্ৰাক্তন মন্ত্ৰী নিলমণি সেন ডেকা

■ ৰূপজ্যোতি নিষ্ঠাৱান নেতা, আমি একেলগে সাংগঠনিক কাম কৰিছিলোঁ, বিধায়কো হৈছিলোঁ, বিজেপিত যোগদান কৰিলে আমি আদৰণি জনাম ঃ মন্ত্ৰী পীযূষ হাজৰিকা

■ মই বহুত দুখ পাইছোঁ, তাৰ ওপৰত মোৰ বিশ্বাস আছিল, সি মোৰ কনিষ্ঠ পুত্ৰ বুলি কৈ আশীৰ্বাদ লৈছিল ঃ কৃষক নেতা অখিল গগৈৰ মাতৃ

■ কুৰ্মীৰ সিদ্ধান্তক দুৰ্ভাগ্যজনক আখ্যা দলৰ সভাপতি ৰিপুণ বৰাৰ

■ চাৰিবাৰৰ বিধায়ক কুৰ্মীৰ দলত্যাগৰ কাৰণ পৰ্যালোচনা কৰিব কংগ্ৰেছে ঃ বিধায়ক ভৰত নৰহ



## কুৰ্মীৰ দলত্যাগ, কংগ্ৰেছত কম্পন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৮ জুন ঃ** মাত্ৰ পাঁচ বছৰৰ ভিতৰত এটা দলৰ মজিয়াৰ পৰা ইজনৰ পিছত সিজনকৈ নেতাই গুচি যোৱা ঘটনাই এসময়ৰ সৰ্ববৃহৎ ৰাজনৈতিক দল কংগ্ৰেছৰ ভৱিষ্যৎ কি হ'ব এতিয়া পৰ্যালোচনা কৰাৰ সময় আহি পৰিছে। এনে ইংগিতেই দিলে আজি কংগ্ৰেছ দল ত্যাগ কৰা মৰিয়নীৰ চাৰিবাৰৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে। পূৰ্বে মাতৃয়ে প্ৰতিনিধিত্ব কৰা দলৰ পৰাই একেটা ■ ৮ পৃষ্ঠাত

■ বৰ্তমানে দলৰ কৰ্ম-কাণ্ডত অতীষ্ঠ হৈ ত্যাগ কৰাৰ কথা ক'লে মৰিয়নিৰ নেতাজনে ■ সোমবাৰে লখিমপুৰত মুখ্যমন্ত্ৰী শৰ্মাৰ উপস্থিতিত গেৰুৱা বসন পৰিধান কৰিব কুৰ্মীয়ে ■ স্বামীৰ দলত্যাগক সমৰ্থন পত্নী মাঞ্চুৰীয়া বৰদলৈ কুৰ্মীৰ ■ প্ৰদেশ কংগ্ৰেছৰ শীৰ্ষ নেতাৰ প্ৰতিক্ৰিয়া— ৰূপজ্যোতি কুৰ্মীৰ দলত্যাগত কংগ্ৰেছৰ বৃহৎ ক্ষতি

## দল ত্যাগ কৰা ৰূপজ্যোতি কুৰ্মীক কংগ্ৰেছৰ পৰা বহিষ্কাৰ

দলত্যাগৰ কাৰণ বিচাৰি সমষ্টিবাসীৰ সৈতে কথা পাতিবলৈ তিনিজনীয়া সমিতি গঠন— প্ৰাক্তন বিধায়ক ৰাণা গোস্বামীৰ নেতৃত্বত বিধায়ক সুশান্ত বৰগোহাঁই আৰু মনোজ ধানোৱাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৮ জুন ঃ** মৰিয়নীৰ পৰা প্ৰতিনিধিত্ব কৰি বিধায়ক হোৱা ৰূপজ্যোতি কুৰ্মীয়ে আজি কংগ্ৰেছ দলৰ লগতে বিধায়কৰ পদো ত্যাগ কৰে। দল ত্যাগ কৰা ৰূপজ্যোতি কুৰ্মীক আজি কংগ্ৰেছ দলৰ পৰা বহিষ্কাৰ কৰে। দলবিৰোধী কাৰ্য কৰাৰ অভিযোগ তুলি কংগ্ৰেছৰ পৰা বহিষ্কাৰ কৰা ৰূপজ্যোতি কুৰ্মীয়ে সোমবাৰে বিজেপিত যোগদান ■ ৮ পৃষ্ঠাত



## প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ গ'ল দিল্লীলৈ

■ কেন্দ্ৰীয় নেতৃত্বই যথাযথভাৱে ৰাজধানীলৈ মাতিছিল সোণোৱালক ■ শীঘ্ৰেই কৰিবলগীয়া মোদী মন্ত্ৰীসভা সম্প্ৰসাৰণত দায়িত্ব দিব পাৰে সোণোৱালক ■ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পাহৰা নাই অসমৰ মৰমৰ সোণক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৮ জুন ঃ** সন্মুখত থাকিয়ে অসমত নিৰ্বাচনক অৱতীৰ্ণ হৈ বিজেপিক প্ৰথমবাৰৰ বাবে শাসনৰ ৰাজগাদীত বহুওৱা সৰ্বানন্দ সোণোৱালক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী মন্ত্ৰীসভাত স্থান দিব পাৰে। প্ৰথমবাৰৰ বাবে অসমত বিজেপিক শাসনৰ গাদীত বহুৱাবলৈ সক্ষম হোৱা সৰ্বানন্দ সোণোৱালক কেন্দ্ৰীয় নেতৃত্বই অসমৰ মুখ্যমন্ত্ৰী হিচাপে দায়িত্ব অৰ্পণ কৰিছিল যদিও এইবাৰ হৈ যোৱা



বিধানসভাৰ নিৰ্বাচনত দলত সন্মুখৰ পৰা নেতৃত্ব দিছিল যদিও কেন্দ্ৰীয় নেতৃত্বই সোণোৱালৰ বিপৰীতে আন এগৰাকী নেতা হিমন্ত বিশ্ব শৰ্মাকহে মুখ্যমন্ত্ৰীৰ পদত বহুৱায়। এনে সিদ্ধান্ত গ্ৰহণ কৰাৰ পূৰ্বে ৰাজধানী দিল্লীত ভৱিষ্যৎ পন্থা নিৰ্ধাৰণ কৰিছিল তদানীন্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু বৰ্তমানৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক লৈ। সেই সূত্ৰেই আজি কেন্দ্ৰীয় নেতৃত্বই মতাত প্ৰাক্তন ■ ৮ পৃষ্ঠাত

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সৈতে কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে পৰিদৰ্শন কৰিলে সৰুসজাইত নিৰ্মিত ক'ভিড হাস্পতাল

## পুৱাই মা কামাখ্যাৰ আশীৰ্বাদ ল'লে প্ৰতিৰক্ষা মন্ত্ৰী সিঙে



**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৮ জুন ঃ** কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সৈতে সৰুসজাইত ভাৰতীয় প্ৰতিৰক্ষা গৱেষণা সংস্থাৰ সহযোগিতাত ৰাজ্য চৰকাৰে নিৰ্মাণ কৰা ৩০০ বিচনাযুক্ত ক'ভিড হাস্পতালখন পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ সময়ত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে হাস্পতালখনত জটিল ক'ভিড ৰোগত আক্ৰান্ত ৰোগীসকলৰ চিকিৎসাৰ সা-সুবিধাৰ বিষয়ে বিতং বুজ লয়। উল্লেখ্য যে এই ■ ৮ পৃষ্ঠাত

## কাজিৰঙাত বনকৰ্মীয়ে গুলীয়াই হত্যা কৰিলে বনৰজা

■ বন বিভাগৰ তদন্তৰ নিৰ্দেশ ■




**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিবেদক, বোকাখাত, ১৮ জুন ঃ** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ দাঁতিকাষৰীয়া বোকাখাত মহকুমাৰ জাপৰিপথাৰত আজি পুৱা এটা মৃত ঢেঁকীয়াপতীয়া বাঘ উদ্ধাৰ হয়। উল্লেখ্য যে, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কঁহৰা বনাঞ্চলৰ অন্তৰ্গত ভেৰণী বন শিবিৰ ■ ৮ পৃষ্ঠাত

পদব্ৰজে পাহাৰ ভ্ৰমণৰ অন্যতম প্ৰাকৃতিক স্থান বীৰকুছিৰ সু-উচ্চ টাৱাৰ

## অক্সিজেন পাৰ্ক আৰু যোগ চৰ্চা কেন্দ্ৰৰ অন্যতম স্থান

■ উৎপল শইকীয়া

পদব্ৰজে পাহাৰ ভ্ৰমণৰ লগতে প্ৰাকৃতিক নান্দনিক পৰিৱেশৰ আমেজ লোৱা এডোখৰ অতি সুন্দৰ ঠাই। সাম্প্ৰতিক কৰ'নাকেন্দ্ৰিক সময়ত ঠাই ডোখৰ অধিক চৰ্চিত হৈ পৰিছে এই স্থান। নিলাভ পাহাৰৰ সৈতে ঠাই ডোখৰৰ প্ৰাকৃতিক সৌন্দৰ্য, নিৰ্ভেজাল অক্সিজেন ভাণ্ডাৰ, ঠাই ডোখৰত উপলব্ধ পাহাৰীয়া পথটোৰ গাতে লাগি থকা প্ৰকাণ্ড প্ৰকাণ্ড শিল, বালি, নিজৰা, চৰাই-চিৰিকটি, ভিন ভিন পখিলা আৰু দুই কাষে উপলব্ধ সৰু-বৰ বৃক্ষই যিকোনো প্ৰকৃতি প্ৰেমী ব্যক্তিক আকৰ্ষণ কৰাটো নিতান্তই স্বাভাৱিক। সেয়েহে এই পথছোৱা বহুতৰ বাবে আজি বহু দিনৰ পৰাই আকৰ্ষণৰ কেন্দ্ৰ বিন্দু হৈ আহিছে। কেতিয়াবা যদি ঠাণ্ডা দিনত ট্ৰেকিং কৰি দেহাটো কিছু সতেজ কৰিবলৈ, আন কেতিয়াবা আকৌ মে', জুনমহীয়া গা পুৰি যোৱা গৰমৰ দিনটো বহু ব্যক্তি যায় শাৰীৰিক অনুশীলন কৰিবলৈ। ব্যক্তিগতভাৱে আজি কিছু বছৰৰ পৰা পাহাৰীয়া এই পথটিয়েদি খোজকাঢ়িবলৈ যোৱাটো মোৰ বাবে এক অৰ্থত প্ৰায় অভ্যাসতেই পৰিণত হৈছিল। অৱশ্যে ইয়াৰ এটা উদ্দেশ্য নথকাও নহয়। ২০১৪ চনৰ পৰা ২০১৮ চনলৈ ■ ৮ পৃষ্ঠাত



# পলাশবাৰীৰ সৰপাৰাত মাইক্ৰ'ফাইনেন্স ঋণ ৰেহাইক লৈ শতাধিক মহিলাৰ প্ৰতিবাদ



**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ১৮ জুন ঃ** নিৰ্বাচনৰ পূৰ্বে প্ৰভাৱশালী মন্ত্ৰী তথা বৰ্তমানৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছিল মাইক্ৰ'ফাইন্সৰ লোন ৰেহাইৰ কথা। সেই অনুযায়ী নিৰ্বাচনৰ পিছত বিজেপি নেতৃত্বাধীন মিত্ৰজোঁট চৰকাৰ শাসনলৈ অহাৰ পিছত ঋণ মাফ সন্দৰ্ভত কেতবোৰ নিয়মাৱলী ঘোষণাৰ পিছত সম্প্ৰতি ৰাজ্যজুৰি মহিলাসকলৰ মাজত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ৰিজাৰ্ভ বেংক অফ ইণ্ডিয়াৰ নীতি-নিয়মৰ আধাৰত এইবাৰ চৰকাৰখনৰ মন্ত্ৰী অশোক সিংঘালে ঋণ মাফৰ নিয়মাৱলী ঘোষণা কৰিছিল। ফলস্বৰূপে ৰাজ্যৰ বহু গ্ৰামাঞ্চলসমূহৰ আত্মসহায়ক গোট, দুখীয়া-দৰিদ্ৰ পৰিয়ালসকলে লোৱা ঋণ ঘূৰাই দিয়াৰ ক্ষেত্ৰত দেখা দিছে অনিশ্চিয়তা। আজি পলাশবাৰী সমষ্টিৰ সৰপাৰা গাঁৱত এইবাৰ ক্ষোভিত ঋণ লোৱা মহিলাৰ চৰকাৰৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। সমষ্টিটোৰ বৰ্তমানৰ বিধায়ক হেমাংগ ঠাকুৰীয়াৰ হৈ আৰ বি ফিল্ডত নিৰ্বাচনী প্ৰচাৰ সভাত ভাষণ প্ৰসংগত হিমন্ত বিশ্ব শৰ্মাই ঋণ মাফ সন্দৰ্ভত কেতবোৰ মহিলাসকলক উদ্দেশ্যি ৰাজহুৱা ঘোষণা কৰিছিল। মূলতঃ ঋণসমূহ মাফ হ'ব বুলি মুকলিকৈ ঘোষণা কৰিছিল বৰ্তমানৰ মুখ্যমন্ত্ৰীগৰাকীয়ে। সেয়ে নিৰ্বাচনী প্ৰতিশ্ৰুতি দিয়াত সৰপাৰা গাঁৱৰ প্ৰায় দুই শতাধিক মহিলাই আশা কৰি আছিল ঋণ মাফ হ'ব বুলি কিন্তু শেহতীয়াকৈ মন্ত্ৰী অশোক সিংঘালে আৰবিআইৰ নীতি অনুযায়ী ঋণ ৰেহাই সন্দৰ্ভত ঘোষণা কৰা নিয়মাৱলীৰ বিৰুদ্ধে সৰৱ হৈ পলাশবাৰীৰ সৰপাৰাৰ শতাধিক মহিলাই তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিলে।

# আলোপতিত বাল্য বিবাহ, জনসংখ্যা বিস্ফোৰণ আৰু ৰাগিয়াল দ্ৰব্য সেৱনৰ বিৰুদ্ধে সজাগতা সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ১৮ জুন ঃ** দক্ষিণ কামৰূপ জিলাৰ বাঘবৰ সমষ্টিৰ অন্তৰ্গত আলোপতিত আলোপতি ছাত্ৰ সন্থাৰ উদ্যোগত বাল্য বিবাহ, জনসংখ্যা বিস্ফোৰণ আৰু ৰাগিয়াল দ্ৰব্য সেৱনৰ বিৰুদ্ধে এক সজাগতা সভা অনুষ্ঠিত হয়। বৃহস্পতিবাৰৰ আবেলি আলোপতি ছাত্ৰ সন্থাই অনুষ্ঠিত কৰা এই সজাগতা সভাখনত বিষয় তিনিটাৰ ওপৰত বিতংকৈ আলোচনা হয়। যুৱ প্ৰজন্মৰ লগতে সমাজখনক এই তিনি সামাজিক ব্যাধিৰ পৰা কিদৰে ৰক্ষা কৰিব পাৰি তাক লৈও বিভিন্ন জনে মত ব্যক্ত কৰে। আলোপতি ছাত্ৰ সন্থাৰ সভাপতি আৰু অধিবক্তা হান্নানুল আহমেদে পৌৰহিত্য কৰা সভাখনত অৱসৰপ্ৰাপ্ত চিকিৎসক ডাঃ মহম্মদ আলী, লুইতপৰীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জচিম উদ্দিন আহমেদ, ড° জাকিৰ হুছেইন উঃ মাঃ বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ এম, আব্দু মজিদ, বিপিচি কলেজৰ উদ্ভিদ বিজ্ঞান




বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা নগৰবেৰা বিজ্ঞান সমিতিৰ সভাপতি ড° নূৰ আহম হক, লুইতপৰীয়া মহাবিদ্যালয়ৰ প্ৰবক্তা ক্ৰমে-ছামচুল আলম চৰোৱাৰ্দ্দী, আদম আলী, আলোপতি মাজৰচৰ গাঁও পঞ্চায়তৰ সভাপতি চিৰাজুল হকৰ লগতে ৰবিউল হুছেইন, চায়েদ আলী ভুএগ, ৰুকুনউদ্দিন আদি কৰি কেবাগৰাকীকৈ বিশিষ্ট ব্যক্তি উপস্থিত থাকে। আলোপতি ছাত্ৰ সন্থাৰ এনে পদক্ষেপক ভূয়সী প্ৰশংসা কৰিছে সকলোৱে।

## মৰিয়ম আজমল ৰমেঞ্চ কলেজ অফ ছায়েঞ্চ এণ্ড টেকন'ল'জিত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাক স্মৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, হোজাই, ১৮ জুন ঃ** জনতাৰ শিল্পী জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্ম বাৰ্ষিকী উপলক্ষে মৰিয়ম আজমল ৰমেঞ্চ কলেজ অফ ছায়েঞ্চ এণ্ড টেকন'ল'জিৰ ইংৰাজী বিভাগে ১৭ জুনৰ সন্ধিয়া ৫ বজাত গুগল মিটৰ জৰিয়তে শিল্পীগৰাকীক শ্ৰদ্ধা জনোৱাৰ মানস কৰি এক 'সাহিত্যিক বৈঠক' আয়োজন কৰে। এই আলোচনাত শিল্পীগৰাকীৰ সাংস্কৃতিক-ৰাজনৈতিক দিশসমূহৰ চৰ্চাৰ লগতে গীতে-মাতে শ্ৰদ্ধাঞ্জলি জনোৱা হয়। ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক অদিতি ঘোষে আঁতধৰা অনুষ্ঠানটোত মহাবিদ্যালয়খনৰ ছাত্ৰীসকলে আবৃত্তি, ভাষণ আৰু গীত পৰিৱেশন কৰাৰ সমান্তৰালভাৱে অতিথি আলোচক হিচাপে অনুষ্ঠানটোত অংশ লয় আজমল গ্ৰুপ অফ কলেজৰ মহাবিদ্যালয় পৰিদৰ্শক ড° ছামিম চ'ফিকা বেগম, কাজিৰঙা মডেল কলেজৰ সহকাৰী অধ্যাপকদ্বয় ৰেৱত মহন্ত, এন তানমা সিংহ, ইণ্ডিয়ান ইনষ্টিটিউট অফ চাইন্স বাংগালোৰৰ পোষ্ট-ডক্টৰেল ফেল' ড° ডিএছ কোঠাৰী, বৰনগৰ মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ৰাহুল গুপ্তা তথা মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ মুৰব্বী ৰাজীৱ হুছেইন, সহকাৰী অধ্যাপক গৌৰী প্ৰসাদ শৰ্মা, সহকাৰী অধ্যাপক জ্যোতি হাজৰিকা আদিয়ে। আলোচক সদস্যসকলৰ সৈতে, ইংৰাজী বিভাগৰ মুৰব্বী চিন্ময়ী ডেকা, সহকাৰী অধ্যাপক জুনুমণি আহমেদ, ছাইমা বেগম, উপাধ্যক্ষ মুনচিফা ফিৰদৌছ খান বৰভূঞাৰ লগতে মহাবিদ্যালয়খনৰ বিভিন্ন বিভাগৰ অধ্যাপকসকলো উপস্থিত থাকে।

# ওৰাঙত স্বাস্থ্য কৰ্মীৰ ব্যাপক প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ১৮ জুন ঃ** ওদালগুৰি জিলাৰ মাজবাট বিধানসভা সমষ্টিৰ ওৰাং খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু ওৰাং সামূহিক স্বাস্থ্য কেন্দ্ৰৰ উদ্যোগত এই কেন্দ্ৰ দুয়োটাৰ স্বাস্থ্য কৰ্মীসকলে ১৮জুনত ওৰাং স্বাস্থ্য কেন্দ্ৰৰ চৌহদত এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ন কৰে। স্বাস্থ্য কৰ্মীসকলে সমগ্ৰ অসমত স্বাস্থ্য কৰ্মীসকলৰ ওপৰত চলি অহা বৰ্বৰ অত্যাচাৰ, মাৰ ধৰ, নানান ধৰণৰ গালি গালাজ কৰাৰ লোকৰ সংখ্যা দিনক দিনে বাঢ়ি অহাৰ বাবে দেশজুৰি প্ৰতিবাদিত কৰাৰ অংশীদাৰ হৈছে। প্ৰতিবাদ সাব্যস্ত কৰা স্বাস্থ্য কৰ্মীসকলে ব্যক্ত কৰা মতে তেওঁলোকে নিষ্ঠাৰে জনগণৰ স্বাৰ্থত দিন ৰাত একাকাৰ কৰি নিজৰ জীৱনৰ মূল্যৰ কথা কোনো চিন্তা নকৰি, ঘৰ পৰিয়াল এৰি দৈনিক এই মাৰাত্মক কৰ'না কালত সেৱা আগবঢ়াই অহাৰ পিছতো স্বাস্থ্য কৰ্মীসকলৰ ওপৰত একাংশ দুস্কৃতকাৰীয়ে এইদৰে এইদৰে মাৰপিট কৰা অতি লজ্জাজনক বুলি অতি দুখ মনে সদৰী কৰে। কোভিডত সমগ্ৰ দেশ অসুস্থ হৈ থকা সময়ত চিকিৎসক আৰু স্বাস্থ্য কৰ্মি সকলৰ নিৰাপত্তা বিচাৰি ওৰাঙত তীব্ৰ প্ৰতিবাদ চিকিৎসা কৰ্মীসকলৰ। চিকিৎসালয়ত চিকিৎসক



আৰু স্বাস্থ্য কৰ্মীসকলে ক'লা বেজ পৰিধান কৰি চিকিৎসালয়ৰ চৌহদত প্ৰতিবাদ সাব্যস্ত কৰে পুৰা ১০ বজাৰ ১০-৩০ বজালৈ চিকিৎসক আৰু স্বাস্থ্য কৰ্মীৰ নিৰাপত্তা নিশ্চিত কৰা, চিকিৎসা কৰ্মীক আক্ৰমণ কৰা বন্ধ কৰা আদি বিভিন্ন দাবীৰে হাতত প্লেকাৰ্ড লৈ চিকিৎসা কৰ্মীসকলে ক'লা বেজ পৰিধান কৰে। চিকিৎসা চৌহদত প্ৰতিবাদ সাব্যস্ত কৰে চিকিৎসা কৰ্মীসকলে।

# বিধায়ক কৃষ্ণ কমল তাঁতীৰ ভেক্সিনেচন প্ৰক্ৰিয়া কাৰ্যসূচীৰ পৰিদৰ্শন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙাপৰা, ১৮ জুন ঃ** আজি ৰঙাপৰা সমষ্টিৰ বিধায়ক কৃষ্ণ কমল তাঁতীয়ে ৰঙাপৰা অঞ্চলত অনুষ্ঠিত হৈ থকা ভেক্সিনেচন প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰি ব্যৱস্থা প্ৰণালীৰ বুজ লয়। ব্যাপক হাৰত বৃদ্ধি পোৱা ক'ভিড মহামাৰীৰ ভেকচিন প্ৰক্ৰিয়াসমূহ সুচাৰুৰূপে হোৱাৰ বাবে ৰঙাপৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ পৰিদৰ্শন কৰাৰ লগতে ৰঙাপৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত চলি থকা ভেকচিন প্ৰক্ৰিয়া ব্যৱস্থাপ্ৰণালীৰ বিষয়ে বিধায়ক কৃষ্ণ কমল তাঁতীয়ে বুজ লয়। ইপিনে ৰঙাপৰা মাৰোৱাৰী সন্মিলন উদ্যোগত অনুষ্ঠিত ৰেট টেষ্ট আৰু ভেকচিন প্ৰদান কাৰ্যসূচী আজি সুচাৰুৰূপে সম্পন্ন হয়। উল্লেখ্য যে শোণিতপুৰ জিলাত ক'ভিড আক্ৰান্তৰ সংখ্যা বৃদ্ধি হোৱাৰ প্ৰতি লক্ষ্য ৰাখি শোণিতপুৰ জিলাৰ উপায়ুক্ত ভূপেশ চন্দ্ৰ দাসে দুৰ্যোগ ব্যৱস্থাপনা আইন, ২০০৫ৰ অধীনত প্ৰদত্ত ক্ষমতা প্ৰয়োগৰে পৌৰ এলেকাৰ অধীনৰ সকলো ব্যৱসায়িক প্ৰতিষ্ঠানৰ গৰাকী, দোকানী, পেট্ৰ'ল পাম্পৰ কৰ্মচাৰী, ব্যৱসায়িক প্ৰতিষ্ঠানৰ কৰ্মচাৰী আৰু অন্যান্য জড়িত কৰ্মচাৰীৰ অহা সাত দিনৰ ভিতৰত ৰেট পৰীক্ষা কৰাতো বাধ্যতামূলক কৰিছে। যাতে সময়ত দোকানী দোকানৰ গৰাকীয়ে পৰিদৰ্শনকাৰী দলক ৰেট পৰীক্ষাৰ ফলাফল নিগেটিভ হোৱাৰ প্ৰমাণপত্ৰ প্ৰদৰ্শন কৰিব লাগিব। এই ক্ষেত্ৰত জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালকৰ সংশ্লিষ্ট চক্ৰ বিষয়াৰ লগত মিলি নিৰ্দিষ্ট বজাৰ এলেকাত বিশেষ ৰেট পৰীক্ষা শিবিৰ আয়োজন কৰিবলৈ উপায়ুক্তগৰাকীয়ে নিৰ্দেশ দিয়াৰ সময়ত ৰঙাপৰাৰ অন্যতম স্বেচ্ছাসেৱী বেচৰকাৰী সংগঠন মাৰোৱাৰী সন্মিলনিৰ ৰঙাপৰা শাখাই যোৱা ১৫ জুন তাৰিখৰ পৰা আজিলৈকে নগৰখনৰ প্ৰায় পাঁচ শতাধিক লোকক নিজা উদ্যোগত ইয়াৰে কমলা ভৱনত ৰেট টেষ্ট কৰায় আৰু আজি আগৰৱাল ভৱনত ১১৫ গৰাকী ব্যক্তিক ভেকচিন প্ৰদান কৰে। তাৰে ৬ গৰাকী ব্যক্তিৰ দেহত কৰ'না ধৰা পৰে। এই অনুষ্ঠানত সন্মিলনৰ স্বেচ্ছাসেৱী সদস্য ৰাজেশ পাটোদিয়া, পৱন পাৰিক, মনিষ টায়েল, কিষান পাৰিক, সুভাষ দও, আদি ব্যক্তি সকলে সম্পুৰ্ন কভিড নিয়ম পালন কৰি স্বেচ্ছা সেৱা আগবঢ়াই জিলা প্ৰশাসনক তেওঁলোকৰ সংগঠনক ভেকচিন প্ৰদানৰ দায়িত্ব দিবলৈ আহ্বান জনায়।

# ডেকাচাঙত বিধ্বস্ত পকী পথ মেৰামতিৰ দাবীত অসম মিঞা পৰিষদৰ উত্তাল প্ৰতিবাদ



**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ১৮ জুন ঃ** কামৰূপৰ বকো সমষ্টিৰ অন্তৰ্গত সোনতলীৰ নতুন কাঠমীৰ পৰা ডেকাচাঙলৈ যোৱা বিধ্বস্ত পকী পথটো মেৰামতিৰ দাবীত অসম মিঞা পৰিষদ আৰু ৰাইজৰ সহযোগত পুখুৰী সদৃশ পথত ধান ৰুই তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদীসকলে হাতে হাতে প্লেকাৰ্ড আৰু ধানৰ কঠিয়া ৰুই বিধ্বস্ত পকী পথটো মেৰামতি কৰক, অসম চৰকাৰ হায় হায়, গড়কাপ্তানী বিভাগ হায় হায়, স্থানীয় জনপ্ৰতিনিধি হায় হায়, আমাৰ দাবী মানিবই লাগিব আদি শ্লোগানেৰে পৰিৱেশ উত্তাল কৰি তোলে। প্ৰতিবাদী কাৰ্যসূচীত উপস্থিত থাকি অসম মিঞা অসমীয়া পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক এম মুক্তাৰ মণ্ডলে চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষক সমালোচনা কৰি কয় যে বিভাগীয় কৰ্তৃপক্ষৰ গাফিলতি আৰু অৱহেলাৰ বাবে বিগত আঠ বছৰ ধৰি বিধ্বস্ত হৈ থকা পকী পথটো মেৰামতি কৰাৰ বাবে কোনোধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰিলে। যাৰ কাৰণে পকী পথটো এনেদৰে বিধ্বস্ত হৈছে ডাঙৰ ডাঙৰ দ' গাত পুখুৰী সদৃশ হৈছে, গাড়ী মটৰ দূৰৰ কথা সাধাৰণ পথচাৰীসকলে খোজ কাঢ়ি যাব নোৱাৰে পথছোৱাৰে। এই বিষয়ে স্থানীয় বিধায়িকা নন্দিতা দাসক বহুবাৰ আবেদন কৰা হৈছে যদিও একো ফল নাপালে। দুৰ্ভাগ্যজনকভাৱে বিধায়িকা নন্দিতা দাসে চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষক অৱগত কৰিছে যদিও বিৰোধী দলৰ বিধায়িকা হিচাপে বিভাগীয় কৰ্তৃপক্ষই গুৰুত্ব আৰোপ নকৰাত নন্দিতা দাস ব্যৰ্থ বিধায়িকা হিচাপে প্ৰমাণিত হৈছে বুলি এম মুক্তাৰ মণ্ডলে তীব্ৰ সমালোচনা কৰে। অচিৰেই বিধ্বস্ত পকী পথটো মেৰামতি কৰিবলৈ চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষক দাবী জনায়।

## মাৰৈ বিজুলীবাৰী সাহিত্য সভা আৰু চিএছচি অৰুণোদয় কেন্দ্ৰ মাৰৈ উদ্যোগত ক'ভিডৰ সজাগতা সভা-পদযাত্ৰা

**দৈনন্দিন বাৰ্তাৰ সেৱা, দুমুনিচকী, ১৮ জুন ঃ** সময়ৰ প্ৰতি লক্ষ্য ৰাখি ছিপাঝাৰৰ মাৰৈ গাঁৱত এখনি ক'ভিডৰ সজাগতা সভাৰ লগতে পদযাত্ৰাৰ এক কাৰ্যসূচী অনুষ্ঠিত হয়। কমন চাৰ্ভিছ চেণ্টাৰ অৰুণোদয়ৰ পৰিচালক নজৰুল হকৰ সহযোগত মাৰৈ বিজুলীবাৰী সাহিত্য সভাৰ উদ্যোগত অনুষ্ঠিত হয় এই সজাগতা অনুষ্ঠান। গাঁওখনৰ প্ৰত্যেকটো চুবুৰীত পদযাত্ৰা কৰাৰ অনুষ্ঠানত সংগ দিয়ে অঞ্চলটোৰ ৰাইজে। এই কাৰ্যসূচীত CSC Darrangৰ জিলা পৰিচালক মিতুল ডেকা আৰু জিলা সমন্যয়ক প্ৰণৱ কুমাৰ ডেকা, চিএছচি মাৰৈৰ পৰিচালক নজৰুল হকৰ লগতে মাৰৈ বিজুলীবাৰী সাহিত্য সভাৰ সভাপতি, চাহজমাল হক, সম্পাদক মনোজ আলি, সাংবাদিক এম হাফিজ আলি লগতে বিশিষ্ট নাগৰিকসকলৰ লগতে স্থানীয় পঞ্চায়ত প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে আৰু সমগ্ৰ গাঁওখনত পদযাত্ৰা কৰি গাঁওবাসীৰ মাজত সজাগতা অনাৰ চেষ্টা কৰে। আজিকালি বহুতে পুৰণি পৰম্পৰা অৱলম্বন কৰিছে জ্বৰ হ'লে লগে লগে যন্দিজ হোৱা বুলি অনুভৱ কৰি গাঁও অঞ্চলত থকা ওজাৰ ওচৰত লৈ যায়। যাৰ ফলত বহু লোক মৃত্যুমুখত পৰিব লগা হয় আৰু বৰ্তমানেও বহু লোকৰ উদাহৰণ দেখা যায় বুলি উল্লেখ কৰে সাংবাদিক এম হাফিজ আলীয়ে।

দক্ষিণ শালমাৰা আৰু ফকিৰগঞ্জ আৰক্ষীৰ যৌথ অভিযান

# বৃহৎ পৰিমাণৰ নিচাজাতীয় টেবলেটসহ দুজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ



**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ১৯ জুন ঃ** দক্ষিণ শালমাৰা আৰু ফকিৰগঞ্জ আৰক্ষীৰ যৌথ যৌথভাৱে ফকিৰগঞ্জ বজাৰত অভিযান চলাই বৃহৎ পৰিমাণৰ নিচাজাতীয় টেবলেট জব্দ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে জব্দ কৰা নিচাজাতীয় টেবলেটৰ পৰিমাণ ৫৭৬ টা। এই নিচাজাতীয় টেবলেটখিনি বিক্ৰী কৰি থকা সময়তে আৰক্ষীয়ে হাতেলোটে জব্দ কৰিবলৈ সক্ষম হয় লগতে আৰক্ষীয়ে ৰাজিব হোচেইন (২৫) আৰু আবেদ আলী (২৭) নামৰ দুজন ব্যক্তিক কৰায়ত্ত কৰে। উক্ত ঘটনাক কেন্দ্ৰ কৰি অঞ্চল জুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হোৱা পৰিলক্ষিত হয়।

## মাইক্ৰ'ফাইনেন্স গ' বেক, মাইক্ৰ'ফাইনেন্সৰ মেনেজাৰ গ' বেক ধ্বনিৰে উত্তাল যোৰহাট

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোৰহাট, ১৮ জুন ঃ** মাইক্ৰ'ফাইনেন্সৰ ঋণ ৰেহাই সন্দভত চৰকাৰে মাইক্ৰ'ফাইনেন্সৰ ঋণৰ ৰেহাই বাবে এখন প্ৰস্তুতি সমিতি গঠন কৰি দিয়াৰ পাছত সমিতি য়ে ৰেহাই সন্দভত কিছুমান চৰ্ত আৰোপ কৰিছিল সেই চৰ্তবোৰ সৰহসংখ্যক মহিলায় মানি ল'বলগীয়া হ'লেই তেওঁ লোকৰ ঋণ মাফ নহয়। ইয়াৰ প্ৰতিবাদ যোৰহাট জিলা তো অব্যাহত আছে। যোৰহাট জাগ্ৰত মহিলা সমিতিয়ে প্ৰতিবেদন প্ৰস্তুতি সমিতি ঘোষণা কৰাৰ পাছৰ পৰাই মানি নল'বলৈ আহ্বান জনাই আছে। ইয়াৰ প্ৰতিবাদকল্পে কালি লাহিংগাঁও পঞ্চায়তৰ প্ৰায় দুই শতাধিক মহিলাই মাইক্ৰ'ফাইনেন্স হুছিয়াৰ, মাইক্ৰ'ফাইনেন্সৰ মেনেজাৰৰ দাদাগিৰি নচলিব আদি ধ্বনি দি প্ৰায় এক ঘণ্টা পৰিবেশ উত্তাল কৰে। মুখ্যমন্ত্ৰীয়ে বিষয়টো বিবেচনা কৰিবলৈ আহ্বান জনাইছে।

# বোকাখাত আঞ্চলিক ছাত্ৰ সন্থাৰ মহকুমা ভিত্তিত অনলাইন চিত্ৰাংকন প্ৰতিযোগিতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বোকাখাত, ১৮ জুন ঃ** বোকাখাত আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত ৰাভা দিৱস উপলক্ষে মহকুমা ভিত্তিত অনলাইন চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। চিত্ৰাংকনৰ বিষয়সমূহ হ'ল— 'ক' শাখা - বিলতে হালিছে ধুনীয়া পদুমী, 'খ' শাখা - কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ প্ৰতিচ্ছবি। প্ৰতিযোগিতাখনি দুটা শাখাত অনুষ্ঠিত হ'ব। 'খ' শাখা নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ আৰু চিত্ৰ সমূহ পি ডি এফ আকাৰত ৱাটচ্ এপযোগে প্ৰেৰণ কৰিব লাগিব। চিত্ৰসমূহৰ লগতে নিজৰ নাম, শ্ৰেণী, বিদ্যালয়ৰ নাম, ঠিকনা আদি দিব লাগিব চিত্ৰসমূহ প্ৰেৰণৰ অন্তিম তাৰিখ ১৯ জুন, ২০২১ তাৰিখৰ ভিতৰত দিব লাগিব বুলি বোকাখাত আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি চিন্ময়জ্যোতি শৰ্মাই জানিবলৈ দিছে। দুটা শাখাৰ বিজয়ী প্ৰতিযোগীসকলক মানপত্ৰ আৰু পুৰস্কাৰ প্ৰদান কৰা হ'ব। সবিশেষ জানিবলৈ ৭০০২৯২৭৪০৮, ৯৩৬৫০০৩৬০৯ নম্বৰ সমূহলৈ যোগযোগ কৰিবলৈ কোৱা হৈছে।

# বৰপেটাত সাৰ-কীটনাশকৰ খুচুৰা বিক্ৰেতাক লৈ কৃষি বিভাগৰ সজাগতা সভা

## নীতি-নিয়মৰ মাজেৰে বৈধভাৱে ব্যৱসায় কৰিবলৈ উপায়ুক্তৰ আহ্বান



**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা আৰু ভক্তৰডবা, ১৮ জুন ঃ** বৰপেটা জিলাৰ সাৰৰ খুচুৰা বিক্ৰেতা সকলক নিজৰ অনুজ্ঞাপত্ৰ নৱীকৰণ কৰাৰ লগতে ডিজিটেল লেনদেনৰ বাবে পোছ মেচিন অনিৰ্বায্যভাৱে ব্যৱহাৰ কৰিবলৈ আহ্বান জনাইছে জিলা উপায়ুক্ত তেজ প্ৰসাদ ভূচালে। আজি বৰপেটাৰ জিলা গ্ৰামীণ বিকাশ অভিকৰণৰ সভাকক্ষত অনুষ্ঠিত সাৰ বিক্ৰেতাসকলৰ এখন সভাত অংশগ্ৰহণ কৰি উপায়ুক্তগৰাকীয়ে এইদৰে কয়। তেওঁ কয় যে সাৰ, কীটনাশক দ্ৰব্য, বীজ আদিৰ ব্যৱসায়টো হৈছে আমাৰ দেশৰ খাতিখোৱা কৃষক আৰু কৃষি অৰ্থনীতিৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত। সেয়ে এই ব্যৱসায় বৈধভাৱে নীতি-নিয়মৰ মাজেৰে কৰিবলৈ তেওঁ আহ্বান জনায়। সভাত অতিৰিক্ত উপায়ুক্ত নৱজিৎ পাঠক, জিলা কৃষি বিষয়া অৰুণ চন্দ্ৰ হাজৰিকা আৰু মহকুমা কৃষি বিষয়া পৰীক্ষিত বায়নে বিক্ৰেতা সকলক পালন কৰিবলগীয়া নীতি-নিয়মসমূহৰ বিষয়ে বুজাই কয়। জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাই জনোৱা মতে বৰপেটা জিলাত সাৰ, কীটনাশক দ্ৰব্য আৰু বীজৰ ১৭২ জন খুচুৰা বিক্ৰেতা আৰু ১৬ জন পাইকাৰী বিক্ৰেতা আছে। তেওঁলোকৰ মাজৰ ১৬খন খুচুৰা বিক্ৰেতাৰ দোকান অনুজ্ঞাপত্ৰ নবীকৰণ নকৰা আৰু পোছ মেচিনৰ জৰিয়তে লেন-দেন নকৰাৰ অভিযোগত উপায়ুক্তৰ নিৰ্দেশত অলপতে বন্ধ কৰি দিয়া হয়। সেয়েহে বাকী সকলকৰ মাজতো সজাগতা সৃষ্টিৰ উদ্দেশ্যে জিলা উপায়ুক্তৰ পৰামৰ্শক্ৰমে আজি এই সভাখন অনুষ্ঠিত কৰা হয় বুলি জনসংযোগ বিষয়াই জনাইছে। সভাত জিলাখনৰ প্ৰায় সকলো সাৰ-কীটনাশক বিক্ৰেতাই অংশগ্ৰহণ কৰে। সকলোকে অহা চাৰি সপ্তাহৰ ভিতৰত অনুজ্ঞাপত্ৰ নবীকৰণ, মেচিন সংস্থাপন, পৰিচয় নম্বৰ সংগ্ৰহ আদি বিভাগীয় সকলো নিৰ্দেশনা কাৰ্য ৰূপায়ন কৰিবলৈ নিৰ্দেশ দিয়া হয়।

# ইটাখোলাত তিনিদিন পূৰ্বে সংঘটিত নৃশংস হত্যাকাণ্ডৰ মূল অভিযুক্তক আটক



**দৈনন্দিন বাৰ্তাৰ সেৱা, ইটাখোলা, ১৮ জুন ঃ** ড্ৰাগছৰে জড়িত চতিয়াৰ ইটাখোলাৰ যুৱকৰ হত্যাকাণ্ডই অঞ্চলজুৰি শোকৰ ছাঁ পেলোৱা ঘটনাৰ মূল অভিযুক্তক আজি আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হয়। যোৱা ১৫ জুনত ইটাখোলাৰ মনাইত উদ্ধাৰ হোৱা দেহৰ বহু অংশত চোকা অস্ত্ৰৰ আঘাতৰ চিন থকা ২ নং ইটাখোলাৰ সঞ্জীৱ শইকীয়া (২৩) নামৰ যুৱক জনৰ মৃতদেহ। ইয়াৰ পিছতে চতিয়া চক্ৰ আৰক্ষী বিষয়া দীলিপ বনিয়াৰ নেতৃত্বত চতিয়া আৰু ইটাখোলাৰ আৰক্ষীয়ে চলাইছিল ঘটনাৰ তদন্ত। আজি পুৱতি নিশা ঘটনাৰ মূল অভিযুক্তক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয় আৰক্ষীয়ে। ধৃত হত্যাকাৰীৰ নাম নিৰ্মল কুৰ্মী। আৰক্ষীৰ জেৰাত হত্যাকাণ্ড সংঘটিত কৰাৰ কথা স্বীকাৰ কৰিছে নিৰ্মলে। উল্লেখ্য যে আৰক্ষীয়ে সন্দেহ কৰা অনুসৰি উক্ত হত্যাকাণ্ড বৰ্তমান ৰাজ্যজুৰি প্ৰশাসনে চলাই অহা ড্ৰাগছ বিৰোধী অভিযানৰ লগত নিশ্চিত ভাবে জড়িত। সেয়েহে আৰক্ষীয়ে উক্ত হত্যাকাণ্ডৰ জোৰদাৰ তদন্ত আৰম্ভ কৰিছিল। হত্যাকাণ্ডটি সংঘটিত কৰা হত্যাকাৰীয়ে আগধন লৈ মৃত সঞ্জীৱক ড্ৰাগছ যোগান ধৰিব নোৱাৰাৰ বাবেই সংঘটিত কৰা বুলি উল্লেখ কৰে। আৰক্ষীয়ে হত্যাকাৰী নিৰ্মলৰ পৰা হত্যাকাণ্ডত ব্যৱহাৰ কৰা এখন দা উদ্ধাৰ কৰে।

# গোসাইগাঁৱৰ তুলসীবিলত ধৰ্ষণৰ বলি হৈ আত্মহত্যা

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাঁইগাঁও, ১৮ জুন ঃ** কোকৰাঝাৰ জিলাৰ গোসাইগাঁৱৰ মহকুমাৰ তুলসীবিল আৰক্ষী চকীৰ অন্তৰ্গত কুমগুৰী গাঁৱৰ এগৰাকী ছোৱালী ধৰ্ষণৰ বলি হৈ আত্মহত্যা কৰা ঘটনাই চাঞ্চল্যৰ সৃষ্টি হৈছে। প্ৰাপ্ত বাতৰি মতে জামাল প্ৰধানীৰ ১৯ বছৰীয়া কন্যা নূছতাৰা বেগমে হাৰভাংগা গাঁৱৰ লতিফ আলীৰ পুত্ৰ খয়বৰ আলীৰ সৈতে প্ৰেমৰ সম্পৰ্ক আছিল। প্ৰেমক যুগ্মজীৱনৰ ৰূপ দিয়াৰ বাবে প্ৰেম-প্ৰেমিকাই যোৱা দহ জুনৰ ৰাতি পলায়ন কৰি বিবাহ হোৱাৰ বাসনা লৈ ওলাই আহে যদিও কুমগুৰী গাঁৱৰ প্ৰায়ত আব্দুল ওহাৱৰ পুত্ৰ বাদশা শ্বেখ (৪৫)য়ে নছতাৰা আৰু খয়বৰ আলীক ৰাস্তাত আগভেটি ধৰি খয়বৰক মাৰধৰ কৰি খেদি নূছতাৰাক ধৰ্ষণ কৰি পথাৰত পেলাই থৈয় আহি নূছতাৰা বেগমৰ পৰিয়ালক বাদশা শ্বেখেই কয় যে আপোনাৰ ছোৱালী পথাৰত পৰি আছে। পৰিয়ালৰ লোকে লগে লগে গাঁৱৰ মানুহ আৰু আৰক্ষীক অৱগত কৰাত আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ ছোৱালীজনীক উদ্ধাৰ কৰি মৰনোত্তৰ পৰিক্ষাৰ বাবে কোকৰাঝাৰলৈ প্ৰেৰণ কৰে। উল্লেখ যে ধৰ্ষণৰ সৈতে জড়িত বাদশা শ্বেখ আৰু খয়বৰ আলীক তুলসীবিল আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি কোকোৰাঝাৰ জেল হাজোতলৈ প্ৰেৰণ কৰে।

# ধুবুৰী জিলাৰ নয়াহাটত এ টি এম চোৰ আটক

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ১৮ জুন ঃ** আজি দিনৰ এঘাৰমান বজাত ধুবুৰী জিলাৰ নয়াহাট বজাৰত থকা এছ বি আই গ্ৰাহক সেৱা কেন্দ্ৰ এটাত টকা উঠাবলৈ গৈ বিপদত পৰিল এগৰাকী এ টি এম চোৰ। ঘটনাৰ বিৱৰণী মতে ফকিৰগঞ্জ আৰক্ষী চকীৰ অন্তৰ্গত শিৰেৰ আলগা গাঁৱৰ নাছিৰউদ্দিনৰ ৩৯ বছৰীয়া পুত্ৰ জয়নাল আবেদিনে দীৰ্ঘদিন ধৰি অসাধু উপায়ে এ টি এম চুৰি কাৰ্য সংঘটিত কৰি আহিছে। আজি নয়াহাট বজাৰস্থ আবু চৈয়দ ছামছুছ জামানৰ গ্ৰাহক সেৱা কেন্দ্ৰলৈ আহে আৰু অনিতা ব্ৰহ্মৰ নামিয় এ টি এম কাৰ্ড এখনেৰে নগদ দহ হেজাৰ টকা উঠাবলৈ বিচাৰে। গ্ৰাহক সেৱা কেন্দ্ৰৰ সত্বাধিকাৰীজনৰ সন্দেহ ওপজাত পৰিচয় পত্ৰ বিচৰাত চোৰজনে দৌৰি পলাবলৈ চেষ্টা চলায়। ৰাইজে খেদি খেদি চোৰ জনক আটক কৰি নয়াহাট আৰক্ষী চকীত চমজাই দিয়ে বুলি জানিব পৰা গৈছে। ইতিমধ্যে চোৰ জনৰ পৰা আৰক্ষীয়ে ১৪ টা এ টি এম কাৰ্ড আৰু এখন মটৰ চাইকেল জব্দ কৰা বুলি জানিব পৰা গৈছে।

## ৰাশিফলত আজিৰ দিনটো

**৪ আহাৰ, শনিবাৰ, ১৯ জুন, ১৪২৮ ভাস্কৰাব্দ তিথি ঃ শুক্লা অষ্টমী, নক্ষত্ৰ ঃ উত্তৰফাল্গুনী, জন্ম ৰাশি ঃ কন্যা**

**সূৰ্যোদয়- ৪-৪০-৪৬, সূৰ্যাস্ত- ৬-৬-২১**



■ **মেষ ঃ** চিন্তা-ভাৱনা ■ **বৃষ ঃ** উকীলৰ সুনাম ■ **মিথুন ঃ** সাহিত্য সেৱা ■ **কৰ্কট ঃ** গৃহ ঋণ ■ **সিংহ ঃ** উচিত চিন্তাধাৰা ■ **কন্যা ঃ** সৃজনীশীল মন ■ **তুলা ঃ** বিবাহৰ আলোচনা ■ **বৃশ্চিক ঃ** মনত ভয় ■ **ধনু ঃ** মনৰ আশা পূৰণ ■ **মকৰ ঃ** অৰ্থ খৰছ ■ **কুম্ভ ঃ** নতুন গৃহ ■ **মীন ঃ** বন্ধু লাভ।

# আন্তৰ্জাতিক যোগ দিৱস উপলক্ষে ভাৰতীয় ডাক বিভাগৰ দ্বাৰা গোটেই দেশজুৰি ৮শ ঠাইত বিশেষ কেঞ্চেলেশ্বন ষ্টাম্প উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ১৮ জুন ঃ** ২১ জুনত অনুষ্ঠিত হ'বলগীয়া সপ্তম বিশ্ব যোগ দিৱস চিৰস্মৰণীয় কৰি তুলিবৰ বাবে ভাৰতীয় ডাক বিভাগে বিশেষ কেঞ্চেলেশ্বন ষ্টাম্প উন্মোচন কৰিব। গোটেই দেশজুৰি ৮১০খন প্ৰধান ডাকঘৰত এই বিশেষ চিত্ৰ সম্বলিত কেঞ্চেলেশ্বন ষ্টাম্প উন্মোচন কৰাৰ লগে লগে ভাৰতীয় ডাক বিভাগৰ ইতিহাসত ফিলাটেলিক ষ্টাম্প উন্মোচনৰ এক অন্যতম বৃহৎ কাৰ্য্যসূচীৰূপে পৰিগণিত হ'ব। ২১ জুনত ভাৰতবৰ্ষৰ সকলো প্ৰধান ডাকঘৰত বুকিং আৰু বিলি হ'বলগীয়া মেইলসমূহত উক্ত কেঞ্চেলেশ্বন ষ্টাম্পৰ ছাপ মৰা হ'ব। উল্লেখযোগ্য যে আন্তৰ্জাতিক যোগ দিৱস উপলক্ষে বিশেষ চিত্ৰ সম্বলিত ডিজাইনৰ এই কেঞ্চেলেশ্বন ষ্টাম্প বনোৱা হৈছে আৰু হিন্দী আৰু ইংৰাজী ভাষা ব্যৱহাৰ কৰা হৈছে। আনহাতে কেঞ্চেলেশ্বন মানে হৈছে এক বিশেষ ডাক চিন আৰু যিকোনো ডাক টিকটত এবাৰ ছাপ মৰাৰ পিছত ইয়াক পুনৰ ব্যৱহাৰ কৰিব নোৱাৰি। সেইবাবে কেঞ্চেলেশ্বন ষ্টাম্পসমূহ মূল্যবান সংগ্ৰহ আৰু ফিলাটেলিক অধ্যয়নৰ বিষয়বস্তু ৰূপে পৰিগণিত হৈ আহিছে। বিগত বৰ্ষসমূহত ডাক টিকট সংগ্ৰহৰ ধাৰা ক্ৰমাৎ নিম্নগামী হোৱা দেখা হৈছে আৰু ইয়াক পুনৰোজ্জীৱিত কৰিবৰ বাবে ভাৰতীয় ডাক বিভাগে ফিলাটেলিষ্ট সকলৰ বাবে আঁচনি প্ৰস্তুত কৰিছে। মাত্ৰ দুশ টকাৰ বিনিময়ত যিকোনো প্ৰধান ডাকঘৰত ফিলাটেলিক ডিপোজিট একাউণ্ট খুলি ফিলাটেলিক ষ্টাম্প আৰু বিশেষ ক'ভাৰসমূহ সংগ্ৰহ কৰিব পাৰি। গোৱালপাৰা ডাক সংমণ্ডলৰ অধীনস্থ কোকৰাঝাৰ আৰু ধুবুৰী প্ৰধান ডাকঘৰত ফিলাটেলিক ডিপোজিট একাউণ্ট খোলাৰ ব্যৱস্থা আছে। যোগ আৰু আন্তৰ্জাতিক যোগ দিৱস, ফিলাটেলিৰ বাবে বিগত সময়চোৱাত বৰ জনপ্ৰিয় অধ্যয়নৰ বিষয়বস্তু হৈ পৰিছে। ২০১৫ চনৰ আন্তৰ্জাতিক যোগ দিৱসৰ দিনা ভাৰতীয় ডাক বিভাগে দুটা বিশেষ ডাক টিকট আৰু মিনিয়েচাৰ শ্বীট প্ৰৱৰ্তন কৰে। ২০১৬ চনত দ্বিতীয় আন্তৰ্জাতিক যোগ দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে সূৰ্য নমস্কাৰৰ উপৰত ডাক টিকট উন্মোচন কৰে। ২০১৭ চনত ৰাষ্ট্ৰসংঘৰ ডাক প্ৰশাসনে আন্তৰ্জাতিক যোগ দিৱস উপলক্ষে দহটা যোগ আসনৰ উপৰত নিউয়ৰ্কত ডাক টিকট উন্মোচন কৰে। যোৱা ছটা বছৰে বিশ্বৰ ভিন্ন প্ৰান্তত যোগ দিৱস পালন কৰি অহা হৈছে। ভাৰততো বহু অনিন্দ্য সুন্দৰ ছবিৰ প্ৰদৰ্শনেৰে অনন্য ৰূপত যোগ দিৱস পালন কৰি অহা হৈছে। তাৰে ভিতৰত ভাৰতীয় সেনা বিষয়াসকলে হিমালয়ৰ বৰফাবৃত ঠাইত কৰা মনোমোহা যোগৰ দৃশ্য, ভাৰতীয় নৌ সেনাৰ অধিকাৰী আৰু জোৱানসকলে সেৱানিবৃত 'আই এন এছ বিৰাট' আৰু ছাবমেৰিন 'সিন্ধুৰত্ন'ত কৰা দুঃসাহসিক যোগৰ দৃশ্য, যোগ দিৱস বতৰাৰে বালিৰ ভাস্কৰ্যৰ দৃশ্য অন্যতম। ভাৰতীয় ডাক বিভাগে ফিলাটেলি আঁচনিৰ জৰিয়তে বহু বিচিত্ৰভাৱে পালন কৰা যোগ দিৱস উদ্‌যাপনৰ দৃশ্য ধৰি ৰখাৰ বাবে প্ৰয়াস কৰি আহিছে। ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই ২০১৪ চনৰ ১১ ডিচেম্বৰত গৃহীত এক প্ৰস্তাৱনা অনুসৰি প্ৰতিবছৰে ২১জুন তাৰিখে আন্তৰ্জাতিক যোগ দিৱস ৰূপে পালন কৰা হ'ব বুলি ঘোষণা কৰে। তেতিয়াৰ পৰা গোটেই বিশ্বজুৰি ক্ৰমবৰ্দ্ধমান প্ৰতিযোগীৰ অংশগ্ৰহণেৰে এই যোগ দিৱস পালন কৰা হৈছে। ২১জুনত ধুবুৰী প্ৰধান ডাকঘৰত যোগ দিৱস পালন কৰা হ'ব। এই উপলক্ষে ধুবুৰীস্থ গোৱালপাৰা ডাক সংমণ্ডলৰ দ্বাৰা বিশেষ কেঞ্চেলেশ্বন ষ্টাম্প উন্মোচন কৰা হ'ব। তদুপৰি ক'ভিডসৃষ্ট পৰিবেশৰ বাবে এইবেলি যোগ দিৱস উদ্‌যাপন সীমিত আকাৰত কৰা হ'ব। 'যোগৰ সৈতে ঘৰতে থাকক' এই বিষয়ৰ উপৰত বাস্তৱিকৰূপত এই দিৱসৰ পালন কৰা হ'ব লগতে অনলাইন যোগেদি ডাক বিভাগৰ বিষয়া তথা কৰ্মী আৰু তেওঁলোকৰ পৰিয়ালবৰ্গই যাতে অংশগ্ৰহণ কৰিব পাৰে তাৰ ব্যৱস্থা কৰা হৈছে।

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

১৯ জুন, ২০২১ ■ শনিবাৰ ■ গুৱাহাটী ■ ৪ আহাৰ ১৯৪৩ শক





ৰাজ্যপাল জগদীশ মুখীৰ সৈতে প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, গুৱাহাটীত

## কামৰূপৰ ক'ভিড পৰিস্থিতি সন্দৰ্ভত পৰ্যালোচনা জিলা উপায়ুক্তৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৮ জুন ঃ** কামৰূপ জিলাত বৰ্তমান ক'ভিড পৰিস্থিতি সন্দৰ্ভত পৰ্যালোচনা কৰাৰ অৰ্থে আজি জিলা উপায়ুক্তৰ কাৰ্যালয় সভাকক্ষত উপায়ুক্ত কৈলাশ কাৰ্তিকৰ সভাপতিত্বত আজি এক পৰ্যালোচনা সভা অনুষ্ঠিত হয়। জিলা স্বাস্থ্য বিভাগৰ দায়িত্বত থকা অতিৰিক্ত উপায়ুক্ত প্ৰশান্ত প্ৰতীম কাঠকটীয়া, যুটীয়া সঞ্চালক ডাঃ গুণ গোবিন্দ দেৱ শৰ্মা, জিলা প্ৰতিষেধক বিষয়া ডাঃ যুগল দাসকে ধৰি স্বাস্থ্য বিভাগ আৰু ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ বিষয়ববীয়াসকল আৰু জিলা আয়ুক্তসকলৰ উপস্থিতিত অনুষ্ঠিত হোৱা এই পৰ্যালোচনা সভাত কামৰূপ জিলাত যোৱা ১৫ দিনত ক'ভিড-১৯ৰ সংক্ৰমণ, পজিটিভ ৰোগীৰ পৰিচৰ্যা, প্ৰাতিষ্ঠানিক আছুতীয়াকৰণ, প্ৰতিষেধক প্ৰদান আদি সম্পৰ্কত পৰ্যালোচনা কৰা হয়। উল্লেখযোগ্য যে জিলাখনত বৰ্তমানলৈ ক'ভিড-১৯ত আক্ৰান্ত ১৪,৭০৭গৰাকী ৰোগীৰ ভিতৰত ১৩,৩৪৮ গৰাকী ইতিমধ্যে সুস্থ হৈ উঠিছে আৰু ১,৩৫৯ গৰাকী চিকিৎসাধীন হৈ আছে। এনেদৰে জিলাখনত বৰ্তমানলৈ ক'ভিড ৰোগী সুস্থ হোৱাৰ হাৰ ৯০.৭৬ শতাংশ হৈছেগৈ। আনহাতে এই মহামাৰীত জিলাখনত এতিয়ালৈ ২৬৫ গৰাকী লোক মৃত্যুমুখত পৰিছে। ইয়াৰ ভিতৰত যোৱা ১৫ দিনৰ ভিতৰত ২৬ গৰাকী লোকৰ মৃত্যু হয়। জিলাখনত মৃত্যুৰ হাৰ হৈছে ১.৮০ শতাংশ। ক'ভিড-১৯প্ৰতিৰোধী ব্যৱস্থা হিচাপে জিলাখনত ক'ভিড পৰীক্ষা আৰু প্ৰতিষেধক প্ৰদানৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিয়া হৈছে। জিলাখনত এতিয়ালৈ ৩,১৫,৫২২ গৰাকী লোকক প্ৰতিষেধক প্ৰদান কৰা হৈছে। ইয়াৰে ২,৬০,৪৭১গৰাকীয়ে প্ৰথম পালি প্ৰতিষেধক গ্ৰহণ কৰাৰ বিপৰীতে ৫৫,০৫১ গৰাকীয়ে দুয়োপালি গ্ৰহণ কৰিছে। জিলা উপায়ুক্তগৰাকীয়ে প্ৰতিষেধক প্ৰদানৰ ক্ষেত্ৰত আৰু অধিক ক্ষিপ্ৰতাৰে আগবঢ়াবলৈ নিৰ্দেশ দিয়াৰ লগতে অধিক কোভিড সক্ৰিয় ৰোগী থকা অঞ্চলসমূহত প্ৰতিদিনত প্ৰতিষেধক প্ৰদান কৰাৰ হাৰ বঢ়াবলৈ নিৰ্দেশ দিয়ে। উদাহৰণ স্বৰূপে শুৱালকুছি আৰু আজাৰাত প্ৰায় ৫ শতাংশ ক'ভিড পজিটিভ ৰোগী থকাৰ প্ৰতি লক্ষ্য এই অঞ্চলৰ প্ৰতিগৰাকী লোকক প্ৰতিষেধক প্ৰদান কৰাটো নিশ্চিত কৰিবলৈও তেওঁ নিৰ্দেশ দিয়ে। আনহাতে উত্তৰ গুৱাহাটীত প্ৰতিষেধক প্ৰদানৰ হাৰ জিলা ভিত্তিক হাৰতকৈ যথেষ্ট কম হৈ থকাৰ প্ৰতি লক্ষ্য ৰাখি ইয়াত এই গতি খৰতকীয়া কৰিবলৈও উপায়ুক্তগৰাকীয়ে আহ্বান জনায়।

## আশ্ৰমৰ ভিতৰতেই কোৰেৰে আক্ৰমণ বৃদ্ধ সাধুক, অঞ্চলজুৰি তীব্ৰ প্ৰতিক্ৰিয়া

**দৈনন্দিন বাৰ্তাৰ সেৱা, হোজাই, ১৮ জুন ঃ** হোজাইৰ খেপ্লাগুৰিত পুনৰ সংঘটিত হয় এক ভয়ংকৰ ঘটনা। খেপ্লাগুৰি ডাউবীয়া বাবাৰ আশ্ৰমৰ বৃদ্ধ সাধুক হত্যাৰ চেষ্টা কৰে এজন উন্মত্ত যুৱকে। আশ্ৰমখনত নিজৰ প্ৰাতঃকৰ্ম কৰি থকা অৱস্থাতেই বৃদ্ধ সাধু ৰামকৃষ্ণ চৌহানক কোৰেৰে উপৰ্যুপৰি আক্ৰমণ কৰি আহত কৰে যুৱকজনে। যুৱকজন হোজাইৰ কোমোৰাকটা অঞ্চলৰ বাসিন্দা আৰু যুৱকজনৰ নাম দিনৰাজ হাছামফুৰা বুলি জানিব পৰা গৈছে। সাধুজনৰ মূৰত দুবাৰকৈ কোৰেৰে আঘাত কৰাত সাধুজন গুৰুতৰভাৱে আহত হয় আৰু মূৰৰ পৰা অবিৰত তেজ নিৰ্গত হ'বলৈ ধৰে। স্থানীয় লোকে ততাতৈয়াকৈ হোজাইৰ চিকিৎসালয়লৈ লৈ যায় যদিও পৰৱৰ্তী সময়ৰ উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰে বৃদ্ধ সন্যাসীজনক। ঘটনাৰ খবৰ পোৱা মাত্ৰকে হোজাই আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰাৰ লগতে আক্ৰমণকাৰী দিনৰাজক গ্ৰেপ্তাৰ কৰে। অৱশ্যে কি কাৰণত সাধুজনক আক্ৰমণ কৰিলে সেয়া স্পষ্ট হোৱা নাই।

## মুখ্যমন্ত্ৰীৰ প্ৰতিচ্ছবিত ধূপ-চাকি জ্বলাই মাইক্ৰ' ফাইনেঞ্চৰ ঋণ ৰেহাইৰ বাবে অভিনৱ প্ৰতিবাদ বোকাখাতৰ মহিলাৰ

### কাকুতি ঘোষা গাই মুখ্যমন্ত্ৰীৰ প্ৰতিচ্ছবিৰ সন্মুখত সেৱা ঃ আমাক ঋণ ৰেহাই দিয়ক

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিবেদক, বোকাখাত, ১৮ জুন ঃ** বোকাখাতত ৰাজপথৰ ওপৰতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰতিচ্ছবিৰ সন্মুখত ধূপ-চাকি জ্বলাই আজি একাংশ মহিলাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰতিচ্ছবিৰ সন্মুখত অভিনৱ প্ৰতিবাদ সাব্যস্ত কৰে। নিৰ্বাচনী সভাত তেতিয়াৰ বিত্তমন্ত্ৰী আৰু বৰ্তমানৰ মুখ্যমন্ত্ৰীগৰাকীয়ে মাইক্ৰ' ফাইনেঞ্চৰ ঋণ ৰেহাইৰ দিয়া হ'ব বুলি কৰা ঘোষণা কাৰ্যত ৰূপায়ণ কৰিবলৈ দাবী জনাই এই অভিনৱ প্ৰতিবাদ জনায় মহিলাসকলে। নিৰ্বাচনী প্ৰচাৰ সভাত মাইক্ৰ' ফাইনেঞ্চৰ ঋণ ৰেহাইৰ ঘোষণা কৰি নিৰ্বাচনী বৈতৰণী পাৰ হোৱা মুখ্যমন্ত্ৰী ড° শৰ্মাই পৰৱৰ্তী সময়ত মুখ্যমন্ত্ৰী হোৱাৰ পাছতেই বিত্তমন্ত্ৰীৰ নেতৃত্বত গঠন কৰি দিছিল এখন বিশেষজ্ঞ সমিতি। কিন্তু সমিতিয়ে দিয়া প্ৰতিবেদনৰ পৰা কোনেও ঋণ ৰেহাই নাপায় বুলি স্পষ্ট হোৱাৰ পিছত ঋণ লোৱা মহিলাসকল জাঙুৰ খাই উঠিছে। ৰাজ্যজুৰি আৰম্ভ হৈছে মহিলাৰ প্ৰতিবাদ । বিশেষজ্ঞ সমিতি আৰু মুখ্যমন্ত্ৰী ড° শৰ্মাই সাতটা স্বৰ্ত বান্ধি দিয়াৰ পাছতেই ঋণগ্ৰস্ত মহিলাসকল জাঙুৰ খাই উঠিছে। ক'ৰবাত যদি তীব্ৰ প্ৰতিবাদ, ক'ৰবাত আত্মজাহৰ ভাবুকি, ক'ৰবাত আকৌ কাকুতি-মিনতিৰ ঘোষা বিনম্ৰ প্ৰাৰ্থনা। আজি বোকাখাতৰ আমটেঙা বালিজান আদৰ্শ মিছিং গাঁৱৰ মহিলাসকলে কাকুতি-মিনতি ঘোষা পৰিৱেশন কৰি কৰি ঋণ ৰেহাই দিবৰ বাবে কৰা প্ৰতিবাদ সাব্যস্ত কৰি ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰে। ইফালে সামাজিক মাধ্যমত মাইক্ৰ' ফাইনেঞ্চৰ ঋণ ৰেহাই দিয়াৰ বিৰুদ্ধে একাংশ লোকে বিশেষ স্থিতি লোৱা পৰিলক্ষিত হৈছে। এয়া এক হঠকাৰী সিদ্ধান্ত হ'ব বুলি উল্লেখ কৰি তেওঁলোকে ইয়াৰ বিপৰীতে মৃত কাগজ কল দুটা পুনৰ্জীৱিত কৰাৰ সন্দৰ্ভত ব্যাপক চৰ্চা আৰম্ভ কৰিছে।

## বড়োলেণ্ড সচিবালয়ত উচ্চ পদস্থ বিষয়াৰে বি টি আৰ প্ৰধানৰ গুৰুত্বপূৰ্ণ বৈঠক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছালাকাটি, ১৮ জুন ঃ** বি টি আৰ প্ৰধান প্ৰমোদ বড়োৰ নেতৃত্বধীন মিত্ৰজোঁট বিটিআৰ চৰকাৰৰ বিভিন্ন বিভাগৰ উন্নয়নমূলক কাম-কাজ সফলতা কৰা উদ্দেশ্য লৈ আজি গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয় বি টি আৰ প্ৰধান প্ৰমোদ বড়ো। বডোলেণ্ড সচিবালয়ত প্ৰমোদ বড়োৰ অধ্যক্ষতাত অনুষ্ঠিত গুৰুত্বপূৰ্ণ বৈঠকত বি টি আৰৰ প্ৰধান সচিব শান্তনু পি. গোটমাৰে সহ বি টি আৰ কাৰ্যবাহী সদস্য অৰূপ কুমাৰ দে, ঘনোশ্যাম দাস, কৃষি, মীন আৰু বিভিন্ন বিভাগৰ মুৰব্বী বিষয়া আৰু উচ্চ পদস্থ বিষয়া সৈতে গুৰুত্বপূৰ্ণ আলোচনা কৰে। বডোলেণ্ডত প্ৰতিটো বিভাগত তীব্ৰগতিত উন্নয়ন সাধন কৰিবলৈ 'মাষ্টাৰ প্লেন' তৈয়াৰ কৰিবলৈ নিৰ্দেশ দিয়ে প্ৰমোদ বড়োৱে। উন্নয়নমূলক কাম-কাজ সফলতা কৰিবলৈ দক্ষতাসম্পন্ন বিষয়া-কৰ্মী প্ৰয়োজন। সেয়ে বি টি আৰ চৰকাৰৰ বিভিন্ন বিভাগত খালী হৈ থকা ১৯ হেজাৰ পদ পূৰণ কৰিবলৈ অসম চৰকাৰলৈ আহ্বান জনোৱা হ'ব। কাৰণ অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এক লাখ চাকৰি নিযুক্তি দিয়া বিষয়টো ঘোষণা কৰিছে। ককিলাবাৰী ফাৰ্মখন পুনৰজীৱিত গঢ়ি তোলাৰ সংকল্প গ্ৰহণ কৰে বৈঠকত। উক্ত বৈঠকত অংশগ্ৰহণ কৰে বি টি আৰৰ অৰ্থনীতি উপদেষ্টা হিচাপে নিযুক্তি লাভ কৰা অৰ্থাৎ অসম কৃষি বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য কে এম বুজবৰুৱা। কংগ্ৰেছ ত্যাগ কৰা সন্দৰ্ভত বি টি আৰ প্ৰধান প্ৰমোদ বড়োই কয় যে কংগ্ৰেছত নেতাৰ মাজত সু-সম্পৰ্ক নোহোৱা হৈছে গতিকে কংগ্ৰেছে পুনৰ বিবেচনা কৰা সময় আহি পৰিছে বুলি সংবাদ মাধ্যমৰ আগত সদৰী কৰে।

## পৰ্বতঝোৰাৰ কাজিগাঁৱত ৰাতি শুই থকা অৱস্থাত দুৰ্বৃত্তৰ আক্ৰমণত আহত ব্যৱসায়ী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ১৮ জুন ঃ** পৰ্বতঝোৰা মহকুমাৰ অন্তৰ্গত কাজিগাঁৱত কালি গভীৰ ৰাতি এজন প্ৰতিষ্ঠিত ব্যাবসায়ীৰ বাসগৃহত ব্যৱসায়ীজনে শুই থকা অবস্থাত দুৰ্বৃত্তৰ চোকা অস্ত্ৰৰ আক্ৰমণ গুৰুতৰভাৱে আহত হৈ মৃত্যুৰ সৈতে যুঁজি থকা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। প্ৰাপ্ত বাতৰি মতে কালি ৰাতি ১২.৩০মান বজাত কাজিগাঁৱৰ নিবাসী প্ৰয়াত হৰমোহন দাসৰ পুত্ৰ প্ৰতিস্থিত ব্যাবসায়ী কৌশিক দাসে(৩০) প্ৰতি দিনৰ দৰে সিদিনা শুৱনি কোঠাত ৰাতি গভীৰ হোৱাত শুই আছিল। এনে সময়ত দূৰ্বিত্তৰ দলে কৌশিক দাসৰ বাসগৃহত এন্ধাৰৰ সুযোগত প্ৰবেশ কৰি শুই থকা কোঠালিত চোকা অস্ত্ৰৰে হত্যা কৰাৰ পৰিকল্পনাৰে উপৰ্যুপৰি আক্ৰান্ত কৰে। ফলত তেজেৰে লুতুৰিপুতুৰি হৈ চিঞৰ-বাখৰ কৰাত ওচৰ-চুবুৰীয়াই লৰালৰিকৈ আগবাঢ়ি অহাত এন্ধাৰৰ সুযোগ গ্ৰহণ কৰি দুৰ্বৃত্তৰ দলটোৱে পলাই পত্ৰাং দিয়ে। পিছত এই সংক্ৰান্তত কাজিগাঁও আৰক্ষী থানাত অবগত কৰাত আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হয়। পিছত কৌশিক দাসে গুৰুতৰভাৱে আহত হোৱাত চিকিৎসাৰ বাবে ধুবুৰী অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। পিছত কৌশিক দাসৰ অবস্থা আধিক গুৰুতৰ হোৱাত উন্নত চিকিৎসাৰ বাবে কোচবিহাৰলৈ প্ৰেৰণ কৰে বুলি জানিব পৰা গৈছে। এই ঘটনাই কাজিগাঁও বজাৰ অঞ্চলৰ ব্যাবসায়ীসকলৰ লগতে অঞ্চলটোৰ ৰাইজে তীব্ৰ নিৰাপত্তাহীনতাত ভূগি থকাৰ লগতে দূৰ্বিত্তৰ দলটোক অনতিপলমে কৰায়ত্ত কৰি দৃষ্টান্তমূলক শাস্তিৰ দাবী জনায়। এই সন্দৰ্ভত পৰ্বতঝোৰাৰ মহকুমাৰ আৰক্ষী প্ৰশাসনৰ লগতে কাজিগাঁও আৰক্ষী থানাৰ আৰক্ষী প্ৰশাসনে তদন্ত অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে।

## চিকিৎসকৰ ওপৰত চলা নিৰ্যাতন বন্ধ কৰাৰ দাবীত বঙাইগাঁৱত প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ১৮ জুন ঃ** চিকিৎসকসকলৰ ওপৰত চলি থকা নিৰ্যাতন বন্ধ কৰাৰ দাবীত ইণ্ডিয়ান মেডিকেল এছ'চিয়েচন চমুকৈ আইএম এৰ উদ্যোগতবঙাইগাঁৱত আজি এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। বঙাইগাঁও ল'ৰাৰ আছম হাস্পতাল এণ্ড ৰিছাৰ্চ চেণ্টাৰৰ সন্মুখত ৰূপায়ণ কৰা এইপ্ৰতিবাদী কাৰ্যসূচীত আই এম এ ৰ বঙাইগাঁও শাখাৰ অধীনৰ চিকিৎসকসকলে হাতে হাতে প্লেকাৰ্ড লৈ অংশগ্ৰহণ কৰে। এই প্ৰতিবাদী কাৰ্যসূচীত বঙাইগাঁৱৰ বিশিষ্ট ব্যৱসায়ী তথা সমাজসেৱক প্ৰেমনাথ হৰলালকা, এনএফ ৰে'লৱে মজদুৰ ইউনিয়নৰ নেতা আশীস বিশ্বাস, অগপৰ মহিলা পৰিষদৰ নেত্ৰী বৰদা কলিতা, সমাজকৰ্মী প্ৰভাত বৈষ্ণৱ, যুৱ ব্যৱসায়ী প্ৰবীণ বৈশ্য, আই এম এৰ বঙাইগাঁও শাখাৰ সভাপতি ডাঃ এচ কে দাসসহ আৰু কেবাজনো বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰি সমাজৰ প্ৰথম শ্ৰেণীৰ সৈনিক চিকিৎসকসকলোৰ ওপৰত চলা নিৰ্যাতনৰ ঘটনাক তীব্ৰ নিন্দা কৰি নিৰাপত্তা সুনিশ্চিত কৰাৰ দাবী জনায়।

পাথৰিঘাটৰ চিকিৎসক ডাঃ আজিমুদ্দিন আহমেদৰ প্ৰশংসনীয় কৰ্ম

## পকেটৰ টকাৰে চিকিৎসালয়ত গঢ়ি তুলিছে ঔষধি বাগিচা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছিপাঝাৰ, ১৮ জুন ঃ** এগৰাকী মানৱদৰদী তথা সু-চিকিৎসক নাম তেওঁৰ ডাঃ আজিমুদ্দিন আহমেদ। পাথৰিঘাট মহকুমা স্বাস্থ্য কেন্দ্ৰৰ জ্যেষ্ঠ চিকিৎসক। ইয়াৰোপৰি সপ্তাহত তিনিদিনকৈ কেন্দুগুৰি ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰটো সেৱা আগবঢ়ায় আছে। চিকিৎসক হিচাপে ব্যক্তিগৰাকীৰ যিমান জনপ্ৰিয়, তাতোকৈ অধিক জনপ্ৰিয় এগৰাকী মানুহক সেৱা কৰি ভাল পোৱা মানৱদৰদী চিকিৎসক হিচাপে। চিকিৎসালয়ৰ কোৱাৰ্টাৰত দুখীয়া-দৰিদ্ৰজনক তেওঁ বিনামূলীয়াকৈ সেৱা আগবঢ়ায় মানৱ প্ৰেমী চিকিৎসক হিচাপে ইতিমধ্যে ৰাইজৰ মাজত খুবেই চৰ্চিত আৰু জনপ্ৰিয়। আজিও আবেলি সময়ত আৰাফা বেগম নামৰ এগৰাকী মহিলাক বিপদৰ সময়ত দেউতাৰ কৰণীয় কাম এটকা নোলোৱাকৈ কৰি দিয়াৰ পাছত মহিলাগৰাকীয়ে চিকিৎসক গৰাকীক দোৱা জনোৱাৰ কথাই মানৱ দৰদীয়তাৰ পৰিচয় স্পষ্ট ৰূপত প্ৰমাণ কৰিছে। অন্যহাতে ইয়াতকৈ দৃষ্টিনন্দন কথা যে চিকিৎসকগৰাকীয়ে কেন্দুগুৰি ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত নিজৰ পকেটৰ টকাৰে আটোমটোকাৰীকৈ ন-বোৱাৰীৰ ৰূপত সজাই তুলিছে ঔষধি বাগিচা। য'ত দেশী-বিদেশী, নামি-দামী ঔষধি মুক্ত সকলোবিধ গছেই বাগিচাখনৰ বিদ্যমান। একেদৰে পাথৰিঘাট মহকুমা স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসক গৰাকীৰ কোৱাটাৰতো গঢ়ি তুলিছে ভিন্ন তৰহৰ ফল-ফুলৰ বাগিচা। যাৰ নান্দনিক দৃশ্যই শত-সহস্ৰজনক আকৰ্ষিত কৰিছে। এগৰাকী সু-গায়ক আৰু কমেডী অভিনেতা হিচাপে সাংস্কৃতিক জগতখনত লগতো ওতঃপ্ৰোতভাৱে জড়িত। এনে এগৰাকী জনপ্ৰিয় মানৱসেৱী চিকিৎসকলৈ এন টাইমৰ ফালৰ পৰা থাকিল শুভেচ্ছা।

## বাগিচাত মুন্নাভাইৰূপী ডাক্তৰক লৈ চাবুৱাত দল-সংগঠনৰ প্ৰতিক্ৰিয়া

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাবুৱা, ১৮ জুন ঃ** মাত্ৰ দহ দিনৰ ভিতৰতে চাবুৱাত বিশেষকৈ চাহ নগৰীৰূপে খ্যাত চাবুৱাৰ চাহ বাগিচাসমূহত অলপতে চাবুৱা আৰক্ষীয়ে দুজনকৈ মুন্নাভাই ৰূপী এমবিবিএচ ডাক্তৰ তথা ভুৱা চিকিৎসকক গ্ৰেপ্তাৰ কৰি জেল হাজোতলৈ প্ৰেৰণ কৰা ঘটনাই সৰ্বসাধাৰণ ৰাইজক হতবাক কৰাই নহয়, সমগ্ৰ ডিব্ৰুগড় জিলাখনতে এক প্ৰকাৰৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। শেহতীয়াকৈ এই ঘটনাক কেন্দ্ৰ কৰি চাবুৱা আঞ্চলিক যুৱ-ছাত্ৰ পৰিষদ, মানৱ সংগ্ৰাম সমিতি, আদিবাসী ছাত্ৰ সন্থা আৰু সদৌ চাওতাল ছাত্ৰ সন্থাই তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। চাবুৱা আঞ্চলিক যুৱ-ছাত্ৰ পৰিষদৰ উপদেষ্টা ৰঞ্জন শইকীয়া, ডিব্ৰুগড় জিলা আদিবাসী ছাত্ৰ সন্থাৰ গৌতম চাংগা, ডিব্ৰুগড় জিলা মানৱ সংগ্ৰাম সমিতিৰ অধ্যক্ষ মনোজ দুৱৰা আৰু সদৌ চাওতাল ছাত্ৰ সন্থাৰ ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি পুনেশ্বৰ হাঁচদাৰৰ স্বাক্ষৰিত এখন প্ৰেছ বিজ্ঞপ্তিত মুকালবাৰী চাহ বাগিচাৰ পৰা ষ্টেফেন এণ্ট্ৰনী ওৰফে ছাইমন নাগ আৰু হাতীআলি চাহ বাগিচাৰ পৰা ইয়াকুব আলি আহমেদৰ দৰে তথাকথিত ভুৱা চিকিৎসকক বাগিচাৰ কৰ্তৃপক্ষই কম দৰমহাত নিযুক্তি প্ৰদান কৰি আধুনিক চিকিৎসাৰ নামত যি প্ৰতাৰণা কৰাৰ লগতে মানুহৰ জীৱনক লৈ যি হেতালি খেলিছে এই ক্ষেত্ৰত জিলা প্ৰশাসনক বাগিচাৰ কৰ্তৃপক্ষৰ বিৰুদ্ধে আইনীৰ আওতালৈ আনি শাস্তিমুলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। ইফালে চাবুৱা নগৰত অৱস্থিত কেইখনমান ফাৰ্মাছিত তেনে ভুৱা চিকিৎসকে চিকিৎসা সেৱা প্ৰদান কৰি অহাৰ অভিযোগ তুলি প্ৰশাসনক কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে। তদুপৰি চাবুৱাত বছৰ বছৰ ধৰি ফাৰ্মাছিসমূহত ফাৰ্মাছিত অবিহনে ব্যৱসায় কৰি অহা কাৰ্যক ধিক্কাৰ দিয়াৰ লগতে প্ৰশাসনক অনুসন্ধান কৰি বিক্ষিপ্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।



গুৱাহাটীত শুকুৰবাৰে উকীল সন্থাৰ সংবাদ মেল

Affordable Health Mission

GNRC

Quality•Value•Trust



Stay Safe, Stay Healthy

0361 23203 02

0361 23203 03

GNRC COVID-CARE CALL CENTRE

**জেমছ ৱাৰেন টি লিমিটেড**

কৰ্প'ৰেট আইডেণ্টিফিকেচন নম্বৰ (চিআইএন) ঃ এল ১৫৪৯১ এএছ ২০০৯ পিএলচি ০০৯৩৪৫

পঞ্জীয়ন কাৰ্যালয় ঃ দেওদাম টি ইষ্টেট, ডাক ঃ বৰহাপজান, জিলা ঃ তিনিচকীয়া, অসম- ৭৮৬১৫০, ফোন ঃ ০৩৭৫৯-২৪৭৯২২

কৰ্প'ৰেট কাৰ্যালয় ঃ এছপাইৰেছনছ ভিণ্টাছ, ১২, প্ৰিটৰীয়া ষ্ট্ৰিট, কলকাতা-৭০০০৭১, ফোন ঃ ৯১-৩৩-৪০৩৪১০০০

ফেক্স ঃ ৯১-৩৩-৪০৩৪১০১৫, ই-মেইল ঃ sec@jwtl.in,ৱেবছাইট ঃ www.jameswarrentea.com

**৩১ মাৰ্চ ২০২১ ত সমাপ্ত ত্ৰৈমাসিক আৰু বাৰ্ষিক অডিটেড বিত্তীয় ফলাফলসমূহৰ বিৱৰণ**

লাখৰ হিচাপত

| ক্ৰ নং | বিষয়-বস্তু | ত্ৰৈমাসিক সমাপ্তি ৩১-০৩-২০২১ | ত্ৰৈমাসিক সমাপ্তি ৩১-০৩-২০২০ | বাৰ্ষিক সমাপ্তি ৩১-০৩-২০২১ | বাৰ্ষিক সমাপ্তি ৩১-০৩-২০২০ |
|---|---|---|---|---|---|
| | | অডিটেড | অডিটেড | অডিটেড | অডিটেড |
| ১ | লেনদেনৰ পৰা মুঠ আয় | ২,০০৫.২২ | ১,২৩৮.১৭ | ১৩,৩৯৭.৬৪ | ১৪,৫৭৯.৪৬ |
| ২ | উক্ত সময়ত মুঠ লাভ/(লোকচান) (কৰৰ পূৰ্বে, এক্সছেপচনেল আৰু/বা এক্সটা অৰ্ডিনেৰী আইটেমছ) | (২,০৫৬.৪৬) | (২,৩৬০.৮০) | ১,৬০৯.৬২ | ৪২৫.৮২ |
| ৩ | উক্ত সময়ত মুঠ লাভ/(লোকচান) কৰৰ পূৰ্বে (পিছত এক্সছেপচনেল আৰু/বা এক্সটা অৰ্ডিনেৰী আইটেমছ) | (২,০৫৬.৪৬) | (২,৩৬০.৮০) | ৩,০৬৫.৬৫ | ৪২৫.৮২ |
| ৪ | উক্ত সময়ত মুঠ লাভ/(লোকচান) কৰৰ পিছত (পিছত এক্সছেপচনেল আৰু/বা এক্সটা অৰ্ডিনেৰী আইটেমছ) | (১,৯৬৩.৩৬) | (১,৮৪৫.২৩) | ২,৮৯৬.০০ | ৩০০.৮৮ |
| ৫ | উক্ত সময়ৰ মুঠ সামগ্ৰিক আয় (লাভসহ /(লোকচান) উক্ত সময়ৰ (কৰৰ পিছত) আৰু অন্যান্য সামগ্ৰিক আয় (কৰৰ পিছত)) | (৫৪৯.৩৯) | (১,৫৫৭.৯৭) | ৪,৬৬৭.৫৪ | ২৫০.৩১ |
| ৬ | ইকুইটি শ্বেয়াৰ কেপিটেল | ৫২৪.২৭ | ৬৯৭.৯১ | ৫২৪.২৭ | ৬৯৭.৯১ |
| ৭ | অন্যান্য ইকুইটি (সংৰক্ষিত পুনৰ মূল্যায়নৰ বাহিৰে) | - | - | - | - |
| ৮ | প্ৰতিটো শ্বেয়াৰৰ পৰা আয় (১০ টকা মূল্য/প্ৰতিটো) (ধাৰাবাহিক আৰু অধাৰাবাহিক লেনদেনৰ) বেছিক ঃ | (৩৭.৪৫) | (২৬.৪৪) | ৪৫.৩৯ | ৩.৯৫ |
| | ডাইলোটেড ঃ | (৩৭.৪৫) | (২৬.৪৪) | ৪৫.৩৯ | ৩.৯৫ |

# আইএনডি-এএছ ৰুল অনুসৰি লাভ আৰু লোকচানৰ বিৱৰণসমূহ উল্লেখ কৰা হৈছে এক্সেপছনেল আৰু/বা এক্সট্ৰা অৰ্ডিনাৰী আইটেমছ হিচাপে

টোকা ঃ
১) উপৰোক্ত তথ্যসমূহ ছেবি (লিষ্টিং অব্লিগেচন এণ্ড ডিছক্লজাৰ ৰিকুৱায়াৰমেনছ) বিধি- ২০১৫ ৰ ৰেগুলেচন ৩৩ ৰ অধীনত ষ্টক এক্সচেঞ্জত দাখিল কৰা অনুসৰি ৩১ মাৰ্চ, ২০২১ ত ত্ৰৈমাসিক আৰু বাৰ্ষিক সমাপ্তিৰ বিত্তীয় ফলাফলসমূহৰ বিৱৰণ। এই বিষয়ত সম্পূৰ্ণ ওপৰোক্ত বিত্তীয় ফলাফলসমূহ উপলব্ধ আছে বিএছইৰ ৱেবছাইট (www.bseindia.com), চিএছইৰ ৱেবছাইট (www.cse-india.com) আৰু কোম্পানীৰ ৱেবছাইট (www.jameswarrentea.com) ত।
২) ওপৰত উল্লেখিত অডিটেড বিত্তীয় ফলাফলসমূহ অডিট কমিটীয়ে পুনৰীক্ষণ কৰিছে আৰু ১৮ জুন ২০২১ তাৰিখে অনুষ্ঠিত ব'ৰ্ডৰ সভাত অনুমোদন জনোৱা হৈছে।

সঞ্চালক মণ্ডলীৰ আদেশানুক্ৰমে
জেমছ ওৱাৰেন টি লিঃ হৈ
স্থান ঃ কলকাতা
তাৰিখ ঃ ১৮-০৬-২০২১
স্বাক্ষৰ /সন্দীপ দাস (পূৰ্ণকালীন সঞ্চালক), ডিআইএন-০৭৯৭৯৭৯১

বেঁক অফ বৰোদা Bank of Baroda

**এ.টি. ৰোড শাখা, যোৰহাট**
**এ.টি. ৰোড, যোৰহাট, অসম-৭৮৫০০১**
**ইমেইল: vjjorh@bankofbaroda.com**
**ফোন : ০৩৭৬-২৩২১৫৭৪**

**[ৰুল ৮(১)]**
**দখল জাননী (স্থাৱৰ সম্পত্তিৰ বাবে)**

যিহেতু, **বেংক অফ বৰোদা (পূৰ্বে বিজয়া বেংক), এ.টি. ৰোড শাখা, যোৰহাটৰ** নিম্নস্বাক্ষৰকাৰী অনুমোদিত বিষয়াই চিকিওৰিটাইজেছন এণ্ড ৰিকনষ্ট্ৰাকছন অফ ফাইনেন্চিয়েল এছেট্‌ছ এণ্ড এনফ'ৰ্চমেন্ট অফ চিকিওৰিটি ইন্টাৰেষ্ট (ধাৰা) এক্ট ২০০২ৰ অধীনত আৰু চিকিওৰিটি ইন্টাৰেষ্ট (এনফ'ৰ্চমেন্ট) ৰুল ২০০২ৰ ধাৰা ১৩(১২)ৰ অধীনৰ ৰুল ৮ আৰু ৯ পঢ়ি, তেঁওৰ ওপৰত প্ৰদত্ত ক্ষমতা প্ৰয়োগ কৰি যোৱা **০৫/০৪/২০২১** তাৰিখে জাৰি কৰা দাবী জাননী যোগে ঋণীসকল **শ্ৰী টিটুল চন্দ্ৰ লহকৰ (ঋণী), লহকৰ এণ্ড ব্ৰাদাৰ্চ (ঋণী), স্বত্বাধিকাৰী - শ্ৰী টিটুল চন্দ্ৰ লহকৰ, শ্ৰী দিগন্ত চেতীয়া (জামিনদাৰ), শ্ৰীমতী লখিমী লহকৰ (জামিনদাৰ)**ক জনোৱা হৈছিল যে তেওঁলোকৰ নামত থকা জাননীত উল্লেখিত মুঠ ধনৰ পৰিমাণ **১,০৯,৭৫,৫৩৬/- টকা (এক কোটি ন লাখ পঁসত্তৰ হাজাৰ পাঁচশ ছয়ত্ৰিছ টকা মাত্ৰ)** উক্ত জাননী পোৱা তাৰিখৰ পৰা ষাঠি দিনৰ ভিতৰত আদায় দিব লাগিব।

যিহেতু ঋণীয়ে উক্ত ধনৰাশি পৰিশোধ কৰিবলৈ ব্যৰ্থ হ'ল সেয়ে ঋণী আৰু সাধাৰণ ভাবে ৰাইজক জনোৱা হ'ল যে নিম্নস্বাক্ষৰকাৰীয়ে উক্ত আইনৰ ধাৰা ১৩ৰ উপ-ধাৰা (৪)ৰ অধীনত লগতে চিকিওৰিটি ইন্টাৰেষ্ট (এনফ'ৰ্চমেন্ট) ৰুল ২০০২ৰ ৰুল ৮ পঢ়ি, তেঁওৰ ওপৰত প্ৰদত্ত ক্ষমতা প্ৰয়োগ কৰি **২০২১ চনৰ জুন মাহৰ ১৭ তাৰিখে** তলত উল্লেখ কৰা সম্পত্তিৰ দখল সাব্যস্ত কৰে।

ইয়াৰ দ্বাৰা বিশেষকৈ ঋণীক আৰু সাধাৰণভাৱে ৰাইজক উক্ত সম্পত্তি সম্পৰ্কে লেন দেন নকৰিবলৈ সতৰ্ক কৰি দিয়া হ'ল আৰু কৰিলে সেয়া **বেংক অফ বৰোদা (পূৰ্বে বিজয়া বেংক), এ.টি. ৰোড শাখা, যোৰহাট**-এ **১৫/০৬/২০২১** তাৰিখলৈ ধাৰ্য্য কৰা ধনৰ পৰিমাণ **১,০৮,৯৪,২৯৭.৭০/- টকা (এক কোটি আঠ লাখ চৌৰান্নব্বৈ হাজাৰ দুশ সাতান্নব্বৈ টকা আৰু সত্তৰ পইচা মাত্ৰ)** আৰু তাৰ ওপৰত অতিৰিক্ত সুদ আৰু অন্যান্য খৰচৰ বিনিময়ত হ'ব।

উক্ত আইনৰ ধাৰা ১৩ৰ উপ-ধাৰা (৮)ৰ ব্যৱস্থা মতে সুৰক্ষিত সম্পত্তিখিনি উপলভ্য সময়ৰ ভিতৰত উদ্ধাৰ কৰিবৰ বাবে ঋণীৰ দৃষ্টি আকৰ্ষণ কৰা হ'ল।

**স্থাৱৰ সম্পত্তিৰ বিৱৰণ**

**সম্পত্তি নং ১ :** টিটুল লহকৰৰ নামত তিতাবৰ টাউন, আমগুৰি খৰিকটীয়া মৌজা, থানা - তিতাবৰ, জিলা - যোৰহাট, অসমত অৱস্থিত ২৬/০৯/২০০৩ তাৰিখৰ বিক্ৰী দলিল নং ১৮৪৬ৰ পি.পি. নং১১৮, দাগ নং ৭৩৭ -এ বহন কৰা ০১ কে পৰিমাপৰ মাটিৰ সকলো আংশ আৰু চাৰিসীমা ঃ- পূৱে ঃ ন-আলী, পশ্চিমে ঃ পট্টাদাৰৰ মাটি, উত্তৰে ঃ ক্ৰেতাৰ মাটি, দক্ষিণে ঃ পট্টাদাৰৰ মাটি।

**সম্পত্তি নং ২ :** টিটুল লহকৰৰ নামত তিতাবৰ টাউন, আমগুৰি খৰিকটীয়া মৌজা, থানা - তিতাবৰ, জিলা - যোৰহাট, অসমত অৱস্থিত ২৬/০৯/২০০৩ তাৰিখৰ বিক্ৰী দলিল নং ১৮৪৭ৰ পি.পি. নং১১৮, দাগ নং ৭৩৭-এ বহন কৰা ০১কে পৰিমাপৰ মাটিৰ সকলো আংশ আৰু চাৰিসীমা ঃ- পূৱে ঃ ন-আলী, পশ্চিমে ঃ পট্টাদাৰৰ মাটি, উত্তৰে ঃ ক্ৰেতাৰ মাটি, দক্ষিণে ঃ পট্টাদাৰৰ মাটি।

**তাৰিখ ঃ ১৭/০৬/২০২১** **(অনুমোদিত বিষয়া)**
**স্থান ঃ যোৰহাট** **বেংক অফ বৰোদা (পূৰ্বে বিজয়া বেংক)**
**এ.টি. ৰোড শাখা, যোৰহাট**

**এলাইটকন ইণ্টাৰনেচনেল লিমিটেড**

(পূৰ্বৰ কাশীৰাম জৈন এণ্ড কোম্পানী লিঃ)
পঞ্জীয়ন কাৰ্যালয় ঃ লাচিত নগৰ, এছ আৰ বি ৰেড, গুৱাহাটী- ৭৮১ ০০৭, অসম
চি আই এন ঃ এল ৭০১০০ এএছ ১৯৮৭ পি এল চি ০০২৮২৮, ফোন ঃ ৯৭৪৮২৬১৮৬৭
ই-মেইল ঃ kjcl002828@yahoo.co.in
ৱেবচাইট ঃ www.eliteconinternational.com

**জাননী**

ছিকিউৰিটিছ এণ্ড এক্সেঞ্জ ব'ৰ্ড অব ইণ্ডিয়া (লিষ্টিং অব্লিগেছনছ এণ্ড ডিছক্লজাৰ ৰিকুৱাৰমেনছ) ৰেগুলেছন-২০১৫ ৰ বিধি-৪৭ পঢ়ি উঠি বিধি-২৯ আৰু বিধি- ৩৩ অনুসৰি এলাইটকন ইণ্টাৰনেচনেল লিঃ (কেম্পানী)ৰ সঞ্চালক মণ্ডলীৰ এখন বৈঠক ৩০ জুন, ২০২১, বুধবাৰে অনুষ্ঠিত হ'ব। এই বৈঠকত ৩১ মাৰ্চ ২০২১ ত সমাপ্ত কোম্পানীৰ ত্ৰৈমাসিক আৰু বাৰ্ষিক অডিটেড বিত্তীয় ফলাফলসমূহৰ বিবেচনা আৰু নথিভুক্ত কৰা হ'ব। বৈঠকত অন্যান্য ব্যৱসায়িক বিষয়ৰো আলোচনা হ'ব।

এই বিষয়ত সবিশেষ তথ্য উপলব্ধ আছে কোম্পানীৰ ৱেবছাইট www.eliteconinternational.com আৰু বি এছ ই লিঃৰ ৱেবছাইট http://www.bseindia.com আৰু দ্য কলকাতা ষ্টক এক্সেঞ্জ লিঃৰ ৱেবছাইট www.cse-india.com ত, য'ত কোম্পানীৰ শ্বেয়াৰসমূহৰ তথ্য তালিকাভুক্ত হৈ আছে।

এলাইটকন ইণ্টাৰনেচনেল লিমিটেডৰ হৈ
স্বা/-
(বিপিন শৰ্মা)
পৰিচালন সঞ্চালক
ডিআইএন ঃ ০১৭৩৯৫১৯
তাৰিখ ঃ ১৮ জুন, ২০২১
স্থান ঃ বৈশালী

কেনৰা বৈংক Canara Bank — A Government of India Undertaking — সিণ্ডিকেট Syndicate

**বিক্ৰী জাননী (পুনৰ বিক্ৰী)**

**দিছপুৰ শাখা**
**ৰাধিকা ভৱন, গনেশগুৰি, দিছপুৰ, গুৱাহাটী-৭৮১০০৬**
**যোগাযোগ নং ০৩৬১-২২৬২১০০**

**বিত্তীয় সম্পদৰ প্ৰতিভূতিকৰণ আৰু পুনৰ্নিৰ্মাণ আৰু প্ৰতিভূতি স্বাৰ্থৰ বলৱৎকৰণ আইন, ২০০২ৰ সৈতে আমানত সুদ (বলৱৎকৰণ) নিয়মাৱলী ২০০২ৰ নিয়ম ৮(৬)ৰ অধীনত স্থাৱৰ সম্পত্তি বিক্ৰীৰ বাবে ই-নিলাম বিক্ৰী জাননী**

ইয়াৰ জৰিয়তে জনসাধাৰণ আৰু বিশেষকৈ ঋণী(সকল) আৰু জামিনদাৰ(সকল) লৈ জাননী জাৰি কৰা হয় যে তলত দিয়া স্থাৱৰ সম্পত্তি চিকিউৰ্ড ক্ৰেডীটৰৰ ওচৰত বন্ধকীকৃত/নিৰিখিত, যাৰ গঠনমূলক/কায়িক দখল কানাড়া বেংকৰ অনুমোদিত বিষয়াই লৈছে, সেইবোৰ "য'ত আছে তেনে" আৰু "যেনে আছে তেনে" ভিত্তিত তলত উল্লেখ কৰা ঋণী আৰু জামিনদাৰৰ পৰা কানাড়া বেংকৰ নিম্ন উল্লেখিত শাখাৰ দেয় আদায়ৰ বাবে **০৭/০৭/২০২১** তাৰিখে বিক্ৰী কৰা হ'ব।

আমানত ধন জমা (ই এম ডি) **০৬/০৭/২০২১**ৰ বিয়লি ৪.০০ বজাত বা তাৰ পূৰ্বে জমা দিব লাগিব।

নিলাম **'অনলাইন ই-নিলাম'**ৰ ৱেবছাইট **http://indianbankseauction.com**ৰ জৰিয়তে হ'ব।

**নিলামৰ তাৰিখ আৰু সময় ঃ ০৭/০৭/২০২১ৰ দিনৰ ১১.০০ বজাৰ পৰা ০১.০০ বজাৰ ভিতৰত** (বিক্ৰী সম্পন্ন নোহোলৈকে প্ৰতি ৫ মিনিট ব্যৱধানৰ সীমাহীন সম্প্ৰসাৰণৰ সৈতে)

শাখা, ঋণী/জামিনদাৰ, দায়বদ্ধতা, সম্পত্তিৰ বিৱৰণ আৰু ই.এম.ডি, সংৰক্ষিত মূল্য আদিৰ বিৱৰণ ঃ

| ক্ৰ নং | (ক) চিকিউৰ্ড ক্ৰেডীটৰ/শাখাৰ নাম আৰু ঠিকনা (খ) ঋণী/জামিনদাৰৰ নাম | স্থাৱৰ সম্পত্তিৰ সংক্ষিপ্ত বিৱৰণ | (ক) মুঠ দায়বদ্ধতা (টকা) : (খ) সংৰক্ষিত মূল্য (টকা) : (গ) ই এম ডি (টকা) : (ঘ) বৃদ্ধিৰ পৰিমান (টকা) : |
|---|---|---|---|
| ১ | (ক) কানাড়া বেংক, দিছপুৰ শাখা, ৰাধিকা ভৱন, গনেশগুৰি, দিছপুৰ, গুৱাহাটী-৭৮১০০৬ যোগাযোগ নং ০৩৬১-২২৬২১০০ (খ) ঋণী : মেচাৰ্চ শিৱ কমাৰ্চিয়েল লিঃ জামিনদাৰসকল : ১) শ্ৰী সন্দীপ কুমাৰ ভগৎ ২) শ্ৰীমতী শালিনী ভগৎ ৩) শ্ৰী হন্সৰাজ পানৰৱ ৪) শ্ৰী কৃষ্ণ পাণ্ডে কৰ্পোৰেট জামিনদাৰ : ১) মেচাৰ্চ শ্ৰী চাই মেঘা এলোয়্চ লিমিটেড | শ্ৰী সন্দীপ ভগৎ আৰু শ্ৰীমতী শালিনী ভগৎ'ৰ নামত গাঁও ৰামচাহিল, মৌজা - উলুবাৰী, জিলা-কামৰূপ মে'ট্ৰ', অসমত অৱস্থিত দাগ নং ১ (পুৰণী) / ৯৫৯ (নতুন) এফ এছ গ্ৰেণ্ড পট্টা নং ১/৩০, ২৩ (পুৰণী) / ১৯৮ (নতুন) ৰে আগুৰা ২ বিঘা ১৯ লেচা পৰিমাপৰ মাটিৰ সৈতে নিৰ্মীয়মান আৰ.চি.চি. বিল্ডিঙৰ সকলো অংশ। ৰেকৰ্ড অনুসৰি, সম্পত্তিৰ চাৰিসীমা :- উত্তৰে - গড়কাপ্তানি পথ, দক্ষিণে - অন্য পক্ষৰ মাটি, পূৱে - প্ৰয়াত ভৃগু ফুকনৰ মাটি, পশ্চিমে - নদী আৰু পথ। | (ক) মুঠ দায়বদ্ধতা : ৪২.৯৬ কোটি + অতিৰিক্ত সুদ আৰু ব্যয় (খ) সংৰক্ষিত মূল্য : ৫.৯০ কোটি (গ) ই এম ডি : ৫৯.০০ লাখ (ঘ) বৃদ্ধিৰ পৰিমান : ১,০০,০০০/- |

বিক্ৰীৰ বিতং চৰ্তাৱলীৰ বাবে কানাড়া বেংকৰ ৱেবছাইট (www.canarabank.com)ত দিয়া "ই-নিলাম" লিংক চাওক বা দিছপুৰ শাখাৰ মুখ্য প্ৰৱন্ধক, যোগাযোগ নং **০৩৬১-২২৬২১০০** বা দিছপুৰ শাখাৰ জ্যেষ্ঠ প্ৰৱন্ধক, যোগাযোগ নং ৯৭২৯৭৪৫২৮০ৰ সৈতে যিকোনো কৰ্ম দিনত কাৰ্যালয়ৰ সময়ত যোগাযোগ কৰক।

**তাৰিখ ঃ ১৮/০৬/২০২১, স্থান ঃ গুৱাহাটী** **অনুমোদিত বিষয়া, কানাড়া বেংক**

ইংডিয়ন বৈংক Indian Bank — ইলাহাবাদ ALLAHABAD

**মাগুলিক কাৰ্যালয় : ডিব্ৰুগড়, টি. আৰ. ফুকন ৰোড, চিৰিং চাপোৰি, ডাক ঘৰ: ডিব্ৰুগড়-৭৮৬০০১**
**ই-মেইল : zodibrugarh@indianbank.co.in**

**শাখা কাৰ্যালয় : নিউ মাৰ্কেট, এইচ.এছ. ৰোড, কাৰ্তিকপাৰা, ডাকঘৰ: ডিব্ৰুগড়-৭৮৬০০১**
**ই-মেইল : D638@indianbank.co.in**

**SARFAESI আইন ২০০২ৰ ধাৰা ১৩(২)ৰ অধীনত দাবী জাননী**

১. **শ্ৰী বিজয় কুমাৰ গুপ্তা, পিতা - শ্ৰীনাথ গুপ্তা (ঋণী তথা বন্ধকদাতা)**
এ.টি. ৰোড, নলিয়াপুল, কানৈ কলেজ ৰোড, ডিব্ৰুগড়, পিন-৭৮৬০০১, অসম।
২. **শ্ৰীমতী পুৰ্ণিমা গুপ্তা, স্বামী - বিজয় কুমাৰ গুপ্তা (ঋণী)**
এ.টি. ৰোড, নলিয়াপুল, কানৈ কলেজ ৰোড, ডিব্ৰুগড়, পিন-৭৮৬০০১, অসম।
৩. **শ্ৰী আকাশ গুপ্তা, পিতা - বিজয় কুমাৰ গুপ্তা (ঋণী)**
এ.টি. ৰোড, নলিয়াপুল, কানৈ কলেজ ৰোড, ডিব্ৰুগড়, পিন-৭৮৬০০১, অসম।

(১) আপোনালোকৰ দ্বাৰা অনুৰোধ মৰ্মে, **ইণ্ডিয়ান বেংক (পূৰ্বে - এলাহাবাদ বেংক), আৰ.কে.বি. পথ শাখাই** আপোনালোকক **৩৪,০০,০০০.০০ (চৌত্ৰিছ লাখ টকা মাত্ৰ)**ৰ পৰিমাণৰ ঋণ সুবিধা প্ৰদান কৰিছে। আপোনালোকক প্ৰদান কৰা ঋণ সুবিধা আৰু তাৰ বকেয়া দায়বদ্ধতা তলত উল্লেখ কৰা হ'ল :

| সুবিধাৰ ধৰণ | মঞ্জুৰীকৃত সীমা | ১৫/০৬/২০২১ তাৰিখত বকেয়া দায়বদ্ধতা |
|---|---|---|
| টাৰ্ম লোন একাউন্ট নং ৫০২৯৪৯৪৯১৭৫ | ৩৪.০০ লাখ টকা | **২৯,৯৮,৫১৫.৭৪ টকা** (লেজাৰ বেলেঞ্চ - ২৩,৫১,৭৪৬.৭৪ টকা + জমা হোৱা সুদ - ৬,৪৬,৭৬৯.০০ টকা) লগতে ১৫/০৬/২০২১ তাৰিখৰ পৰা পৰিশোধৰ তাৰিখলৈ ধাৰ্য হোৱা হাৰত অতিৰিক্ত সুদ |

(২) বেংকৰ দ্বাৰা মঞ্জুৰীকৃত উপৰোক্ত ঋণৰ সুবিধাসমূহ (টাৰ্ম লোন) নিম্ন-উল্লেখিত সম্পদ/প্ৰত্যাভুতিৰ দ্বাৰা সুৰক্ষিত (বেংকৰ প্ৰতি নিৰিখিত সম্পত্তিৰ বিশদ তথ্য) ঃ-

**স্থাৱৰ সম্পত্তিৰ বিৱৰণ** ঃ কানৈ কলেজ হোষ্টেল ৰোড, ডিব্ৰুগড় টাউন, এন.এইচ.-৩৭ৰ ওচৰত, গাভৰুপথাৰ ৱাৰ্ড নং ১৮, ডিব্ৰুগড় মৌজা, ডাকঘৰ আৰু থানা - ডিব্ৰুগড়, অসম-৭৮৬০০১, মৌজা - ডিব্ৰুগড় টাউন, গাভৰুপথাৰ ৱাৰ্ডৰ খেৰাজ পট্টা নং ৫৫১ (নতুন) / ১৮৭ (পুৰণি)ৰ দাগ নং ১০৩৪ (নতুন) / ৬০৫ (পুৰণি)ত অৱস্থিত মাটি আৰু বিল্ডিংৰ সকলো অংশ। **দস্তাবেজৰ বিৱৰণ** : ক) শ্ৰী বিজয় কুমাৰ গুপ্তাৰ পক্ষে মদন মোহন গুপ্তাৰ দ্বাৰা পঞ্জীকৃত মুক্তি দলিল নং ১৩০৪ (ক্ৰ. নং ১৬৩৬) তাৰিখ ০১/০৬/২০১৫, খ) শ্ৰীমতী ধনৰাজী দেৱী গুপ্তাৰ নামত পঞ্জীকৃত বিক্ৰী দলিল নং ৩২৩৩ (ক্ৰ. নং ৩৮২৩) তাৰিখ ১২/১২/১৯৭৭, গ) বিজয় কুমাৰ গুপ্তাৰ পক্ষে খেৰাজ পিৰিওডীক পট্টা নং ৫৫১ তাৰিখ ১৩/০৫/২০১৫, **পি.পি. নং** : ৫৫১ (নতুন) ১৮৭ (পুৰণি), **প্ল'ট/দাগ নম্বৰ** : দাগ নং ১০৩৪ (নতুন) ৬০৫ (পুৰণি), **শ্ৰেণীকৰণ** : ৩য় বস্তি, **মাটিৰ কালি** : ০ বিঘা - ১ কঠা - ০ লেচা (অৰ্থাৎ ২৮৮০ বৰ্গ ফুটৰ সমানুপাতিক), **চাৰিসীমা** : উত্তৰে : ৰামচৰন গৱালাৰ মাটি আৰু দাগ নং ৬০৫, দক্ষিনে : মদন মোহন গুপ্তাৰ মাটি, পুবে : পৌৰ নিগমৰ মাটি আৰু ঠেক বাট, পশ্চিমে : বয়েজ হোষ্টেল ৰোড।

(৩) আপুনি যিহেতু বেংকলৈ আপোনাৰ অনাদায় ধন পুনৰ আদায় দিবলৈ অসমৰ্থ হৈছে, আপোনাৰ একাউণ্টটোক ৰিজাৰ্ভ বেংক অফ ইণ্ডিয়াৰ দ্বাৰা জাৰি কৰা নিৰ্দেশনাৱলী অনুসৰি ১৩/০৫/২০২১ তাৰিখৰ পৰা অনা কাৰ্যকৰী সম্পদ (এন.পি.এ) বুলি শ্ৰেণীভূক্ত কৰা হৈছে। (৪) উপৰোক্ত কাৰণসমূহৰ বাবে, SARFAESI আইনৰ ১৩(২) ধাৰাৰ অধীনত এই জাননী জাৰি কৰা হৈছে আৰু আপোনাক ১৫/০৬/২০২১ তাৰিখ মতে বেংকক ২৯,৯৮,৫১৫.৭৪ টকা (উনত্ৰিছ লাখ আঠান্নব্বৈ হাজাৰ পাঁচশ পোন্ধৰ টকা আৰু চৌসত্তৰ পইচা মাত্ৰ) লগতে ১৫/০৬/২০২১ৰ পৰা মাহেকীয়া ভিত্তিত চুক্তিৰ হাৰত অতিৰিক্ত সুদ জাননী জাৰি কৰা তাৰিখৰ পৰা ৬০ দিনৰ ভিতৰত সকলো দায়বদ্ধতাৰ আদায় দিবলৈ কোৱা হ'ল অন্যথা আপোনাৰ সকলো ব্যয় আৰু আনুষংগিক কাৰণসমূহৰ সম্পূৰ্ণ ক্ষতিশংকাৰ বাবে আপুনি দায় হ'ব আৰু বেংকে আমানত আৰু বিত্তীয় সম্পদৰ পুনৰ গঠন আৰু আমানত সুদ বলৱৎকৰণ আইন, ২০০২ৰ ধাৰা ১৩ৰ উপৰোক্ত আমানত সম্পদৰ ক্ষেত্ৰত ধাৰ্য কৰা নিয়মাৱলীৰ অধীনত যিকোনো বা সকলো ক্ষমতা প্ৰয়োগ কৰাৰ ক্ষেত্ৰত স্বাধীন থাকিব। (৫) উপৰোক্ত ক্ষমতাৱলী প্ৰযোজ্য কৰি লাভ কৰা ধনৰাশি প্ৰথমে সকলো ব্যয়, নিৰিখ আৰু ব্যয়ৰ ওপৰত প্ৰযোজ্য হ'ব বা উপৰোক্ত আমানত সম্পদৰ বিক্ৰীৰ সংক্ৰান্তত যিকোনো আনুষংগিক ব্যয়ৰ বাবে আৰু দ্বিতীয়তে উপৰোক্ত বেংকৰ বকেয়া ধনৰাশিৰ বাবে প্ৰযোজ্য হ'ব, প্ৰকৃত ধন প্ৰদানৰ তাৰিখলৈ উল্লেখ কৰা হাৰত আৰু বেংকৰ সম্পূৰ্ণ বকেয়া ধন সম্পূৰ্ণকৈ লাভ কৰাৰ পিছত অৱশিষ্ট ধনৰাশি আপোনাক প্ৰদান কৰা হ'ব। (৬) যদি উপৰোক্ত বকেয়া ধনৰাশি উক্ত ক্ষমতাৱলী প্ৰয়োগ কৰাৰ পিছতো সম্পূৰ্ণ আদায় কৰিবলৈ অসমৰ্থ হয়, তেন্তে বেংকে আপোনাৰ বিৰুদ্ধে সুদ, ব্যয়, নিৰিখ আৰু আনুষংগিক ব্যয় সহ বাকী ধনৰাশি আপোনাৰ পৰা পুনৰ আদায়ৰ বাবে ঋণ আদায় ন্যায়ধীকৰণ/আদালতৰ ওচৰত আবেদন কৰাৰ ক্ষমতা হাতত সংৰক্ষণ কৰি ৰাখিছে। (৭) অনুগ্ৰহ কৰি মনত ৰাখিব যে উক্ত জাননী লাভ কৰাৰ পিছত উপৰোক্ত আইনৰ ধাৰা ১৩(১৩)ৰ অধীনত আপোনাক বিক্ৰী, লীজ বা অন্য ধৰণেৰে উক্ত জাননীত উল্লেখ কৰা যিকোনো আমানত সম্পদৰ বেংকৰ লিখিত অনুমোদন অবিহনে হস্তান্তৰৰ পৰা বাৰণ কৰা হৈছে। (৮) নিম্ন-স্বাক্ষৰকাৰীয়ে এই জাননী জাৰি কৰাৰ লগতে উপৰোক্ত আইনৰ ধাৰা ১৩ আৰু ইয়াৰ অধীনত নিৰ্দ্ধাৰণ কৰা নিয়মাৱলীৰ অধীনত সঠিকভাৱে বেংকৰ অনুমোদিত বিষয়া। (৯) বেংকৰ হাতত বৰ্তমানে বলৱৎ থকা অন্য যিকোনো আইনী প্ৰক্ৰিয়া/পদক্ষেপৰ বিকল্প যেনে ঠিক লাগে আৰু আৱশ্যকীয়ৰ অবিহনে এই জাননী জাৰি কৰা হৈছে। (১০) আমানত সম্পদৰ পুনৰ স্বত্ব লাভ কৰিবলৈ SARFAESI আইন, ২০০২ৰ ধাৰা ১৩ৰ উপ-ধাৰা (৮)ৰ ব্যৱস্থাৱলী অনুসৰি ঋণীৰ ধ্যান আকৰ্ষণ কৰা হ'ব। (১১) **এই জাননী আমাৰ আগৰ সকলো জাননী/জাননীসমূহক যদি কিবা SARFAESI আইন, ২০০২ৰ আধীনত জাৰি কৰা হৈছে, সেইবোৰ অপসাৰিত কৰি জাৰি কৰা হ'ল।**

তাৰিখ ঃ ১৫/০৬/২০২১ স্থান : ডিব্ৰুগড় স্বা/- অনুমোদিত বিষয়া, ইণ্ডিয়ান বেংক

দৈনন্দিন বাৰ্তা
সম্পাদকীয়
১৯ জুন ■ ২০২১ ■ ৪ আহাৰ ■ গুৱাহাটী

# সীমা সমস্যাৰ আশু সমাধান আৰু মুখ্যমন্ত্ৰীৰ প্ৰতিশ্ৰুতি

ইতিমধ্যে হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত বিজেপি দলে দ্বিতীয়বাৰৰ বাবে ৰাজ্যৰ শাসনভাৰ হাতত লৈছে। শৰ্মাৰ বিচক্ষণ বুদ্ধি, কৰ্ম তৎপৰতা আদিৰ কথা অসমবাসীক দ্বিতীয়বাৰ বুজোৱাৰ আৱশ্যক নাই। শৰ্মাৰ চৰকাৰখনে এমাহ পূৰ্ণ কৰিয়েই ৰাজ্যৰ দৃষ্টি আকৰ্ষণ কৰিব পৰাটো সাফল্য বুলিয়েই বোধগম্য। নৱ নিযুক্ত মুখ্যমন্ত্ৰীগৰাকীয়ে শাসনভাৰ হাতত লৈয়ে প্ৰকাশ কৰিছে ৰাজ্যখন ভাৰতৰ পাঁচখন শ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰত অন্যতম শ্ৰেষ্ঠ ৰাজ্য হিচাপে গঢ়ি তুলিব। ৰাজ্যবাসীৰ বাবেই অশেষ আশাব্যঞ্জক কথা। ৰাইজেও অহা পাঁচ বছৰৰ ভিতৰত ইয়াৰ প্ৰতিফলন আশা কৰিছে। কিন্তু দুৰ্ভাগ্যৰ কথা হ'ল নিৰ্বাচনৰ আগত নেতাসকলে দিয়া প্ৰতিশ্ৰুতি চৰকাৰ গঠন কৰি কোনো এখন চৰকাৰে প্ৰতিশ্ৰুতি সমূহ পালন কৰাৰ নজিৰ নাই। এই প্ৰতিশ্ৰুতিসমূহৰ ভিতৰত অসম চুক্তি ৰূপায়ণ, বান আৰু খহনীয়া সমস্যা, আন্তঃৰাজ্যিক সীমা সমস্যাৰ স্থায়ী সমাধান আদি জ্বলন্ত সমস্যা সমূহ বিগত কোনো এখন চৰকাৰে এই সমস্যাসমূহত গুৰুত্ব দিয়া পৰিলক্ষিত হোৱা নাই। ইচ্ছা কৰিলে চৰকাৰে সমাধান কৰিব নোৱাৰা কাৰণ নাই। স্বাধীনতাৰ পাছৰ পৰাই আন্তঃৰাজ্যিক সীমা সমস্যাই গুৰুতৰ ৰূপ ধাৰণ কৰি আহিছে। বিশেষকৈ অসম নাগালেণ্ডৰ সীমা সমস্যাই সীমান্তত বসবাস কৰা অসমীয়া লোকসকলক ঢোকে ঢোকে পানী খুৱাই আহিছে। কিয়নো সময়ে সময়ে সেই ৰাজ্যৰ দুষ্কৃতিকাৰীয়ে অসমৰ ভূমি, বনাঞ্চলত দাবী তুলি স্কুলঘৰ, গীৰ্জা আৰু ৰাস্তাঘাট আদি সাজি লৈ তাত থকা অসমীয়া লোকক অত্যাচাৰ কৰি আহিছে। শেহতীয়াকৈ অসম বিধান সভাৰ কংগ্ৰেছ বিধায়ক ৰূপজ্যোতি কুৰ্মী আৰু লগত যোৱা অন্যান্য লোকসকলক আক্ৰমণ কৰাৰ ঘটনাও ঘটিছে। ফলত তেওঁলোকে প্ৰাণ লৈ পলাবলগীয়া হৈছে। অকল এয়াই নহয় অৰুণাচল প্ৰদেশ, মিজোৰাম, মেঘালয় আদিৰ সীমান্তলৰো ভূখণ্ড বেদখলকাৰীৰ দখলত আছে। ইতিমধ্যে এই সীমা সমস্যাৰ স্থায়ী সমাধানৰ আলোচনাও নোহোৱা নহয়। একো ..... দিয়া নাই। অৱশ্যে নতুন তথা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা চৰকাৰে ইচ্ছা কৰে, এই সীমা সমস্যাৰ স্থায়ী সমাধান হ'ব পাৰে। কাৰণ এইগৰাকী মুখ্যমন্ত্ৰীয়ে নেডাৰ আহ্বায়ক তথা উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ লগত তেওঁৰ সম্পৰ্ক মধুৰ লগতে কেন্দ্ৰৰ বিজেপি চৰকাৰকো পতিয়ন নিয়াবলৈ অসুবিধা নহয়। অসমবাসীয়ে এই ক্ষেত্ৰত ড° হিমন্ত বিশ্ব শৰ্মাৰ ওপৰত আস্থা ৰখাই নহয় জলন্ত সমস্যাৰো সমাধানৰ বাবে নিশ্চয় আশা ৰাখিছে। তেতিয়াহে মুখ্যমন্ত্ৰীয়ে কোৱা শ্ৰেষ্ঠ ৰাজ্য এখনৰ নামত অসম অ..... হ'ব। নহ'লে সীমা সমস্যাই জুৰুলা কৰা ৰাজ্য এখনক শ্ৰেষ্ঠ ৰাজ্য বুলি কোৱাৰ যুক্তি যুক্ততা ক'ত। ইয়াত মুখ্যমন্ত্ৰীগৰাকীয়ে গুৰুত্ব দিয়াৰ প্ৰতি প্ৰয়োজন।

## সম্পাদকলৈ চিঠি

*মতামতৰ বাবে সম্পাদক দায়ী নহয়*

### চৰকাৰে 'কেব' চালক সকলৰ কথাও ভাবক

লকডাউন বা আংশিক লকডাউনৰ ফলত সমাজৰ আটাইতকৈ ক্ষতিগ্ৰস্ত সকলৰ ভিতৰত 'কেব' চালক সকল অন্যতম। যোৱা বছৰৰ পৰা এই বছৰলৈ এই চালক সকলে পৰিয়ালৰ সৈতে অতি দুৰ্বিহ জীৱন কটাই আহিছে। আমাৰ বোধেৰে ৰাজ্য চৰকাৰখনে মাত্ৰ তিনিটা সহায় কৰি দিলেই ভালদিন আহিলে তেওঁলোকে পুণৰ স্ব-উপাৰ্জনেৰে মূৰ তুলি উঠিব পাৰিব—

১) লকডাউন বা আংশিক লকডাউনৰ সময়ছোৱাৰ বাবে তেওঁলোকৰ গাড়ীৰ টে' ৰেহাই দিয়া হওক।

২) যিসকলে গাড়ীৰ ই এম আই দি আছে তেওঁলোকক এই সময়ছোৱাৰ বাবে ৰেহাই দি ঋণ পৰিশোধৰ বাবে সময় বৃদ্ধি কৰি দিবলৈ ফাইনেন্স কোম্পানী অথবা বেংকক চৰকাৰে বাধ্য কৰাওক।

৩) বাহিৰাগত প্ৰতিষ্ঠানে যাতে কেব' চালক সকলক শোষণ কৰিব নোৱাৰে তাৰ বাবে চৰকাৰে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰক। আমি আশা কৰোঁ ৰাজ্যখনৰ এচাম কৰ্মমুখী যুৱকৰ ভৱিষ্যতৰ আৰ্থিক নিৰাপত্তাৰ স্বাৰ্থত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বিষয়টিত গুৰুত্ব প্ৰদান কৰি উচিত পদক্ষেপ গ্ৰহণ কৰিব।

■ পুলিন শইকীয়া
ফোন ঃ ৮৬৩৮২৯১৩৫০

### হস্তী-মানৱৰ সংঘাত

সাম্প্ৰতিক সময়ত অসমৰ বিভিন্ন প্ৰান্তত হাতী - মানুহৰ সংঘাতে জটিল ৰূপ ধাৰণ কৰাৰ খবৰ সততে দৃষ্টিগোচৰ হয়। কৰবাত যদি কোনোৱে প্ৰাণ হেৰুৱাইছে, কৰবাত ঘৰ ভাগিছে, খেতিপথাৰ বিস্তৰ ক্ষতিসাধন হৈ চূৰমাৰ হৈছে কৃষকৰ সপোন। মুঠতে এক সংশয়ৰ মাজেদি সেই অঞ্চলবোৰত ৰাইজে দিনবোৰ অতিবাহিত কৰিব লগা হৈছে। হাতী -মানুহৰ সংঘাত বুলিলে সাধাৰণতে হাতীৰ ওপৰত দোষখিনি জাপি দিয়াটো কোনোপধ্যেই যুক্তিসংগত নহয়। হাতী- মানুহৰ মূল সংঘাতৰ কাৰণবোৰই হৈছে হাতী অহা-যোৱা কৰা পথ কোনো কাৰণে বন্ধ হৈ পৰা, হস্তী কৰিডৰত বৈধ, অবৈধ বেদখল, বাসস্থানৰ বাবে প্ৰতিযোগিতা, খেতিপথাৰ আদিৰ বাবে বনাঞ্চল ধ্বংস আদি বিভিন্ন কাৰকে হস্তীকুলৰ বাবে সংকট মাতি আনিছে। হাতী -মানুহৰ এই সংঘাতপূৰ্ণ অঞ্চলবোৰত সংঘাত ৰোধৰ বাবে বন বিভাগে নানা ধৰণৰ পৰিকল্পনা হাতত লৈছে যদিও বনৰীয়া হাতীৰ উপদ্ৰৱৰ পৰা পৰিত্ৰাণ পাবলৈ সক্ষম হোৱা নাই। তেনে সময়তে এক সহাৱস্থানৰ পৰিৱেশ গঢ়ি তুলিবৰ বাবেই তথা হাতী-মানুহৰ দীৰ্ঘদিনীয়া সংঘাত নিৰাময়ৰ বাবে কৃষিকাৰ্য কৰাৰ যি অভিনৱ পদ্ধতি নগাঁওৰ বিনোদ দুলু বৰাৰ তৎপৰতাত আৰম্ভ হৈছে তাকে অনুকৰণ কৰি তথা বিনোদ দুলু বৰাৰ সহায়ত গোলাঘাট জিলাৰ থুৰামুখ মিৰিপথাৰ গাওঁৰ ৰাইজে ১৮০ বিঘা বিস্তৃত কৃষিভূমিত খাদ্য সংকটত ভোগা বন্যহস্তীকুলৰ বাবে আৰম্ভ কৰিছে ধান খেতি ।ৰাইজে অনুভৱ কৰে যে এই ধান খাই ক্ষুধা নিবাৰণ হলেই অঞ্চলটোত বন্যহস্তীয়ে ৰাইজক অনিষ্ট, উপদ্ৰৱ নচলায়। সহাৱস্থানৰ এনে নিৰ্দশন বন্যহস্তীৰ প্ৰতি থকা শ্ৰদ্ধা আৰু মৰমৰ উৎকৃষ্ট নিদৰ্শনকে দাঙি ধৰিছে। এনে পদক্ষেপ ৰাজ্যৰ আন আন সংঘাত প্ৰৱণ অঞ্চললৈ প্ৰসাৰিত কৰাৰ প্ৰচেষ্টা চৰকাৰীভাৱে বন বিভাগে ললে আৰু তেনে ঠাইত হাতীৰ বাবে ধান খেতিৰ লগতে হাতীৰ উপযোগী বিভিন্ন ঘাহঁ আদি ৰোপণ কৰিলে হাতী- মানুহৰ সংঘাত দূৰ হব বুলি আশা কৰিব পাৰি ।ইতিমধ্যে নগাঁৱৰ চাপানালাৰ নিকটবৰ্তী ৰংহাং কাৰ্বি গাঁৱত এনে অভিনৱ পদক্ষেপৰ প্ৰভাৱ এতিয়া সুদূৰ প্ৰসাৰী হৈ পৰিছে।

■ কৌশিক ৰঞ্জন দত্ত
ফোন ঃ ৭০০২০৮১৬২৬

### ছাত্ৰ ছাত্ৰীৰ মানসিক চাপ আৰু শিক্ষাৰ ভৱিষ্যৎ

অপেক্ষাৰ দেউনা চিগি ছাত্ৰ ছাত্ৰী সকল ইতিমধ্যে এক অনাকাংক্ষীত আশংকাত ভুগি আছে, বিশেষ কৈ মেট্ৰিক আৰু উচ্চতৰ মাধ্যমিকৰ পৰীক্ষাৰ্থী সকল ।শিক্ষা মন্ত্ৰী মহোদয়ে ইতিমধ্যে পৰীক্ষা ৰ ওপৰত সিদ্ধান্ত আগবঢ়াই ছে যদিও শিক্ষাৰ্থী সকল সন্তুষ্ট নহয়, কিয়নো তিনিটা বিষয়ৰ ওপৰত পৰীক্ষা অনুষ্ঠিত কৰি ইয়াৰ উপৰিও মুঠ তিনিটা বিষয়ৰ ভিতৰত যিটো বিষয়ত আটাইতকৈ বেছি নম্বৰ পাব সেই ভিত্তিত ফলাফল ঘোষণা কৰাৰ এই সিদ্ধান্তত ভীষণ অসন্তুষ্ট শিক্ষাৰ্থী সকল কিয়নো এনেদৰে ফলাফল ঘোষণা কৰিলে প্ৰকৃত শিক্ষাৰ্থী ৰ মানদণ্ড লাঘৱ হব সেইহে শিক্ষা মন্ত্ৰী মহোদয় লৈ বিশেষ অনুৰোধ পৰীক্ষা অনুষ্ঠিত কৰা আৰু ফলাফল ঘোষণা কৰাৰ যি সিদ্ধান্ত এই বিষয়ে ছাত্ৰ ছাত্ৰীৰ মনৰ অনুভৱ খিনি অন্তৰগম কৰি পুনৰ বিবেচনা কৰে যেন।

■ শোভাশ্ৰী বাৰিক
ফোন ঃ ৬০০০০৩১৩১৯

১৯ জুন ফৰাচী গণিতজ্ঞ ব্লেইজ পাস্কেলক ওপজা দিনত সুঁৱৰি...

# ফৰাচী গণিতজ্ঞ ব্লেইজ পাস্কেলৰ জীৱনৰ দীঘ-বাণি

■ প্ৰাঞ্জল প্ৰতিম ডেকা

১৬২৩ খৃষ্টাব্দৰ ১৯ জুন তাৰিখে ফৰাচী দেশৰ ক্লেৰমন্ট-ফেৰান্দ নামৰ ঠাইত ব্লেইজ পাস্কেলৰ জন্ম হয়। তেওঁৰ দেউতাক এজন কৰ সংগ্ৰহকাৰী বিষয়া আছিল। পাস্কেল সৰুৰে পৰাই অতি তীক্ষ বুদ্ধিৰ আৰু অত্যন্ত মেধাবী আছিল। অতি সৰু কালতে তেওঁ বিজ্ঞানৰ যুগান্তকাৰী আৱিষ্কাৰেৰে সকলোকে চমক খুৱাইছিল। তেওঁ পোনপ্ৰথমে প্ৰাকৃতিক আৰু ব্যৱহাৰিক বিজ্ঞানৰ কেতবোৰ দিশত বৈজ্ঞানিক অধ্যয়ন চলাইছিল আৰু জলীয় পদাৰ্থৰ ধৰ্ম সংক্ৰান্তীয় বহু গুৰুত্বপূৰ্ণ তথ্য আৱিষ্কাৰ কৰিবলৈ সক্ষম হয়। তেওঁ চাপ আৰু বায়ুশুন্য অৱস্থা সম্বন্ধে আগেয়ে টৰিচেল্লি নামৰ বিজ্ঞানী এজনে আগবঢ়োৱা মতবাদৰ সত্যতা প্ৰতিপন্ন কৰে আৰু বৈজ্ঞানিক পদ্ধতি অৱলম্বন কৰাৰ যুক্তিযুক্ততা ডাঙি ধৰে।

১৬৪২ চনত কৈশোৰ অৱস্থাতে তেওঁ গাণনিক যন্ত্ৰ সম্পৰ্কে কেতবোৰ প্ৰাথমিক কাম-কাজ আৰম্ভ কৰে আৰু তিনি বছৰ গভীৰ অধ্যয়ন চলাই অৱশেষত গাণনিক যন্ত্ৰৰ সৈতে জড়িত ৫০ টা সম্ভাব্য ধাৰণা আৱিষ্কাৰ কৰে। পিচৰ ১০ বছৰত তেওঁ ২০ টা গাণনিক যন্ত্ৰ তৈয়াৰ কৰি উলিয়ায়। পাস্কেল এজন প্ৰথম শ্ৰেণীৰ গণিতজ্ঞ আছিল। মাত্ৰ ১৬ বছৰ বয়সত তেওঁ প্ৰক্ষেপণ জ্যামিতি বিষয়ক এখন গুৰুত্বপূৰ্ণ গৱেষণা-পত্ৰ প্ৰকাশ কৰে আৰু পাচত সম্ভাব্যতা সম্পৰ্কে পীয়েৰি দে ফাৰ্মেটৰ সৈতে যোগাযোগ কৰি আধুনিক অৰ্থনীতি আৰু সমাজ বিজ্ঞানৰ অগ্ৰগতিৰ বাবে অমূল্য বৰঙণি আগবঢ়ায়। ১৬৪৬ চনত তেওঁ আৰু তেওঁৰ ভনীয়েক জেকুলীনে কেথ'লিক ধৰ্মৰ সংস্কাৰী মতবাদ জেন্সেনীজ্‌মৰ সমৰ্থনত থিয় দিয়ে। ১৬৫১ চনত তেওঁৰ দেউতাকৰ মৃত্যু হয়। ১৬৫৪ চনৰ তেওঁ পুণৰ ধৰ্মান্তৰিত হয় আৰু বৈজ্ঞানিক কাম-কাজ বাদ দি দৰ্শন আৰু ধৰ্ম-তত্ত্বত মনোনিৱেশ কৰে। সেই সময়তে তেওঁ 'লেটাৰেচ প্ৰোভিন্সিয়েলিচ' আৰু 'পেন্সিচ' নামৰ দুখন বিখ্যাত পুথি ৰচনা কৰে। সেই সময় চোৱাতে তেওঁ গাণিতিক ত্ৰিভুজৰ বিষয়েও এখন মূল্যবান গৱেষণা-পত্ৰ লিখি উলিয়ায়। ১৬৫৮ ৰ পৰা ১৬৫৯ চনৰ ভিতৰত তেওঁ অধিবৃত্ত আৰু কঠিন পদাৰ্থৰ আয়তন নিৰ্ণয়ত ইয়াৰ ব্যৱহাৰ সংক্ৰান্তত লিখি উলিয়ায়। ১৮ বছৰ বয়সৰ পিচত পাস্কেলৰ স্বাস্থ্যৰ অৱনতি হয় আৰু ৩৯ তম জন্মদিৱসৰ দুমাহৰ পিচতে তেওঁৰ মৃত্যু হয়।

মাত্ৰ তিনি বছৰ বয়সতে পাস্কেলে তেওঁৰ মাতৃ এন্টনিটে বেগনক হেৰুৱায় । তেওঁৰ দেউতাক এটিন্নে পাস্কেলো বিজ্ঞান আৰু গণিতৰ অনুৰাগী আছিল । পাস্কেলৰ দুজনী ভনীয়েক আছিল, জেকুলীন আৰু গিল্বাৰ্টে।

১৬৩১ চনত, তেওঁৰ পৰিবাৰৰ মৃত্যুৰ পাঁচ বছৰৰ পাচত এটিন্নে পাস্কেল ল'ৰা-ছোৱালী কেইটাৰে সৈতে পেৰিচলৈ যায়গৈ । সেইসময়ত তেওঁলোকৰ ঘৰত বন-কৰা মহিলা হিচাবে থকা লুই ডেল্‌ফ্লুট তেওঁলোকৰ পৰিয়ালৰ এগৰাকী অন্যতম সদস্যৰ দৰে আছিল আৰু ল'ৰা-ছোৱালী কেইটাৰ যত্ন লৈছিল । কিন্তু পাস্কেলৰ দেউতাকে দ্বিতীয় বিবাহ নকৰাই নিজৰ সন্তান কেইটাক ঘৰতে শিক্ষা দান কৰিছিল । মাত্ৰ ১১ বছৰ বয়সতে ব্লেইজ পাস্কেলে কম্পিত বস্তুৰ শব্দ সম্পৰ্কে এখন চুটি ৰচনা লিখি উলিয়াইছিল ; কিন্তু দেউতাকে তেওঁ ১৫ বছৰ নোহোৱালৈকে গণিতৰ অধ্যয়নত বাধা প্ৰদান কৰিছিল, যাতে তেওঁৰ লেটিন আৰু গ্ৰীক ভাষাৰ অধ্যয়নত কোনো বিৰূপ প্ৰভাৱ নপৰে । অৱশ্যে তেওঁৰ ১২ বছৰ বয়সত এদিন তেওঁৰ দেউতাকে দেখিলে যে পাস্কেলে এটুকুৰা কয়লা হাতত লৈ বেৰত ছবি আঁকি স্বতন্ত্ৰীয়াকৈ প্ৰমাণ কৰিছে যে যিকোনো ত্ৰিভুজৰ তিনিটা কোণৰ সমষ্টি দুই সমকোণৰ সমান । তেতিয়াৰে পৰা দেউতাকে তেওঁক ইউক্লীডীয় জ্যামিতি অধ্যয়ন কৰাৰ অনুমতি দিলে আৰু সেই সময়ৰ ইউৰোপত বিভিন্ন জনসভাত গোট খোৱা বিখ্যাত গণিতজ্ঞ সকলৰ কথা-বতৰা মৌনভাৱে শুনাৰ ব্যৱস্থা কৰি দিলে । ইয়াৰ পিচতে মাত্ৰ ১৬ বছৰ বয়সত পাস্কেলে তেওঁৰ বিখ্যাত "পাস্কেলৰ সূত্ৰ" আৱিষ্কাৰ কৰিলে । এই সূত্ৰৰ মতে যদি এটা ষড়ভূজ এটা বৃত্ত বা ত্ৰিশঙ্কুৰ ওপৰত স্থাপন কৰা হয়, তেন্তে বিপৰীত বাহু বিলাকে কটাকটি কৰা বিন্দু কেইটা এডাম সৰলৰেখাত থাকিব । এই ৰেখা ডালক আমি পাস্কেল ৰেখা বোলো।

পাস্কেলৰ এই আৱিষ্কাৰ ইমানেই সাংঘাতিক আছিল যে যেতিয়া এই সূত্ৰ ডেচ্‌কাৰ্টেছ নামৰ বিজ্ঞানী জনক দেখুওৱা হ'ল, তেওঁ বিশ্বাস কৰিবলৈ মান্তি নহ'ল যে এই আৱিষ্কাৰ পাস্কেলৰ দেউতাকে নহয়, কণমানি পাস্কেলেহে কৰিছে। পেৰিচত বহুতো আৰ্থিক উত্থান পতনৰ সন্মুখীন হোৱাৰ অন্তত ১৬৩৯ চনত পাস্কেলৰ দেউতাক ৰোৱেন নগৰীৰ কৰ আয়ুক্ত নিযুক্ত হয় । ১৬৪২ চনত দেউতাকৰ কৰ সংক্ৰান্তীয় আমনিদায়ক আৰু জটিল গণনা কাৰ্য সহজ কৰাৰ অভিপ্ৰায়েৰে পাস্কেলে এটা গাণনিক যন্ত্ৰ সাজি উলিয়ায়, যিটোৰ সহায়ত যোগ আৰু বিয়োগ অতি সহজতে কৰিব পৰা গৈছিল । ইয়াক "পাস্কেলৰ কেল্কুলেটৰ" বা "পাস্কেলাইন" বোলা হয়। পেৰিচ আৰু জাৰ্মানী ড্ৰেছদেন যাদুঘৰত পাস্কেলে বনোৱা দুটা এনে ধৰণৰ যন্ত্ৰ আজিও সংৰক্ষিত হৈ আছে। পিচৰটো দশকত পাস্কেলে তেওঁৰ এই আৱিষ্কাৰৰ অধিক উন্নতি ঘটাই মুঠ ২০ টা গাণনিক যন্ত্ৰ সাজি উলিয়ায়।

গোটেই জীৱন জুৰি গণিতৰ বিভিন্ন আৱিষ্কাৰেৰে পাস্কেলে আধুনিক গণিতৰ বিকাশলৈ যুগান্তকাৰী অৱদান যোগাই থৈ গৈছে । ১৬৫৪ চনত তেওঁৰ এজন বন্ধু ছেভালিয়াৰ দে মেৰেৰ অনুৰোধ মৰ্মে জুৱাখেলত বন্ধুজনে পোৱা অসুবিধা এটাৰ সমাধান কৰিবলৈ চেষ্টা কৰোঁতে পাস্কেলে ফাৰ্মেট নামৰ আন এজন গণিতজ্ঞৰ সহযোগত সম্ভাব্যতাৰ তত্ত্ব আৱিষ্কাৰ কৰে। পিচলৈ পাস্কেলে এই সম্ভাব্যতাৰ সূত্ৰ প্ৰয়োগ কৰি ভগৱানৰ অস্তিত্ব আৰু সত্ জীৱন যাপনৰ যুক্তিযুক্ততা প্ৰমাণ কৰিবলৈ বিচাৰিছিল।

১৬৫৪ চনত এটা ধৰ্মীয় অভিজ্ঞতাৰ পৰিণতিত পাস্কেলে বৈজ্ঞানিক অধ্যয়ন প্ৰায় বিসৰ্জন দিয়ে। অৱশ্যে ১৬৫৮ চনত এনিশা উজাগৰে কটোৱাৰ পাচত চাইক্লয়ড বা অধিবৃত্তৰ ওপৰত আৰু এক সূত্ৰ উদ্ভাৱন কৰে।

বিভিন্ন বৈজ্ঞানিক আৱিষ্কাৰৰ উপৰিও পাস্কেলে গাণিতিক দৰ্শনৰ দিশতো অতুলনীয় অৱদান আগবঢ়ায়। এই দিশত তেওঁৰ বিশিষ্ট অৱদানৰ ভিতৰত আছিল "অৱ দা জ্যামিত্ৰিকেল স্পিৰিট" নামৰ কিতাপখন। গণিতৰ উপৰিও তেওঁ পদাৰ্থ বিজ্ঞানৰ প্ৰতিও অমূল্য অৱদান আগবঢ়ায়। তাৰ ভিতৰত তেওঁ হাইড্ৰ'ডাইনেমি'ৰ ওপৰত কৰা গৱেষণা, বেৰোমিটাৰ আৰু বায়ুশূন্যতা সম্পৰ্কে কৰা আৱিষ্কাৰ উল্লেখযোগ্য।

১৬৫৪ চনৰ অক্তোবৰ মাহত পাস্কেলে এটা গুৰুতৰ দুৰ্ঘটনাৰ সন্মুখীন হয় আৰু তাৰ পিচৰ পৰাই তেওঁৰ স্বাস্থ্য ক্ৰমান্বয়ে ভাগি পৰে। ১৬৬২ চনত তেওঁৰ শাৰীৰিক অৱস্থা অধিক শোচনীয় হৈ পৰে আৰু তাৰ আগৰ বছৰত হোৱা ভগ্নীৰ মৃত্যুৰ বাবে তেওঁ মানসিকভাৱেও ভাগি পৰে। ১৬৬২ চনৰ ১৮ আগষ্টত পেৰিচত থাকোঁতে তেওঁ হঠাতে চেতনা হেৰুৱায় আৰু পিচদিনা শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ আগে আগে তেওঁ কৈছিল, " ভগৱানে যেন মোক কাহানিও পৰিত্যাগ নকৰে!"

ফোন ঃ ৮৬৩৮১৪০৯৫৬

(১৯ জুনত ২৭ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষত)

# অনুভৱৰ দলিচাত কালুগাঁও ৰাইটাৰ্চ গীল্ড

■ হৰেন চন্দ্ৰ নাথ

শিৱসাগৰ জিলাখনৰ ভিতৰতে শিক্ষা-সংস্কৃতি, ভাষা-সাহিত্য, ক্ৰীড়াকে ধৰি বিভিন্ন দিশত ঐতিহাসিক কালুগাঁও অঞ্চলটিৰ সুনাম আছে। এই অঞ্চলতে এসময়ত সৰু-বৰ অনেক সাহিত্য সংগঠনৰো জন্ম হৈছিল। অঞ্চলটোত সাহিত্য চৰ্চাৰ পৰিৱেশ সৃষ্টি, অসমীয়া ভাষা জননীৰ উৎকৰ্ষ সাধন তথা নবীন সাহিত্যসেৱী সকলক উৎসাহিত কৰি অসমীয়া ভাষা জননীৰ সেৱাত ব্ৰতী হ'বলৈ এই সংগঠনবোৰে বহুখিনি অৰিহণা আগবঢ়াই আহিছে। তেনে এটি অন্যতম সাহিত্য সংগঠন হ'ল কালুগাঁও ৰাইটাৰ্চ গীল্ড চমুকৈ 'কাৰাগী'। 'কাৰাগী'ৰ জন্ম হৈছিল ১৯৯৪ চনৰ ১৯ জুন তাৰিখে। কালুগাঁও অঞ্চলৰ সেইসময়ৰ কেইগৰাকীমান উদীয়মান সাহিত্যসেৱী ব্যক্তিৰ আশাসুধীয়া যত্নৰ ফল 'কাৰাগী'। অৱশ্যে অসমীয়া ভাষা-সাহিত্য চৰ্চাৰ অনুষ্ঠান এটিৰ নাম ইংৰাজীত দিয়াক লৈও সেইসময়ত কিছুৱে আপত্তি কৰিছিল। সেয়া যিকিনহওক এই 'কাৰাগী' কালুগাঁও অঞ্চলৰ বহুজনৰে সাহস, প্ৰেৰণা তথা বৌদ্ধিক ক্ষেত্ৰখনৰ একপ্ৰকাৰ পথ প্ৰদৰ্শকৰ দৰে আছিল। আজি অসমৰ শিক্ষা, সংবাদ-সাহিত্য জগতখনেৰে জড়িত কেবাজনো সক্ৰিয়, নিয়মীয়া লেখক-সাংবাদিকৰ অনুশীলন আৰু চৰ্চাৰ এখনি উৰ্বৰা ক্ষেত্ৰ আছিল এই 'কাৰাগী'। জন্মলগ্নৰে পৰা কালুগাঁও ৰাইটাৰ্চ গীল্ড অনুষ্ঠানটোৰ এক অতি আকৰ্ষনীয় দিশ আছিল ঘৰুৱা বা অন্যান্য স্বেচ্ছাসেৱী অনুষ্ঠানৰ সহায়ত মাহটোত এখনকৈ বৈঠক অনুষ্ঠিত কৰা। 'কাৰাগী'ৰ বৈঠকলৈ আহোতে সদস্যসকলে লগত স্বৰচিত লেখা অন্যটো একপ্ৰকাৰ বাধ্যতামূলক আছিল। লেখাসমূহ পাঠ কৰাৰ লগতে লেখাৰ পৰ্যালোচনা কৰা হৈছিল। ফলত সাহিত্যৰ সকলো বিভাগতে লেখা আৰু স্বৰচিত লেখা পঠুৱৈৰ কাষ চপাই নিয়াৰ সহজ ব্যৱস্থাটো বেছ জনপ্ৰিয় হৈছিল। নতুনকৈ লেখামেলা কৰাসকলে লেখাসমূহৰ খুটিনাতিবোৰো আলোচনাৰ মাজেৰে জুকিয়াই চাবলৈ সুযোগ, সুবিধা লাভ কৰিছিল। কোৱা বাহুল্য যে, এইখন মঞ্চতে লেখামেলাৰে আত্মপ্ৰকাশ কৰা বহুজনে বৰ্তমান কবি, গল্পকাৰ, প্ৰাৱন্ধিক তথা সাংবাদিক ৰূপে প্ৰতিষ্ঠা লাভ কৰিছে। পৰিসৰ সৰু হলেও কালুগাঁও অঞ্চলৰ বিভিন্ন স্থানত প্ৰতিমাহে এবাৰকৈ ইয়াৰ নিয়মীয়া বৈঠকসমূহ অনুষ্ঠিত কৰা হৈছিল যাতে সদস্যসকলৰ চৰ্চাত দীঘলিয়া যতি নপৰে আৰু প্ৰতিবাৰতে কেইগৰাকীমান হলেও নতুন সদস্য-সদস্যাই অংশগ্ৰহণ কৰিব পাৰে। সাহিত্য-চৰ্চাৰ বা আলোচনাৰ বৈঠকতে কাৰাগীৰ কৰ্মক্ষেত্ৰ সীমাবদ্ধ নাছিল। সময়ে সময়ে অসমীয়া ভাষা-সাহিত্য, সংস্কৃতি জগতৰ পুৰোধাসকলৰ স্মৃতি দিৱস অনুষ্ঠিত কৰাৰ লগতে সদৌ অসম, জিলা ভিত্তিক প্ৰতিযোগিতা অনুষ্ঠিত কৰা, ন-লেখকৰ কিতাপ প্ৰকাশ কৰি উন্মোচন কৰা, প্ৰবীণ সকলক সম্বৰ্ধনা জ্ঞাপন কৰা, সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ বৰঙণি আগবঢ়াওঁতাসকলক 'কাৰাগী'ৰ মঞ্চত সন্মানিত কৰা আদি অন্যান্য বহুমুখী কৰ্মআঁচনী ৰূপায়ণ কৰা হৈছিল। ফলত সকলো বয়সৰ লোকৰ বাবেই কাৰাগী এক সৃষ্টিশীল মঞ্চত পৰিণত হৈছিল আৰু মনে-প্ৰাণে আদৰি লৈছিল। সময়ে সময়ে সাহিত্য সংগঠনটোৰ প্ৰতিষ্ঠা দিৱসৰ লগতে বাৰ্ষিক অধিবেশনো অনুষ্ঠিত কৰা হৈছিল। ২০০৪ বৰ্ষত কালুগাঁও ৰাইটাৰ্চ গীল্ডৰ দহবছৰীয়া প্ৰতিষ্ঠা দিৱস বৰুৱাপুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়ত দুদিনীয়া কাৰ্যসূচীৰে যথেষ্ট আৰম্বড়পূৰ্ণভাবে অনুষ্ঠিত কৰা হৈছিল। এই কথা অপ্ৰিয় হলেও সত্য যে, 'কাৰাগী'য়ে এৰি অহা দিনবোৰত বহু উত্থান-পতন তথা ঘাত-প্ৰতিঘাতৰ স্মৃতি জড়িত হৈ আছে। সময়ে সময়ে স্থবীৰ হৈ পৰিলেও পুনৰ প্ৰাণ পাই উঠিছে। প্ৰতিষ্ঠালগ্নৰ বহুসংখ্যক সদস্য সময়ৰ লগে লগে পেচাগত বা অন্যান্য কাৰণত ব্যস্ত থাকিবলগা হোৱা কিম্বা আঁতৰি যোৱাত কেতিয়াবা হয়তু অস্তিত্বলৈকে ভাবুকি আহিছে। তথাপি কেইজনমান সাহিত্যানুৰাগী লোকৰ শিপাৰ প্ৰতি টান, উঠি অহা প্ৰজন্মৰ প্ৰতি দায়িত্ববোধ তথা অশেষ ত্যাগ-কষ্টৰ ফলত কাৰাগীয়ে পুনৰ ঠন ধৰি উঠে। গত ২০১৮-২০১৯ বৰ্ষতো 'কাৰাগী'ৰ ৰূপালী জয়ন্তী উৎসৱ বৰ্ষজোৰা কাৰ্যসূচীৰে সমাপন কৰা হয়। এই ৰূপালী জয়ন্তী বৰ্ষৰ আৰম্ভণিতে স্বেচ্ছাসেৱী সংগঠন 'খোজ'ৰ সহযোগত কালুগাঁও উচ্চ বিদ্যালয়ত 'সমন্বয়ৰ ৰূপোৱালী যাত্ৰা' নামৰ এক বৰ্ণিল অনুষ্ঠান সম্পন্ন কৰা হয়, য'ত 'লোক সংস্কৃতিৰ চৰ্চা' বিষয়ত এক মনোজ্ঞ আলোচনা চক্ৰৰ লগতে বিশিষ্ট কবি টিপেশ্বৰ গগৈক 'সেউজ উপত্যকাৰ কবি' সন্মান প্ৰদান কৰা হৈছিল। 'কাৰাগী'ৰ তিনিওগৰাকী উপদেষ্টা ক্ৰমে প্ৰয়াত শিক্ষাবিদ সোমেশ্বৰ দত্ত, কবি ৰোহিনী গগৈ আৰু শিক্ষক ঠানুৰাম গগৈৰ পৱিত্ৰ স্মৃতিত তিনিটা স্মাৰক বক্তৃতা অনুষ্ঠিত কৰা হৈছিল। ইয়াৰে সোমেশ্বৰ দত্ত স্মাৰক বক্তৃতা বৰপাত্ৰদ'ল উচ্চ বিদ্যালয়ত ২০১৮ বৰ্ষৰ ১৯ জুন তাৰিখে অনুষ্ঠিত কৰি বৰ্ষজোৰা কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হৈছিল। বক্তৃতাৰ বিষয় আছিল—'নৱ-প্ৰজন্মৰ ভাষা-সাহিত্য চৰ্চাত সাম্প্ৰতিক শিক্ষা ব্যৱস্থা'। মূল বক্তব্য আগবঢ়াইছিল নাট্যকৰ্মী প্ৰশান্ত শৰ্মাই। ঠানুৰাম গগৈ সোঁৱৰণী স্মাৰক বক্তৃতা 'খোজ'ৰ উদ্যোগত আয়োজিত পঞ্চম শিৱসাগৰ গ্ৰন্থমেলাৰ আতিথ্যত ৬ নবেম্বৰ' ২০১৮ চনত অনুষ্ঠিত কৰা হৈছিল। বক্তৃতাৰ বিষয় আছিল 'পঢুৱৈৰ দৃষ্টিত লেখক-লেখিকাৰ দায়বদ্ধতা'। সাহিত্যিক খগেন্দ্ৰ নাথ ভূএঞাৰ সঞ্চালনাত আয়োজিত অনুষ্ঠানত মূল বক্তব্য আগবঢ়াইছিল লেখক ড° প্ৰশান্ত কুমাৰ চুতীয়াই। ২০১৯ বৰ্ষৰ ৬ নবেম্বৰত 'কালুগাঁও সাৰ্বজনীন দুৰ্গাপূজা মণ্ডপ'ত 'কাৰাগী'ৰ ৰূপালী জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠান উদ্‌যাপিত হৈছিল। য'ত অন্যতম উপদেষ্টা কবি ৰোহিনী গগৈ স্মাৰক বক্তৃতা, বিষয়—'সুস্থ সামাজিক পৰিবেশ গঠনত আধ্যাত্মিক অনুষ্ঠানসমূহৰ ভূমিকা আৰু দায়বদ্ধতা' অনুষ্ঠিত কৰা হৈছিল। বক্তৃতা প্ৰদান কৰিছিল নামতি শ্বহীদ পিয়লি ফুকন কলেজৰ অধ্যক্ষ তথা 'কাৰাগী'ৰ একালৰ সদস্য ড° ধ্ৰুৱজ্যোতি নাথে। ৰূপালী জয়ন্তী বৰ্ষত আয়োজিত বিভিন্ন প্ৰতিযোগিতাসমূহৰ বিজয়ীসকলক পুৰস্কৃত কৰা হৈছিল আৰু 'ৰূপালী কিৰণ' নামৰ এখনি স্মৃতিগ্ৰন্থ উন্মোচন কৰা হৈছিল। দীৰ্ঘ সাতাইছ বছৰ পূৰ্বে 'কাৰাগী'ৰ মুল জুমুঠিটো তৈয়াৰ কৰা সাহিত্যসেৱী কেইজন আছিল— তৰুণ চন্দ্ৰ নাথ, প্ৰমোদ আৰন্ধৰা, জয়ন্ত কুমাৰ চুতীয়া, ধ্ৰুৱজ্যোতি নাথ, জয়জ্যোতি গগৈ, বিশ্বজিৎ নাথ, হৰেশ দুৱৰা আৰু হৰেন চন্দ্ৰ নাথ। আমৃত্যু অনুষ্ঠানটিক এক গতি প্ৰদান কৰোতা আছিল উপদেষ্টা তথা অৱসৰপ্ৰাপ্ত শিক্ষক সোমেশ্বৰ দত্ত। পৰৱৰ্ত্তী সময়ত শিক্ষক সৌৰভ নেওগ, ঠানুৰাম গগৈ, নিৰঞ্জণ বড়া, সঞ্জীৱ বড়া, নীলোৎপল বৰুৱা, কৃষ্ণকান্ত গগৈ, পৰেশমল্ল চেতিয়া, জনম খনিকৰ, অনুপম বৰুৱা, জোনমণি দেৱী, জয়া গগৈ, মৌচুমী সন্দিকৈ, স্বপ্নালী চেতিয়া, বন্দনা নাথ, সুখেশ্বৰ নাথ, কুমাৰ বিমান বৰাকে মুখ্য কৰি অনেকজনে 'কাৰাগী'ৰ মঞ্চখনৰ হৈ সেৱা আগবঢ়াই আহিছে। অনুষ্ঠানটোৰ ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপনতো দিলীপ শইকীয়া, ৰাজকুমাৰ কনচেং, ড° ৰঞ্জন ফুকন, পবিত্ৰপ্ৰাণ ভট্টাচাৰ্য, সত্যজিৎ নাথ, অচিন্ত্য বৰঠাকুৰ, সাগৰ বৰঠাকুৰকে মুখ্য কৰি কালুগাঁও অঞ্চলৰ বিদ্বৎ সমাজে সহযোগিতা আগবঢ়াইছিল। 'কাৰাগী'য়ে যি লক্ষ্য-উদ্দেশ্য লৈ জন্মলাভ কৰিছিল তাৰ পৰা বিচ্যুত নোহোৱাকৈ অঞ্চলটোত এক বৌদ্ধিক যাত্ৰাৰ পথ নিৰ্মাণৰ বাবে যোৱা সময়খিনিত অহোপুৰুষাৰ্থ কৰি আহিছে। সফলতা-বিফলতাৰ বিচাৰৰ ভাৰ সময়ৰ হাতত। অসমীয়া ভাষা জননীৰ সেৱাত ব্ৰতী 'কাৰাগী'ৰ দৰে সৰু সৰু সংগঠনবোৰৰ শক্তি, আয়ুস আৰু কৰ্মক্ষেত্ৰ যিমানেই বাঢ়িব জাতিটোৰ বাবে সিমানেই মঙল। জয়তু 'কাৰাগী'।

ফোন-৮১৩৩৯২৪২১৪

# যোগাসনৰ প্ৰাসংগিকতা প্ৰাচীন কালৰ পৰা আধুনিক যুগলৈ

■ অপূৰ্ব শৰ্মা

বৰ্তমান সমগ্ৰ বিশ্বত জনপ্ৰিয় হৈ উঠা শব্দটো হৈছে সনাতন যোগ। যোগ শব্দটো সংস্কৃত 'যুজ' ধাতুৰ পৰা উৎপত্তি হৈছে। ইয়াৰ বুৎপত্তিগত অৰ্থ হ'ল যুক্ত কৰা বা মিলিত হোৱা অৰ্থাৎ সনাতন সংস্কৃতিৰ বেদ পুৰণাত উল্লেখ থকা পৰমাত্মাৰ লগত জীৱাত্মাৰ মিলন কৰা ব্যৱস্থাটোকে যোগ বুলি কোৱা হয়। বিশ্বৰ শ্ৰেষ্ঠ গ্ৰন্থৰূপে পৰিচিত শ্ৰীমদ্ভাগবত গীতাৰ ষষ্ঠ অধ্যয়ত যোগ প্ৰসংগত স্বয়ং শ্ৰীকৃষ্ণই কৈছে-

"দুখ কষ্টৰ পৰা মুক্ত হোৱাই যোগৰ আচল অৰ্থ" অৰ্থাৎ মানুহে শাৰীৰিক আৰু মানসিকভাৱে যিবোৰ দুখ কষ্ট পায় সেইবোৰৰ পৰা মুক্তি লাভ কৰাই হৈছে যোগৰ অৰ্থ। যোগে মানুহক শাৰীৰিক শক্তি প্ৰদান কৰে লগতে মানসিক অস্থিৰতা দূৰ কৰি এক মুক্ত আৱৰণ প্ৰদান কৰে ।ঠিক একেদৰে কথোপনিষদতো যোগ সম্বন্ধে উল্লেখ কৰিছে যে– "অনুভূতি যেতিয়া অচঞ্চল হয়, শান্ত মন যেতিয়া স্থিৰ,মন যেতিয়া অনয় তেতিয়া কোৱা হয় যে জ্ঞানীয়ে তেওঁৰ সৰ্বোচ্চ অৱস্থালৈ গৈ পাইছে ।এনেকুৱা মন অনুভূতি আৰু বিবেকৰ দৃঢ় নিয়ন্ত্ৰণেই হ'ল যোগ আৰু যিয়ে এয়া কৰিব পাৰে তেওঁৱেই মোহমুক্ত তেওঁৱেই যোগী। প্ৰাচীন সনাতন সংস্কৃতিত যোগ আৰম্ভণিৰ পৰাই প্ৰাসংগিক ।সনাতন সংস্কৃতিৰ মূল উপাসক শিৱই হৈছে প্ৰথম যোগী,তেওঁৰ পৰাই যোগৰ সৃষ্টি সেয়ে তেওঁক আদি যোগী বুলি কোৱা হয়। ।বহু কাল আগতে তেওঁ হিমালয়ত কেইবাগৰাকী ঋষিক যোগবিদ্যাৰ জ্ঞান অৰ্পণ কৰিছিল আৰু সেইসকলৰ ভিতৰত অন্যতম আছিল ঋষি আগষ্ট্য ।তেওঁ ভাৰত উপমহাদেশ পৰিভ্ৰমণ কৰি যোগ সাধনাক দৈনন্দিন জীৱনৰ অংগ হিচাপে মানৱ সমাজক পৰিচয় কৰাই দিছিল আৰু এই যোগবিদ্যাৰ গুৰুত্ব ঋষি মুনি সকলে মানৱ সমাজত উপলব্ধি কৰি যোগবিদ্যাক সনাতন সংস্কৃতিত গুৰুত্বপূৰ্ণ স্থান দিয়াৰ লগতে নিজে পৰমাত্মাৰ সৈতে মিলিত হ'বলৈ যুগ যুগ ধৰি যোগ সাধনাত নিমগ্ন হৈ আছিল আৰু সেই সাধনাৰ বলতেই পৰমাত্মাৰ সৈতে একাকাৰ হৈ নিজৰ ইন্দ্ৰিয় ওপৰত নিয়ন্ত্ৰণ কৰিব পৰা হৈছিল । আৰু লগতে দুখ কষ্ট মোহমায়াৰ পৰা মুক্ত হৈ জীৱনৰ প্ৰকৃত অৰ্থ উপলব্ধি কৰিব পাৰিছিল। বৰ্তমান সময়ত বিশ্ব দৰবাৰত ভাৰতীয় যোগবিদ্যাৰ যি গুৰুত্ব তাক সমগ্ৰ মানৱ সমাজৰ আগত প্ৰাসংগিক কৰি গঢ় দিয়াৰ ক্ষেত্ৰত প্ৰাচীন ভাৰতবৰ্ষত জন্ম গ্ৰহণ কৰা ঋষিসকলৰ অৱদানৰেই ফচল। আমি যদি প্ৰাচীন ভাৰতীয় সভ্যতাৰ ভগ্নাৱশেষ সমূহ পৰীক্ষা কৰো অথবা ঋষিমুনি সকলৰ জীৱন শৈলী লক্ষ্য কৰোঁ তেন্তে আমি দেখা পাওঁ যে প্ৰাচীন ভাৰতত যোগ সাধনা ভাৰতীয় নীতিৰ অংগ স্বৰূপ আছিল। যাৰ জৰিয়তে মানুহে প্ৰশান্তি লাভ কৰাৰ লগতে নিৰোগী জীৱন লাভ কৰিছিল। পুৰণি শিলালিপি অথবা ঈশ্বৰমূৰ্তি সমূহত পোৱা তথ্য অনুসৰি বৈদিক যুগৰ পৰাই ভাৰতবৰ্ষত যোগচৰ্চা আৰম্ভ গৈছিল ।ভিন্ন সময়ত ভিন্ন যোগীপুৰুষে যোগৰ সম্পৰ্কত বিস্তাৰিতভাৱে অধ্যয়ন কৰি মানৱ সভ্যতাৰ বাবে যোগক এক মহৌষধ হিচাপে ৰূপান্তৰ কৰিবলৈ সক্ষম হৈছে । বৰ্তমান সময়ত আগৰ দৰে ঋষিমুনিসকলৰ দৰে যোগবিদ্যা সাধনা কৰা নহয় যদিও প্ৰাচীন ভাৰতীয় সংস্কৃতিৰ যি যোগবিদ্যা আছিল সেয়া বৰ্তমান জীৱন শৈলীৰ এক অন্যতম অংগ হৈ পৰিছে। বৰ্তমান যোগ কেৱল পৰমাত্মাৰ সৈতে জীৱাত্নাৰ মিলনেই নহয় বৰ্তমান সময়ত শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক ভাৱে ব্যক্তি এজন সুস্থ সবল হবলৈ যোগ অতীব প্ৰয়োজন আৰু এই কথা আজি সমগ্ৰ বিশ্বই উপলব্ধি কৰিছে । প্ৰাচীন ভাৰতীয় সভ্যতাত যোগৰ ক্ষেত্ৰত যি অৱদান আজি সেয়া বিশ্বই স্বীকাৰ কৰিছে আৰু আদৰি লৈছে। অতীতৰ যোগ সাধনা আৰু বৰ্তমান যোগ সাধনাৰ মাজত কিছু প্ৰণালীবদ্ধ পাৰ্থক্য আহি পৰিছে যদিও যোগৰ যি অন্তনিহিত তাৎপৰ্য বা মানৱ সভ্যতাৰ বাবে যোগৰ যি উপকাৰিতা সেয়া আজিও সমানে প্ৰাসংগিক হৈ আছে। যি কি নহওক মানুহৰ জীৱনত আধ্যাত্মিক উন্নতিৰ বাবে দেহক সুস্থ সবল কৰি ৰাখিবলৈ যোগাসন অভ্যাস কৰাটো অতীকৈ প্ৰয়োজনীয়। ই কেৱল শাৰীৰিক ভাৱে নহয় মানসিকভাৱেও মানুহ এজনক সুস্থ কৰি ৰাখে । যোগ প্ৰণালীৰ মাজেৰে অগ্ৰসৰ হ'লে মানুহ এজনৰ সীমিত,সংকীৰ্ণ আৰু স্বাৰ্থপৰ চিন্তাসমূহ সম্পূৰ্ণ ৰূপে আতৰ হয় আৰু তাৰ ঠাইত আহি পৰে সৰ্ব বেষ্টিত,সু-সুগঠিত এক চৰিত্ৰ যাৰ প্ৰধান বৈশিষ্ট্য হ'ল প্ৰশান্তি। এনে ঐশ্বৰিক অৱস্থাই হ'ল নিৰ্মল চেতনা আৰু সৃজনশীলতাৰ পৰিচায়ক। ব্যক্তিগত পূৰ্ণতা লাভ আৰু সামাজিক সমন্বয়ৰ গঢ় দিয়াৰ ক্ষেত্ৰত যোগেই হৈছে অমোঘ অস্ত্ৰ। সেয়ে বৰ্তমান প্ৰতিজন ব্যক্তিয়ে শাৰীৰিক, মানসিক, বৌদ্ধিক, আবেগিক আৰু আধ্যাত্মিক স্তৰত নিজকে সু-সংগঠিত কৰি গঢ় দিবলৈ দৈনন্দিন যোগাসন অভ্যাস কৰিব লাগে ।যোগাসনে মানুহৰ মনটোক পবিত্ৰ আৰু উদ্যমী কৰি ৰাখে লগতে নিৰোগী হোৱাত সহায় কৰে।

ফোন ঃ ৮৬৩৮২৭২৬১২

# অসম চৰকাৰৰ ড্ৰাগছ বিৰোধী অভিযান

■ চন্দন কুমাৰ নাথ

ৰাজ্যত নৱগঠিত চৰকাৰখনৰ মাননীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই মুখ্যমন্ত্ৰী হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ দিনৰে পৰাই আমি ৰাজ্যত বাস কৰা সজাগ সচেতন মহলে কিছুমান বিশেষ আৰু নতুন নতুন অভিযান আৰম্ভ হোৱাটো দেখিবলৈ পাই আছো। ইতিমধ্যে আমি ভালদৰে দেখিব পাৰিছো যে বিজেপি চৰকাৰৰ ৰাজত্বকালতেই অসম লোকসেৱা আয়োগৰ লগত জড়িত সকলোবোৰ দুৰ্নীতি চৰকাৰে ৰাইজৰ মাজত দাঙি ধৰি নিকা পৰীক্ষা অনুষ্ঠিত কৰি শিক্ষিত নিবনুৱাৰ মনত নতুন দিগন্তৰ সূচনা কৰিবলৈ সক্ষম হৈছে। যিহেতুকে বিজেপি চৰকাৰখনে সদায় দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে একেবাৰে তীক্ষ্ণ দৃষ্টিভঙ্গি অব্যাহত ৰাখে তেনে ক্ষেত্ৰত বৰ্তমান সময়ত ৰাজ্যত তীব্ৰ গতিত বৃদ্ধি হোৱা ড্ৰাগছৰ বিৰুদ্ধে যুঁজ দি প্ৰতিদিনে ৰাজ্যৰ বিভিন্ন স্থানত ড্ৰাগছৰ বেহা ফাদিল কৰাৰ উপৰিও দোষীক কৰায়ত্ত কৰি আৰক্ষী প্ৰসাশনে বিহিত আইনী ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে উঠিপৰি লাগিছে । আমি সংবাদ মাধ্যম আৰু বাতৰিকাকতযোগে দেখিবলৈ পাই আছো যে প্ৰতিদিনে ৰাজ্যত ড্ৰাগছ ব্যৱসায়ৰ লগত জড়িত ব্যক্তিক ৰঙাহাতে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাৰ উপৰিও ড্ৰাগছকে আদি কৰি বৃহৎ পৰিমাণৰ নিচাযুক্ত সামগ্ৰী জব্দ কৰিবলৈ সক্ষম হৈছে আৰু এয়া সম্ভৱ হৈছে একমাত্ৰ ৰাজ্য চৰকাৰ আৰু অসম আৰক্ষীৰ তৎপৰতাৰ বাবেহে। আজিৰ তাৰিখত যদি চোৱা হয় ৰাজ্যত নৱগঠিত চৰকাৰখনৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই ৰাজ্যখন ড্ৰাগছ মুক্ত কৰাৰ ক্ষেত্ৰত গ্ৰহণ কৰা একধৰণৰ 'ড্ৰাগছ বিৰোধী অভিযান' বুলিয়েই কব লাগিব। এইটো হয় যে নিচাযুক্ত দ্ৰব্যৰ প্ৰতি আজিৰ নৱপ্ৰজন্মৰ বেছিভাগে বৰ বেয়াকৈ আসক্ত হৈ পৰিছে আৰু সময় থাকোতেই এনেবোৰ বেহা তথা ঘাটি উৎখাত কৰি ৰাজ্যত এক নৱজাগৰণৰ সৃষ্টি কৰি আমাৰ সমাজখনক নিচামুক্ত হিচাপে গঢ়ি তোলাৰ বাবে আমি সকলোৱে একত্ৰিত হৈ ৰাজ্য চৰকাৰক সহায় সহযোগিতা আগবঢ়াব লাগে। এতিয়াও ৰাজ্যৰ বহুতো সৰু বৰ ঠাইত এই ব্যৱসায় অব্যাহত আছেই কিন্তু এটা কথা ঠিক যে ৰাজ্যত এনেবোৰ বেহা বেছিদিনলৈকে চলি থাকিব নোৱাৰে কিয়নো বৰ্তমান ৰাজ্যত যিধৰণে ইয়াৰ বিৰুদ্ধে উৎখাত অভিযান আৰম্ভ হৈছে তাৰ প্ৰতি লক্ষ্য ৰাখিলে হয়তো এনে কাৰ্য্যৰ লগত জড়িত হৈ থকা ব্যক্তিয়েও ড্ৰাগছ সেৱন বা ব্যৱসায় এৰিবলৈ নিজেই বাধ্য হব। আমি বিচাৰোঁ যে পিছলৈ যাতে এইসকল দোষীক আদালতৰ মজিয়াত থিয় কৰাই এমাহ বা দুমাহ মান জেলত ৰখাৰ পিছত মুক্ত আকাশৰ তললৈ বুলি এৰি নিদিয়ে। কিয়নো পৰৱৰ্তী সময়ছোৱাত এই ব্যৱসায়ৰ লগত জড়িত ব্যক্তিসকলে জেলৰ পৰা ওলাই আহি পুনৰ ৰাজ্যত আকৌ ভবিষ্যতলৈকে সমাজ ধ্বংস কৰা এইবোৰ কাৰ্য্য আৰম্ভ কৰাৰ সম্ভাবনা থাকিব। মই ভাবো যে এইবোৰ কাৰ্য্যই আমাৰ সমাজত কুপ্ৰভাব বিস্তাৰ কৰে আৰু লগতে নিচাসক্ত লোকৰ সংখ্যা বৃদ্ধিয়ে সমাজত জঘন্য কাণ্ড যেনে ধৰ্ষণ কৰি হত্যা, শিশু নিৰ্যাতন, স্বামীৰ দ্বাৰা পত্নীক মানসিক নিৰ্যাতন আৰু পিছত হত্যা, ড্ৰাগছৰ বাবে টকা বিচাৰি নিজৰ মা- দেউতাৰ লগত কাজিয়া কৰা ইত্যাদি দুখ লগা তথা শুনিলেই সহ্য সীমা অতিক্ৰম কৰা ঘটনা বৃদ্ধি হোৱাত অৰিহণা যোগায়। গতিকে, অৱশেষত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই ৰাজ্যত ড্ৰাগছৰ বিৰুদ্ধে কঠোৰ যুদ্ধ অব্যাহত ৰখাৰ বাবে যি ব্যৱস্থা হাতত লৈছে তাৰ প্ৰতি আমি সকলোৱে সলাগ স্বীকাৰ কৰিছোঁ আৰু আমি আশাবাদী যে আগন্তুক দিনত ৰাজ্যত অকল ড্ৰাগছেই নহয় বাকীবোৰ মাৰাত্মক সামগ্ৰী যেনে- হিৰোইন, কুকেইন, ব্ৰাউন সুগাৰ, সুৰা, গুটখা, চিগাৰেট, বিড়ি ইত্যাদিৰ ওপৰত নিষেধাজ্ঞা জাৰি কৰি অসমখন নিচামুক্ত ৰাজ্য হিচাপে প্ৰতিষ্ঠা কৰাৰ সুপ্ৰচেষ্টা নিশ্চয় গ্ৰহণ কৰিব।

ফোন ঃ ৯১৩২৮-৪৯৭২৬

# ওৰাঙৰ বিপুল বিশ্বাস নামৰ যুৱক দুৰ্ঘটনাত পতিত

## অসহায় পৰিয়ালটোক সাহায্য প্ৰদান কৰাৰ বাবে মাতৃৰ আহ্বান



**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ১৮ জুন ঃ** মাজবাটৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত ওৰাঙৰ নিছিলামাৰী গাঁৱৰ তথা এক নং চাহ বাগিচা গেটৰ স্থায়ী বাসিন্দা অতি দাৰিদ্ৰ্য সীমাৰেখাৰ তলত বাস কৰা প্ৰয়াত বিপিন বিশ্বাসৰ জ্যেষ্ঠ পুত্ৰ বিপুল বিশ্বাস (২২) নামৰ যুৱকজন কেইবামাহ আগতে ঘটি যোৱা এটা ভয়ংকৰ দুৰ্ঘটনা হয়। সেই দুৰ্ঘটনাত যুৱকজনৰ সোঁভৰি, বাঁও হাতৰ গোটেই হাড় ভাঙি চূৰমাৰ হোৱাৰ উপৰি কঁকাল, বুকু আদিত বহু আঘাত হৈছিল। কোনোমতে গাঁৱৰ ৰাইজৰ লগতে বিভিন্নজনে সহায় কৰি কিশোৰজনক অন্ততঃ কিছু পৰিমাণে সুস্থ অৱস্থালৈ ঘূৰাই আনিবলৈ দিশহাৰা মাতৃৰ লগতে ওচৰ-চুবুৰীয়া লোক সক্ষম হৈছিল। এতিয়া টকা-পইচাৰ অভাৱত ভাঙি টুকুৰা-টুকুৰ হোৱা হাত আজিলৈ অপাৰেশ্বন কৰিব পৰা নাই। হাতৰ অপাৰেশ্বন নকৰাকৈ টকা-পইচাৰ অভাৱত কোনোমতে ভৰিৰ নিম্ন মানৰ ৰডৰে অপাৰেশ্বন কৰাৰ কথা যুৱকজনৰ মাক আৰু ওচৰ-চুবুৰীয়াই জানিবলৈ দিয়ে। কিশোৰজনৰ পিতৃ থকালৈ ৰোগী হোৱা সত্বেও কোনোমতে ঠেলা চলাই দুবেলা দুমুঠি যোগাৰ কৰি ঘৰ-সংসাৰ চলাই আহিছিল। কিন্তু অৱশেষত পিতৃ ঢুকোৱাৰ পিছৰ পৰাই ঘৰখন চলোৱাত নানান ধৰণৰ অসুবিধাই দেখা দিছিল। এই ধৰণৰ নানান সমস্যাৰে জৰ্জৰিত হোৱা সময়তে জ্যেষ্ঠ পুত্ৰৰ দুৰ্ঘটনাত ঘৰৰ ভিতৰত কষ্টৰে কান্দি কান্দি দিন-ৰাতি অতিবাহিত কৰি অহা বিপুল বিশ্বাসৰ মাতৃয়ে খাদ্যৰ অভাৱত দিন-ৰাতি হাজিৰা কৰি ঘৰখন চলাবলগীয়া হৈছে। এই খেলি-ফুৰি থকা, স্কুললৈ যোৱা বয়সত ভৰি-হাত সকলো ভাঙি খোৰা হোৱাৰ ফলত মনত বহুতো দুখ-বেদনা লৈ নানান সপোন পুহি বন্ধু-বান্ধৱীৰ স'তে খেলা-ধূলা কৰা বয়সত এই দুখীয়া ঘৰৰ যুৱকজনে টকা-পইচাৰ অভাৱত ঘৰতে থাকি দিনে-ৰাতি কান্দি কান্দি দিন অতিবাহিত কৰিবলগীয়া হৈছে। নিজৰ পুত্ৰক উন্নত মানৰ চিকিৎসা কৰোৱাৰ আশাৰে এগৰাকী মাতৃয়ে দিনে-ৰাতিয়ে লোকৰ ঘৰে ঘৰে গৈ হাজিৰা কৰি টকা সঞ্চয় কৰি কৰি ভাগৰি গৈছে। তথাপি পুত্ৰৰ চিকিৎসা কৰোৱাটো দূৰৈৰ কথা এসাঁজ খাদ্যৰ যোগাৰ কৰাটোও এই ক'ভিডৰ দৰে ভয়ংকৰ পৰিস্থিতিত কষ্টকৰ হোৱা পৰিলক্ষিত হৈছে। ওৰাং অঞ্চলৰ এইঘৰ দুৰ্ভগীয়া পৰিয়ালৰ দুখ-কষ্টৰ সকলো কথা মাজবাটৰ যুৱ নেতা কিশোৰ শৰ্মাই অৱগত হোৱাৰ পিছত যুৱকজনৰ খবৰ ল'বলৈ যুৱকজনৰ ঘৰত গৈ ১৭ জুন তাৰিখে গৈ উপস্থিত হয়। কিশোৰগৰাকীৰ মাতৃ আৰু ওচৰ-চুবুৰীয়াৰ লগত কথা পাতি যুৱকজনৰ বৰ্তমান পৰিস্থিতিৰ যুৱ নেতা কিশোৰ শৰ্মাই বুজ লয়। এই দুৰ্ভগীয়া পৰিয়ালে সন্মুখীন হ'বলগীয়া হোৱা সকলো সমস্যাৰ বিষয় দায়িত্ব সহকাৰে সাংসদ দিলীপ শইকীয়াৰ মাধ্যমেৰে চৰকাৰৰ ফালৰ পৰা কিছু সহায় কৰাৰ যথাসম্ভৱ চেষ্টা কৰাৰ কথা যুৱ নেতা কিশোৰ শৰ্মাই জানিবলৈ দিয়ে। বৰ্তমান মাজবাট সমষ্টিত বিজেপিৰ সক্ৰিয় যুৱ নেতাৰ লগতে বেছি ভাগ সময় ৰাইজৰ সেৱাৰ্থে ব্যয় কৰি সামাজিক কামসমূহত অধিক গুৰুত্ব প্ৰদান কৰি অহা কিশোৰ শৰ্মাই সমূহ মাজবাট বিধানসভা সমষ্টিৰ সন্মানীয় ব্যক্তিসকলে এই পৰিয়ালক কিছু সকাহ দিয়াৰ উদ্দেশ্যে আগুৱাই আহিলে পৰিয়ালৰ লোক অত্যন্ত উপকৃত হ'ব বুলি জনায়।

# ৰৌতাত কভিশ্বীল্ডৰ প্ৰথম ড'জ ভেকচিন প্ৰদান




**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰৌতা চাৰিআলি, ১৮ জুন ঃ** ওদালগুৰি জিলা স্বাস্থ্য বিভাগৰ নিৰ্দেশত ৰৌতা আদৰ্শ চিকিৎসালয়ৰ পৰা ৰৌতা চাৰিআলি প্ৰাথমিক বিদ্যালয়ত প্ৰদান কৰি থকা ক'ভিড ভেকচিনৰ প্ৰথমটো ড'জ কালি ১৭ জুনত সাংবাদিক বলোৰাম পাঠককো প্ৰদান কৰা হয়। বৃহত্তৰ ৰৌতা অঞ্চলত এই কালান্তক ক'ভিড মহামাৰীৰ সময়তো সাহসিকতাৰে ক'ভিডকে ধৰি বিভিন্ন ধৰণৰ বা-বাতৰি পৰিৱেশন কৰি থকা সাংবাদিকগৰাকী ক'ভিডত আক্ৰান্তৰ আশংকাত পৰাত ৰৌতা চক্ৰ আৰক্ষী বিষয়া অচ্যুতানন্দ দাস আৰু ৰৌতা থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া হেমন্ত বৰুৱাৰ পৰামৰ্শ অনুসৰি ৰেপিড এণ্টিজেন টেষ্ট কৰাত নিগেটিভ পোৱাৰ পাছত এই সাংবাদিকগৰাকীক প্ৰদান কৰা হয় ক'ভিডৰ প্ৰথম ড'জ। একেদৰে অঞ্চলটোৰ ২১গৰাকী লোককো কভিশ্বীল্ড ভেকচিন প্ৰথম ড'জ হিচাপে প্ৰদান কৰে। ভেকচিন কেন্দ্ৰটোত এ এন এম নয়নমণি দুৱৰাই ভেকচিন প্ৰদান কৰাৰ সময়ত স্বাস্থ্য বিভাগৰ কৰ্মচাৰী শিবু বসুমতাৰী, অতুল বসুমতাৰী, বিলিৰাম স্বৰ্গীয়াৰী আৰু দিলীপ শৰ্মা উপস্থিত থাকি সহায় কৰে। তদুপৰি ক'ভিডৰ সজাগতাক লৈ অনুষ্ঠুপীয়াকৈ এখন আলোচনা-চক্ৰ অনুষ্ঠিত হৈ যায়। এই আলোচনা-চক্ৰত বিগত এপ্ৰিল, মে' মাহতকৈ জুন মাহত ৰাজ্যখনত ক'ভিড আক্ৰান্তৰ সংখ্যা ক্ৰমান্বয়ে হ্ৰাস পাবলৈ ধৰা আৰু ৰৌতা চাৰিআলি কেন্দ্ৰত ভেকচিন লোৱা লোকসকলৰ সংখ্যা দ্ৰুতগতিত হ্ৰাস পাবলৈ ধৰিছে বুলি মন্তব্য আগবঢ়ায়।

# কৃষক-শ্ৰমিক সুৰক্ষা সংগ্ৰাম সমিতিৰ ধাৰাবাহিক আন্দোলনত অৱশেষত গা লৰিল গড়কাপ্তানী বিভাগৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, ঢেকীয়াজুলি, ১৮ জুন ঃ** শোণিতপুৰ জিলাৰ ঢেকীয়াজুলি ৰাজহ চক্ৰ এলেকাৰ বৰছলা বিধানসভা সমষ্টিৰ অন্তৰ্গত ঢেকীয়াজুলিৰ পৰা পীৰাকটা হৈ ধিৰাই মাজুলীলৈ যোৱা সংযোগী অতিকৈ গুৰুত্বপূৰ্ণ পথ নিৰ্মাণৰ দাবীত বিগত বহু দিনৰ পৰাই কৃষক-শ্ৰমিক সুৰক্ষা সংগ্ৰাম সমিতিয়ে ধাৰাবাহিকভাৱে আন্দোলনৰ কাৰ্যসূচী চলাই আহিছিল। সমান্তৰালভাৱে সংবাদ মাধ্যমেও ইটোৰ পিছত সিটোকৈ প্ৰতিবেদন প্ৰকাশ কৰি বিধ্বস্ত পথছোৱা নিৰ্মাণৰ দাবী উত্থাপন কৰিছিল। কৃষক-শ্ৰমিক সুৰক্ষা সংগ্ৰাম সমিতি, অসমৰ সভাপতি প্ৰশান্ত বৈশ্যৰ নেতৃত্বত চলা দীৰ্ঘদিনীয়া আন্দোলন আৰু সংবাদ মাধ্যমৰ বিৰামহীন প্ৰচেষ্টাৰ ফলত অৱশেষত গা লৰিল গড়কাপ্তানী বিভাগৰ পথ প্ৰাধিকৰণৰ। এইক্ষেত্ৰত আজি সংবাদ মাধ্যমৰ আগত কৃষক-শ্ৰমিক সুৰক্ষা সংগ্ৰাম সমিতি অসমৰ সভাপতি প্ৰশান্ত বৈশ্যই কয়— ঢেকীয়াজুলিৰ ১৫নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা মাঝিবস্তি, জামুগুৰি, পীৰাকটা হৈ ধিৰাই-মাজুলীলৈ যোৱা প্ৰায় ১১ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱা নিৰ্মাণৰ দাবীত কৃষক-শ্ৰমিক সুৰক্ষা সংগ্ৰাম সমিতিয়ে আপোচবিহীন সংগ্ৰাম চলাই অহা হৈছে। দীৰ্ঘদিনীয়া প্ৰতিবাদৰ ফলস্বৰূপে লোক-নিৰ্মাণ বিভাগে পথছোৱা নিৰ্মাণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। আজি দুদিন ধৰি পথছোৱাৰ কাম আৰম্ভ কৰাৰ বাবে ছাইদৰ ঘাঁহ-বনসমূহ জে চি বি লগাই চাফা কৰা পৰিলক্ষিত হৈছে। কৃষক-শ্ৰমিক সুৰক্ষা সংগ্ৰাম সমিতিৰ প্ৰতিবাদক সন্মান জনাই পথছোৱা নিৰ্মাণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰাত ৰাজ্য চৰকাৰ তথা গড়কাপ্তানী বিভাগক অভিনন্দন জনায় কৃষক-শ্ৰমিক নেতাগৰাকীয়ে। কৃষক-শ্ৰমিক নেতা প্ৰশান্ত বৈশ্যই লগতে কয়— অকল ছাইদৰ ঘাঁহ-বন কাটি ৰাইজক পতিয়ন যোৱালে নহ'ব। পথছোৱা অতি কমদিনৰ ভিতৰত নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰি ৰাইজৰ যাতায়াতৰ বাবে সুচল কৰি তুলিব লাগিব। পথছোৱা নিৰ্মাণ কাৰ্যত ঠিকাদাৰে যাতে দুৰ্নীতি সংঘটিত কৰিব নোৱাৰে তাৰ বাবে স্থানীয় বিধায়ক গণেশ কুমাৰ লিম্বুক নজৰ দিবলৈ দাবী জনাইছে। পথৰ নিৰ্মাণ কাৰ্যত যাতে কোনো মধ্যভোগী দালালে স্থান নাপায় তাৰ বাবে কৃষক-শ্ৰমিক সুৰক্ষা সংগ্ৰাম সমিতিয়ে তদন্ত অব্যাহত ৰাখিব বুলি কৃষক-শ্ৰমিক নেতা বৈশ্যই সদৰী কৰে।



# ধূপগুৰি জাতীয় বিদ্যালয়ৰ ছাত্ৰ ৰেজাউল কৰিমৰ অকাল মৃত্যুত শোকৰ ছাঁ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ১৮ জুন ঃ** মৰিগাঁও জিলাৰ ৰজাগাধোৱা গাঁও পঞ্চায়তৰ অধীনস্থ বগলীপাৰা গাঁৱৰ তথা ধূপগুৰি জাতীয় বিদ্যালয়ৰ দশম শ্ৰেণীৰ ছাত্ৰ ৰেজাউল কৰিমৰ (১৬) যোৱানিশা ৯ বজাত নগাঁও ডিউ কেয়াৰ ব্যক্তিগত হাস্পতালত মৃত্যু হয়। জানিব পৰা মতে মৃত ৰেজাউল কৰিমৰ অভাৰ গেছ হৈ খাদ্য নলী ব্ৰাষ্ট হৈ মৃত্যু হয়। ৰেজাউল কৰিম এজন মেধা ছাত্ৰৰ লগতে ক্ৰিকেট অলৰাউণ্ডাৰ, ফাইন আৰ্টিষ্ট আছিল। তেওঁৰ এই অকাল মৃত্যুত পৰিয়ালবৰ্গ, ধূপগুৰি জাতীয় বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক গোট, অভিভাৱকসকলৰ লগতে বিদ্যালয়ৰ অধ্যক্ষ মুস্তাক হুছেইন, সচিব ৰফিকুল ইছলাম, সাংবাদিক খাইৰুল ইছলামেও গভীৰ শোক প্ৰকাশ কৰে। ৰেজাউল কৰিম সাংবাদিক খাইৰুল ইছলামৰ প্ৰিয় ছাত্ৰ আছিল। অঞ্চলৰ গুণমুগ্ধ লোকসকলৰ লগতে বিদ্যালয় কৰ্তৃপক্ষ, ছাত্ৰ-ছাত্ৰী আৰু সাংবাদিকে আজি পুৱা মৃতকৰ বাসগৃহত উপস্থিত হৈ শোকসন্তপ্ত পৰিয়ালক সমবেদনা জ্ঞাপন কৰাৰ লগতে মৃতকৰ আত্মাৰ সদ্গতি কামনা কৰে।

# লকডাউনত পেটৰ ভাতমুঠি হেৰুৱাই হাহাকাৰ ছিপাঝাৰৰ এটা পৰিয়াল

## চাইকেল চলাই পৰিয়ালক পোহপাল দিয়া জ্যোতিকা দেৱীক কৰ'নাই স্তব্ধ কৰিলে জীৱন সংগ্ৰামৰ পথ



**দৈনন্দিন বাৰ্তাৰ সেৱা, ছিপাঝাৰ, ১৭ জুন ঃ** এগৰাকী ৪০/৪৫ বছৰীয়া মহিলা। ছিপাঝাৰৰ বগাচলাৰ টেঙেৰা গাঁৱৰ জ্যোতিকা দেৱী নামৰ এইগৰাকী মহিলাৰ জীৱন সংগ্ৰামৰ যন্ত্ৰণাৰ মাজতে লকডাউনে সলনি কৰি পেলাই জীৱন-জীৱিকাৰ সংগ্ৰামী পথ। প্ৰায় চৈধ্য বছৰ আগতে বগাচলাৰ টেঙেৰা গাঁৱৰ তিলক শৰ্মাৰ সৈতে বিবাহপাশত আবদ্ধ হৈ দুবছৰৰ পিছত প্ৰথম সন্তানটি জন্ম হোৱাৰ পাছতে ঘৰখনলৈ নামী আহে ঘোৰ অমানিশা। কিয়নো স্বামী তিলক শৰ্মাই সেই মুহূৰ্তত অস্বাভাৱিক আচৰণ কৰিবলৈ ধৰাত ঘৰখনত যেন গোটেই সৰগখন ভাগি পৰে। পৰিয়ালৰ উপাৰ্জনৰ মূল চালকগৰাকী সম্পূৰ্ণভাৱে অক্ষম হৈ পৰাত পৰিয়ালটোৰ মুখত ভাত কি চাহ একাপো নপৰা হোৱাত অৱশেষত পত্নী জ্যোতিকা দেৱী এদিন মঙলদৈ চহৰলৈ গৈ হোটেলত কাম কৰিবলৈ ল'লে। তাৰ পিছত কামৰূপৰ বেজেৰাত এখন হোটেলতে থাকি পাঁচজনীয়া পৰিয়ালটোক এসাঁজ খুৱাই দুসাঁজ লঘোণে থৈ হ'লেও কিবা কৰি জীউটো নমৰাকৈ জীয়াই ৰাখিছিল। কিন্তু দুখজনক কথা যে কৰ'না ভাইৰাছৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে চৰকাৰে লকডাউন ঘোষণা কৰাত অৱশেষত ভগৱানৰ ওচৰত মূৰ দোৱাই পেটত গামোচা বান্ধি এদিন চকুলো টুকি ঘৰলৈ আহিবলৈ বাধ্য হ'ল। তাৰ পিছত উপাৰ্জনৰ সকলো পথ স্তব্ধ হৈ পৰাত পাঁচটা পৰিয়াললৈ নামী আহে ঘোৰ এন্ধাৰ। যাৰ পিছত পেটৰ ভোকৰ জ্বালাত প্ৰতিটো দিনতে এমা-ডিমা সন্তান তিনিটাই চট্‌ফটাব ধৰাত অৱশেষত ভগা-ছিগা চাইকেলখন লৈ ওলাই গৈছিল চাৰি কিলোমিটাৰ দূৰত্বৰ এখন বেকাৰীলৈ। মালিকৰ ভৰিত উবুৰি খাই চকুলো টুকি দুখ-দুৰ্দশাৰ কথা বিৱৰি কোৱাত মালিকগৰাকীয়ে মহানুভৱতাৰে কিছু বিস্কুট দিয়াত সেই সামগ্ৰীসমূহ চাইকেলতে বান্ধি লৈ গাঁৱৰ প্ৰতিঘৰ মানুহৰ লগতে দোকানে-দোকানে বিক্ৰী কৰি যিকেইটা লাভৰ টকা পায় সেইকেইটাৰে চাউলৰ লগতে অন্যান্য খৰচ-পাতি আনি আজিলৈ অতি কষ্টৰ মাজেৰে জীয়াই ৰাখিছে দৰিদ্ৰ পৰিয়ালটোক। এনে এক দুখময় তথা যন্ত্ৰণাকাতৰ জীৱন সংসাৰ চলাই থকাৰ মাজতে ১৪ জুনত সংগ্ৰামী মহিলাগৰাকীৰ দেহত ক'ভিড পজিটিভ ধৰা পৰাত হোম কোৱাৰেণ্টাইনত ঘৰতে আবদ্ধ হৈ থাকিবলগীয়া হোৱাত পৰিয়ালটোত হাহাকাৰ লাগি পৰিছে। পেটৰ ভোকত কান্দি থকা সন্তানকেইটাৰ চিন্তাত ক'ভিড লৈয়ে ব্যৱসায়লৈ যাবলৈ খুজিও থমকি ৰৈছে জ্যোতিকা দেৱী। কি কৰিব, ক'লৈ যাব উৰা-দিহ হেৰুৱাই পেলোৱা পৰিয়ালটোৰ এনে বিপদৰ সময়তো কোনো ওচৰ চপা নাই। কোনোবাই দয়া কৰি যদি কেইটামান খুদকণ দিলেহেঁতেন অন্ততঃ সন্তান দুটাক হ'লেও সিজাই দিব পাৰিলেহেঁতেন। আশাৰে বাট চাই আছে স্বেচ্ছাসেৱী অনুষ্ঠান, জনপ্ৰতিনিধিসকললৈ। পিছে কোনদিনা জ্যোতিকাক সহায় কৰিব। দুখৰ বিষয় যে এই বুভুক্ষু পৰিয়ালটোৰ থাকিবলৈ এটা ভাল ঘৰ নাই। আজিলৈ চৰকাৰী গৃহ লাভ নকৰাটো পৰিতাপৰ কথা। কথা হ'ল, দৰিদ্ৰৰতাই কোঙা কৰি পেলোৱা এটা পৰিয়ালটোৰ উপাৰ্জনশীল এইগৰাকী মহিলাই প্ৰতিটো দিনৰ পুৱা ৫ বজাতে বেপাৰলৈ ওলাই গৈ দৈনিক প্ৰায় ৬০ কিলোমিটাৰ পথ চাইকেল চলাই গাঁৱৰ ঘৰে ঘৰে, দোকানে দোকানে বিস্কুট বিক্ৰী কৰি এটা পৰিয়ালৰ পেট প্ৰৱৰ্তাই অহা এইগৰাকী সংগ্ৰামী মহিলাক চৰকাৰে সহায়-সাহায্য আগবঢ়াব নোৱাৰেনে ? জনপ্ৰতিনিধিৰ এইসকল দৰিদ্ৰতাত কক্‌বকাই থকা লোকৰ ওপৰত এবাৰলৈ হ'লেও চকু নপৰেনে? এইসকল বুভুক্ষুৰ প্ৰতি পঞ্চায়তৰ বিষয়ববীয়াসকলৰ কৰণীয় একোকে নাইনে? হায় মানৱতা!

# ৰৌতাত তিনি সন্তানৰ মাতৃক অপহৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰৌতা চাৰিআলি, ১৮ জুন ঃ** ওদালগুৰি জিলাৰ ৰৌতা থানাৰ অন্তৰ্গত বজ্ৰঝাৰ গাঁৱৰ তিনিটা সন্তানৰ মাতৃ এগৰাকীক নিজৰ বাসগৃহৰ পৰাই ১৩ জুনৰ দিনা পুৱা প্ৰায় ৮.৩০ বজাত অপহৰণ কৰি নিয়া কাৰ্যই ৰৌতা অঞ্চলটোত আজিও তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈ আছে। পৰিয়ালৰ সূত্ৰে আজি জনোৱা মতে, বজ্ৰঝাৰ গাঁও নিৱাসী তথা দাৰিদ্ৰ্য সীমাৰেখাৰ তলত বাস কৰা পৰিয়ালৰ লোক ৰদো বিশ্বাসৰ সহধৰ্মিণী তথা তিনিটা সন্তানৰ মাতৃ মায়াতী বিশ্বাস (৩০) নামৰ মহিলাগৰাকীক নগাঁও জিলাৰ ৪ নম্বৰ বগামুখ গাঁও নিৱাসী তথা চাৰিটা সন্তানৰ পিতৃ এজনে অপহৰণ কৰি নিয়া বুলি সন্দেহ প্ৰকাশ কৰিছে।

# গোসাঁইগাঁৱৰ সাতবিলত ঋণগ্ৰস্থ মহিলাৰ ক্ষোভ

## ঋণ ৰেহাই দিয়াৰ বাবে উত্তাল প্ৰতিবাদ



দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাইগাঁও ১৮ জুনঃ বিগত নিৰ্বাচনৰ পূৰ্বে ডঃ হিমন্ত বিশ্ব শৰ্মাই মাইক্ৰো ফাইনেন্‌চৰ সকলো ঋন ৰেহাই কৰি দিব বুলি প্ৰতিশ্ৰুতি দিছিল যদিও চৰকাৰ গঠন কৰাৰ পিছত ঋন ৰেহাই দিয়াৰ বাবে কেতবোৰ নীতি নিয়ম বান্ধি দিয়াত জাঙুৰ খাই উঠিছে মহিলা সকল। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে গোসাইগাঁৱতো ঋণ লোৱা মহিলা সকলে প্ৰতিশ্ৰুতি মতে কোনো নীতি নিৰ্দেশনা অবিহনে ঋণ ৰেহাই দিয়াৰ দাবী কৰিছে । গোসাইগাঁৱৰ মহকুমাৰ অন্তৰ্গত সাতবিল প্ৰথম খণ্ডত আজি ঋণগ্ৰস্থ মহিলাই ঋণ ৰেহাই দিয়াৰ বাবে প্ৰতিবাদ সাবস্থ্য কৰে ।মহিলা সকলে ঋণ ৰেহাই দিয়াৰ ক্ষেত্ৰত চৰকাৰৰ নতুন নীতি নিয়ম নচলিব,প্ৰতিশ্ৰুতি মতে ঋণ ৰেহাই দিয়ক,আমাৰ দাবী ন্যাৰ্য দাবী,আমাৰ দাবী মানিবই লাগিব,চৰকাৰে প্ৰদান কৰা প্ৰতিশ্ৰুতি পালন কৰক আদি শেগান দি আকাশ-বতাহ উত্তাল কৰি তোলে । প্ৰতিবাদী মহিলা সকলে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই নিৰ্বাচনৰ পূৰ্বে দিয়া প্ৰতিশ্ৰুতি আখৰে আখৰে পালন কৰিবলৈ আহ্বান জনাইছে। দুখীয়া মহিলা সকলক লৈ ৰাজনীতি নকৰিবলৈ আহ্বান জনাই মহিলা সকলে কোনোধৰণৰ মাইক্ৰফাইনেঞ্চৰ ঋণ পৰিশোধৰ ক্ষেত্ৰত কোনো গাইডলাইল তেওঁলোকে নামানে অন্যথা মহিলা সকলে ভয়ংকৰ আন্দোলন কৰি তুলিব বুলি মুখ্য মন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক সকিয়াই দিয়ে।

# দৰং-কামৰূপৰ সংগমস্থলী দুমুনিচকীত স্থাপন হ'ল জিঅ' পলিক্লিনিক

**দৈনন্দিন বাৰ্তাৰ সেৱা, দুমুনিচকী, ১৮ জুন ঃ** পূৰণ হ'ল দুমুনিচকীবাসী ৰাইজৰ বহুদিনীয়া অভাৱ। কামৰূপ-দৰঙৰ উমৈহতীয়া স্থান ছিপাঝাৰ সমষ্টিৰ অন্তৰ্গত দুমুনিচকীত স্থাপন হ'ল জিঅ' পলিক্লিনিক। অঞ্চলটোৰ ৰাইজক সেৱা কৰাৰ মানসেৰে প্ৰতিষ্ঠিত ব্যৱসায়ী তথা সমাজকৰ্মী মতিউৰ ৰহমানে স্থাপন কৰিলে জিঅ' পলিক্লিনিক। এই জিঅ' পলিক্লিনিকত সকলো ধৰণৰ তেজ পৰীক্ষাৰ লগতে আল্ট্ৰাছাউণ্ড, এক্সৰে, ছ'ন'গ্ৰাফী ৰেহাই মূল্যত কৰা হ'ব। পূৰ্বতে এইখিনি সুবিধা লাভৰ বাবে অঞ্চলটোৰ ৰোগীসকল যাব লাগিছিল মঙলদৈ কিম্বা গুৱাহাটীলৈ। এতিয়া দুমুনিচকী অঞ্চলৰ লগতে অন্যান্য ঠাইসমূহৰ ৰোগীসকল উপকৃত হ'ব বুলি আশা কৰিছে অঞ্চলটোৰ বহু গণ্য-মান্য ব্যক্তিয়ে। বৃহত্তৰ দুমুনিচকী অঞ্চলৰ দৰিদ্ৰ ৰোগীসকলৰ বাবে থাকিব অধিক ৰেহাইৰ বিশেষ সুবিধা। এই কথা সদৰী কৰে প্ৰতিষ্ঠিত ব্যৱসায়ী তথা সমাজকৰ্মী মতিউৰ ৰহমানে।




# বঙাইগাঁৱত ৰে'ল আৰক্ষীয়ে উদ্ধাৰ কৰিলে মুম্বাইৰ অপহৃতাক

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ১৭ জুন ঃ** আজি বঙাইগাঁও ৰে'ল ষ্টেচনত ৰে'ল আৰক্ষীয়ে (জি আৰ পি) মুম্বাইৰ এগৰাকী অপহৃত কিশোৰীক উদ্ধাৰ কৰাৰ লগতে অপহৰণকাৰীকো আটক কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি উদ্ধাৰ কৰা অপহৃত কিশোৰীগৰাকী হৈছে মহাৰাষ্ট্ৰৰ জুহু গলিৰ আৰু অপহৰণকাৰীজন হৈছে মুম্বাইৰে আহাদ লস্কৰ (২৪)। এই সন্দৰ্ভত জি আৰ পিৰ বঙাইগাঁও থানাৰ ভাৰপ্ৰাপ্ত বিষয়া পুলকেশ ৰাভাই জানিবলৈ দিয়া অনুসৰি কিশোৰীগৰাকীক অপহৰণ কৰা বুলি অভিভাৱকে যোৱা ১৫ জুনত জুহু থানাত এখন এজাহাৰ দাখিল কৰে। উক্ত এজাহাৰৰ ভিত্তিতে গোচৰ ৰুজু কৰি আৰক্ষীয়ে অনুসন্ধান কৰোঁতে কিশোৰীগৰাকী আহাদ লস্কৰ নামৰ যুৱকজনৰ সৈতে ০২২৫৫ কৰ্মভূমি এক্সপ্ৰেছৰ শীতাতপ নিয়ন্ত্ৰিত দবাৰ সংৰক্ষিত আসনত মুম্বাইৰ পৰা কামাখ্যালৈ আহি থকা বুলি জানিব পাৰে আৰু বঙাইগাঁও ৰে'ল আৰক্ষীয়ে এই সন্দৰ্ভত বাৰ্তা লাভ কৰে। সেই অনুসৰি বৃহস্পতিবাৰে দুপৰীয়া ১২ বজাত কৰ্মভূমি এক্সপ্ৰেছখন বঙাইগাঁও ষ্টেচন আহি পোৱাৰ লগে লগে জি আৰ পিয়ে তালাচী চলাই কিশোৰীগৰাকীক উদ্ধাৰ কৰাৰ লগতে যুৱকজনক আটক কৰে। জি আৰ পিয়ে দুয়োৰে স্বাস্থ্য পৰীক্ষা সম্পন্ন কৰোৱাৰ লগতে আইনী প্ৰক্ৰিয়াসমূহৰ কামো কৰি আছে বুলি জানিবলৈ দিছে।

# কৃত্ৰিম বানৰ কবলত নাজিৰা নগৰ

## বানত বিধ্বস্ত পৌৰ আৱাসী

**দৈনন্দিন বাৰ্তা সেৱা, মেছাগড়, ১৮ জুন ঃ** নাজিৰা পৌৰসভাৰ আৰু গৃহ নিৰ্মাণ বিভাগৰ দায়িত্ব আৰু অকৰ্মণ্যতাৰ ফলত দুৰ্ভোগ ভুগিছে নগৰৰ জনসাধাৰণে। পদপথতে বৃহৎ বৃহৎ অট্টালিকা নিৰ্মাণ, গাড়ী আদিৰ পাৰ্কিঙৰ সু-ব্যৱস্থা নকৰাৰ ফলত এজাক বৰষুণতেই কৃত্ৰিম বানপানীৰ সৃষ্টিয়ে অভাৱনীয় পৰিস্থিতিৰ সন্মুখীন হ'ব লগাত পৰিছে নাজিৰা নগৰবাসী আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলবাসী। নগৰখনৰ লগতে লাগি থকা ৰে'লৱেৰ মাটি বেদখল কৰি পানী নিষ্কাশনৰ পথ বন্ধ কৰাৰ ফলতো এনে আহুকলীয়া পৰিস্থিতিৰ উদ্ভৱ হৈছে। নগৰ অঞ্চলৰ নলা-নৰ্দমাবোৰ উন্নত ব্যৱস্থাৰে চাফা নকৰা বাবে নাজিৰা নগৰৰ বহুতো বাসগৃহৰ ভিতৰত বৰষুণৰ পানী জমা হৈ কৃত্ৰিম বানপানীৰ সৃষ্টিৰ মূল কাৰণ হিচাপে প্ৰতিফলিত হৈছে। দীৰ্ঘদিন ধৰি অবৈধ বেদখলকাৰীক উচ্ছেদত সোপা-ঢিলা নাজিৰা প্ৰশাসন আৰু পৌৰসভা। খৰালিৰ সময়ছোৱা চকু মুদা কুলিৰ ভাও দি বাৰিষাত হঠাৎ বিভিন্ন নিৰ্মাণৰ কাম-কাজত হাত দিয়াটো এক প্ৰকাৰৰ নাটক বুলিহে পৰিলক্ষিত হৈছে।

# সমাজ জীৱনৰ প্ৰগতি-প্ৰত্যাহ্বানৰ পম খেদি এগৰাকী অধ্যক্ষ-লেখকৰ গাঁৱে-ভূঞে অভিযান

## দাৰিদ্ৰপীড়িতৰ মুকুতিৰ অৰ্থে শিক্ষিত বৰ্গৰ ভূমিকা গুৰুত্বপূৰ্ণ ঃ ড° ৰোহিত চন্দ্ৰ ৰাভা

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ঢেকীয়াজুলি, ১৮ জুন ঃ** সমাজ জীৱনৰ উত্তৰণ আৰু প্ৰগতিৰ বাবে আমি প্ৰতিজন ব্যক্তিয়ে দায়বদ্ধ হ'ব লাগিব। ইয়াৰ বাবে আমি চৰকাৰৰ ওপৰত নিৰ্ভৰশীল হোৱাটো উচিত নহয়।কিছু কিছু ক্ষেত্ৰত চৰকাৰৰ গুৰু দায়িত্ব আছে বুলি আমি ভাবি লোৱাটো কেতিয়াও কাম্য হ'ব নোৱাৰে। আমি সদায় নিজৰ ভৰিত নিজে থিয় দিবলৈ শিকিব লাগে। কেতিয়াও পৰমুখাপেক্ষী হ'বলৈ নাপায়। এই প্ৰসংগত শিক্ষিত গণ্য-মান্য ব্যক্তিসকলেও গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। ধন, টকা-পইচাৰে সহায় নকৰাকৈও তেওঁলোকে এই দায়িত্ব পালন কৰিব পাৰে। সজ উপদেশ, দিহা-পৰামৰ্শ দি সমাজ জীৱনৰ উত্থান ঘটোৱাৰ প্ৰচেষ্টা চলাব লাগিব আৰু দৰিদ্ৰতাৰ কবলৰ পৰা মুক্ত কৰি তেওঁলোকক দোপতদোপে উন্নতিৰ পথত আগবঢ়াই নিব পাৰে। এইকণ মহৎ কাম কৰোঁতে গুণী-জ্ঞানী লোকসকলৰ একো ক্ষতি নহয়। তেনেহ'লে আমি সেই মহৎ কামটো কিয় নকৰোঁ? আহকচোন আমি সকলোৱে মিলিজুলি অসমৰ সমাজ জীৱনৰ উত্তৰণ ঘটাই প্ৰগতিৰ পথটো মসৃণ কৰোঁ আৰু ড° ভূপেন হাজৰিকাৰ গীতৰ কথাৰে কওঁ— 'দুৰ্বল মানুহে যদি/ জীৱনৰ কোবাল নদী/ পাৰ হয় তোমাৰে সাহত/ তুমি হেৰুৱাবানো কি ।' এয়া ঢেকীয়াজুলিৰ নাৰেংকাটিৰ এগৰাকী প্ৰতিষ্ঠিত লেখক-শিক্ষকৰ মনৰ বতৰা। ব্যস্ত শৈক্ষিক জীৱন আৰু সাহিত্য কৰ্মৰ মাজতে এই অগ্ৰজ ব্যক্তিগৰাকীয়ে বিগত বৰ্ষৰ পৰা ব্যতিক্ৰমী চিন্তা-চৰ্চাৰে কল্যাণকামী পদক্ষেপ গ্ৰহণ কৰি সচেতন মহলৰ দৃষ্টি আকৰ্ষণ কৰিছে। শোণিতপুৰ জিলাৰ ঢেকীয়াজুলি অঞ্চলৰ নাৰেংকাটি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ড° ৰোহিত চন্দ্ৰ ৰাভাই ২০২০ বৰ্ষৰ পৰা নিজাববীয়াকৈ গৱেষণামূলকভাৱে এটা প্ৰকল্পৰ কাম কৰি আহিছে। প্ৰকল্পটোৰ বিষয়বস্তু হৈছে 'অসমৰ সমাজ জীৱন -প্ৰগতি আৰু প্ৰত্যাহ্বান ঃ এক অভিযান'। এই অভিযানৰ অংশ হিচাপে ড° ৰাভাই সময়-সুবিধা বুজি ৰাজ্যখনৰ ভিন্ন প্ৰান্তৰ গাঁৱে-ভূঞে গৈ সৰ্বসাধাৰণ মানুহক লগ ধৰি তেওঁলোকৰ সৈতে মত বিনিময় কৰিছে। ৰাভাই একাংশ সাধাৰণ ৰাইজৰ কাষত থিয় হৈ তেওঁলোকৰ আৰ্থিক দৈন্য, দৰিদ্ৰগ্ৰস্ততা, আত্মসংস্থাপনহীনতা আদি বিষয়ৰ ওপৰত আন্তৰিকতাৰে কথা-বাৰ্তা পাতি অঞ্চলবোৰৰ পৰিৱেশ-পৰিস্থিতি অধ্যয়ন কৰিছে আৰু এই অৱস্থাৰ পৰা উত্তৰণ ঘটিবলৈ পাৰ্যমানে গঠনমূলক দিহা-পৰামৰ্শ আগবঢ়াইছে। তেওঁ বৰ্তমানলৈকে কামৰূপ (গ্ৰাম্য), শোণিতপুৰ, ধেমাজি জিলাৰ বিভিন্ন অঞ্চলত এই অভিযান অব্যাহত ৰাখিছে। তেওঁ অসমৰ প্ৰতিটো প্ৰান্তত এই অভিযান অতি নিষ্ঠা সহকাৰে চলাব আৰু ৰাজ্যখনৰ জাতি-ধৰ্ম নিৰ্বিশেষে সকলো সম্প্ৰদায়ৰ সমাজ জীৱন আৰু প্ৰগতি সম্পৰ্কে আলোকপাত কৰি তেওঁলোকৰ অৰ্থনৈতিক উত্তৰণ তথা লোক-জীৱনক স্বাৱলম্বী হোৱাৰ ক্ষেত্ৰত গতিশীলতা প্ৰদান কৰাটোৱেই এই প্ৰকল্পৰ মূল উদ্দেশ্য বুলি ড° ৰাভাই জানিবলৈ দিয়ে। বৰ্তমান ক'ভিডৰ জটিল পৰিৱেশৰ বাবে তেওঁৰ অভিযান কিছু স্তিমিত হৈ পৰিছে যদিও পৰিস্থিতি স্বাভাৱিক অৱস্থালৈ ঘূৰি আহিলে ক্ষিপ্ৰতাৰে অভিযান আৰম্ভ কৰিব । ৰাভাৰ প্ৰকল্পৰ কাম দীঘলীয়া হ'ব আৰু পৰৱৰ্তী সময়ত গৱেষণাৰ এই ফচল গ্ৰন্থাকাৰে প্ৰকাশ কৰিব বুলি সদৰী কৰে । উল্লেখ যে প্ৰতিষ্ঠিত সাহিত্যিক-কলানুৰাগী ড° ৰোহিত চন্দ্ৰ ৰাভাক ইতিমধ্যে শোণিতপুৰ জিলা ৰাভা সাহিত্য সভাই 'সাহিত্য, কলা-সংস্কৃতি সাধনা বঁটা-২০২০' প্ৰদান কৰি সন্মানিত কৰিছে। শিক্ষকতা বৃত্তিৰ সমান্তৰালকৈ সাহিত্য চৰ্চাতো নিজকে নিয়োজিত কৰি সমাজত সুকীয়া পৰিচিতি গঢ়ি তুলিবলৈ চেষ্টা চলোৱা ঢেকীয়াজুলি ৰাজহ চক্ৰৰ নাৰেংকাটি কছাৰীগাঁৱৰ কৃতীমান লেখক তথা শিক্ষক ড° ৰোহিত চন্দ্ৰ ৰাভাৰ শেহতীয়াকৈ প্ৰকাশিত স্বৰচিত কাব্য সংকলন তিনিখন হ'ল- 'জীৱনৰ কঠিন বাটত', 'আজি এটা ভাল দিন হ'ব' আৰু 'দুঃসময় ঃ একবিংশ শতিকাৰ-২০২০'। বিজ্ঞান আৰু কলা শাখাত চাৰিবাৰকৈ স্নাতক ডিগ্ৰী, ইতিহাস আৰু অসমীয়া বিষয়ত দুবাৰকৈ স্নাতকোত্তৰ ডিগ্ৰী, বি এড ডিগ্ৰী আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা পি এইচ ডি ডিগ্ৰী লৈ নাৰেংকাটি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত দীৰ্ঘদিনে বিষয় শিক্ষকৰূপে শিক্ষকতা কৰি বৰ্তমান একেখন শিক্ষানুষ্ঠানতে অধ্যক্ষ পদত কৰ্মৰত ড° ৰাভাই ইয়াৰ আগতে ২০১৭ বৰ্ষত 'ৰাভা জনজীৱনৰ প্ৰগতি আৰু প্ৰত্যাহ্বান', 'উত্তৰপৰীয়া ৰাভা জনজাতিৰ সমাজ জীৱন' নামৰ গ্ৰন্থৰ লগতে 'ইমান কথা জীৱনৰ' আৰু 'জোনাকী পথ' নামৰ কাব্যপুথিৰে অসমীয়া সাহিত্য ভঁৰাল চহকী কৰিছে। তদুপৰি জিলা পৰ্যায়ত কৃতী শিক্ষকৰ বঁটা লাভ কৰিবলৈ সক্ষম হোৱা ড° ৰাভাৰ ছপাশালাত যন্ত্ৰস্থ অৱস্থাত থকা চাৰিখন গ্ৰন্থ— তোমাৰ অবিহনে (কবিতা পুথি), মন আৰু আমি (কবিতা পুথি), এছিয়ান গেমছ আৰু উত্তৰপৰীয়া ৰাভা জনজাতিৰ সাংস্কৃতিক জীৱন শীঘ্ৰে প্ৰকাশৰ মুখ দেখিব বুলি জানিবলৈ দিয়ে। আনহাতে, ড° ৰোহিত চন্দ্ৰ ৰাভাই গুৱাহাটী বিশ্ব বিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা বিভাগৰ অধীনত 'ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ ৰাভাসকলৰ সামাজিক আৰু সাংস্কৃতিক জীৱন' বিষয়ত পি এইচ ডি লাভ কৰিছিল।

# বিষ্ণুপ্ৰসাদ ৰাভা আৰু সংগীত জগতলৈ তেখেতৰ অৱদান



‘মোৰ কবিতাৰ ছন্দ লাগি
স্পন্দন তোৰ জাগেনে
কথা মালিকাৰ গন্ধ লাগি
সোণৰ সপোন ভাগেনে?’

২০১৯ চনৰ ১১ ডিচেম্বৰৰ নিশা বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰখনে অসমীয়া ভাষা, অসমীয়া সংস্কৃতি, সাহিত্য, অসমীয়াৰ স্বাভিমান ধ্বংসকাৰী নাগৰিকত্ব সংশোধনী বিধেয়কখন (CAB) সংসদত গৃহীত কৰিছিল। ইয়াৰ পিছত সদৌ অসম ছাত্ৰ সন্থা, জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, কৃষক মুক্তি সংগ্ৰাম সমিতি আদিৰ দৰে বিভিন্ন ৰাজনৈতিক-অৰাজনৈতিক দল-সংগঠনসমূহৰ নেতৃত্বত সমগ্ৰ অসমতে আন্দোলনৰ সূচনা হৈছিল। অসমৰ অসমীয়াসকলে মৰণপণ দি এই আইনখনৰ বিৰোধিতা কৰিছিল। ৫গৰাকীকৈ অসমী আইৰ সন্তান এই আন্দোলনত শ্বহীদ হ’ল। কেন্দ্ৰীয় চৰকাৰৰ এই অসম আৰু অসমীয়াবিৰোধী আইনখনৰ বিৰুদ্ধে প্ৰতিবাদ কৰি থকাৰ সময়ত আকৌ প্ৰাসংগিক হৈছিল বিপ্লৱী জাতীয়তাবাদী নেতা কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ জীৱনাদৰ্শন।

অ’ অসমীয়া ডেকা দল, অ’ অসমীয়া ডেকা দল
আজি তোৰ তেজাল বদন মলিন কিয় হ’ল?
দুৰ্গম নদ-পাহাৰ গিৰি লংঘিছিলে ডেকাগিৰি
সুন্দৰ শংকৰে লৰি কৰিছিলে তল
দেখুৱাইছিল জগত জুৰি অসীম বাহুৰ বল
সিও যে তোৰ নাইকিয়া হল...’

অসমীয়া সংস্কৃতি যিসকল মহান সাধকৰ অনুশীলনেৰে তাৰ স্বকীয় ৰূপেৰে সমুজ্জ্বল হৈ পৰিছে তাৰ ভিতৰত বিষ্ণুপ্ৰসাদ ৰাভা অন্যতম। উষ্ণ হৃদয় বৃত্তি, অসাধাৰণ ব্যক্তিত্ব, অতুলনীয় প্ৰতিভা আৰু কল্পনাতীত ত্যাগেৰে অসমীয়া জনজীৱনৰ বাবে বিষ্ণুপ্ৰসাদ ৰাভা আজিও এক উৎকৃষ্ট নিদৰ্শন। অসমৰ সমূহ জনগোষ্ঠীৰ মাজত এক সাংস্কৃতিক সমন্বয় স্থাপনৰ কাৰণে তেওঁ অহোপুৰুষাৰ্থ কৰাই নহয় অসমীয়া সংস্কৃতি-সমন্বয় স্থাপনৰ কাৰণে তেওঁ বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিব খুজিছিল। এই সাংস্কৃতিক ভিত্তিভূমি অসমৰ দুখীয়া নিছলা জনগণ আছিল তেওঁৰ বুকুৰ কুটুম। সেয়ে তেওঁ সাংস্কৃতিক তথ্য, সাহিত্যিক মন আৰু জাতীয়তাবাদী চিন্তা আছিল জনগণৰ প্ৰাণৰ স্পন্দনেৰে সমৃদ্ধ।

কবি, সাহিত্যিক, নাট্যকাৰ, সংগীতজ্ঞ, প্ৰাক্তন বিধায়ক, জাতীয়তাবাদী বিপ্লৱী নেতা কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ জন্ম হৈছিল ঢাকা মহানগৰীৰ সেনা ছাউনীত, ১৯০৯ চনৰ ৩১ জানুৱাৰী তাৰিখে। চৰ্দাৰ বাহাদুৰ গোপাল চন্দ্ৰ ৰাভা আৰু গেথী বালা ৰাভাৰ পুত্ৰ আছিল বিষ্ণুপ্ৰসাদ ৰাভা। গোপাল চন্দ্ৰ ৰাভা সেনাবাহিনীত কাম কৰিলেও তেওঁ আছিল সংস্কৃতানুৰাগী। তেজপুৰৰ হৰিবিলাস আগৰৱালা, পদ্মনাথ গোহাঞিবৰুৱা আদিৰ দৰে ব্যক্তি আছিল সংস্কৃতিৰ ক্ষেত্ৰখনত গোপাল ৰাভাদেৱৰ সহযোগী।

ইয়াৰ উপৰি তেওঁ ওস্তাদ আনি নিজে সংগীত চৰ্চা কৰাৰ লগতে ল’ৰাহঁতক গীত-নৃত্যৰ শিক্ষা দিয়াইছিল। পিতৃদেৱৰ প্ৰেৰণাতে সৰু কালৰ পৰা বিষ্ণু ৰাভাই টপ্পা, ঠুমৰি আদি শাস্ত্ৰীয় সংগীতৰ লগতে শাস্ত্ৰীয় নৃত্য কলাকো শিকি পেলাইছিল। ১৯২৬ চনত তেজপুৰ হাইস্কুলৰ পৰা জিলাৰ ভিতৰতে প্ৰথম হৈ প্ৰৱেশিকা পাছ কৰি ‘কুইন এমপ্ৰেছ’ পদ লাভ কৰিছিল ৰাভাদেৱে। হাইস্কুলীয়া জীৱনৰ পৰাই বিষ্ণুপ্ৰসাদ ৰাভা আগশাৰীৰ খেলুৱৈ আছিল। ফুটবল, ক্ৰিকেট, হকী খেলৰ উপৰি সুন্দৰ গীত গায়, নাচে, অভিনয় কৰে, চিত্ৰ আঁকে। ইয়াৰ লগতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰতিও তেওঁৰ প্ৰৱল আসক্তি আছিল। ১৯২৬ চনত কলকাতাৰ ছেণ্ট পল কলেজত বিজ্ঞান শাখাত নাম ভৰ্তি কৰে আৰু সেই বছৰে এই কলেজৰ ক্ৰিকেট দলৰ কেপ্টেইন নিৰ্বাচিত হয়। ছেণ্ট পল কলেজৰ পৰা প্ৰথম বিভাগত ICS পাছ কৰাৰ পিছত ১৯৩০ চনত ৰিপন কলেজত BSc শ্ৰেণীত নাম লগাই পদাৰ্থ বিজ্ঞানত অনাৰ্চ লৈ পঢ়ে। ৰিপণ কলেজতো তেওঁ ফুটবল কেপ্টেইন নিৰ্বাচিত হৈছিল। সেই সময়তে ভাৰতৰ স্বাধীনতা আন্দোলনৰ জোৱাৰে কলিকতা মহানগৰী অস্থিৰ কৰি তুলিছিল। সেই সময়তে ৰাভাদেৱে মনে মনে ৰিপণ কলেজ এৰি কোচবিহাৰৰ ভিক্টোৰিয়া কলেজত নামভৰ্তি কৰে।

**■ মঃ ছাজিছ আলম**

ভিক্টোৰিয়া কলেজৰ একৈশ বছৰীয়া ছাত্ৰ বিষ্ণুপ্ৰসাদ ৰাভাই ভাৰতৰ স্বাধীনতা আন্দোলনত জঁপিয়াই পৰি ব্ৰিটিছ শাসনৰ বিৰুদ্ধে কবিতা লিখি আঁৰি দিছিল—

‘ৰাজ্যে আছে দুইটি পাঠা
একটি কালো একটি সাদা
ৰাজ্যেৰ যদি মংগল চাওঁ
দুইটি পাঠাই বলি দেও।’

এয়া আছিল বিপ্লৱী জীৱনৰ আৰম্ভণি। ব্ৰিটিছ চৰকাৰৰ ৰোষত পৰাৰ বাবে ভিক্টোৰিয়া কলেজতো ৰাভাই শিক্ষা সম্পূৰ্ণ কৰিব নোৱাৰিলে। বিপ্লৱত নিজকে সম্পূৰ্ণৰূপে নিৱিষ্ট কৰি তেওঁ পঢ়া-শুনালৈ পিঠি দিলে। কোচবিহাৰত থকাৰ কালতে এবাৰ তেওঁ ব্ৰিটিছ চৰকাৰৰ এজেণ্ট এজনৰ কাৰ্যালয়ৰ পৰা ব্ৰিটিছ পতাকা নমোৱা ব্ৰিটিছৰ চকুত পৰিল আৰু তেওঁক ধৰিবলৈ চোৰাংচোৱা পিয়াপি দি ফুৰিলে। অৱশেষত ৰাভাই কোচবিহাৰ ত্যাগ কৰিলে। ইয়াৰ পিছত তেওঁ বিপ্লৱৰ কাৰ্যসূচীত সম্পূৰ্ণভাৱে আত্মনিয়োগ কৰিলে। স্বাধীন ভাৰতত ইয়াৰ বাবে তেওঁ দুবাৰ কাৰাবৰণো কৰিবলগীয়া হয়। বিষ্ণু ৰাভাৰ বহুমুখী প্ৰতিভা বিকাশৰ মূলতেই আছিল কিজানি শংকৰদেৱৰ জীৱনাদৰ্শ। শংকৰদেৱৰ সংঘাতপূৰ্ণ জীৱনৰ লগত ৰাভাৰ জীৱনৰ বহুখিনি সাদৃশ্য দেখিবলৈ পোৱা যায়। শংকৰদেৱৰ বিপুল সাংগঠনিক ক্ষমতা, বৈপ্লৱিক সমাজ সংস্কাৰ, সাংস্কৃতিক কৰ্মৰাজি আৰু গতিশীলতাই ৰাভাক বাৰুকৈয়ে প্ৰভাৱিত কৰিছিল আৰু ৰাভাৰ অন্তৰত আছিল শংকৰদেৱৰ প্ৰতি অপৰিসীম শ্ৰদ্ধা। সেয়েহে তেওঁ শংকৰদেৱৰ কথা শ্ৰদ্ধাৰে লিখিছিল— ‘শংকৰ নাথাকিলে অসমীয়াৰ একোকে নাথাকে। এনে যি শংকৰদেৱ, তেৰাই কিনো নাজানিছিল, কিনো নিদিছিল আৰু কিনো নিলিখিছিল। অসমীয়াক তেৰাই সকলো দি গৈছিল।’ শংকৰৰ সপোন দিঠক কৰাৰ সপোন ৰচি ধৰ্ম-জাতি-বৰ্ণ ভেদ সমাজৰ পৰা নিলগত ৰখাৰ প্ৰয়াসেৰে ৰাভাই লিখিছিল— ‘মুছলমান সংস্কৃতিয়েও অসমীয়াক গঢ় দিলে অজ্ঞানে, অজ্ঞাতে।... আজান ফকীৰ আৰু চৈয়দ ফকীৰৰ গীত, নাম, পদে অসমীয়াৰ প্ৰাণতো স্পন্দন জগালে। পুৰণিগুদামৰ আদি নগাঁৱৰ মুছলমানসকলে এক ধৰ্মৰ বাহিৰে বিয়াই-সবাহে, সভাই-সমাজে অসমৰ অসমীয়াৰ বুকুৰ মাজত হিয়াৰ অভ্যন্তৰত ঠাই পালে। খাম্‌তি-ফাকিয়ালৰ মাজত শ্বন্ বৌদ্ধ-কৃষ্টি চলিল। বিহাৰ, ওড়িশা, মাদ্ৰাজ, ছোটনাগপুৰৰ বনুৱা, হজুৱা, হালোৱাসকলে ইয়াত অসমত বসতি কৰিলে।’ যোড়শ শতিকাত শংকৰদেৱক কেন্দ্ৰ কৰি সৃষ্টি হোৱা জাগৰণৰ আধ্যাত্মিক তাৎপৰ্যৰ তন্ময়তাই শংকৰী আদৰ্শৰ সামাজিক আৰু সাংস্কৃতিক দিশবোৰ কুৰি শতিকাৰ তৃতীয় দশকলৈকে উপেক্ষিত কৰি ৰাখিছিল। শংকৰদেৱৰ ধৰ্মীয় ভাবাদৰ্শতকৈ তেওঁৰ সাংস্কৃতিক ভাবাদৰ্শই ৰাভাক বেছি আকৰ্ষিত আৰু প্ৰভাৱিত কৰিছিল। সমাজ সংস্কাৰৰ বাবে ৰাভাই বিপ্লৱৰ পথত বিশ্বাস ৰাখিছিল। আৰু ৰাভাই শংকৰদেৱক সেই বিপ্লৱৰ আদৰ্শৰূপে প্ৰতিষ্ঠা কৰিব বিচাৰিছিল। আধ্যাত্মিক মোহগ্ৰস্ততাৰ পৰা মুক্ত হৈ শংকৰদেৱক এই দৃষ্টিৰে চোৱা ৰাভা কিজানি প্ৰথম ব্যক্তি। অসমীয়া সাহিত্য-সংস্কৃতিৰ উন্নতিৰ হকে যিকেইজন বৰেণ্য ব্যক্তিয়ে তেওঁলোকৰ অহোপুৰুষাৰ্থৰে অৱদান ৰাখি থৈ গ’ল, সেইসকলৰ ভিতৰত বিষ্ণুপ্ৰসাদ ৰাভাৰ নাম সোণালী আখৰেৰে চিৰদিনৰ বাবে প্ৰতিজন অসমীয়াৰ হৃদয়ত চিৰস্মৰণীয় হৈ ৰ’ব। কিয়নো তেওঁ আছিল অসমীয়া জাতীয় সংস্কৃতিৰ ত্ৰাণকৰ্তাস্বৰূপ আৰু অসমীয়া সংস্কৃতিৰ পূজাৰী। বিষ্ণুপ্ৰসাদ ৰাভা একেধাৰে গীতিকাৰ, কবি, নাট্যকাৰ, ঔপন্যাসিক, চুটিগল্প ৰচক, প্ৰবন্ধকাৰ, জাতীয়তাবাদী নেতা সকলো আছিল।

বিষ্ণুপ্ৰসাদ ৰাভা বিপ্লৱী নেতা হোৱাৰ উপৰি যে ভাল কবি, নাট্যকাৰ, খেলুৱৈ, সংগীতজ্ঞ সেয়া আমি সকলোৱে জানো। কবিতা, নৃত্য, সংগীত আদিৰ লগত ৰাভাদেৱ বিশেষভাৱে জড়িত আছিল। কলিকতাত থকাৰ সময়তে হাতত কলম তুলি লৈ ‘আৱাহন’, ‘বাঁহী’ৰ পাতত লিখিবলৈ আৰম্ভ কৰি সাহিত্যৰ জগতখনৰ লগত তেওঁ বিশেষভাৱে জড়িত হৈ পৰিছিল।

কাশী হিন্দু বিশ্ববিদ্যালয়ৰ আমন্ত্ৰণ ক্ৰমে বিষ্ণুপ্ৰসাদে ১৯৩৯ চনত নৃত্য পৰিৱেশন কৰে। মহাদেৱৰ তাণ্ডৱ নৃত্য পৰিৱেশন কৰি ড° সৰ্বপল্লী ৰাধাকৃষ্ণণক আপ্লুত কৰাৰ লগতে ভূয়সী প্ৰশংসা পায়। যাযাবৰ হৈ জীৱন কটোৱাৰ সময়তো বিষ্ণুপ্ৰসাদ ৰাভাই সোণপাহী, মিছিং কনেং, অসমীয়া কৃষ্টিৰ চমু আভাস, অতীত অসম আদিৰ দৰে মূল্যৱান কিতাপ আমাক উপহাৰ দি থৈ যায়।

অসমীয়া সংগীত জগতলৈ বিষ্ণু ৰাভাৰ অৱদান অসমবাসী ৰাইজে কেতিয়াও পাহৰিব নোৱাৰিব, কিয়নো তেওঁৰ প্ৰতিটো গীতে শ্ৰোতাৰ হৃদয় জয় কৰিবলৈ সক্ষম হৈছিল। তেওঁৰ দ্বাৰা ৰচিত প্ৰতিটো গীততে প্ৰাণ পাই উঠিছিল অসমীয়া সমাজৰ সামাজিক ভাবধাৰা, জাতীয় চেতনাবোধ, তেওঁৰ কিছুমান গীতত অসমৰ প্ৰাকৃতিক পৰিৱেশো ফুটি উঠা দেখা গৈছে ‘বিলতে হালিছে ধুনীয়া পদুমী, ফুলনিত ফুলিছে ফুল...’, ‘টিলাই টিলাই ঘূৰি ফুৰে উলাহৰে...’ আদি। ইয়াৰ উপৰি ‘মোৰ কবিতাৰ ছন্দ লাগি স্পন্দন তোৰ জাগেনে...’, ‘আজি মন্দিৰৰ দুৱাৰ খোলা...’, ‘বিশ্বৰ ছন্দে ছন্দে মহানন্দে...’ ‘পৰজনমৰ শুভলগনত’ আদিৰ দৰে কালজয়ী গীত ৰচনা কৰি অসমীয়া সংগীতৰ জগতখনক এঢাপ আগুৱাই নিছিল। তেওঁৰ গীত আৰু কবিতাসমূহত সেই সময়ৰ স্বাধীনতা আন্দোলনৰ বিপ্লৱী ভাবধাৰা জিলিকি উঠিছিল। স্বাধীনতা আন্দোলনৰ সময়ত ৰচিত গীতসমূহে অসমীয়া জনসাধাৰণৰ মনত দেশপ্ৰেমৰ ভাব জাগি উঠিছিল। এই গীতসমূহৰ ভিতৰত ‘অসমীয়া ডেকাদল...’, ‘আই মোৰ ভাৰতী জননী...’ আদি উল্লেখযোগ্য। ইয়াৰ উপৰি স্বাধীনতা আন্দোলনৰ সময়ত ৰচিত ‘আমি বিপ্লৱী পথৰে যাত্ৰী’ কবিতটিত বিপ্লৱৰ ভাবধাৰা প্ৰকটমান। স্বাধীনতা আন্দোলনৰ বতাহ ছাটিয়ে বিষ্ণু ৰাভাকো কোবাইছিল। সেয়ে তেওঁৰ কলমৰ কাপৰ পৰা নিগৰি ওলাইছিল বিপ্লৱী গান আৰু বিপ্লৱী কবিতা। অসমীয়া সংগীত জগতলৈ আগবঢ়োৱা অমূল্য অৱদানৰ বাবে তেওঁৰ সংগীতসমূহক ‘ৰাভা সংগীত’ হিচাপে ঘোষণা কৰা হৈছে। অসমীয়া সংগীতৰ জগতত ‘ৰাভা সংগীত’সমূহ যুগে যুগে কালজয়ী হৈ থাকিব অসমবাসীৰ হাতত। সাহিত্য তথা সংগীত সাধনাত ব্যস্ত থাকোতেই ৰাছিয়াৰ বিখ্যাত অভিনেত্ৰী আনা পাভলভাৰ নৃত্য উপভোগ কৰি তেওঁৰ লগত পৰিচয় ঘটিল আৰু তেওঁৰ শিল্পী প্ৰাণে পালে অফুৰন্ত প্ৰেৰণা। অসমৰ সাংস্কৃতিক জগতৰ বৰেণ্য শিল্পী জ্যোতিপ্ৰসাদ আগৰৱালাৰ সংগ পাই বিষ্ণুপ্ৰসাদ ৰাভা অধিক উজ্জীৱিত হৈ পৰিল। গীত, নৃত্য আৰু অন্যান্য সাংস্কৃতিক কৰ্মত ব্যস্ত হৈ থাকোঁতে গায়িকা প্ৰিয়লতা দত্তৰে ১৯৩৭ চনত বিবাহ হয় যদিও মাত্ৰ ২৮ দিনৰ সংসাৰ পতাৰ পিছত পত্নীৰ মৃত্যু হয়। শোকবিহ্বল হৈ ৰাভাই গীত ৰচনা কৰে—

‘পৰজনৰ শুভ লগনত
যদিহে আমাৰ হয় দেখা
পূৰাবানে প্ৰিয়ে এই জনমত
মোৰ হিয়াৰ অপূৰ্ণ আশা।’

জীৱনৰ শেষৰ ফালে ৰাভাদেৱে তেওঁৰ মৃত্যুৰ কথা অনুভৱ কৰিয়েই হয়তো লিখিছিল ‘এয়ে মোৰ শেষ গান, মোৰ জীৱন-নাটৰ শেষ ৰাগিণী, কল্যাণ খৰমান...’। সেয়াই যেন শেষ গান আছিল তেওঁৰ বাবে। পাকস্থলীত হোৱা কৰ্কট ৰোগত ভুগি এইজনা অসমীয়া সংস্কৃতিৰ সাধক, অসমীয়া সংস্কৃতিৰ পূজাৰী ৰাভাদেৱে ১৯৬৯ চনৰ ২০ জুন তাৰিখে ৰাতি ২.২৫ বজাত তেজপুৰত মৃত্যুক সাবটি ল’ব লগা হয়।

সঁচাই ৰাভাদেৱে বহুতো কালজয়ী গীত ৰচনা কৰি থৈ গৈছে। তেখেতৰ ৰচিত আৰু সুৰাৰোপিত গানৰ বিশেষত্বৰ বাবে তেখেতে লেখা গীতবোৰ বিষ্ণু ৰাভা সঙ্গীত হিচাপে পৰিচিত। যিবোৰ আজিও অসমীয়া জাতীয় জীৱনৰ অবিচ্ছেদ্য অংশ। যাৰ নুই কৰাৰ সাহস কাৰো নাই। সৈনিক-শিল্পী বুলি কোৱা বিষ্ণু ৰাভাৰ গীতত প্ৰেম আৰু বিদ্ৰোহ— দুয়োকে পোৱা যায়। অসমীয়া মানুহৰ বুকুৰ আপোন ৰাভাদেৱৰ এই গীতবোৰ।

বিপ্লৱী নেতা সৈনিক শিল্পী কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ মৃত্যু দিনটোৰ প্ৰতি সন্মান জনাই অসমবাসী ৰাইজে ‘ৰাভা দিৱস’ হিচাপে পালন কৰি আহিছে আৰু ভৱিষ্যতেও কৰি গৈ থাকিব। আমি ভাবো কেৱল ‘ৰাভা দিৱস’ পাতিলেই নহ’ব বিষ্ণু ৰাভাক জীয়াই ৰাখিবলৈ হ’লে তেওঁৰ সৃষ্টিৰাজি জীয়াই ৰাখিব লাগিব। তেওঁৰ সৃষ্টিৰাজি বহুলভাৱে প্ৰচাৰ আৰু প্ৰসাৰৰ ব্যৱস্থাও হাতত ল’ব লাগিব। তেতিয়া হয়তো ৰাভাদেৱৰ সকলো কলা-কৃষ্টি আমাৰ মাজত জীয়াই থাকিব।

**ফোন : ৬০০০৬-৮৬৪৩৫**

## ৰাভাৰ সাহিত্যত প্ৰগতিশীলতা আৰু...

**■ অপৰ্ণা দেৱী**

ৰাভাদেৱৰ সাহিত্যত প্ৰগতিশীল চিন্তাৰ উন্মেষ ঘটা দেখা গৈছে। তেওঁ এগৰাকী প্ৰগতিশীল চিন্তা নায়ক আছিল, সেয়েহে তেওঁৰ সাহিত্যতো এই কথা ফুটি উঠিছে। প্ৰতিতো জাতি-জনগোষ্ঠীৰ সমিল-মিল আৰু প্ৰগতিশীল চিন্তাৰ ওপৰত ৰাভাই গুৰুত্ব দিছিল। তেওঁ জাত-পাত, হিন্দু-মুছলমান এইবোৰ ঠেক মনোবৃত্তি পৰিহাৰ কৰিবলৈ অসমীয়াক সজাগ কৰি দিছিল। আনকি বিষ্ণু ৰাভাই হাছান-হুছেইনৰ চৰিত্ৰৰ মাজেৰে আমাৰ সমাজৰ সাধাৰণ ৰাইজ, এজিদৰ মাজেৰে শোষক, অত্যাচাৰী ধনী জমিদাৰ আৰু কেৰামতৰ মাজেৰে সুবিচাৰ আৰু প্ৰতিকাৰ কৰাৰ কথা কৈছে।

ৰাভাৰ সাহিত্যত প্ৰগতিশীলতা আৰু...

ৰাভাদেৱৰ সাহিত্যত প্ৰগতিশীল চিন্তাৰ উন্মেষ ঘটা দেখা গৈছে। তেওঁ এগৰাকী প্ৰগতিশীল চিন্তা নায়ক আছিল, সেয়েহে তেওঁৰ সাহিত্যতো এই কথা ফুটি উঠিছে। প্ৰতিতো জাতি-জনগোষ্ঠীৰ সমিল-মিল আৰু প্ৰগতিশীল চিন্তাৰ ওপৰত ৰাভাই গুৰুত্ব দিছিল। তেওঁ জাত-পাত, হিন্দু-মুছলমান এইবোৰ ঠেক মনোবৃত্তি পৰিহাৰ কৰিবলৈ অসমীয়াক সজাগ কৰি দিছিল। আনকি বিষ্ণু ৰাভাই হাছান-হুছেইনৰ চৰিত্ৰৰ মাজেৰে আমাৰ সমাজৰ সাধাৰণ ৰাইজ, এজিদৰ মাজেৰে শোষক, অত্যাচাৰী ধনী জমিদাৰ আৰু কেৰামতৰ মাজেৰে সুবিচাৰ আৰু প্ৰতিকাৰ কৰাৰ কথা কৈছে।

ৰাভাৰ সাহিত্যৰ এটা বৈশিষ্ট্য আছিল যিবোৰ আমি সাম্প্ৰতিক কালৰ অনেক ঘটনাৱলীৰ বস্তুনিষ্ঠ বিশ্লেষণ কৰিব পাৰো।

হিন্দু-মুছলমানৰ বিভেদক কেন্দ্ৰ কৰি লিখা নাটকবোৰত তেওঁ দেখুৱাইছিল মানুহৰ প্ৰকৃত শত্ৰু হিন্দু বা মুছলমান নহয় প্ৰধান শত্ৰু হ’ল বিভাজন সৃষ্টিকাৰী প্ৰতিক্ৰিয়াশীল শক্তিবোৰ, যাৰ প্ৰকৃততে ধৰ্ম নাই সংস্কৃতি নাই যাৰ এটাই লক্ষ্য বিভাজন আৰু শোষণ। বিষ্ণু ৰাভাই তেওঁৰ গল্প-উপন্যাসৰ মাজেৰে জাত-পাত, বৰ্ণ প্ৰথা আৰু গোষ্ঠীবাদী প্ৰৱণতাক চৰম আঘাত হানিছে আৰু মানুহৰ সমঅধিকাৰ দাবী কৰিছে। মানুহৰ সৃষ্টিৰ মূল প্ৰেৰণা হৈছে দাসত্বৰ পৰা মুক্তি। যদিহে এটা জাতিৰ অন্তৰ্গত তথাকথিত উচ্চ বৰ্গই নিম্নবৰ্গৰ লোকক ঘৃণা বা অৱহেলা কৰে তেনেহ’লে জাতি এটা বিপৰ্যয়ৰ সন্মুখীন হয় ক্ৰমান্বয়ে। বৰ অসমৰ পৰিকল্পনা কৰি ৰাভাই কৈছিল— ‘অসমৰ অৱনমিত জাতিসমূহক আন আন উন্নত জাতিৰ লগত একে আসনত ঠাই দিবলৈ অসমৰ প্ৰত্যেক ৰাজনীতি আৰু সামাজিক নেতাসকলে এতিয়াৰ পৰা চেষ্টা কৰা উচিত। তাকে নকৰিলে অৱনত জাতিৰ বুকুত বিদ্ৰোহৰ অগ্নি জ্বলাই অসমত এটা গৃহ কন্দলৰ বাহ সাজি দিয়া হ’ব।’

বৰ্তমান অসমীয়া সমাজত এইটোৱে হ’বলৈ পাইছে। বিষ্ণু ৰাভাৰ মতে জাত-পাতৰ বিচাৰে জাতি এটাক শক্তিশালী কৰাত আৰু সমৃদ্ধিৰ বাটত আগবাঢ়ি যোৱাত বাধা প্ৰদান কৰে। বিষ্ণু ৰাভাই এই বিভেদ পৰিহাৰ কৰি পৰস্পৰে পৰস্পৰক জনাত গুৰুত্ব দিছে।

বিষ্ণু ৰাভাৰ এই সকীয়নি আন্তৰিকতাৰে হৃদয়ংগম নকৰা বাবে আজি অসমৰ বিভিন্ন জনগোষ্ঠীয়ে সুকীয়া সুকীয়া ৰাজ্য গঠনৰ বাবে আন্দোলন কৰিব লগা হৈছে আৰু বিভিন্ন গোষ্ঠীগত সংঘৰ্ষৰ সৃষ্টি হৈছে।


বিষ্ণু ৰাভাই বৃহত্তৰ অসমীয়া জাতিৰ অন্তৰ্ভুক্ত বিভিন্ন জনগোষ্ঠীকো জাতিৰ মৰ্যাদা দিছে। গতিকে জনগোষ্ঠীৰ নিজস্ব ভাষা-সংস্কৃতিক সুৰক্ষা প্ৰদান আৰু বিকাশৰ সুযোগ নিদিলে বৃহত্তৰ অসমীয়া জাতি দুৰ্বল হ’ব।

কুৰি শতিকাৰ অসমখনক যি দুৰাৰোগ্য ব্যাধিয়ে খুলি খুলি খাইছে বিষ্ণু ৰাভাৰ মতে সেয়া হৈছে জাতিৰ অহংকাৰ আৰু অস্পৃশ্যতা। এই বিকাশৰ ছবি তেওঁৰ সাহিত্যত পৰিস্ফুট হৈ উঠিছে।

ৰাভাৰ মতে যিসকলে ধৰ্মৰ নামত ব্যৱসায় কৰে, জাত-পাতৰ বিচাৰ কৰে, দুখীয়াৰ ওপৰত শোষণ চলায় তেওঁলোক অসমীয়া নহয়।

অসমীয়া জাতিৰ ধাৰণা সময়ৰ গতিত বহু সলনি হৈছে যদিও আধুনিক অৰ্থত যি প্ৰগতিশীল ধাৰণা জাতিৰ ক্ষেত্ৰত প্ৰযোজ্য তেনে ধাৰণাকেই বিষ্ণু ৰাভাই তেওঁৰ লেখা আৰু সাহিত্যৰ মাজেৰে দাঙি ধৰাৰ চেষ্টা কৰিছে। ৰাভাৰ মতে ভাষা, ধৰ্ম আৰু পৰম্পৰাৰ মাজত ভিন্নতা থাকিলেও অসমৰ প্ৰতিটো জনগোষ্ঠীৰেই পৰিচয় অসমীয়া হোৱা উচিত বুলি তেওঁ কৈছিল।

**ফোন : ৮০১১২-৯৭১০৬**



# জনতাৰ শিল্পী বিষ্ণুপ্ৰসাদ ৰাভা : এক চমু আভাস

**■ পুষ্পাঞ্জলি শিৰম শৰ্মা**

ঋদ্র শৰ্মাদেৱে কালজয়ী ব্যক্তি মহীৰূহ বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ তেওঁৰ সূৰ্যসম আভাৰ বাবে যি নেকি দেশ আৰু দহৰ বাবে অহৰহ উৎসৰ্গিত আছিল, সেই ভাবনাক সশ্ৰদ্ধ প্ৰণাম জনাই কবিতা এটিত লিখিছিল,

“আহ কি সুন্দৰ তেওঁৰ সপোন ‘ভূমিস্বত্ব দান’।
কৃষকক ভূমি বিলাই দিয়াৰ সপোন
২৫০ বিঘা মাটি পৈতৃক সম্পত্তি
‘হাল যাৰ মাটি তাৰ’ বুলি বিলাই দিব পৰা
মহান পুৰুষ বিষ্ণু প্ৰসাদ ৰাভা।
কি সুন্দৰ আদৰ্শ তোমাৰ ভূমিস্বত্ব দান।”

বৰ অসমৰ কাঠাম তৈয়াৰ কৰি লৈ বিষ্ণুপ্ৰসাদ ৰাভাদেৱে থিয় দিছিল, পাশ্চাত্যৰ সভ্যতা-সংস্কৃতিৰ প্ৰভাৱত আৰু অত দিনৰ পৰাধীনতাৰ পৰিৱেশত লুপ্ত হ’ব ধৰা আমাৰ সময়খিনিত, ঊনবিংশ শতিকাৰ শেষভাগ আৰু কুৰি শতিকাৰ আদি ভাগত হোৱা সাহিত্য-সংস্কৃতিৰ মহাৰণত স্বসত্তা আৰু অস্তিত্ব ৰক্ষাৰ বাবে, উদ্ধাৰৰ হকে, দেশ তথা দহৰ।

সেই সময়ত ভাৰত তথা অসমত যি এক বুৰ্জোৱা জাতীয়তাবাদী নৱজাগৰণৰ উদ্‌গিৰণ ঘটিছিল, নিঃসন্দেহে ৰাভাদেৱ আছিল সেই ধাৰাৰ সমৰ্থনত অসমক প্ৰতিনিধিত্ব কৰা প্ৰধান অসমীয়া।

অসমৰ জাতীয় গৌৰৱৰ অতীত সমলসমূহৰ পুনৰুদ্ধাৰৰ আৰু সংস্কৰণৰ যোগেৰে দেশৰ জাতীয় চেতনা শক্তিশালী কৰি তাক এক অনন্য ৰূপত দাঙি ধৰিবলৈ দেহেকেহে এই নৱজাগৰণ আনিবলৈ ৰাভাদেৱে আপ্ৰাণ চেষ্টা কৰিছিল। কাৰ্যসূচীৰ ভিতৰত আছিল উমৈহতীয়া শক্তিশালী শত্ৰু ব্ৰিটিছ সাম্ৰাজ্যবাদৰ সৈতে মোকাবিলা কৰাৰ স্বাৰ্থতে বিচিত্ৰ ভাৰতৰ বিভিন্ন জাতিসত্তাসমূহৰ ঐক্য-সমন্বয় ৰক্ষা।

তেনে এক জাতীয়তাবাদী চেতনাৰ পৰিৱেশৰ পৰা জীপ লৈ তাৰ আৰ্হিতে জীৱনৰ প্ৰথমাৰ্ধত বিষ্ণু ৰাভাই বৃহত্তৰ অসম কিম্বা বৰ অসমৰ চিন্তাটো কৰিছিল। অসমত শংকৰী চিন্তা আৰু সংস্কৃতিৰ পুনৰুজ্জীৱনৰ মাজেদি, কীৰ্তনঘোষা, নামঘোষাৰ শৌৰ্য-বীৰ্যৰে, নাট-গীত-নাম-বৰগীতৰ তুৰ্যনাদেৰে আজিৰ অসমৰ সমূহ জনগোষ্ঠী তথা নগা, খাচি, মণিপুৰীকে ধৰি উত্তৰ-পূবৰ সমূহ জাতিকে সামৰি, ঐক্যবদ্ধ কৰি বৰ অসমৰ কাঠাম তৈয়াৰ কৰাৰ কথা ভাবিছিল। তেওঁ লিখিছিল—

‘ছিগাঙাও থু ছিগাঙাও থু / ছিগাঙাও থু লৌগীফৌৰা — আগুৱাই ব’ল আগুৱাই ব’ল / আগুৱাই ব’ল সমনীয়া; ৰাইজৌয়ানী ৰাজা / পৰজায়ানী ৰাজা — ৰাইজেই ৰজা মোৰ / প্ৰজায়েই ৰজা মোৰ, গৌনাই সাৰা গানদৌ জো আদৌ বৈবৌ আংখাৰদৌ — সাজ মুক্তি সেনা সাজ / হ’ব সমদল আজি বাজ —কেন তুমি আসিলে না ? / শিয়ৰে দাড়াৰে আধেক ঘুমে কেন তুমি জাগালেনা ? — চোৰ ঔ চোৰ ঔ / চোৰ মাৰিবাক টোকোন লওঁ। / থুপৰি হও থুপৰি হও / কাণা কুঁজা এফাল হও’।

আৰু ৰাভাদেৱে কৈছিল— ‘আপোনালোকে মোক জীৱন শিল্পী বুলি কয়। যদি প্ৰকৃততে মই জীৱন শিল্পী হওঁ সেয়া ভগৱানৰ কৰুণাত নহয়, জনতাৰ সৃজনী শক্তিতহে। শিল্পী কথাষাৰ আজিকালি বৰ সহজ হৈ পৰিছে। কিন্তু শিল্পী হ’বলৈ হ’লে ঝঞ্ঝা বিজয়ী আত্মাৰ অধিকাৰী হ’ব লাগিব। প্ৰশান্ত মহাসাগৰত ডুব মাৰি অসংখ্য শামুক বুটলিব পৰা দুঃসাহস আৰু দুৰ্বাৰ শক্তি থাকিলেহে আজি আৰ্টৰ মুক্তা লাভ কৰা সম্ভৱ।’ (ৰাভাদেৱৰ মধ্য গুৱাহাটী বিহু সন্মিলনীত দিয়া ভাষণৰ কিয়দংশ)

‘মই সশস্ত্ৰ বিপ্লৱত বিশ্বাস কৰো আৰু এটা কমিউনিষ্ট পাৰ্টী হোৱাটো বিচাৰো।’ (ৰাভাৰ ৰাজনৈতিক আচৰণ, বাণেশ্বৰ শইকীয়া।) ‘মাওবাদ-লেনিনবাদে মোৰ চঞ্চল অস্থিৰ শিল্পী জীৱনলৈ আনি দিছে সাগৰ সংগমৰ পূৰ্ণতা আৰু গভীৰতা।’

স্বাভাৱিকতেই বিষ্ণুপ্ৰসাদ ৰাভাৰ দৰে এজন সৰ্বশ্ৰেষ্ঠ যুগনায়কৰ চিন্তা তথা দৰ্শন জড়িত যিকোনো কথাকে তেওঁৰ সমকালীন সমাজ-বুৰঞ্জীৰ গতি-প্ৰকৃতিৰ পটভূমিতহে অধ্যয়ন কৰিব পৰা যাব। যাৰ বাবে আমি ভুমুকি মাৰিব লাগিব সেই সময়ৰ সোণোৱালী স্বাক্ষৰিত তেওঁৰ বিৰাট অৱদান দেশৰ সাহিত্য-সংস্কৃতি কিম্বা আপোন লোকৰ উন্নতিৰ উন্নয়নৰ দিশবোৰত। যি আজি পৰ্যন্ত উজ্জ্বল জ্যোতিষ্কৰ দৰে জিলিকি আছে।

অসমৰ সাহিত্য-সংস্কৃতিৰ পথাৰত প্ৰথমজন এনেকুৱা ব্যক্তিত্বৰ লোক যাৰ এখন হাতত আছিল মাৰণাস্ত্ৰ আৰু আনখন হাতেৰে কবিতাৰ কুঁকি, গীতৰ শৰাই, নৃত্যৰ ঝংকাৰে অসমী আইৰ কোলা শুৱনি কৰিছিল। চন্দ্ৰধৰ গোস্বামীদেৱৰ লিখনিৰ পৰা পোৱা অনুসৰি—

‘বিষ্ণু ৰাভাই প্ৰায় সদায় পুৰা গাইছিল- শৃন্বন্ত বিশ্ব অমৃতস্য পুত্ৰাঃ অৰ্থাতঞ্জ শুনা বিশ্বজন তোমালোক অমৃতৰ সন্তান। কলাৰ প্ৰায়বোৰ দিশতেই বিষ্ণু ৰাভাৰ দক্ষতা আছিল। কিন্তু তেওঁৰ খেয়ালি মনে যেতিয়াই যিটোত মন যায়, তাতেহে লাগি পৰিছিল। সেয়ে কলাৰ কোনো এটা দিশতেই তেওঁ একাণপটীয়াকৈ লাগি থাকিব নোৱাৰিছিল। তেজপুৰৰ বাহিৰত দিহিঙে-দিপাঙে ঘূৰি হিয়া বিচাৰি ফুৰা বাবেই বাণ থিয়েটাৰৰ লগত জড়িত হৈয়ো বৰ বেছি অৱদান যোগাব পৰা নাছিল। বাণ থিয়েটাৰত তেওঁ বিশেষ গুৰুত্ব দিয়া দিশটো আছিল সংগীত। ১৯৩৫ চনৰ সপ্তমী পূজাৰ নিশা মঞ্চস্থ হোৱা ‘কাৰেঙৰ লিগিৰী’ নাটকত সুদৰ্শনৰ চৰিত্ৰটোৰ যোগেদি তেওঁ অভিনয় প্ৰতিভাৰ প্ৰমাণ দিছিল। সুন্দৰ অভিনয় আৰু ‘মোৰে জীৱনৰে সখা কৃষ্ণ’ গীতটোৰে তেখেতে দৰ্শকৰ মনত এক গভীৰ ৰেখাপাত কৰিছিল।

ঐতিহাসিক বা পুৰাণিক নাটকৰ চৰিত্ৰ ৰূপায়িত কৰাত তেখেত আছিল সুনিপুণ। ‘দিগ্‌বিজয়’ নাটকত ‘নাদিৰ শ্বাহ’ৰ চৰিত্ৰৰ অভিনয়ৰে ফুটাই তুলিছিল মানিৰ শ্বাহৰ দেশ জয়ৰ উন্মাদনা। সেইদৰে ‘কংস’ নাটকত ‘কংস’ চৰিত্ৰৰ নিষ্ঠুৰতা আৰু দুৰ্দান্ততা সুন্দৰভাৱে প্ৰকাশ কৰিছিল। (উৎস : চন্দ্ৰধৰ গোস্বামীৰ “জনতাৰ শিল্পী বিষ্ণু ৰাভা মানুহজন”। গ্ৰন্থ : সৈনিক শিল্পী বিষ্ণু ৰাভা।)

নগেন কাকতিদেৱেও লিখিছিল— ‘...এহাতে ষ্টেনগান আৰু আনহাতে কলম তুলি লৈ চৰকাৰৰ ‘দহ হাজাৰটকীয়া পুৰস্কাৰ’ৰ বিপদ মূৰত লৈ ‘ঐতিহাসিক অন্যায়’ৰ বিৰুদ্ধে পৃথিৱীজোৰা প্ৰতিৰোধ জগাই তোলা আদৰ্শবাদী দলৰ অনুপ্ৰেৰণাৰে আত্মগোপন কৰি অসমৰ হালোৱা, হজুৱা, গঞাক চৰকাৰী দমন-উৎপীড়নৰ বিৰুদ্ধে সংগঠিত কৰি ফুৰা এজন বিপ্লৱী শিল্পী ধুমুহাৰ গতিত পাহাৰে-ভৈয়ামে দৌৰি ফুৰিছিল।’ (বিপ্লৱী গণশিল্পী ৰাভাৰ সোঁৱৰণত)।

সেই বিপ্লৱীৰ ৰচনাৰাজিত নিহিত আছিল শোষণ-বঞ্চনাৰ বিৰুদ্ধে, কৃষক-শ্ৰমিকৰ মুক্তিৰ গান, অন্যায়ৰ বিৰুদ্ধে প্ৰতিবাদৰ দাবানল। ৰাভাদেৱৰ কবিতাত সদম্ভে প্ৰকাশ পাইছিল সেই সময়ৰ শাসন ব্যৱস্থাৰ তীব্ৰ প্ৰতিবাদ লগতে এক আহ্বান যে সকলো স্তৰৰ জনসাধাৰণেও যেন সেই সমাজ ব্যৱস্থা ওফৰাই মুক্তিৰ গান গাবলৈ ওলাই আহক। তেওঁ লিখিছিল—

‘আগবাঢ়ি ব’ল ভাঙি ছিঙি জুলুমবাজীৰ জাল— / নকৰিবি ভয়; ব’ল হই শোষণবাদীৰ কাল;—’। ইত্যাদিৰ দৰে কালজয়ী গীত কিম্বা কবিতা।

হেমাঙ্গ বিশ্বাসদেৱৰ লিখনিত আমি পাওঁ যে

“বাস্তৱ জীৱনতো ৰাভা আছিল দক্ষ খেলোৱাৰ। কোচবিহাৰত থাকোঁতেই ৰাভা আকৃষ্ট হ’ল স্বদেশী আন্দোলনৰ প্ৰতি আৰু ক্ৰমে তেওঁ ছাত্ৰ সমাজৰ নেতা হৈ উঠিল, সেই সময়ত কোচবেহাৰত দুজন বিষয়াৰ বিৰুদ্ধে জন-বিক্ষোভৰ সৃষ্টি হৈছিল। এজন আছিল হকিন্সন আৰু আনজন আছিল ৰাজদেৱান খাস্তগীৰ হঠাৎ এদিন পুৱা ৰাজপ্ৰাসাদৰ প্ৰধান দুৱাৰত দেখা গ’ল আঠা মাৰি থোৱা এখন কাগজ। লিখা আছিল—

ৰাজ্যে আছে দুইটি পাঠা
একটি কালো একটি সাদা
ৰাজ্যেৰ যদি মঙ্গল চাও
দুইটি পাঠাই বলি দাওঁ।।

এজন অসমীয়া ছাত্ৰই বঙালীত এনে সুন্দৰ ছড়া লিখি প্ৰহৰীৰ চকুত ধূলি মাৰি একেবাৰে যে ৰাজদুৱাৰত লগাই থৈ আহিব পাৰে তেনে কথা কোনে ভাবিব পাৰে? যিয়েই নহওক কোচবেহাৰৰ পৰা ৰাভা বিতাড়িত হ’ব লগা হ’ল।

(উৎস : সৈনিক শিল্পী বিষ্ণু ৰাভা, অসমৰ শিল্পী সৈনিক : বিষ্ণুপ্ৰসাদ ৰাভা, হেমাংগ বিশ্বাস)

তেওঁ অসমীয়া সাহিত্যত বহু অমূল্য অৱদান আগবঢ়াই থৈ গৈছে তেখেতৰ এই অমূল্য অবদানৰ ভিতৰত প্ৰধানকৈ

গল্পসমূহৰ ভিতৰত মামীৰ হাৰ, কুৰি বছৰ জে’ল, জাল কেছ, হিয়াৰ পুং, ফুংকা (বড়ো ভাষাত ৰচিত)

উপন্যাস- মিছিং কনেং

গল্প সংকলন- সোণপাহি


নাটক- কুমাৰ হৰণ, জ্যোতিপ্ৰভা, শংকৰদেৱ, শান্তিৰ দেউল, শকুন্তলা, কৃষক, নীলাম্বৰ।

১৯৬৮ চনত ৰাভাদেৱ কৰ্কট ৰোগত আক্ৰান্ত হোৱা হেতুকে বোম্বেৰ টাটা ইনষ্টিটিউটো চিকিৎসাৰ হেতু গৈছিল আৰু তাৰ পৰা ১৯৬৯ ৰ জানুৱাৰীত উভতি আহিছিল, তাৰ পিছত প্ৰায় ১০ দিন তেজপুৰ চিভিল হাস্পতালত শয্যাগত হৈ থাকি ২০ জুনৰ নিশা ২.১০ বজাত ৰাভাদেৱে ইহলীলা সম্বৰণ কৰে। মৃত্যু শয্যাতেই তেওঁ লিখি যায় প্ৰতিজন অসমীয়াৰ হৃদয়ত আমৰণ বাজি থকা গীতটি—

‘এই মোৰ শেষ গান
জীৱন নাটৰ শেষ ৰাগিণী
কল্যাণ খৰমান....’।

কলাৰ সাধক, উপাসক আৰু একেধাৰে গুৰু বিষ্ণু ৰাভাৰ জ্ঞানৰ আকৰ আছিল অগাধ। তেওঁ আছিল সৰ্বগুণসম্পন্ন ব্যক্তি। উল্লেখনীয় যে সাম্প্ৰতিক সময়ত শংকৰদেৱ আৰু মাধৱদেৱৰ যি চিত্ৰ দেখিব পোৱা যায় তাক বিষ্ণুপ্ৰসাদ ৰাভাদেৱেই অংকন কৰিছিল। বহুতো কালজয়ী গীত আৰু কবিতা ৰচনা কৰি থৈ যোৱা এইগৰাকী মহীৰূহসৃষ্ট বহুত গীত, কবিতা সংৰক্ষণৰ অভাৱত হেৰাই গ’ল। বিষ্ণুপ্ৰসাদ ৰাভাই যিবোৰ কালজয়ী গীত ৰচনা কৰি থৈ গৈছে সেই গীতবোৰ ‘ৰাভা সংগীত’ৰূপে সকলোৱে পৰিচিত। ৰাভাদেৱৰ মৃত্যু দিনটো অৰ্থাৎ ২০ জুন তাৰিখটো সকলো অসমীয়াই ‘ৰাভা দিৱস’ হিচাপে পালন কৰি আহিছে। তেওঁ অসম তথা অসমীয়াৰ হকে মন-প্ৰাণ ঢালি যিবোৰ অৱদান দি থৈ গ’ল সেয়া সময়ৰ বুকুত সোণোৱালী প্ৰতিবিম্ব হৈ জিলিকি থাকিব আৰু অমৰ হৈ ৰ’ব প্ৰতিজন অসমীয়াৰ হৃদয়ৰ কোঁহে কোঁহে।

**ফোন : ৮৪৮৬৮-৯৪৯১৬**



... সেই বিপ্লৱীৰ ৰচনাৰাজিত নিহিত আছিল শোষণ-বঞ্চনাৰ বিৰুদ্ধে, কৃষক-শ্ৰমিকৰ মুক্তিৰ গান ,অন্যায়ৰ বিৰুদ্ধে প্ৰতিবাদৰ দাবানল। ৰাভাদেৱৰ কবিতাত সদম্ভে প্ৰকাশ পাইছিল সেই সময়ৰ শাসন ব্যৱস্থাৰ তীব্ৰ প্ৰতিবাদ লগতে এক আহ্বান যে সকলো স্তৰৰ জনসাধাৰণেও যেন সেই সমাজ ব্যৱস্থা ওফৰাই মুক্তিৰ গান গাবলৈ ওলাই আহক। তেওঁ লিখিছিল, ‘আগবাঢ়ি ব’ল ভাঙি ছিঙি জুলুমবাজীৰ জাল—; য নকৰিবি ভয়; বল হই শোষণবাদীৰ কাল;—’ ইত্যাদিৰ দৰে কালজয়ী গীত কিম্বা কবিতা...

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত পৰিবহণ মন্ত্ৰী আৰু পৰিবহণ আয়ুক্তৰ তৎপৰতা

## নগাঁৱত মৃত্যু হোৱা কেৰেলাৰ বাছ চালকৰ মৃতদেহ বিমানেৰে নিজ গৃহলৈ প্ৰেৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ১৮ জুন ঃ** সুদূৰ কেৰেলাৰ পৰা দুমাহ পূৰ্বে নগাঁৱলৈ শ্ৰমিক থবলৈ আহি ক'ভিড কেন্দ্ৰীক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আন্তঃ ৰাজ্যিক বন্ধৰ বাবে নগাঁওত আৱদ্ধ হৈ থাকি ১৬ জুনত এক দুৰ্ভাগ্যজনক পৰিস্থিতিত অকাল মৃত্যুক সাৱটি লোৱা কেৰালাৰ ক'চিৰ অভিজিৎ এম এম নামৰ বাছ চালকজনৰ মৃতদেহটো ১৭ জুনৰ দিনা সন্ধিয়া মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত পৰিবহণ বিভাগে বিমানেৰে নিজ গৃহলৈ প্ৰেৰণ কৰে। জানিব পৰা মতে অকাল মৃত্যুক সাৱটি লোৱা চালক জনৰ মৃতদেহটো উপযুক্ত মৰ্য্যদা সহকাৰে যাতে বিমানেৰে প্ৰেৰণ কৰা হয় তাৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ১৬ জুনৰ দিনা নিশাই ৰাজ্যৰ পৰিবহণ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী আৰু পৰিবহণ আয়ুক্ত আদিল খানক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীৰ নিৰ্দেশৰ পাছতেই পৰিবহণ মন্ত্ৰী আৰু পৰিবহণ আয়ুক্তই ততালিকে কেৰেলালৈ যোৱা বিমানৰ সন্ধান কৰে। অৱশেষত গুৱাহাটীৰ পৰা নতুন দিল্লী হৈ কেৰেলাৰ ক'চিলৈ যোৱা এয়াৰ ইণ্ডিয়াৰ কাৰ্গ বিমান এখনত মৃতদেহ লৈ যোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সেই অনুসৰি কামৰূপ মহানগৰ জিলাৰ জিলা পৰিবহণ বিষয়াদ্বয় গৌতম



দাস আৰু হিমাংশু দাসৰ তত্ত্বাৱধানত মৃতদেহ বৰঝাৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমানবন্দৰলৈ অনা হয়। বৰঝাৰ বিমান বন্দৰত দুয়োগৰাকী জিলা পৰিবহণ বিষয়াৰ উপৰি যান-বাহন পৰিদৰ্শক জয় সিং ৰংফাৰ, প্ৰৱৰ্তক পৰিদৰ্শক নিতুল চেতীয়াকে ধৰি বিভাগৰ কেবাজনো কৰ্মীয়ে চালক অভিজিৎ এম এমৰ নশ্বৰ দেহত শেষ শ্ৰদ্ধা নিবেদন কৰে। তাৰ পাছত উপযুক্ত মৰ্যাদা সহকাৰে মৃতদেহটো কেৰালা চৰকাৰৰ সৈতে কৰা যোগাযোগ অনুসৰি মৃত চালক জনৰ সহযোগী মহম্মদ লটিফৰ দায়িত্বত বিমানত প্ৰেৰণ কৰা হয়। ইতিমধ্যে মৃতদেহটো চালক জনৰ ঘৰ পোৱা বুলি কেৰেলা চৰকাৰে অসম চৰকাৰক জনাইছে।

তামুলপুৰত নিখিল ৰাভা ছাত্ৰ সন্থাৰ সংবাদমেল

# কোকৰাঝাৰৰ অভয়াখুটিৰ হত্যাকাণ্ডৰ অভিযুক্তক ফাঁচিকাঠত ওলোমোৱাৰ দাবী ছাত্ৰ সংগঠনৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ১৮ জুন ঃ** কোকৰাঝাৰ জিলাৰ অভয়াখুটিত যোৱা ১১ জুন তাৰিখে চমাইনা ৰাভা আৰু ৰমিলা ৰাভা নামৰ দুগৰাকী ৰাভা জনগোষ্ঠীৰ কিশোৰীক ধৰ্ষণ কৰি হত্যা কৰাৰ যি নাৰকীয় ঘটনা সেই ঘটনাৰ তীব্ৰ নিন্দা কৰিছে নিখিল ৰাভা ছাত্ৰ সন্থাই। আজি তামুলপুৰ আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত এক সংবাদ মেলযোগে ৰাভা ছাত্ৰ সন্থাৰ নেতৃবৃন্দই কয়- এই ধৰণৰ ঘটনাই সেই অঞ্চলত বসবাস কৰা খিলঞ্জীয়া প্ৰতিটো জাতি-জনগোষ্ঠীৰ মাজত নিৰাপত্তাৰ প্ৰতি ভাবুকি সৃষ্টি কৰিছে। নিখিল ৰাভা ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক দীপাংকৰ ৰাভাই সংবাদ মেলত সম্বোধন কৰি কয় আমি ইতিমধ্যে অসমৰ মুখ্য মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ এক টুইটযোগে অৱগত হৈছো যে এই ঘটনাৰ যি দোষী অপৰাধী তেওঁ লোকে প্ৰথমে ধৰ্ষণ কৰি কিশোৰী দুগৰাকীক গছত ওলমাই ৰাখিছিল। ইতিমধ্যে অপৰাধীক কৰায়ত্ব কৰাৰ কথাও জানিব পৰা গৈছে। আনহাতে অসম আৰক্ষীৰ সঞ্চালক প্ৰধান ভাস্কৰ জ্যোতি মহন্তই



ফাষ্টট্ৰেক আদালতত বিচাৰ কৰি বিচাৰ প্ৰক্ৰিয়া চলাই শীঘ্ৰে দোষী ক শাস্তি প্ৰদান কৰিব। নিখিল ৰাভা ছাত্ৰ সন্থাই সেইমৰ্মে ফাষ্টট্ৰেক আদালতত দোষীব্যক্তিৰ বিচাৰ কৰি তেওঁ লোকক ফাঁচিকাঠত ওলোমোৱাৰ দাবী জনাইছে। নিখিল ৰাভা ছাত্ৰ সন্থাই সেয়ে ভুক্তভুগি প্ৰতিটো পৰিয়ালক অসম চৰকাৰৰ তৰফৰ পৰা ১০ লাখ টকাকৈ ক্ষতিপূৰণ দিবলৈ দাবী জনোৱাৰ লগতে কোকৰাঝাৰ জিলাৰ অভয়াখুটিট্ৰাইবেল্ট বেল্ট এণ্ড ব্লকৰ পৰা অবৈধ বেদলখাৰীক উচ্ছেদ কৰিবলৈ দাবী জনাইছে। আজিৰ সংবাদ মেলত নিখিল ৰাভা ছাত্ৰ সন্থাৰ নেতৃবৃন্দ ই অভয়াখুটিত থকা খিলঞ্জীয়া ভূমি পুত্ৰ সকলৰ সুৰক্ষাৰ স্বাৰ্থত অভয়াখুটি অঞ্চলত এখন পূৰ্ণ পৰ্যায়ৰ আৰক্ষী থানা অথবা এটা আৰক্ষী চকী স্থাপন কৰিবলৈ বিটিচি চৰকাৰ অথবা অসম চৰকাৰলৈ অনুৰোধ জনাইছে। সংবাদ মেলত উপস্থিত থাকি বাক্সা জিলা ৰাভা ছাত্ৰ সন্থাৰ সভাপতি মুনিন্দ্ৰ ৰাভাই অভয়াখুটিৰ ঘটনাৰ লগতে ফেব্ৰুৱাৰী মাহত শোণিতপুৰ জিলাৰ ঢেকীয়াজুলি থানাৰ অন্তৰ্গত চপাই বালিগাৱত বিগত ২০ ফেব্ৰুৱাৰীত সংঘটিত ৰাভা মহিলা জিলি ৰাভা (৪৫) আৰু তেওঁৰ নাবালিকা কন্যা কৰবী ৰাভা (১২)ক নাৰকীয়ভাৱে সংঘটিত কৰা হত্যাকাণ্ডৰ চাৰিমাহে দোষী ব্যক্তিয়ে শাস্তি নোপোৱাত তীব্ৰ উদ্দেগ প্ৰকাশ কৰাৰ লগতে এই ঘটনাৰো ফাষ্টট্ৰেক আদালতত বিচাৰ প্ৰক্ৰিয়া চলাবলৈ দাবী জনায়। তামুলপুৰ আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ সভাপতি পূৰ্ণ সিং ৰাভাই দোষী ব্যক্তিয়ে কোনো পধ্যেই যাতে আইনৰ সুৰুঙাৰে সাৰি যাব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰাখিবলৈ অসম চৰকাৰলৈ আহ্বান জনোৱাৰ লগতে অভয়াখুটি অঞ্চলৰ খিলঞ্জীয়াৰ নিৰাপত্তাৰ স্বাৰ্থত শীঘ্ৰে এটি আৰক্ষী থানা বা আৰক্ষী চকী স্থাপন কৰিবলৈ আহ্বান জনায়। আজিৰ সংবাদ মেলত তামুলপুৰ আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক ৰাজু ৰাভা, বেতনা ডেফেলী আঞ্চলিক বাইখো উৎযাপন সমিতিৰ সম্পাদক চানুধৰ ৰাভা প্ৰমুখ্যে ৰাভা ছাত্ৰ সন্থাৰ বহুসংখ্যক বিষয়ববীয়া উপস্থিত থাকে।

# কাকামাৰী প্ৰাঃ বিঃৰ প্ৰধান শিক্ষক চিন্তামনি ৰায়ৰ অকাল বিয়োগ

লোকাৰণ্য পৰিৱেশত শেককৃত সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছালাকাটি, ১৮ জুন ঃ** কোকৰাঝাৰ জিলাৰ তিতাগুৰী শিক্ষা খণ্ডৰ অন্তৰ্গত কাকোৰমাৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক চিন্তা মনি ৰায় যোৱা শেষ নিশা অকালতে শেষ নিশ্বাস ত্যাগ কৰে। জৰেগাঁও নিৱাসী প্ৰধান শিক্ষক গৰাকী ৰাতিপুৱা বিছনাৰ পৰা উঠি মুখ-হাত ধুই নিজৰ চাৰিচকীয়া বাহনখন লৈ বাহিৰলৈ ওলাই যায়। কিছু সময়ৰ অন্ততঃ ঘূৰি অহাৰ পিছত দেহা অসুস্থ অনুভৱ কৰি শুই দিয়ে। ক্ৰম্বানয়ে দেহৰ অসুবিধা বাঢ়ি যোৱাত উচপিছ বাঢ়ি যোৱাৰ লগতে বমি-পাতল পায়খানা হয়। আবেলি পৰিয়ালৰ লোকে বঙাইগাঁও চেইণ্ট আগষ্টিন হস্পিটালত ভৰ্তি কৰায়। কিন্তু অৱস্থা গুৰুতৰ দেখি অন্য চিকিৎসালয়ত লৈ যোৱাৰ পৰামৰ্শ আগবঢ়ায় চিকিৎসকে। লগে লগে লবাৰ আসাম হাস্পতালত ভৰ্তি কৰোৱা হয়। তাত লগে লগে চেলাইন দিয়াৰ অন্তত আই চি ইউত ভৰ্তি কৰায়। চিকিৎসাধীন অৱস্থাত নিশা দুইমান বজাত শেষ নিশ্বাস ত্যাগ কৰে উক্ত হাস্পতালখনত। ৰাতিপুৱাই জৰেগাঁৱস্থ নিজ ঘৰলৈ শৰদেহ অনাৰ পিছত অগণন আত্মীয়-কুটুম্ব আৰু গুণমুগ্ধৰ উপস্থিতিত পৰম্পৰাগত ৰীতি-নীতিৰে শেষ শ্ৰদ্ধা জ্ঞাপন কৰা হয়। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আঁত ধৰে অঞ্চলৰ বিশিষ্ট সমাজ কৰ্মী, ধৰ্মপ্ৰাণা ব্যক্তি ক্ষীৰেশ চন্দ্ৰ ৰায়ে। অনুষ্ঠানটিত প্ৰয়াত প্ৰধান শিক্ষক চিন্তা মনি ৰায়ৰ জীৱন আৰু কৰ্মৰাজিৰ ওপৰত বক্তব্য দাঙি ধৰে শিক্ষক বুদ্ধদেৱ শৰ্মা, কাকোৰমাৰী গাঁৱৰ বিশিষ্ট যুৱ সমাজ কৰ্মী প্ৰদীপ কুমাৰ ৰায় আৰু অসম চৰকাৰৰ স্বীকৃতি প্ৰাপ্ত সমাজকৰ্মী তথা অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক কান্তেশ্বৰ ৰায় আদি বিশিষ্ট ব্যক্তিসকলে। ইয়াৰ অন্ততঃ সাতবিন্দী ৰাজহুৱা শ্মশানত ক'ভিড প্ৰটকল মানি শেষকৃত সম্পন্ন কৰা হয়। ৫৩ বছৰ বয়সত মৃত্যু মুখত পৰা প্ৰধান শিক্ষকগৰাকী পত্নী, একমাত্ৰ কণ্যা আৰু জোৱাইৰ উপৰি দুজন ভাই-ককাই আৰু দুগৰাকী বাই-ভনীসহ বহুতো আত্মীয়-কুটুম্ব আৰু গুণমুগ্ধক এৰি থৈ যায়।

# বিশ্বনাথ জিলাত ১০৩৭৩৮ গৰাকী ব্যক্তিক ক'ভিডৰ টিকা প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিশ্বনাথঘাট, ১৮ জুন ঃ** ক'ভিড মহামাৰীৰ সৈতে যুঁজ কৰা আগশাৰীৰ কৰ্মীসকল আৰু কোভিড ১৯ত সহজে আক্ৰান্ত হ'ব পৰা ব্যক্তিসকলক টিকাকৰণৰ ক্ষেত্ৰত যাতে প্ৰাধান্য দিয়া হয় সেইটো সুনিশ্চিত কৰিবৰ বাবে বিশ্বনাথ জিলা প্ৰশাসনে টিকাকৰণ প্ৰক্ৰিয়া ক্ষিপ্ৰ কৰি তুলিছে আৰু তেওঁলোকৰ বাবে নিয়মীয়া টিকাকৰণ শিবিৰৰ আয়োজন কৰি আহিছে। সকলো স্বাস্থ্যকৰ্মী আৰু আৰক্ষীৰ লোকসকলক টিকাকৰণ প্ৰদান সম্পূৰ্ণ কৰাৰ পাছত বৰ্তমান প্ৰশাসনে জেষ্ঠ্য নাগৰিক, অংগনৱাড়ী কৰ্মী, অংগনৱাড়ী সহায়িকা, দিব্যাংগ ব্যক্তি, চাহ বাগিচাৰ কৰ্মী, পেট্ৰোল পাম্পৰ কৰ্মচাৰী, ঔষধালয়ৰ কৰ্মচাৰী, ই-বাণিজ্যৰ সৈতে জড়িত কৰ্মচাৰী, গেছ এজেন্সীৰ কৰ্মচাৰী আদিক টিকাকৰণ কৰাৰ ক্ষেত্ৰত বিশেষ প্ৰাধান্য দিছে। শেহতীয়াকৈ, জিলা উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মাৰ ব্যক্তিগত তত্ত্বাৱধাণত কাৰাগাৰৰ কয়দী আৰু বৃদ্ধাশ্ৰমৰ বাসিন্দাসকলৰ বাবে টিকাকৰণ শিবিৰৰ আয়োজন কৰা হয়। তদুপৰি, বয়সস্থ লোক আৰু গুৰুতৰভাৱে ৰোগাক্ৰান্তলোকক নিজাগৃহতে যাতে টিকাকৰণৰ ব্যৱস্থা কৰিব পৰা যায়, তাৰ বাবে জিলা প্ৰশাসনে ভ্ৰাম্যমাণ টিকাকৰণৰ ব্যৱস্থা কৰিবৰ বাবে পৰিকল্পনা কৰি আছে। ক'ভিড ৰোগাক্ৰান্ত এলেকাসমূহত 'ঘৰৰ ওচৰৰ প্ৰতিষেধক কেন্দ্ৰ' স্থাপনৰ বাবেও আঁচনি যুগুতোৱা হৈছে। অতিৰিক্ত উপায়ুক্ত তথা টিকাকৰণৰ ভাৰপ্ৰাপ্ত বিষয়া ড° সুৰ্য কমল বৰাই প্ৰকাশ কৰা মতে জনসাধাৰণৰ সৈতে প্ৰত্যক্ষ সংস্পৰ্শলৈ অহা লোকসকলক টিকাকৰণৰ ক্ষেত্ৰত প্ৰাধাণ্য দিয়াৰ ব্যৱস্থা কৰা হৈছে। 'এই লোকসকলৰ বাবে টিকাকৰণ কেন্দ্ৰলৈ গৈ টিকাগ্ৰহণ কৰাটো সম্ভৱ নহ'ব পাৰে, সেয়েহে তেওঁলোকৰ বাবে বিশেষ টিকাকৰণ অভিযান চলোৱা হৈছে য'ত গৈ টিকা লোৱাটো তেওঁলোকৰ বাবে বাধ্যতামূলক কৰা হৈছে', বৰাই প্ৰকাশ কৰে। তেওঁ লগতে জনায় যে গৃহহীন ব্যক্তি, শিশু যতন কেন্দ্ৰৰ কৰ্মী আৰু ক'ভিড ৰোগাক্ৰান্ত এলেকাসমূহৰ আশে-পাশে থকা লোকক প্ৰতিষেধকৰ ক্ষেত্ৰত প্ৰাধাণ্য দিয়া হৈছে। সহকাৰী আয়ুক্ত কঙ্কণা শইকীয়াই প্ৰকাশ কৰা মতে, জিলাখনত বৰ্তমানলৈকে ১,০৩,৭৩৮ জন লোকক কোভিডৰ টিকা প্ৰদান কৰা হৈছে। ইয়াৰে ভিতৰত, ষাঠিৰ উৰ্দ্ধৰ ব্যক্তিক ১৭,৯৮৮ পালি টিকা, ৪৫ৰ পৰা ৬০ বছৰ বয়সৰ লোকক ৪৪,৫৭৩ পালি টিকা আৰু ১৮ৰ পৰা ৪৪ বছৰ বয়সৰ লোকক ২২,৫৫৭ পালি টিকা দিয়া হৈছে। ইয়াৰ উপৰিও সাতটা সংহত শিশু উন্নয়ন সেৱা খণ্ড চিনাক্ত কৰা হৈছে য'ত কেৱল অংগনৱাড়ী কৰ্মী আৰু সহায়িকাক টিকাপ্ৰদান কৰা হৈছে। জিলা প্ৰশাসনে মোবাইল ফোনৰ জৰিয়তে কোভা'নি টিকাৰ দ্বিতীয় পালি ল'বলগীয়া সকললৈ বাৰ্তা প্ৰেৰণ কৰি খবৰ দিয়াৰো ব্যৱস্থা কৰিছে। বৰাই প্ৰকাশ কৰে যে দুই এদিনতে সকলো হিতাধিকাৰীকে কোভাক্সিন দ্বিতীয় পালি প্ৰতিষেধক প্ৰদানৰ কাৰ্যাসূচী সম্পূৰ্ণ কৰা হ'ব।

মেৰামতিৰ দাবীত পথত ভূই ৰুই অসম মিঞা (অসমীয়া) পৰিষদৰ উত্তাল প্ৰতিবাদ

# ডেকাচাংত বিধ্বস্ত পকী পথে যমৰ যাতনা ভোগাইছে সৰ্বসাধাৰণ ৰাইজক

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ১৮ জুন ঃ** কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত নতুন কাঠমীৰ পৰা ডেকাচাঙলৈ যোৱা বিধ্বস্ত পকী পথে জলাকলা খোৱাইছে সৰ্বসাধাৰণ ৰাইজক। বিগত আঠ বছৰ ধৰি বিধ্বস্ত হৈ থকা পকী পথটো চৰকাৰ, বিভাগীয় কৰ্তৃপক্ষ, স্থানীয় জনপ্ৰতিনিধিয়ে পুনৰ মেৰামতিৰ বাবে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰাৰ ফলত সম্প্ৰতি পথটোত ডাঙৰ ডাঙৰ দ গাত, পুখুৰী সদৃশ হৈছে। পকী পথটোত গাড়ী মটৰ দূৰৰ কথা সাধাৰণ পথচাৰী সকলে খোজ কাঢ়ি যাব নোৱাৰে। যাৰ পৰিপেক্ষিতত আজি অসম-মিঞা (অসমীয়া) পৰিষদৰ কৰ্মকৰ্তাসকলে অঞ্চলটোৰ ৰাইজৰ সহযোগত পকী পথটোৰ পুনৰ মেৰামতিৰ দাবীত পকী পথটোত ভূই ৰুই তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে





প্ৰতিবাদীকাৰীসকলে হাতে হাতে প্লেকাৰ্ড লৈ বিধ্বস্ত পকী পথ পুনৰ মেৰামতি কৰক, অসম চৰকাৰ হায় হায়, গড়কাপ্তানী বিভাগ হায় হায়, স্থানীয় জনপ্ৰতিনিধি হায় হায়, আমাৰ দাবী ন্যায্য দাবী আদি প্ৰতিবাদী ধ্বনিৰে পৰিৱেশ উত্তাল কৰি তোলে। উল্লেখ্য যে চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষকৰ লগতে স্থানীয় বিধায়িকা নন্দিতা দাসক পথটোৰ পুনৰ মেৰামতি বাবে একাধিক বাৰ আবেদন নিবেদন কৰা হৈছে যদিও পকী পথটোৰ পুনৰ মেৰামতিৰ বাবে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নাইবুলি অসম মিঞা (অসমীয়া) পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক এম মুক্তাৰ মণ্ডলে এই প্ৰতিবাদী কাৰ্যসূচীত অংশ গ্ৰহণ কৰি সাংবাদিকৰ এক সাক্ষাৎকাৰত অভিযোগ উত্থাপন কৰে। ইপিনে প্ৰতিবাদকাৰী সকলে অচিৰেই বিধ্বস্ত পকী পথটোৰ পুনৰ মেৰামতি কৰিবলৈ চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষক দাবী জনায়।

# নৱপ্ৰজন্মৰ কণ্ঠশিল্পী অসীম ৰঞ্জনৰ গীতৰ তালে তালে নাচিলে দক্ষিণ আফ্ৰিকাৰ দুই যুৱকে



**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ১৮ জুন ঃ** সমগ্ৰ ৰাজ্য মহামাৰী ক'ৰনাৰ গ্ৰাসত পৰাৰ সময়ত সাধাৰণ জনতাৰ সমান্তৰালভাৱে শিল্পীসকলৰ জীৱনলৈ নামি আহিছে অন্ধকাৰ। তাৰ মাজতেই যুৱপ্ৰজন্মৰ সংগীত শিল্পী অসীম ৰঞ্জনৰ এটি গানে বেছ চৰ্চা লাভ কৰিছে। পাতি ৰাভাসকলৰ ভাষাত এগৰাকী যুৱতীৰ বৰ্ণনাৰে কবি বিৰিঞ্চি ৰাভাই ৰচনা কৰা গীতটি কণ্ঠদান কৰিছিল উদীয়মান কণ্ঠশিল্পী অসীম ৰঞ্জনে। যোৱা জানুৱাৰী মাহত অসম মেঘালয় সীমান্তৱৰ্তী চানডুবিৰ বাকৰিত ৰাইজৰ বাবে মুকলি কৰি দিয়া গীতটিয়ে সুদূৰ দক্ষিণ আফ্ৰিকাৰ দৰে দেশ এখনত চৰ্চিত হৈছে। আফ্ৰিকান লোকে উক্ত গীতৰ তালে তালে নৃত্যত মতলীয়া হৈ পৰাৰ দৃশ্য কেমেৰাত বন্দি কৰি এৰি দিছিল সামাজিক মাধ্যম CLIN CLASSIC নামৰ পেজ এটিত। ইয়াৰ পিছতেই চাৰিওফালে গীতৰ তালে তালে নৃত্য কৰা আফ্ৰিকান দুই যুৱকৰ ভিডিঅ' ৰাজ্যত প্ৰচাৰ হোৱাত উৎফুল্ল হৈ পৰিছে কণ্ঠশিল্পী অসীম ৰঞ্জনে। এই সন্দৰ্ভত কণ্ঠশিল্পী গৰাকীয়ে জানিবলৈ দিয়ে যে, যিকোনো শিল্পীয়ে কণ্ঠদান কৰা গীতত বহিঃ ৰাজ্যত এনেদৰে সমাদৰ লাভ কৰা বিষয়টো সচাকৈয়ে আনন্দৰ বিষয়। দেশ তথা ৰাজ্যত এনে দুৰ্যোগৰ সময়তো এনে ধৰণৰ খবৰে বৰুকৈয়ে উৎসাহিত কৰা বুলি মন্তব্য কৰে কণ্ঠশিল্পী অসীম ৰঞ্জনে। লগতে কণ্ঠদান কৰা পাতি ৰাভাৰ "জেৰা এগো দেখা পালো চুলি জেল জেল" গীতটিৰ দুফাকি পৰিৱেশন কৰি 'জেৰা' এগৰাকী ছোৱালী আৰু এই ছোৱালী গৰাকীকলৈয়ে ৰোমান্তিক গীতটিত পৰিস্ফূত হৈছে বুলি প্ৰকাশ কৰে কণ্ঠশিল্পী অসীমে। উল্লেখ্য যে, দক্ষিণ কামৰূপৰ ছয়গাঁও সমষ্টিৰ উদীয়মান কণ্ঠশিল্পী অসীম ৰঞ্জনে বৰ্তমানলৈ প্ৰায় ২০০ টি গীত নিজস্ব কণ্ঠত পৰিৱেশন কৰি ৰাইজৰ মাজত মুকলি কৰিছে। ছয়গাঁও নিবাসী যদিও বহুদিন ধৰি পলাশবাৰী সমষ্টিৰ মিৰ্জাত ভাড়াঘৰত সংগীতৰ চৰ্চা কৰি থকাৰ লগতে নিজা প্ৰচেষ্টাত 'মা' নামৰ ষ্টুডিঅ' এটি খুলি সংগীত চৰ্চা কৰি আছে। আনহাতে অহা ২০ জুনত 'ৰাভা দিৱস'ত কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ ওপৰত নিজেই ৰচনা কৰা গীত এটিত কণ্ঠ নিগৰাই ৰাইজৰ মাজত মুক্তি দিয়াৰ চিন্তা চৰ্চা কৰাৰ লগতে গীতটিৰ যাৱতীয় কাম প্ৰায় সম্পূৰ্ণ হৈ উঠা বুলি জানিবলৈ দিয়ে কণ্ঠশিল্পী অসীম ৰঞ্জনে।

## সূৰ্যোদয় প্ৰকাশনৰ উদ্যোগত অসম ভিত্তিত আয়োজিত কবিতা প্ৰতিযোগিতাৰ ফলাফল ঘোষণা

**দৈনন্দিন বাৰ্তাৰ সেৱা, জামুগুৰিহাট, ১৮ জুন ঃ** শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ সূৰ্যোদয় প্ৰকাশনে অসম ভিত্তিত আয়োজন কৰা 'দীপালী নাথ সোঁৱৰণী' কবিতা প্ৰতিযোগিতাৰ ফলাফলসমূহ আজি ঘোষণা কৰিছে। ফলাফল অনুসৰি প্ৰথম স্থান অধিকাৰ কৰিছে নলবাৰীৰ উপাসনা কাকতীয়ে (কবিতা- "জন্মদিন")। দ্বিতীয় স্থান যুটীয়া ভাবে লাভ কৰে ধলাইবিল (জামুগুৰিহাট)ৰ কুমাৰ মৃদুল বৰুৱা (কবিতা-'ইণ্টাৰভিউ) আৰু তেজপুৰৰ অলকা বৰাই (কবিতা- 'তোমাৰ দুখবোৰ মোৰ হওক')। তৃতীয় স্থান যুটীয়াভাৱে বিশ্বনাথ চাৰিআলিৰ মাতু হাজৰিকা (কবিতা-'মৰ চেওঁৰা') আৰু জামুগুৰিহাটৰ জোনমনি দেবীয়ে (কবিতা-'পৰিক্ৰমা')। ঠিক একেদৰে চতুৰ্থ স্থান লাভ কৰে গুৱাহাটীৰ পিকুমনি দেৱীয়ে (কবিতা-'পানবজাৰৰ উকা আবেলিটো' আৰু পঞ্চম স্থান লাভ কৰে গুৱাহাটীৰ অঞ্জনা দত্তই (কবিতা -"তুমি")। প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা সকলো প্ৰতিযোগীলৈ সূৰ্যোদয় প্ৰকাশনৰ ফালৰ পৰা ধন্যবাদ জ্ঞাপন কৰিছে।

# কঠিয়াতলীত পথ দুৰ্ঘটনাত বিদ্যুৎ বিভাগৰ কৰ্মচাৰী নিহত

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৮ জুন ঃ** নগাঁও জিলাৰ কঠিয়াতলী চাৰিআলিত আজি দুপৰীয়া সংঘটিত এক পথ দুৰ্ঘটনাত মিণ্টু কৈৰী (৩৪) নামৰ এজন বিদ্যুৎ বিভাগৰ কৰ্মচাৰী ঘটনাস্থলীতে নিহত হয়। প্ৰাপ্ত খবৰ মতে, কৰ্মস্থলী হোজাই জিলাৰ শংকৰদেৱ নগৰৰ পৰা নগাঁও চহৰৰ শিৱনগৰৰ নিজ গৃহ অভিমুখে মটৰ চাইকেলে (এ এছ ০২ এম ৭৬০৩)ৰে আহি থকা অৱস্থাত কঠিয়াতলী চাৰিআলিত পিছপিনৰ পৰা অহা চি আৰ পি এফৰ এখন টেংকাৰ (ডব্লিউ বি ৩৯ - ৫৭৫৩) এ খুন্দা মৰাৰ ফলত দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনাত মিন্টু কৈৰী ঘটনাস্থলীতে নিহত হয়। ইপিনে দুৰ্ঘটনাটো সংঘটিত হোৱাৰ পিছত স্থানীয় একাংশ লোকে দুৰ্ঘটনাটো সংঘটিত কৰা টেংকাৰখন আগচি ধৰি এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। চি আৰ পি এফৰ টেংকাৰখনৰ গতিবেগ বেছি হোৱাৰ বাবেই দুৰ্ঘটনাটো সংঘটিত হোৱা বুলি স্থানীয় লোকে অভিযোগ কৰে। পাছত কঠিয়াতলীৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ লগতে দুৰ্ঘটনা সংঘটিত কৰা টেংকাৰখন জব্দ কৰে। আৰক্ষীয়ে দুৰ্ঘটনাত নিহত মিণ্টু কৈৰীৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও শ্বহীদ ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। নিৰ্জু আৰু আমায়িক স্বভাৱৰ যুৱক মিণ্টু কৈৰীৰ মৃত্যুত নগাঁও চহৰৰ শিৱনগৰ অঞ্চলত শোকৰ ছাঁ পৰে। মৃত্যুৰ সময়ত মিণ্টু কৈৰীয়ে পিতৃ, মাতৃ, এজন ভাতৃ এগৰাকী ভগ্নী সহ ভালেসংখ্যক আত্মীয়ক ইহ সংসাৰত এৰি থৈ যায়। উল্লেখ্য, পৰিয়ালৰ মূল উপাৰ্জনক্ষম যুৱকজনৰ আকস্মিক মৃত্যুত তেওঁৰ পৰিয়ালৰ সদস্যসকল অসহায় হৈ পৰে।

# ক'ভিডৰ বিৰুদ্ধে প্ৰথম শাৰীৰ যোদ্ধা চিকিৎসক-নাৰ্চ-চিকিৎসা কৰ্মীক সম্বৰ্ধনা জামুগুৰি ছাত্ৰ সন্থাৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, জামুগুৰিহাট, ১৮ জুন ঃ** কৰ'নাৰ বিৰুদ্ধে সন্মুখৰপৰা যুঁজ দি মানৱ জাতিক ৰক্ষা কৰিবৰ বাবে দিনে নিশাই কষ্ট স্বীকাৰ কৰা চিকিৎসক, নাৰ্চ, ১০৮ৰ কৰ্মচাৰী আৰু লেবৰটৰী টেকনিচিয়ানসকলক আজি সদৌ জামুগুৰি ছাত্ৰ সন্থাই সম্বৰ্ধনা জনায়। সদৌ জামুগুৰি ছাত্ৰ সন্থাই জামুগুৰিহাটৰ বাপুজী ভৱনত ক'ভিড বিৰোধী যুঁজখনত সন্মুখৰপৰা সেনানী হৈ যুঁজ দি দিনে নিশাই অহৰহ জনসাধাৰণক ক'ভিডৰ সংক্ৰমণৰ পৰা ৰক্ষা আৰু আক্ৰান্তসকলক আৰোগ্য লাভ কৰাৰ বাবে চেষ্টা চলোৱা তথা ক'ভিডৰ কালছোৱাত নিজৰ জীৱণকো তুচ্ছ জ্ঞান কৰি ৰাইজৰ সেৱাৰ বাবে ব্ৰতি হৈ থকা জামুগুৰি পৰিপূৰক স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসক ডাঃ হৰেণ শইকীয়া, ডাঃ বিষ্ণু কামান, স্বাস্থ্য পৰিদৰ্শীকা জোনালী ভূএগ, নাৰ্চ পূৰ্ণীমা দাস, পদ্মেশ্বৰী দাস, বাণী শইকীয়া, স্বাস্থ্যকৰ্মী জিতেন কলিতা, আশা ফেচিলেটৰ গীতা বৰুৱা, বহুমুখী কৰ্মী নয়নমণি দাস, আব্দুল লতিফ, প্ৰণৱ তালুকদাৰ, আনছুল হক চৌধুৰী, লেবৰেটৰী টেকনিচিয়ান প্ৰদীপ পাঠক, অন্যান্য চিকিৎসা কৰ্মী, ১০৮ৰ কৰ্মচাৰী সাগৰ শৰ্মা আৰু হেমন্ত বৰাকে ধৰি ক'ভিড যোদ্ধাসকলক একোখনকৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জনায়। শোণিতপুৰ জিলা ছাত্ৰ সন্থাৰ সভাপতি অভিজিৎ নাথৰ উপস্থিতিত সদৌ জামুগুৰি ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক উদ্দীপ্ত কাশ্যপ শৰ্মাই আঁত ধৰা অনুষ্ঠানটিত ছাত্ৰ সন্থাৰ সদস্যসকলে ক'ভিড প্ৰট'কল মানি বাপুজি ভৱনত ক'ভিডৰ যোদ্ধাসকলক উষ্ম সম্বৰ্ধনা জনায় সেৱা আৰু অনুপ্ৰেৰণা যোগাই। আনহাতে এনেবোৰ প্ৰেৰণাদায়ক কাৰ্যই জটিল সময়ত কাম কৰি যোৱাৰ দিশত অধিক সাহস আৰু মনোবল লাভ কৰাৰ লগতে ক'ভিডৰ দৰে মহামাৰীসদৃশ জটিল সময়ত ৰাইজৰ সেৱাত ব্ৰতি হ'বলৈ সুযোগ লাভ কৰাতোও নিজকে সৌভাগ্যবানৰ শাৰীত স্থান লাভ কৰা বুলিও মনৰ ভাৱ ব্যক্ত কৰে চিকিৎসক ডাঃ হৰেন শইকীয়াই। উল্লেখ্য যে অঞ্চলটোৰ প্ৰায় ৭০ গৰাকী চিকিৎসা কৰ্মীক ছাত্ৰ সন্থাৰ সদস্য সকলে চিকিৎসালয়সমূহলৈ গৈ তেওঁলোকৰ নিজা নিজা কৰ্তব্য স্থলিতে সম্বৰ্ধনা জনাই। ক'ভিড যোদ্ধাসকলক প্ৰেৰণা দিয়াৰ উদ্দেশ্যে আয়োজন কৰা অনুষ্ঠানটিত শোণিতপুৰ জিলা ছাত্ৰ সন্থাৰ ক্ৰীড়া সম্পাদক লক্ষ্যজ্যোতি হাজৰিকা, সদৌ জামুগুৰি ছাত্ৰ সন্থাৰ সভাপতি ধুৰ্যত গোস্বামী, তেজপুৰ মহকুমা ছাত্ৰ সন্থাৰ উপ-সভাপতি সমীৰণ বৰুৱা, সদৌ জামুগুৰি ছাত্ৰ সন্থাৰ উপদেষ্টা দেৱ দীপাংকৰ শইকীয়া, উপ-সভাপতি ক্ৰমে ভাৰত নাথ আৰু ৰিতুপৰ্ণা শৰ্মা, সাংস্কৃতিক সম্পাদিকা নিশিতা শৰ্মা, সহকাৰী সম্পাদক ক্ৰমে অঞ্জনজ্যোতি হাজৰিকা আৰু প্ৰীয়মজ্যোতি নাথ, কাৰ্যনিৰ্বাহক ৰাহুল ডেকা, বিত্ত সম্পাদক ৰবীন ৰাজবংশী, সাংগঠনিক সম্পাদক দেৱব্ৰত দাসকে ধৰি অন্যান্য সদসসকল উপস্থিত আছিল।

## নগাঁৱত অবৈধ কাঠফলা মিলসহ চোৰাং কাঠ জব্দ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৮ জুন ঃ** নগাঁও জিলা বনবিভাগৰ এটা অভিযানকাৰী দলে নগাঁও আৰু কাৰ্বি আংলং জিলাৰ সীমান্তৰ বকুলগুৰি পদুমনীত অভিযান চলাই আজি এটা অবৈধ কাঠফলা মিল জব্দ কৰাৰ লগতে বুজন পৰিমাণৰ চোৰাং কাঠ জব্দ কৰিবলৈ সক্ষম হয়। কামপুৰ বনাঞ্চলিক কাৰ্যালয়ৰ ভাৰপ্ৰাপ্ত বনাঞ্চলিক বিষয়া ৰাজেন শইকীয়াৰ নেতৃত্বত নগাঁও বন সুৰক্ষা বাহিনী, বৰপথাৰ উপ বন খণ্ডৰ বন কৰ্মী আৰু কামপুৰ আৰক্ষীৰ সহযোগত অভিযান চলাই অবৈধ কাঠফলা মিলটো জব্দ কৰাৰ লগতে চোৰাং কাঠখিনি জব্দ কৰিবলৈ সক্ষম হয়। এই অভিযানকাৰী দলটোৱে কালি সন্ধ্যা অভিযান চলাই জিলাখনৰ কচুবাৰ পৰা প্ৰয় ৭০ চি এম চোৰাং কাঠ জব্দ কৰিবলৈ সক্ষম হয়। কচুবাৰ চানখোলাৰ খাইৰুল ইছলামৰ ঘৰৰ চৌহদৰ পৰা এই কাঠখিনি জব্দ কৰিবলৈ সক্ষম হয়।

ক'ভিড মুক্ত কৰিবলৈ আমি সকলোৱে যুঁজ দিব লাগিব দত্ত

# বিহালী ৰাংছালীত ক'ভিড ভেকচিন কেন্দ্ৰ মুকলি বিধায়ক ৰঞ্জিত দত্তৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিশ্বনাথ চাৰিআলি, বিহালী, ১৮ জুন ঃ** শুকুৰবাৰে বিহালী সমষ্টিৰ ৰাংছালীত এটা ভেকচিন কেন্দ্ৰ শুভউদ্বোধন কৰে প্ৰাক্তন মন্ত্ৰী তথা বিহালী সমষ্টিৰ বিধায়ক ৰঞ্জিত দত্তই। RAISED নামৰ স্বেচ্ছাসেৱী সংগঠনৰ সহযোগত আৰু স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ উদ্যোগত বটিয়ামাৰী গাঁও পঞ্চায়ত, নিজ বিহালী গাঁও পঞ্চায়ত, আৰু ৰাংছালী গাঁওৰ ৰাইজৰ সহায় হোৱাকৈ স্থাপন কৰা ক'ভিড-১৯ৰ ভেকচিনেচন কেন্দ্ৰটিৰ শুভউদ্বোধন কৰি অঞ্চলসমূহৰ ক'ভিড পৰিস্থিতিৰও বুজ লয় বিধায়কগৰাকীয়ে। উল্লেখযোগ্য যে বিহালী কেইবাটাও ক'ভিড ভেকচিন কেন্দ্ৰ ভেকচিন দি থকা হৈছে যদিও বিশেষকৈ ৰাংছালী বটিয়ামাৰী নিজবিহালী ৰাংছালী গাঁৱৰ লোকসকলৰ বাবে কিছু দূৰত্ব অধিক হোৱাত গাঁও কেইখনৰ বহু লোকে বৰ্তমানলৈকে ভেকচিন লব পৰা নাই যাৰ বাবে গাঁও কেইখন সুবিধা হোৱাকৈ বিধায়ক ৰঞ্জিত দত্ত নিৰ্দেশত এই ভেকচিন কেন্দ্ৰটো স্থাপন কৰে স্বাস্থ্য বিভাগে। ইফালে ৰঞ্জিত দত্তই কয় মোৰ উদ্দেশ্য এটাই বিহালী সমষ্টিৰ প্ৰতিজন লোক তেতিয়ালৈকে সুস্থ থাকিব তেতিয়ালৈকে মই সুখী হৈ থাকিম আমি বিহালী ক'ভিড মুক্ত কৰিব লাগিব আমি সকলোৱে ক'ভিড-১৯ বিৰুদ্ধে যুঁজ দিব লাগিব বুলি প্ৰকাশ কৰে। আনহাতে দত্তই কয় সকলোৱে ক'ভিড ভেকচিন ল'বলৈ আগবাঢ়ি আহক আৰু চৰকাৰ খনে যি ক'ভিড যুজঁ কৰিছে এই যুঁজখনত সহায় কৰিবলৈ আগবাঢ়ি আহক বুলি মন্তব্য কৰে।



কেন্দ্ৰটো শুভাৰম্ভনী অনুষ্ঠানত উপস্থিত থাকে বিহালী চিকিৎসালয়ৰ জ্যেষ্ঠ চিকিৎসক ডাঃ জে চি বে, বিশ্বনাথ জিলাৰ বিজেপি সভাপতি তথা ৰাজ্যিক পন্যাগাৰ নিগমৰ অধ্যক্ষ দিগন্ত ঘাটোৱাৰ, বিজেপি ৰাষ্ট্ৰীয় পৰিষদৰ সদস্য পৰেশ বৰকাকতি, বিহালী মণ্ডল সভাপতি লাচিত বৰা, নিজ বিহালী জিলা পৰিষদ সদস্যা দীপিকা ঢাকাল শৰ্মা, বটিয়ামাৰী গাঁও পঞ্চায়ত সভানেত্ৰী ফুলমণি দাস, নিজবিহালী গাঁও পঞ্চায়ত সভাপতি প্ৰেম চেত্ৰীকে ধৰি, পঞ্চায়ত সদস্য, আৰু আঞ্চলিক পঞ্চায়তৰ সদস্য-সদস্যা লগতে অঞ্চলটোৰ বিশিষ্ট ব্যক্তিসকল।

## প্ৰথম পৃষ্ঠাৰ পৰা—

## কংগ্ৰেছৰ পৰা হাতবন্ধনমুক্ত

সমষ্টিতে প্ৰতিদ্বন্দ্বিতা কৰি চাৰিবাৰকৈ বিধায়ক হ'বলৈ সক্ষম হোৱা ৰূপজ্যোতি কুৰ্মীয়ে হঠাৎ দল ত্যাগ কৰা ঘটনাই বৰ্তমান কংগ্ৰেছক কঁপাই তুলিছে। বিভিন্ন সময়ত বিভিন্ন স্থানত তথা বিধানসভা অধিৱেশন চলি থকা সময়তো বিভিন্ন সমস্যা উত্থাপন কৰি সততে সৰৱ হৈ উঠা ৰূপজ্যোতি কুৰ্মীয়ে শীঘ্ৰেই গেৰুৱা বসন পৰিধান কৰিব বুলি চৰ্চা লাভ কৰিছে। কংগ্ৰেছত এতিয়া কোনো নীতি-নিয়ম নাই, তদুপৰি কেৱল বকলিয়া হৈছেন বাবেই কংগ্ৰেছে বিগত বিধানসভা নিৰ্বাচনত এআইইউডিএফৰ সৈতে মিত্ৰতা কৰি প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল। যাৰ বাবে ফলাফলত দলে বৃহৎ ক্ষতিৰ সন্মুখীন হ'বলগীয়া হ'ল। তদুপৰি দলত এতিয়া নেতৃত্বৰ অভাৱ। এনে সময়ত দলৰ নেতৃত্বই দলৰ বিপৰ্যয়ৰ কাৰণ বিচাৰ-বিশ্লেষণ কৰাৰ প্ৰয়োজন আছিল যদিও নেতৃত্বৰ খোৱা-কামোৰাৰ ফলতহে দলে ৰাইজৰ আস্থা পুনৰ ঘূৰাই আনিবলৈ সক্ষম হ'ব পৰা ক্ষমতা এতিয়া আৰু নাই। এনে অভিযোগ তুলিয়েই দলৰ যিমান বেয়া পৰিস্থিতি আহিলেও মাতৃয়ে প্ৰতিনিধিত্ব কৰা দলটোক প্ৰতিশ্ৰুতি ৰখাৰ বাবে চলি থকা নেতাগৰাকীয়ে নিজৰ কথা আৰু নবধাৰ ক্ষেত্ৰত গুৰুত্ব নিদি ৰাইজৰ সমস্যা সমাধানৰ বিষয়টোৰে অধিক গুৰুত্ব দি দল ত্যাগ কৰা বুলি কয়। আজি বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ হাতত ৰূপজ্যোতি কুৰ্মীয়ে বিধায়ক পদ ত্যাগ কৰাৰ পত্ৰ দাখিল কৰে। বিশেষ সূত্ৰে লাভ কৰা তথ্য মতে ইতিমধ্যেই ৰূপজ্যোতি কুৰ্মীয়ে বিজেপিত যোগদান কৰিবলৈ প্ৰয়োজনীয় সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। সোমবাৰে লখিমপুৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত বিজেপিত ৰূপজ্যোতি কুৰ্মীয়ে যোগদান কৰিব। তেওঁৰ সৈতে আৰু বহুকেইগৰাকী নেতা-কৰ্মীয়েও যোগদান কৰিব বুলি প্ৰকাশ পাইছে। অন্যহাতে ৰূপজ্যোতি কুৰ্মীৰ কংগ্ৰেছ ত্যাগৰ সমান্তৰালকৈ আৰু দুগৰাকী বিধায়কে কংগ্ৰেছ ত্যাগ কৰি বিজেপিত যোগদান কৰিব বুলিও ৰাজনৈতিক মহলত বুবু বাবা চলিছে। ইয়াৰে এগৰাকী নাহৰণি অসমৰ আৰু আনগৰাকী বৰাক ভেলীৰ বুলি বিশেষ সূত্ৰৰ প্ৰকাশ। বিগত বিধানসভা নিৰ্বাচনত চাহ জনজাতিৰ একমাত্ৰ জয়ী প্ৰতিনিধি ৰূপজ্যোতি কুৰ্মীৰ কংগ্ৰেছ ত্যাগৰ দলৰ মজিয়াতেই উভয়মুখী প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। প্ৰাক্তন মন্ত্ৰী তথা বৰ্তমান নাওবৈচাৰ বিধায়ক ভৰত নৰহে কয়— ৰূপজ্যোতি কুৰ্মীৰ কংগ্ৰেছ ত্যাগ দলটোৰ বাবে বৃহৎ ক্ষতি। চাৰিবাৰৰ বিধায়ক কুৰ্মীৰ দল ত্যাগৰ কাৰণ পৰ্যালোচনা কংগ্ৰেছে কৰিব। ৰূপজ্যোতি কুৰ্মীৰ পদ ত্যাগৰ সিদ্ধান্তক দুৰ্ভাগ্যজনক আখ্যা দিয়ে দলৰ সভাপতি ৰিপুণ বৰাই। স্বামী ৰূপজ্যোতি কুৰ্মীয়ে দীৰ্ঘদিন ধৰি সেৱা আগবঢ়াই অহা মূল আধাৰ কংগ্ৰেছ দল ত্যাগ কৰা সম্পৰ্কত পত্নী মাঞ্জুৰীয়া বৰদলৈ কুৰ্মীয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়— এয়া বহুদিনৰ ঘটনা-পৰিঘটনাৰ পৰিণতি। কংগ্ৰেছত দলৰ বহু নেতাৰ প্ৰতি তেওঁ ক্ষুণ্ণ হৈ পৰিছিল। তেওঁ যিধৰণে কাম কৰিবলৈ বিচাৰিছিল দলৰ পৰা তেনে ধৰণৰ সুবিধা লাভ কৰা নাছিল। তেওঁ সদায় দলৰ কাৰণেই চিন্তা কৰি আছিল। তেওঁ ঘৰৰ পৰা ওলাই যাওঁতে যথেষ্ট আবেগিক হৈ পৰিছিল বুলি পত্নী মাঞ্জুৰীয়াই প্ৰকাশ কৰাৰ লগতে আশা প্ৰকাশ কৰি কয়— তেওঁ বিজেপিত যোগদান কৰিলে সেই দলত কাম কৰাৰ সুযোগ পাব। আনহাতে বিগত নিৰ্বাচনত কৃষক নেতা অখিল গগৈৰ মাতৃৰ পৰা আশীৰ্বাদ লোৱাৰ প্ৰসংগত কৃষক নেতা গগৈৰ মাতৃয়ে কয়— মই বহুত দুখ পাইছো, তাৰ ওপৰত মোৰ বিশ্বাস আছিল। সি মোৰ কনিষ্ঠ পুত্ৰ বুলি কৈ আশীৰ্বাদ লৈছিল। তদুপৰি প্ৰাক্তন মন্ত্ৰী নিলমনী সেন ডেকাই ৰূপজ্যোতি কুৰ্মীৰ দলত্যাগৰ সম্পৰ্কত অভিযোগ উত্থাপন কৰি কয়— ৰূপজ্যোতিয়ে ইমানদিনে দলৰ বিপৰীতে সুতীৰে কাম কৰি আছিল। তেওঁ গ'লে দলৰ কোনো ক্ষতি নহয়। প্ৰাক্তন মন্ত্ৰী ডেকাই ৰূপজ্যোতিয়ে দল ত্যাগ কৰাৰ বিষয়ে সভাপতি ৰিপুণ বৰা আৰু দেবব্ৰত শইকীয়াই ভালদৰে জানিও বুলিও প্ৰকাশ কৰে। বিৰোধী দলৰ দলপতি দেবব্ৰত শইকীয়াই ৰূপজ্যোতি কুৰ্মীক মৰমৰ ভাতৃ বুলি কৈ কয়— ৰূপজ্যোতিয়ে দলৰ পৰা যোৱাটোত দলৰ যথেষ্ট ক্ষতি হ'ব। তেওঁ কিয় গ'ল ক'ব পৰা নাই। অৱশ্যে ভাল ভাবিয়ে গৈছে। কিয় যাব বিচাৰিলে মইতো ৰখাব নোৱাৰো। কিছুদিন ধৈৰ্য্য ধৰাৰ প্ৰয়োজন আছিল। ভাল দিন নিশ্চয় আহিলহেঁতেন।

**মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ বিজেপি গমন— প্ৰতিক্ৰিয়া কলিয়াবৰৰ সাংসদ গৌৰৱ গগৈৰ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ ঃ** আজি পুৱা সাংসদ গৌৰৱ গগৈ দলীয় কামত কলিয়াবৰত উপস্থিত হৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে কংগ্ৰেছ দলৰ মৰিয়নিৰ নৱ-নিৰ্বাচিত বিধায়ক ৰূপজ্যোতি কুৰ্মী সম্পৰ্কে। সাংসদগৰাকীয়ে কয়— যদি বিধায়কগৰাকীৰ অভিযোগ আছিল, সেই অভিযোগ দলীয় মঞ্চতে সমাধান কৰিব পৰা গ'লহেঁতেন। এটা দলত থাকিলে দলীয় স্বাৰ্থকহে আগস্থান দিয়া উচিত। যদিহে কিবা ব্যক্তিগত স্বাৰ্থ থাকে তেতিয়া হ'লে ৰাজনীতি কৰা অনুচিত। ব্যক্তিগত স্বাৰ্থ সিদ্ধি কৰাৰ আন ভালেমান উপায় আছে। কংগ্ৰেছ দলৰ সক্ৰিয় নেতাৰূপে ৰূপজ্যোতি কুৰ্মীৰ কংগ্ৰেছ দলত এক সুকীয়া স্থান আছে। সেয়ে দলৰ জ্যেষ্ঠ নেতাৰ বিৰুদ্ধে বিভিন্ন সময়ত কৰা মন্তব্যৰ পাছতো দলীয় ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাছিল। মোৰ লগত ব্যক্তিগতভাৱে এই অভিযোগবোৰৰ বিষয়ে আলোচনা কৰিছিল যদিও কুৰ্মীয়ে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। এনে সিদ্ধান্তই দলটোক ক্ষতি নকৰে। বৰ্তমান অৱস্থাত কংগ্ৰেছ দলে যদি ৰাইজৰ সেৱা আগবঢ়াই যায়, দলত কোন আছে, কোন নাই সেইটো গুৰুত্বপূৰ্ণ নহয়। গতিকে, অনাগত দিনত পূৰ্বৰ দৰেই কংগ্ৰেছ দলক ৰাইজে আঁকোৱালি ল'ব।

## মেট্ৰিক আৰু উচ্চতৰ

ফলাফল নিৰ্ধাৰণ কৰিবৰ বাবে বৈঠকত সিদ্ধান্ত গ্ৰহণ কৰাৰ মৰ্মে কাইলৈ দুখন সমিতি গঠন কৰা হ'ব। ইয়াৰে এখন সমিতিয়ে মেট্ৰিক পৰীক্ষা আৰু আনখন সমিতিয়ে উচ্চতৰ মাধ্যমিকৰ পৰীক্ষাৰ বিষয়বোৰ তদাৰক কৰিব। গঠন কৰা সমিতি দুখনে এসপ্তাহৰ ভিতৰত দিব লাগিব মূল্যায়ণ ফৰ্মুলা। বিদ্যালয়ৰ আভ্যন্তৰণীৰ ফলাফলৰ ভিত্তিত মূল্যায়ণ কৰা হ'ব। আজিৰ বৈঠকত গ্ৰহণ কৰা সিদ্ধান্তমৰ্মে ৩১ জুলাইৰ ভিতৰত পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হ'ব।

## কাজিৰঙাত বনকৰ্মীয়ে গুলীয়াই হত্যা কৰিলে বনৰজা

এলেকাত এটা ঢেঁকীয়াপতীয়া বাঘে কিছুদিন ধৰি বিচৰণ কৰি থকাৰ কথা অঞ্চলবাসীয়ে বন বিভাগক জনাইছিল। বৃহস্পতিবাৰে দুপৰীয়া গাঁওখনৰ দেৱেন বৰা নামৰ লোকজনৰ এবাল দি থোৱা অৱস্থাত এটা পশুৰ নিধন কৰে ঢেঁকীয়াপতীয়া বাঘটোৱে। ঘটনা সন্দৰ্ভত বন বিভাগক খবৰ দিয়ে স্থানীয় লোকে। ইফালে, বনকৰ্মীৰ এটা দলে বাঘটো খেদি পঠোৱাৰ বাবে উক্ত স্থানত অৱস্থান কৰেহি। স্থানীয় ৰাইজে জনোৱাৰ অনুসৰি, বিয়লি ৪ মান বজাত বনকৰ্মীৰ দলটোৱে ১০-১২ ৰাউণ্ড গুলী ফুটাই বাঘটো খেদিবলৈ যত্ন কৰিছিল। ইফালে, আজি বনকৰ্মীৰ দলে জাপৰিপথাৰ গাঁৱৰ প্ৰাথমিক বিদ্যালয়খনৰ নাতি দূৰতে এঘৰ মানুহৰ বাৰীৰ সমীপৰ এটুকুৰা ফুটুকানি হাবিত মৃত ঢেঁকীয়াপতীয়া বাঘটো প্ৰত্যক্ষ কৰে। ঘটনাস্থলীত বন বিষয়া উপস্থিত হৈ ঘটনাৰ তদন্ত কৰাৰ লগতে মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰে। মৰণোত্তৰ পৰীক্ষাত বাঘটোৰ গাত আগদিনা বনকৰ্মীয়ে চলোৱা গুলীতে মৃত্যুমুখত পৰে বুলি স্পষ্ট হৈ পৰিছে। ইফালে, ৰাষ্ট্ৰীয় উদ্যানখনৰ গাতে লাগি থকা এলেকাটোত বিচৰণ কৰা বাঘটো পুনৰ অৰণ্যৰ মাজলৈ খেদি পঠোৱাৰ নামত ৰাষ্ট্ৰীয় সম্পদ এটাক বন বিভাগে এনেদৰে পোনপটীয়াকৈ গুলীয়াই হত্যা কৰাৰ প্ৰসংগটোৱে প্ৰকৃতিপ্ৰেমী ৰাইজৰ মাজত ব্যাপক চৰ্চা লাভ কৰিছে। বিষয়টো সন্দৰ্ভত বন বিভাগে তদন্তৰ নিৰ্দেশ দিছে বুলি জানিব পৰা গৈছে। মৰণোত্তৰ পৰীক্ষাৰ অন্তত ঢেঁকীয়াপতীয়া বাঘটোক জ্বলাই দিয়া হয়।

## বিহালীত বনৰীয়া হাতীৰ তাণ্ডৱ

গোহালি ঘৰ ভাঙি পেলায় হাতী জাকটোৱে। ইফালে কাষতে লাগি থকা দণ্ডধৰ দাসৰ প্ৰায় ১০ বিঘা মাটিত ৰুবলৈ থোৱা কঠীয়া খাই তহিলং কৰাৰ লগতে গোহালি ঘৰটো ভাঙি নষ্ট কৰে। আনহাতে, ৰৌমাৰী গাঁৱৰে নাৰায়ণ কাকতি নামৰ দৰিদ্ৰ লোকজনৰ ঘৰটো সম্পূৰ্ণকৈ ভাঙে হাতীৰ জাকটোৱে। ইফালে, এই হাতীৰ জাকটো অহাৰ কথা বৰগাং বনাঞ্চলিক বিষয়াগৰাকীক স্থানীয় লোকে বহুবাৰ টেলিফোন কৰিছিল যদিও কোনো ফোন নধৰিলে বুলি অভিযোগ কৰাৰ লগতে কোনো এজন বনকৰ্মী নাহিল হাতীৰ জাকটো খেদিবলৈ নিশা এই অভিযোগ ৰাইজৰ। ইফালে পুৱাই বিধায়ক ৰঞ্জিত দত্তৰ তৎপৰতাত বনৰীয়া হাতীৰ জাকটোৱে নষ্ট কৰা খবৰ পাই বটিয়ামাৰী গাঁও পঞ্চায়তৰ সভানেত্ৰী ফুলমণি দাস, নিজ বিহালী জিলা পৰিষদ সদস্যাকে ধৰি এটা পঞ্চায়ত প্ৰতিনিধিৰ দল প্ৰেৰণ কৰে ভুক্তভোগী পৰিয়ালৰ ওচৰলৈ। ইফালে বিধায়কগৰাকীৰ তৎপৰতা বৰগাং বন বিভাগৰ এটা দল যায় ভুক্তভোগী পৰিয়াল ওচৰলৈ। কিন্তু বৰগাং বন বিভাগৰ দলটোৱে যিদৰে অঞ্চলটোৰ ভুক্তভোগী পৰিয়াল ওচৰলৈ যাব লাগিছিল সেইদৰে নোযোৱাৰ অভিযোগ উঠিছে।



## প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ গ'ল

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে দিল্লীলৈ গৈছে। গেৰুৱা দলটোৱে প্ৰথমবাৰৰ বাবে শাসনভাৰ লোৱাৰ পিছত প্ৰধানমন্ত্ৰীৰ দায়িত্ব লোৱা নৰেন্দ্ৰ মোদীয়ে তেওঁৰ মন্ত্ৰীসভাত উত্তৰ পূবৰ শক্তিশালী নেতা সৰ্বানন্দ সোণোৱালক গুৰুত্বপূৰ্ণ দায়িত্ব অৰ্পণ কৰিছিল যদিও ৰাজ্যত দলক নেতৃত্ব দিবৰ বাবে পুনৰ অসমলৈ সৰ্বানন্দ সোণোৱালক প্ৰেৰণ কৰিছিল। সেই সূত্ৰেই সৰ্বানন্দ সোণোৱালে আস্থা অটুট ৰাখি প্ৰথমবাৰৰ বাবে অসমত বিজেপি চৰকাৰ গঠন কৰোৱাইছিল। তেওঁ সুচাৰুৰূপে পাঁচ বছৰৰ এঠা কাৰ্যকাল সম্পূৰ্ণ কৰিছিল। এইবাৰ বিধানসভাৰ নিৰ্বাচনতো দলে অভূতপূৰ্ব ফলাফল লাভ কৰাৰ পিছতো হিমন্ত বিশ্ব শৰ্মাক মুখ্যমন্ত্ৰীৰ দায়িত্ব অৰ্পণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ মন্ত্ৰীসভাত সৰ্বানন্দ সোণোৱালক সোণৰ স্থান দিব বুলি ৰাজনৈতিক মহলত আলোচনা চলিছিল। এনে আলোচনা ভুল প্ৰমাণিত নহ'ব পাৰে— কাৰণ, আজি ততাতৈয়াকৈ দুপৰীয়া প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ৰাজধানী দিল্লীলৈ ৰাওনা হোৱাটোৱেই ইয়াৰ প্ৰমাণ হ'ব পাৰে।

# শোণিতপুৰত জ্যেষ্ঠ কংগ্ৰেছী উৎপল নন্দীৰ দল ত্যাগ

## জিলাখনত কম সময়ৰ ভিতৰত কংগ্ৰেছ শূন্য হৈ পৰিব

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১৮ জুন ঃ** ৰাজ্যত এতিয়া কংগ্ৰেছৰ নেতৃত্বৰ ইজনৰ পিছত সিজনকৈ দল ত্যাগ কৰা ঘটনাই ব্যাপক চৰ্চা চলি থকাৰ সময়তে ঢেকীয়াজুলি তথা শোণিতপুৰ জিলাখনৰেই জ্যেষ্ঠ কংগ্ৰেছী নেতা উৎপল নন্দীয়ে দল ত্যাগ কৰিব বুলি জানিব পৰা গৈছে। উল্লেখ্য যে, এসময়ৰ প্ৰাক্তন মন্ত্ৰী টংক বাহাদুৰ ৰায়ৰ অতি ঘনিষ্ঠ তথা ১৯৮০ চনত অসম যুৱ কংগ্ৰেছৰ সাধাৰণ সম্পাদক দায়িত্ব গ্ৰহণ কৰি অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সদস্য, শোণিতপুৰ জিলা কংগ্ৰেছৰ উপ-সভাপতি, ঢেকীয়াজুলি পৌৰ সভাৰ চাৰিবাৰকৈ পৌৰ সদস্যৰ উপৰি উপ-পৌৰপতিৰ দায়িত্ব বহন কৰা তথা সমাজকৰ্মীয়ে দলত্যাগ কৰি অন্য এটা ৰাষ্ট্ৰীয় দলত যোগদান কৰিব। জ্যেষ্ঠ কংগ্ৰেছী নেতাগৰাকীয়ে প্ৰকাশ কৰে যে, বৰ্তমান কংগ্ৰেছ দলটোৰ কোনো নীতি-আদৰ্শ নোহোৱা এটা দলত পৰিণত হৈছে। তলি ফুটা নাৱৰ লেখীয়া হৈছে। অসমত কংগ্ৰেছ দলটোৰ দায়িত্বত থকাসকলেও নিজ খেয়াল-খুচি মতে কাম কৰাৰ বাবে আজি এই অৱস্থাৰ সৃষ্টি হৈছে । তৃণমূল কৰ্মীসকলক বিশ্বাস নোলোৱাৰ বাবে এই অৱস্থা হৈছে। আমি দলৰ বেয়া অৱস্থাৰ পৰা দলটোৰ হৈ কাম কৰি আহিছিলো। এতিয়া দলটোত বহুত পাবত গজা নেতা ওলাল বুলি ক্ষোভেৰে প্ৰকাশ কৰে। শোণিতপুৰ জিলাৰ সভাপতি পৰমা কাকতিৰ নেতৃত্বত প্ৰায় আশী শতাংশ বিষয়ববীয়া তথা সদস্যই শীঘ্ৰে দলত্যাগ কৰি। ইফালে কংগ্ৰেছৰ জিলা সভাপতি পৰমা কাকতিয়ে কংগ্ৰেছৰ সভাপতিৰ লগতে সাধাৰণ সদস্য পদৰ পৰাও পদত্যাগ কৰে । উল্লেখ্য যে, দলটোৰ ভিতৰ চ'ৰাত চলি থকা অন্তঃকন্দলৰ বাবে আৰু নেতৃত্বৰ অভাৱৰ বাবেই ইজনৰ পিছত সিজনকৈ দল ত্যাগ কৰা ঘটনাই দলটোৰ ভিতৰ চ'ৰাত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। সেয়া যি কি নহওক কিয় কেইদিনমানৰ ভিতৰতে কংগ্ৰেছ শূন্য হৈ পৰিব যে সেইটো নিশ্চিত হৈ পৰিছে।

## দল ত্যাগ কৰা ৰূপজ্যোতি

কৰিব। কুৰ্মীয়ে দল ত্যাগ কৰাৰ লগে লগে দলৰ সভাপতি ৰিপুণ বৰাই কুৰ্মীয়ে প্ৰতিনিধিত্ব কৰা মৰিয়নী সমষ্টিবাসীৰ সৈতে আলোচনা কৰিবলৈ আৰু কুৰ্মীয়ে দল ত্যাগ কৰাৰ কাৰণ বিচাৰি উলিয়াবৰ বাবে প্ৰাক্তন বিধায়ক ৰাণা গোস্বামীৰ নেতৃত্বত তিনিজনীয়া এখন সমিতি গঠন কৰে। প্ৰাক্তন বিধায়ক ৰাণা গোস্বামীৰ নেতৃত্বত গঠন কৰা সমিতিখনত থকা আন দুগৰাকী সদস্য হ'ল বিধায়ক সুশান্ত বৰগোহাঁই আৰু মনোজ ধানোৱাৰ। আনহাতে গুৱাহাটী মহানগৰ সমিতিৰ সভাপতি ড° জুৰি শৰ্মা বৰদলৈয়ে আজি সংবাদমেল সম্বোধন কৰি কংগ্ৰেছ দল ত্যাগ কৰাৰ কথা ঘোষণা কৰে। কংগ্ৰেছ দলৰ নেতৃত্বৰ বিৰুদ্ধে বিস্ফোৰক অভিযোগ উত্থাপন কৰি জুৰি শৰ্মা বৰদলৈয়ে কয়— দীৰ্ঘদিন ধৰি দলৰ মজিয়াৰ পৰা ৰাইজৰ সেৱা কৰি আহিছিলো। তেতিয়া কংগ্ৰেছৰ প্ৰতিগৰাকী জ্যেষ্ঠ নেতাই আছিল ৰাইজৰ বাবে কাম কৰা মনোভাৱাপন্ন। কিন্তু এতিয়া দলত বাৰুকৈয়ে নেতৃত্বৰ অভাৱ ঘটিছে। এতিয়া দলত কোনো শৃংখলাবদ্ধতা নাই। যাৰ বাবে এইবাৰ বিধানসভাৰ নিৰ্বাচনত দলে পৰাজিত হ'বলগীয়া হ'ল। বিধানসভা নিৰ্বাচনৰ পূৰ্বে সাম্প্ৰদায়িক দল এআইইউডিএফৰ সৈতে মিত্ৰতা কৰাটোৱেই আছিল দলৰ সবাটোকৈ ভুল সিদ্ধান্ত। দলটোৱে খিলঞ্জীয়াৰ সপক্ষত নাই বুলি অভিযোগ তুলি জুৰি শৰ্মা বৰদলৈয়ে কংগ্ৰেছ দল ত্যাগ কৰিলো বুলি ঘোষণা কৰে। ৰূপজ্যোতি কুৰ্মীৰ পথ অনুসৰণ কৰিয়ে জুৰি শৰ্মা বৰদলৈয়ে শীঘ্ৰেই আন সতীৰ্থসকলৰ সৈতে বিজেপিত যোগদান কৰিব।

## লংকাত মাইক্ৰ'ফাইনেন্সৰ ঋণ মাফ কৰা নীতিক লৈ ক্ষোভ মহিলাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, লংকা, ১৮ জুন ঃ** নিৰ্বাচনৰ প্ৰচাৰত সভাত হিমন্ত বিশ্ব শৰ্মাই ৰাইজক প্ৰতিশ্ৰুতি দিছিল বিজেপি চৰকাৰ আহিলে যিসকল মহিলাই মাইক্ৰ'ফাইনেন্সৰ ঋণ লৈছে সেইসকলে পৰিশোধ কৰিব নালাগে ঋণ। এই ঋণ চৰকাৰে পৰিশোধ কৰিব। কিন্তু এই ঋণ পৰিশোধ কৰাক লৈ বৰ্তমান চৰকাৰে যি নতুন চৰ্ত বান্ধি দিছে এই লৈ ৰাজ্যজুৰি সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়া। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে আজি পিপল পুখুৰীৰ উদয়পুৰত শতাধিক মহিলাই ঋণ মাফ কৰা নীতিক লৈ উত্তাল প্ৰতিবাদী ধ্বনি দিয়া পৰিলক্ষিত হয়।

## পুৱাই মা কামাখ্যাৰ আশীৰ্বাদ

হাস্পতালখন ৰাজ্য চৰকাৰে ভাৰতীয় প্ৰতিৰক্ষা গৱেষণা সংস্থাৰ সহযোগিতাৰে অতি কম সময়ৰ ভিতৰতে নিৰ্মাণ কৰি উলিয়াইছে। পৰিদৰ্শনৰ পিছতে উক্ত স্থানত উপস্থিত থকা সাংবাদিকসকলক সম্বোধি কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয় যে এই হাস্পতালখনে ৰাজ্য চৰকাৰক ক'ভিড-১৯ ৰ বিৰুদ্ধে যুঁজ দিয়াৰ দিশত বিশেষভাৱে সহায় কৰিব। স্বাস্থ্যখণ্ডত ৰাজ্য চৰকাৰৰ ই এক বৃহৎ সফলতা বুলিও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়। উল্লেখযোগ্য যে ভাৰত চৰকাৰৰ প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থা (ডিআৰডিঅ')ৰ সহযোগত ২১.৪৬ কোটি টকাৰ প্ৰকল্প ব্যয়ৰে নিৰ্মাণ কৰি উলিওৱা নতুন ক'ভিড চিকিৎসালয়খন যোৱা ১০ জুন তাৰিখে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আনুষ্ঠানিকভাৱে উদ্বোধন কৰিছিল। আজিৰ এই পৰিদৰ্শনৰ সময়ত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীকে ধৰি স্বাস্থ্য বিভাগৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

# কৰ্মসংস্কৃতি হওক আমাৰ আন্দোলন, অসমীয়াগিৰি হওক

সময়ৰ লগে লগে জীৱন যুঁজৰ এই প্ৰক্ৰিয়াত কিন্তু 'স্বাৱলম্বী' এই শব্দটোৰ অৰ্থ আমাৰ বাবে সুকীয়া হৈ পৰিবলৈ ধৰিলে। গতিময় এই প্ৰক্ৰিয়াত, এটা সময়ত এই শব্দটোৱে ৰূপ লয় 'আত্মনিৰ্ভৰশীলতাৰ। ইয়াৰ লগতেই নিজক গঢ় দিয়াৰ career বনোৱা, টকা-পইচা উপাৰ্জন কৰি ঘৰৰ দায়িত্ব লোৱা আদি বিভিন্ন কথা-বতৰাত সংযোজিত হ'বলৈ আৰম্ভ হৈ পৰে। জীৱনটো যাপনৰ এক অঘোষিত যুদ্ধই এক নতুন ৰূপ লয় এইখিনিতেই। এই যুদ্ধত যিজন জয়ী হয় তেওঁ সুখী আৰু যিজনৰ পৰাজয় হয় তেওঁ মানসিকভাৱে হতাশগ্ৰস্ত এজন ব্যক্তিৰ ৰূপ লয়, যিজনক আমি নিবনুৱা বুলি ক'বলৈ আৰম্ভ কৰোঁ।

নিবনুৱা বৰ্তমান আমাৰ সমাজত সততে প্ৰচলিত হৈ থকা, হতাশাৰে পৰিপূৰ্ণ এটি শব্দ। ই এনে এক জ্বলন্ত সমস্যা, যিয়ে বৰ্তমান কাঠফুলাৰ দৰে আমাৰ সমাজখনক ছানি ধৰিবলৈ আৰম্ভ কৰিছে। ইয়াৰ বাবে দায়ী কোন? আমাৰ তথাকথিত শিক্ষা ব্যৱস্থা, সমাজ, চৰকাৰ নে আমাৰ প্ৰবল চাকৰিমুখী প্ৰৱণতা? মোৰ দৃষ্টিত কিন্তু নিবনুৱা সমস্যাৰ প্ৰধান কাৰণ হ'ল আমাৰ চাকৰিমুখী প্ৰৱণতা। অসমত ১৮ লাখতকৈয়ো অধিক শিক্ষিত নিবনুৱা যুৱক-যুৱতী আছে, যাৰ ভিতৰত দুই লাখতকৈও অধিক স্নাতক ডিগ্ৰীধাৰী আৰু কাৰিকৰী শিক্ষাৰে শিক্ষিত। কিন্তু আমি প্ৰত্যেকেই ডিগ্ৰী সমাপ্ত কৰাৰ লগে লগেই আৰম্ভ কৰি দিও চাকৰি বিচৰাৰ এক যাত্ৰা। চৰকাৰী কাৰ্যালয় হওক, বহুজাতিক প্ৰতিষ্ঠানেই হওক, মুঠতে য'তেই নহওক এটা চাকৰিৰ প্ৰয়োজন। ডিগ্ৰী সমাপ্ত কৰিয়েই যদি চাকৰি এটা যোগাৰ নহয়, সমাজখনে নিবনুৱা বুলি হাঁহিব, এই চিন্তাই যুৱক-যুৱতীসকলক অধিক মানসিক হেঁচা দিবলৈ আৰম্ভ কৰে। বয়োজ্যেষ্ঠজনেও ক'বলৈ আৰম্ভ কৰে চাকৰি এটা যোগাৰ কৰ সোনকালে, বিয়াবাৰু পাতি চেটেল হ'বৰ হ'ল। আমাৰ সমাজ ব্যৱস্থাত চেটেল শব্দটোৰ অৰ্থ পৰিসৰ ইমানেই। কিছুমান ভাগ্যশালী চেটেল হয়, কিছুমান আকৌ এই দৌৰত প্ৰায় পৰাজয়বৰণ কৰি হৈ পৰে নিবনুৱা। কিন্তু এটা চাকৰিয়েই আমাৰ সংস্থাপনৰ প্ৰধান সংজ্ঞা হ'ব পাৰে জানো? আমি কেতিয়াবা মন কৰিবলৈ অৱকাশ পাওঁনে আমাৰ সোণালী শস্যৰে পৰিপূৰ্ণ পথাৰখনলৈ, উমান ল'বলৈ যত্ন কৰোনে আম, কঁঠাল, জাম, লেতেকু তামোল-পাণেৰে ভৰি থকা বাৰীখনৰ উৰ্বৰা শক্তিৰ। সকলো দেখোঁ, আমি সকলো বুজো, কিন্তু আমি আমাৰ মনটোক সলনি কৰিব নোখোজো। মুঠতে যিকোনো প্ৰকাৰে এটা চাকৰিহে লাগে, চৰকাৰীয়েই হওক অথবা অসমৰ বাহিৰৰ কোনোবা বহুজাতিক প্ৰতিষ্ঠানতেই হওক। মিছা নকওঁ, মই অভিনেত্ৰী হোৱাৰ আগলৈকে মোৰ জীৱনৰ উদ্দেশ্যও চাকৰি এটাই আছিল। আনকি কিছু দিনৰ আগলৈকে এনেকুৱা চিন্তা মনলৈ আহিছিল। কিন্তু এটা সময়ত মই উপলব্ধি কৰিলোঁ যে আমাৰ চাৰিওফালে থকা সম্পদৰ সদ্ব্যৱহাৰ কৰি আমি নিজেই আত্মনিৰ্ভৰশীল হ'ব পাৰোঁ।

অসম আমাৰ ৰূপহী, গুণৰো নাই শেষ, ভাৰতৰে পূৰ্ব দিশৰ সূৰ্য উঠা দেশ- সেই তাহানিতেই ড° ভূপেন হাজৰিকাদেৱে কৈ যোৱা এই কথাষাৰৰ সাৰমৰ্ম আমি যদি আজিও বুজিব নোখোজা, তেনেহ'লে কিন্তু সঁচাকৈয়ে অসমীয়াৰ অস্তিত্ব সংকটাপন্ন। কৰ্ম-সংস্কৃতিৰ বাহিৰে আমাৰ এতিয়া কিন্তু অন্য কোনো গত্যন্তৰ নাই। অসমীয়াগিৰি ৰাস্তাত টায়াত জ্বলাই নহয়, অসমীয়াগিৰি দেখুৱাব লাগিব পথাৰখনত, আনে দখল কৰি থকা বজাৰখনত আৰু এয়া তেতিয়াহে সম্ভৱ হ'ব যেতিয়া আমি কাম কৰিবলৈ লাজ নকৰিম। পঢ়া-শুনা কৰি যদি খেতিয়েই কৰিব লাগে, মীন পালন অথবা শাক-পাচলিয়েই কৰিব লাগে, পঢ়িছিলো কিয়? এনে ধৰণৰ মানসিকতা যিদিনাই আমি অসমীয়াই পৰিহাৰ কৰিম, সেইদিনাৰ পৰাই নিবনুৱা সমস্যাক আমি নিজ হাতেৰেই মষিমূৰ কৰি আত্মনিৰ্ভৰ হ'বলৈ আৰম্ভ কৰিম।

এইক্ষেত্ৰত কিন্তু প্ৰধান অন্তৰায় হৈ পৰে আমাৰ বিভিন্ন দিশৰ অজ্ঞতা। কোনটো দিশত কেনেকৈ আগুৱাব লাগে, লাভৱান্বিত হ'ব লাগে নাইবা বজাৰখন দখল কৰিবলৈ কোনটো দিশ প্ৰচুৰ সম্ভাৱনাপূৰ্ণ, সেই বিষয়ে আমি প্ৰায়সংখ্যকেই নাজোনা অথবা জনাৰ আগ্ৰহ প্ৰকাশও নকৰো। আনকি বহু অসমীয়াই স্বনিৰ্ভৰশীলতাৰ বাবে চৰকাৰে প্ৰদান কৰা আঁচনিসমূহৰ বিষয়েও অজ্ঞ তথা ইয়াৰ লাভালাভসমূহ গ্ৰহণ কৰিব নাজোনা? হয়তো এইবোৰ কাৰণতেই অসমীয়াই আন্তঃৰাষ্ট্ৰীয় বজাৰ দখল কৰা দূৰৰে কথা, ঘৰৰ কাষৰ বজাৰখনকেই দখল কৰিব পৰা নাই। অৱশ্যে কিছুসংখ্যক অসমীয়া ইয়াৰ ব্যতিক্ৰম। যাৱতীয় সকলো জ্ঞানেৰে তেওঁলোক পৰিপুষ্ট হৈ, বৰ্তমান সেউজ আৰু উদ্যোগ বিপ্লৱৰ তেওঁলোক এক অংশ তথা আত্মনিৰ্ভৰশীল।

আজি কিছুদিনৰ আগলৈকে আমাৰ সম্ভাৱনাপূৰ্ণ বজাৰখনক লৈ ময়ো কিন্তু অজ্ঞয়েই আছিলো। প্ৰায় আজিৰ পৰা দুবছৰ আগতে IIE (Indian institute of intrepenurship গুৱাহাটীৰ পৰা আয়োজন কৰা WEDP (Women entreprenearship development programme)ৰ প্ৰশিক্ষণত মই ভাগ লৈছিলো। এই প্ৰশিক্ষণে মোৰ বিভিন্ন দিশৰ প্ৰতি থকা দৃষ্টিভংগীসমূহ সম্পূৰ্ণ সলনি কৰি তুলিছে। উদ্যোগীকৰণৰ জৰিয়তে আত্মনিৰ্ভৰশীল কেনেকৈ হ'ব পৰা যায়, এজন উদ্যোগপতিৰ সমাজ তথা চৰকাৰ এখনলৈ কিমান অৱদান থাকে, সেয়া অনুমান কৰিছিলো এই প্ৰশিক্ষণত। আমাৰ অসমত এনে বহুতো সুবিধাজনক দিশ আছে, যাৰ দ্বাৰা আমি প্ৰত্যেকেই আত্মনিৰ্ভৰশীল হ'ব পাৰিম। নৰ্থ-ইষ্টত প্ৰচুৰ পৰিমাণে উৎপন্ন হোৱা বাঁহ গছে অসমৰ বাহিৰত এখন বৃহৎ বজাৰ দখল কৰি আছে। বাঁহ-বেতেৰে তৈয়াৰী বিভিন্ন সু-সজ্জিত সামগ্ৰীসমূহৰ পৰা আৰম্ভ কৰি অসমৰ বাহিৰৰ ধূপ উদ্যোগসমূহতেও কিন্তু ধূপৰ কাঠি ভালৰ বাবে আমাৰ ওপৰতেই প্ৰায় নিৰ্ভৰশীল। তদুপৰি বৰ্নিহাটৰ (মেঘালয়) CBTC (cane & Bamboo technology centre) তেওঁ জীৱনৰ প্ৰথম দেখিছিলো বাঁহ গছৰ আঁহেৰে তৈয়াৰী টাৱেল। মধ্যপাটৰ উৎপাদন অসমত যথেষ্ট বেছি, কৃষকসকলে হৈ হ'বছে। আমি অসমীয়াই যদি উচিত প্ৰশিক্ষণেৰে এই দিশত আগবাঢ়ো, নিশ্চয় মধ্যপাটৰ বজাৰখন এদিন কেৱল অসমীয়াৰ হ'ব। তদুপৰি মধ্যপাটৰ পৰা তৈয়াৰী কাপোৰ সাজ হ'ব পাৰে এক নতুন চিন্তাধাৰাৰ উদ্ভাৱন। আনহাতে, অসমৰ ঘৰে ঘৰে থকা কলগছজোপাৰ পৰা যে কেৱল কল অথবা পচলাহে হয় তেনে নহয়, কলগছৰ আঁহৰ পৰা কিন্তু কাপোৰো তৈয়াৰ হয় আৰু এই কাপোৰে লাগে এক নতুন দিগন্ত সূচনা কৰি এখন বজাৰ দখল কৰিবলৈ আৰম্ভ কৰিছে। এইখিনিতে যদি মই অসমৰ পাট, মুগা, এৰীৰ নাম নহওঁ মোৰ লিখনিয়েই আধৰুৱা হৈ ৰ'ব। অসম তথা ভাৰতবৰ্ষতে নহয়, বিদেশতো পাট-মুগাৰ চাহিদা তথা সমাদৰ খুব বেছি। চৰকাৰেও এইক্ষেত্ৰত বিদেশৰ বিভিন্ন বাণিজ্য মেলাসমূহলৈ যাবলৈও কিন্তু যথেষ্ট সহায় আগবঢ়াই আহিছে যাতে অসমৰ পাট-মুগাই বিদেশতো এখন বজাৰ দখল কৰিব পাৰে। ইয়াৰ উপৰি আমি জাম-জেলি প্ৰস্তুত, ক্ষুদ্ৰ ধান কৰা মিল, মৌ-পালন, তথ্যমূলৰ খেতি, জৈৱিক কৃষি, ফুলৰ খেতি, পচন সাৰ তথা কেঁচুসাৰৰ প্ৰস্তুতি, আদা-হালধি খেতি আদিৰে আমাৰ জৰিয়তেও নিজক আত্মনিৰ্ভৰশীল কৰি তুলিব পাৰো। হাজাৰ হাজাৰ মাছ অসমলৈ আমদানি হয়, সেই চাহিদা আমি অসমীয়াই মীন পালন কৰি পূৰাব নোৱাৰোনে বাৰু, আমাৰ বজাৰখন আমিয়েই দখল কৰিব নোৱাৰোনে, গো-পালন কৰি আমি অসমীয়াই আমূলৰ দৰে এটা ব্ৰেণ্ড তৈয়াৰ কৰিব নোৱাৰোনে? আমি নিশ্চয় পাৰিম, আমাক লাগে কেৱল পৰিশ্ৰম কৰিব পৰা ক্ষমতা, বিজ্ঞানসন্মত কিছু জ্ঞান, পুৰণিৰ লগত নতুনৰ সংযোজন আৰু আত্মবিশ্বাস তথা স্বাভিমান। এনেদৰেই যদি আমাৰ মনটোক উদ্যোগীকৰণৰ দিশলৈ আগুৱাই লৈ যাব পাৰো তেতিয়া আমাৰ অসমীয়া ভাই-ভনীসকল অসমৰ বাহিৰলৈ গৈ কাম নকৰি, অসমতেই থাকি কাম কৰাৰ সুবিধা পাব। এক প্ৰকাৰ আমি ইজনে-সিজনক আৰ্থিকভাৱে স্বচ্ছল হোৱাত সহায় কৰিম। যিয়ে এটা জাতি, এখন সমাজ, এখন দেশ স্বচ্ছল হোৱাত সহায় কৰিব।

কৰ'না মহামাৰীৰ এই ভয়াবহতাৰ পৰিপ্ৰেক্ষিতত হাজাৰ হাজাৰ অসমীয়া যুৱক-যুৱতী অসমলৈ ঘূৰি আহিছে। তেওঁলোকৰ হাতত এতিয়া কোনো কৰ্মসংস্থাপন নাই, অৰ্থনৈতিকভাৱেও এতিয়া আমি দুৰ্বল। এইখিনি সমস্যাৰ সমাধান কিন্তু আমাৰ নিজৰ হাততেই আছে। কাম নাই বুলি হাত সাবটি বহি থকাতকৈ, এতিয়া আমাৰ হাতে-কামে লগাৰ সময়। আমাৰ অসম ভূমিয়ে কিন্তু আজিলৈকে কাকো লঘোণে থাকিবলৈ দিয়া নাই, তেনেহ'লে জীৱিকা বিচাৰি অসমৰ বাহিৰলৈ যাওঁনো কিয়? বহিৰাগত প্ৰতিষ্ঠান এটাক নিজৰ শ্ৰম প্ৰদান কৰাতকৈ, সেই শ্ৰম আমি আমাৰ পথাৰখনক, শাক-পাচলিৰ বাৰীখনক, পুখুৰীৰ মাছকেইটাক, তাঁতশালখনক দিব নোৱাৰোনে? শ্ৰম তথা সৰু-বৰ কাম কৰাৰ লাজ-সংকোচ পৰিহাৰ কৰিব পাৰিলেই আমি সেইখিনি কামকো নিজৰ হাতৰ মুঠিলৈ আনি আত্মনিৰ্ভৰশীল হ'ব পাৰিম, যি সমূহ কাম আজিও অন্য কিছু লোকৰ হাতৰ মুঠিত আছে। অসমীয়াই এতিয়া আৱেগেৰে নহয়, বিবেকেৰে আগবাঢ়িব লাগিব। স্বাভিমানেৰে আমাৰ কৰ্ম-সংস্কৃতিক আগুৱাই নিব পাৰিলেহে আমাৰ জাতিটো ৰক্ষা হ'ব, তেতিয়াহে আমি আমাৰ উত্তৰ পুৰুষলৈ এখন সুস্থ-সবল কৰ্মমুখী সমাজ এৰি থৈ যাব পাৰিম।

ড° ভূপেন হাজৰিকাদেৱে তেখেতৰ গীতৰ জৰিয়তেই কৈছিল— কথাৰে নহয় বন্ধু কামত পৰিচয়, জীৱন যুঁজত আছে সদা জয়-পৰাজয় — এই কথাষাৰক আখৰে আখৰে পালন কৰাৰ সময় আমাৰ এতিয়া আহি পৰিছে। কিয়নো ব্যক্তিগতভাৱে কৰ'না মহামাৰীৰ এই বিপৰ্যয়ৰ সময়ত আজি মই অনুভৱ কৰিছো যে অভিনয়ৰ লগতে জীৱন নিৰ্বাহৰ কাৰণে, উপৰত উল্লেখ কৰা কিছু দিশৰ ওপৰতো মনোনিৱেশ কৰাটো অত্যন্ত জৰুৰী আছিল। কিন্তু দ্বিতীয়বাৰ এইবাৰ কথাক লৈ পৰিতাপ কৰাৰ অৱকাশ মই আৰু নিজক কেতিয়াও নিদিওঁ। যিসমূহ কাম-কাজ, যিসমূহ পৰিকল্পনাক ভিত্তি কৰি আগবাঢ়িবলৈ ওলাইছো, সেয়া কিছু সম্পূৰ্ণ ধৰুৱা চিন্তা-চৰ্চাৰেই পৰিণতি। উদ্দেশ্য এটাই— স্বাভিমানেৰে কাম কৰিম, কাম কৰিবলৈ লাজ নকৰো আৰু কোনো ব্যক্তিৰ পুতৌৰ পাত্ৰ নহওঁ আৰু বৰ্তমানৰ ভয়াবহ পৰিস্থিতিয়েও সকলোকে কিছু এই কথাষাৰ ভাবিবলৈ বাধ্য কৰাইছে। অসমীয়া জাতিটো আৱেগিক বুলি সকলোৱে কয়। আজিৰ এই ক্ষণত এটাই ইচ্ছা, আমাৰ মনত লহপহকৈ বাঢ়িবলৈ লোৱা এই কৰ্মসংস্কৃতি চেতনা যেন কেৱল আৱেগতে উটি গৈ শেষ হৈ নাযায়। ই যেন অসমীয়া জাতিৰ চিৰপ্ৰৱহমান এক ধাৰাৰূপে পৰিচিত হৈ ৰয়। এইক্ষেত্ৰত কিন্তু চৰকাৰৰ সহযোগিতাৰ লগতে মধ্যভোগী ব্যৱস্থাৰ বিলুপ্তকৰণ এক শতাংশই নিশ্চিত কৰিব লাগিব। বিভাগীয় সা-সুবিধাসমূহ প্ৰদানৰ লগতে সজাগতামূলক সভা, কৰ্মী তথা উদ্যোগিক দিশত সকলো ব্যক্তিৰ কামকাজ, কথা বতৰা প্ৰচাৰ মাধ্যমত প্ৰকাশ কৰিও অসমীয়া যুৱক-যুৱতীসকলক এই দিশত আকৃষ্ট কৰিব পৰা যাব। ২০২০ চনত বহলভাৱে প্ৰচাৰিত শব্দ 'স্বজনপ্ৰীতি'য়ে কিন্তু এইক্ষেত্ৰত মোৰ দৃষ্টিভংগী নহয়। উদ্দেশ্য এটাই হ'ব লাগে— এজনে আনজনক সহায় কৰি আগুৱাই লৈ যোৱা আৰু জাতিটোক সবল কৰা। অৱশেষত কেৱল এটা কথাই কম— 'আত্মনিৰ্ভৰ'। আত্মনিৰ্ভৰশীল পৰিয়াল সুখী পৰিয়াল, সুখী পৰিয়াল সুখী ব্যক্তি, সুখী ব্যক্তি সুখী সমাজ, সুখী ৰাষ্ট্ৰ, সুখী ৰাষ্ট্ৰ সুখী বিশ্ব— এয়াই হওক আমাৰ সংকল্প।

# অক্সিজেন পাৰ্ক আৰু যোগ চৰ্চা কেন্দ্ৰৰ অন্যতম স্থান

বিগত পাঁচ বছৰ একেৰাহে পাঁচবাৰ অমৰনাথ যাত্ৰালৈ যোৱাৰ আগতে অনুশীলন হিচাপে পাহাৰটোৰ ৩.৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ ঠায়ে ঠায়ে থিয় এই পথছোৱা উপযুক্ত স্থান হিচাপে বাছি লৈছিলোঁ। জানিব পৰা মতে এই পথছোৱা মোৰ দৰে আন বহুতৰে প্ৰিয় এই ঠাই। অসমৰ আন বহুতো পৰ্বতাৰোহীৰ লগতে হিমালয়ৰ এভাৰেষ্ট আৰোহণ কৰা অসমৰ প্ৰথম পৰ্বতাৰোহী তৰুণ শইকীয়াই এই স্থানতে প্ৰাৰম্ভিক অনুশীলন কৰিছিল। এই পথছোৱাত খোজকঢ়াৰ অনুশীলন কৰিলে জম্মুৰ কাত্ৰা নগৰীত থকা বৈষ্ণদেৱী মন্দিৰৰ ১২ কিলোমিটাৰ (ভৈৰববাবা মন্দিৰলৈ যোৱা ২ কিলোমিটাৰ বাদ দি) পথ খোজকাঢ়ি যোৱাত অসুবিধা নহয় বুলি ক'ব পাৰি। সেই বাবেও বহু লোকে এই ট্ৰেক অনুশীলনৰ স্থান হিচাপে বাছি লয়। মই নিজেও বহুবাৰ বৈষ্ণদেৱী মন্দিৰ পদব্ৰজে যোৱাৰ পূৰ্বে প্ৰায়েই এই পথটোৰে খোজকাঢ়ি নিজৰ শাৰীৰিক ষ্টেমিনাৰ উমান লৈছিলোঁ। অত্যন্ত মনোমোহা আৰু অক্সিজেনৰ ভাণ্ডাৰ এই পাহাৰীয়া স্থান। এক সুন্দৰ পাহাৰীয়া ট্ৰেক। শেহতীয়াভাৱে এই ট্ৰেক আৰু অধিক চৰ্চিত হৈ পৰিছে প্ৰাণায়াম আৰু যোগ চৰ্চাৰ বাবে। আজিৰ তাৰিখত বহু লোক আহে এই স্থানত থকা সমমান শিলাখণ্ডসমূহত বহি প্ৰাণায়াম কৰা বা ধ্যানত বহাৰ বাবে। বহুতে আহে এক বাধ্যাটিত নান্দনিক পৰিৱেশত প্ৰকৃতিৰ কোলাত থাকি অক্সিজেন পান কৰিবলৈ। শেহতীয়া ক'ভিড-সৃষ্ট এই সময়ছোৱাত অসমত এনে কেতবোৰ স্থানত অক্সিজেন পাৰ্কৰ কথা ভবাৰো সময় আহি পৰিছে। উল্লিখিত পাহাৰীয়া পথৰ এই স্থান হ'ল মহানগৰীৰ বিবৰ্দ্ধি বেমেৰ তিনিআলিৰ কাষৰে প্ৰায় ৩ কিলোমিটাৰ পথ অতিক্ৰম কৰি বহু দূৰৰ পৰাই জিলিকি থকা টাৱাৰ অৰ্থাৎ অইলৰ পাৱাৰ প্লেটটোলৈ উঠি যোৱা পথছোৱা। মূল প্ৰৱেশ দ্বাৰৰ পৰা সু-উচ্চ টাৱাৰটোলৈ যোৱা ৩.৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ থিয় একা-বেঁকা এই পথছোৱাৰ জনপ্ৰিয়তাৰ আন এটা কাৰণ হ'ল— এই স্থানত অৱস্থিত বুঢ়া গোসাঁই থানখন। শেহতীয়াকৈ পথটোৰ প্ৰৱেশ স্থানত স্থাপন কৰা হৈছে বুঢ়াগোসাঁই থানলৈ যোৱা প্ৰৱেশ দ্বাৰ। কিছু দূৰ উঠি গ'লে প্ৰথমে পোৱা যায় প্ৰাচীন বুঢ়াগোসাঁই থান। প্ৰাচীন কালৰে পৰা প্ৰচলিত বিশ্বাস অনুযায়ী মূলতঃ মহাদেৱৰ পীঠ এই থানত ধূপ-চাকি দি সেৱা জনালে ভক্তৰ মনোকামনা পূৰণ হয়। ইয়াক লৈ বহু প্ৰবাদ অঞ্চলটোৰ লোকসকলৰ মাজত। প্ৰত্যেক বছৰৰ জুন-জুলাই মাহত এই থানত বাৰ্ষিক পূজা অনুষ্ঠিত কৰা হয় আৰু সেইদিনা এই থানত নিকটৱৰ্তী বহুত অঞ্চলৰ পৰা অহা অধিক ভক্তৰ সমাগম হয়। অৱশ্যে কৰ'না অতিমাৰীৰ বাবে বিগত বছৰত বছৰেকীয়া এই পূজা অনুষ্ঠিত নহ'ল। চলিত বছৰতো এই পৰ্যন্ত কোনো নিশ্চয়তা নাই। এই থানখনৰ পৰা প্ৰায় তিনি কিলোমিটাৰ পথছোৱাৰ অন্তত অৱস্থিত টাৱাৰটোৰ লগতে এই বুঢ়াগোসাঁই থানৰে অৰ্দ্ধবিখন আন এটা শিৱ মন্দিৰ পোৱা যায়। সম্ভৱতঃ মহানগৰীৰ সৰ্বোচ্চ উচ্চতাত থকা একমাত্ৰ শিৱ মন্দিৰ এইটো। প্ৰচলিত বিশ্বাস মতে এই শিৱ লিংগত ভক্তই পানী ঢালিলে সেই পানী আহি তল ভাগত থকা বুঢ়াগোসাঁই থানত থকা পানী যুৱলিত আহি পৰেহি। শিৱ মন্দিৰসহ পাহাৰটোৰ শিখৰত থকা এই স্থানৰ পৰা মহানগৰীৰ বহু স্থান দৃষ্টিগোচৰ হয়। হয়তো নীলাচল পাহাৰৰ পিছতেই মহানগৰীৰ সৰ্বোচ্চ এই পাহাৰৰ পৰাই বতৰ ফৰকাল দিনত সুদূৰ ভুটানৰ হিমালয় পৃষ্ঠত থকা শুকুলা বৰফৰ এক দীঘলীয়া আচ্ছাদন বিনিকি বিনিকি দেখিবলৈ পোৱা যায়। বিশেষকৈ ঠাণ্ডা দিনত দেখা যায় এই দৃশ্য। অৰ্থাৎ গুৱাহাটীৰ পৰা দৰ্শন কৰিব পাৰি হিমালয়ৰ পৃষ্ঠ স্থানৰ বৰফ আবৃত পৰ্বত অথবা শৃংগ। জানিব পৰা মতে পাহাৰৰ শিখৰত অৱস্থিত ঠিক ভঙাগড়ৰ টিভি টাৱাৰটোৰ দৰেই মহানগৰৰ বহু স্থানৰ পৰা প্ৰত্যক্ষ কৰা যায়। বিশেষকৈ নিশা ৰঙা লাইট এটা জ্বলি থকা এই টাৱাৰটো অইল ইণ্ডিয়া লিমিটেডে ১৯৬১ চনত কেতবোৰ কাৰিকৰী আৰু প্ৰতিৰক্ষা দিশৰ পৰা লক্ষ্য ৰাখি স্থাপন কৰিছিল। কৰ'না অতিমাৰীৰ পৰা পৰিত্ৰাণ পোৱাৰ বাবে মুকলি অক্সিজেন বিচাৰিয়েই হওক বা অংশিক লকডাউনৰ অৱসাদ দূৰ কৰাৰ বাবেই হওক শেহতীয়াকৈ এই স্থানলৈ বহু লোকে ট্ৰেকিং কৰিবলৈ অহাৰ উপৰি প্ৰাণায়াম বা যোগ চৰ্চা কৰিবলৈ অহাৰ বিপৰীতে বহু ব্যক্তি বা যুৱক-যুৱতীয়ে অৱসাদ বিনোদনৰ ছলেৰে এই পথছোৱাত মদ বা বিয়েৰ বা আন নিচাজাতীয় দ্ৰব্য খাই পাৰ্টি কৰাৰ লগতে পৰৱৰ্তী পৰ্যায়ত বিয়েৰ বটল বা খাদ্য আনোতে বা বনাওঁতে ব্যৱহৃত প্লাষ্টিক বা দিছ, গিলাছ তথা অৱশিষ্ট খোৱা খাদ্য সেই ঠাইতে এৰি গৈ থকা ভোৱাৰ বা পথছোৱাত কদৰ্যময় কৰি খোৱা দৃষ্টিগোচৰ হৈছে। সেই দৃশ্যই বিশেষকৈ প্ৰকৃতি প্ৰেমী যিকোনো লোকক দুখ দিয়াটো স্বাভাৱিক। ইয়াৰ বিপৰীতে সেই একেই পথছোৱাতে আকৌ অঞ্চলটোৰ গাঁওবাসীয়ে ফুল বা অন্যান্য গছ-গছনি ৰুই কদৰ্যময় পৰিৱেশ সৃষ্টি কৰা সেই যুৱক বা ব্যক্তিসকলক নীৰৱে ইয়াৰ এটা প্ৰত্যুত্তৰ দিব বিচৰা দেখা দিয়ে। নিকটৱৰ্তী গাঁওবাসীৰ বাবে এই স্থান সৰ্বসাধাৰণৰ। তেওঁলোকে এই স্থানক লৈ গৌৰৱ কৰে। মহানগৰীৰ বহু প্ৰান্তৰ বিপৰীতে ই এক পৃথক বা এবাৰ নোৱা অনুভূতিৰ স্থান। অঞ্চলটোৰ বহুসংখ্যক ব্যক্তি বা পৰিয়াল এই পাহাৰটোৰ ওপৰতেই নিৰ্ভৰশীল। বহুতে যদি খৰি-খেৰৰ বাবে, আন বহুতে আকৌ গোহালিৰ গৰুকেইটাৰ ঘাঁহ যোগান কৰে এই পাহাৰটোৰ পৰাই। অৱশ্যে এইক্ষেত্ৰত চৰকাৰেও ইচ্ছা কৰিলে এই স্থান এক পৰ্যটনস্থলীলৈ পৰিৱৰ্তন কৰিব পাৰে। ইয়াৰ বাবে প্ৰথমে প্ৰয়োজন পথছোৱাৰ মেৰামতি বা অন্যান্য ব্যৱস্থাৰ কথা ক'ব পৰা যায়। মাথোঁ গুৰুত্ব দিব লাগিব যাতে ই চাৰোকে কৰিবলৈ যাওঁতে প্ৰকৃতিৰ বিত্তৰ ক্ষতি-সাধন নহয়।

# ভেকচিন ল'লে ক'ভিডৰ পৰা ৯৪ শতাংশ সুৰক্ষাৰ সম্ভাৱনা

## চিকিৎসালয়ত ভৰ্তি হোৱাৰ হাৰ হ্ৰাস পায় ৮০ শতাংশ, দেশত এক লাখ ক'ভিড যোদ্ধা সাজু কৰাৰ প্ৰতিশ্ৰুতি প্ৰধানমন্ত্ৰীৰ



**নতুন দিল্লী, ১৮ জুন ঃ** দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শুভাৰম্ভ কৰিছে কমেও এক লাখ ক'ভিড যোদ্ধা স্থায়ীভাৱে গঢ়ি তোলাৰ এক জৰুৰী আঁচনি। সেই অনুসৰি কৌশলী আৰু অতি কৌশলী হিচাপে এইসকল ক'ভিড যোদ্ধাক উপযুক্ত প্ৰশিক্ষণ প্ৰদান কৰি প্ৰস্তুত কৰা হ'ব। চিকিৎসক, চিকিৎসালয় আৰু চিকিৎসা কৰ্মীৰ সৈতে দেশৰ বিভিন্ন স্থানত এইসকল ক'ভিড যোদ্ধা সহযোগী হিচাপে নিযুক্ত হ'ব আৰু কাম-কাজ সম্পন্ন কৰিব। সেয়েহে এক সংযোগী পাঠ্যক্ৰমৰ জৰিয়তে এক লাখ ক'ভিড যোদ্ধা সাজু কৰি তোলাৰ বাবে দেশৰ প্ৰধানমন্ত্ৰীয়ে চৰকাৰী পদক্ষেপৰ বিষয়ে সদৰী কৰিছে। সমান্তৰালভাৱে কেন্দ্ৰীয় চৰকাৰে শেহতীয়াকৈ প্ৰকাশ কৰা তথ্যই ভেকচিন গ্ৰহণৰ ফলত উপলব্ধ হোৱা সুৰক্ষাৰ নিশ্চতাৰ বিষয়ত এক ইতিবাচক তথ্যও সদৰী হৈছে। সেই অনুসৰি যিসকল লোকে ক'ভিড ভাইৰাছ প্ৰতিৰোধী ভেকচিন গ্ৰহণ কৰিছে তেওঁলোকে পৰৱৰ্তী সময়ত ভাইৰাছৰ দ্বাৰা সংক্ৰমিত হ'লেও ইয়াৰে ৯৪ শতাংশই সুৰক্ষিত হৈ থাকিবলৈ সক্ষম হ'ব। বৰ্তমান ভেকচিন গ্ৰহণ কৰা আৰু ইয়াৰ পিছত ভাইৰাছৰ দ্বাৰা সংক্ৰমিতসকলৰ তথ্য বিশ্লেষণ কৰি এই কথা প্ৰকাশ কৰা হৈছে। ভাৰতীয় চিকিৎসা গৱেষণা পৰিষদ চমুকৈ আই চি এম আৰৰ জৰিয়তে প্ৰকাশ কৰা এই ইতিবাচক তথ্যই ক'ভিড ভেকচিন সম্পৰ্কত দেশবাসীৰ দৃষ্টিভংগী সলনি কৰিবলৈ সক্ষম হ'ব বুলি আশা কৰা হৈছে। ইফালে ভেকচিন গ্ৰহণৰ পিছত এই ভাইৰাছৰ দ্বাৰা সংক্ৰমিত হ'লেও চিকিৎসালয়লৈ যোৱাৰ আৱশ্যকতা আশী শতাংশ হ্ৰাস পায়। কিয়নো ভেকচিন গ্ৰহণৰ পিছত সংক্ৰমিতৰ স্বাস্থ্য সাংঘাতিক জটিল পৰিস্থিতিলৈ অৱনমিত নহয়। অৱশ্যে দুই এক ব্যতিক্ৰম নথকা নহয় বুলি প্ৰকাশ কৰিছে। উল্লেখ্য যে দেশৰ প্ৰধানমন্ত্ৰীয়ে পুনৰবাৰ দোহাৰিছে যে অহা ২১ জুনৰ পৰা দেশৰ সকলো লোকে, যাৰ বয়স ১৮ বছৰৰ উৰ্ধৰ হৈছে, তেওঁলোকে বিনামূলীয়াকৈ ভেকচিন গ্ৰহণ কৰিব পাৰিব। সকলো ৰাজ্যলৈ পৰ্যাপ্ত পৰিমাণে ভেকচিন যোগান ধৰা হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে আশ্বস্ত কৰিছে। সম্প্ৰতি দেশত ২৬.৮৬ কোটিলৈকে ভেকচিন গ্ৰহণ কৰিছে আৰু এইক্ষেত্ৰত সৰ্বাধিক পৰিমাণে ভেকচিন গ্ৰহণ কৰা ৰাজ্য হিচাপে শীৰ্ষত আছে গোৱা কেন্দ্ৰীয় শাসিত প্ৰদেশখন। এইখন প্ৰদেশত ৰাজ্যখনৰ সৰ্বাধিক বাসিন্দাই ভেকচিন গ্ৰহণ কৰিবলৈ সক্ষম হৈছে। প্ৰদেশখনত মুঠ বাসিন্দা হ'ল ১৫.৯ লাখ। আৰু ইয়াৰে ৩৭.২৫ শতাংশ বাসিন্দাই কমেও এপালিকৈ ভেকচিন গ্ৰহণ কৰিছে। ইফালে বিশ্ব স্বাস্থ্য সংস্থাই অহা ২৩



জুনত প্ৰকাশ কৰিব লগা সংস্থাৰ দ্বাৰা অনুমোদিত ভেকচিনৰ তালিকাত ভাৰত বায়'টেকৰ দ্বাৰা উদ্ভাৱন কৰা আৰু উৎপাদন কৰা কোভাক্সিনৰ নামক অন্তৰ্ভুক্ত হ'ব বুলি আই চি এম আৰৰ তথ্যত প্ৰকাশ পাইছে। ইফালে কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে আজি পুৱা প্ৰকাশ কৰা নিয়মীয়া বুলেটিনত উল্লেখ কৰা অনীুসৰি বৃহস্পতিবাৰৰ দিনটোত দেশত ক'ভিড সংক্ৰমিতৰ সংখ্যা ৬২,৪৮০ জন হৈছে নতুনকৈ। দিনটোত মৃত্যু মুখত কপ্ৰিছে ১৫৮৭ জন। আনহাতে দিনটোত সক্ৰিয় সংককমিতৰ সংখ্যা ৭,৯৮,৬৫৬ জনলৈ হ্ৰাস পাইএছ। বিগতি ৭৩দিনৰ পিছত সংক্ৰমিতৰ সংখ্যা আঠ লাখৰ তললৈ নামিছে। এনেকৈয়ে যোৱা এপষেক ধৰি দেশত নতুনকৈ সংক্ৰমিতৰ হাৰ হ্ৰাস পাইছে আৰু মৃত্যুৰ সংখ্যাও ক্ৰমান্বয়ে কমি অহা দেখা গৈছে।



বলীউডৰ জনপ্ৰিয় অভিনেত্ৰী দিশা পাতানিৰ বিকিনি পৰিহিতা এই ছবি ব্যাপক ৰূপত ভাইৰেল হৈছে সামাজিক মাধ্যমত, বিভিন্নজনে তেওঁক ট্ৰ'ল কৰাও পৰিলক্ষিত হৈছে

### কানাডা চিকিৎসকৰ চৰকাৰী নিৰ্দেশনা

## প্ৰথম পালি ক'ভিশ্বিল্ড ভেকচিন ল'লে দ্বিতীয় পালি ফাইজাৰ বা মডাৰ্না ভেকচিন লোৱা উচিত

**ৱাশ্বিংটন, ১৮ জুন ঃ** আমেৰিকা যুক্তৰাষ্ট্ৰৰ অধীনস্থ কানাডাৰ ৰাষ্ট্ৰীয় ভেকচিন প্ৰদানকাৰী উপদেষ্টা সমিতিয়ে দেশখনৰ নাগৰিকৰ বাবে ভেকচিন গ্ৰহণৰ ক্ষেত্ৰত এক নতুন পৰামৰ্শ প্ৰদান কৰিছে। সেই পৰামৰ্শ অনুসৰি যিসকল নাগৰিকে প্ৰথমপালি ভেকচিনত অক্স'ফোৰ্ড-এষ্ট্ৰাজেনেকা গ্ৰহণ কৰিছে তেওঁলোকে দ্বিতীয় পালি ভেকচিনত ফাইজাৰ বা মডাৰ্ণা ভেকচিন গ্ৰহণ কৰা উচিত। অৰ্থাৎ ভেকচিনৰ মিশ্ৰন গ্ৰহণ কৰিলে ক'ভিড প্ৰতিৰোধী ক্ষমতা বৃদ্ধি হয় বুলি প্ৰকাশ কৰা হৈছে। অক্সফোৰ্ড-এষ্ট্ৰাজেনেকে ভেকচিনৰ নাম ভাৰতত ক'ভিশ্বিল্ড হিচাপে পৰিচিত আৰু উৎপাদিত হৈছে। গতিকে এই ক'ভিশ্বিল্ড যদিহে কানাডাৰ নাগৰিকে গ্ৰহণ কৰে তেনেহ'লে তেওঁৰ মোবাইলৰ মেছেঞ্জাৰত এটা



ইংগিতসূচক বাৰ্তা যায়। যিসকলে এই বাৰ্তা লাভ কৰে তেওঁলোকে দ্বিতীয় পালি ভেকচিনত ফাইজাৰ বা মডাৰ্নাই উৎপাদন কৰা ভেকচিন লোৱা উচিত। এই কথা কানাডাৰ মুখ্য জনস্বাস্থ্য বিষয়া ডাঃ থেৰেছা টামে এক সংবাদ মেলৰ জৰিয়তেও ব্যক্ত কৰিছে। ইয়াৰ কাৰণ হিচাপে কোৱা হৈছে যে কানাডাৰ চিকিৎসা বিভাগে ভেকচিন গ্ৰহণৰ পিছত ৫৬ টা অভিযোগ পাইছে তেজ গোটমৰা বিষয়ত। এই ভেকচিনসমূহ অক্সফোৰ্ড-এষ্ট্ৰাজেনেকাৰ বুলি জানিব পৰা গৈছে। ইয়াৰে ৩৮টা অভিযোগ নিশ্চিত কৰা হৈছে। কানাডাত ৬ লাখতকৈয়ো অধিক এষ্ট্ৰাজেনেকা ভেকচিন প্ৰদান কৰা হৈছে আৰু ইয়াৰ মাজকে ৫৬টা বিসংগতিৰ অভিযোগ আহিছে। সেয়েহে এই বিসংগতি নোহোৱা কৰিবৰ বাবে দ্বিতীয় পালি ভেকচিনত ফাইজাৰ বা মডাৰ্ণা ভেকচিন গ্ৰহণ কৰিবলৈ কানাডাৰ নেচনেল এডভাইজ'ৰী কমিটী অন ইমুনাইজেচনে পৰামৰ্শ আগবঢ়াইছে দেশবাসীলৈ।

## চাৰি নিযুত ভেকচিন ক্ৰয় কৰিব নেপালে

### ভাৰতৰ পৰা লয় বিনামূলীয়াকৈ, ধন দি ক্ৰয় কৰে চীনৰ পৰা

**কাঠমাণ্ডু, ১৮ জুন ঃ** ভাৰতে বন্ধু ৰাষ্ট্ৰবুলি নৰম দৃষ্টিভংগীৰে পৰ্যবেক্ষণ কৰা আৰু ক'ভিড সংকটৰ সময়ত বিনামূলীয়াকৈ ভেকচিন প্ৰদান কৰি দেশখনৰ জনতাক সহায় কৰিলেও নেপালে ৰাজনৈতিক আৰু কূটনৈতিকভাৱে ভাৰতৰ পৰা বহু দূৰলৈ আঁতৰি যোৱাটো পুনৰবাৰ নিশ্চিত হ'ল। এই সময়ত বিনামূলীয়াকৈ ভাৰতৰ পৰা ভেকচিন গ্ৰহণ কৰা নেপালে ধন দি চীনৰ পৰা চাৰি নিযুত ভেকচিন ক্ৰয় কৰিবলৈ সাজু হৈছে।



এই ঘটনাই দেশখনৰ সকলো পক্ষকে জোকাৰি যোৱা দেখা গৈছে। ইতিমধ্যে দেশবাসীৰ প্ৰতিক্ৰিয়াৰ বাবে বিষয়টো গাপ দিব খোজা বুলিও অভিযোগ উঠিছে। প্ৰাপ্ত তথ্য মতে চীনৰ দ্বাৰা প্ৰস্তুত কৰা চীনুফাৰ্ম নামৰ ভেকচিনবিধৰ চাৰি নিযুত ড'জ ক্ৰয় কৰিবলৈ সিদ্ধান্ত লৈছে। স্থানীয় সংবাদ মাধ্যমতো এই কথা প্ৰকাশ পাইছে আৰু কিমান টকাৰ বিনিময়ত এই ভেকচিন ক্ৰয় কৰিব খোজা হৈছে সেই তথ্য গোপনে ৰখা বুলিও প্ৰকাশ পাইছে। নেপালৰ স্বাস্থ্য মন্ত্ৰালয়ে ইতিমধ্যে কেবিনেট সমিতিৰ পৰা ইতিমধ্যে ভেকচিন ক্ৰয়ৰ ক্ষেত্ৰত কৰ্তৃত্ব লাভ কৰিছে আৰু পৰৱৰ্তী পদক্ষেপৰ বাবে আগুৱাই গৈছে। দেশখনৰ উদ্যোগ মন্ত্ৰী তথা যোগান আৰু বাণিজ্য দপ্তৰ লাভ কৰা মন্ত্ৰী ৰাজকিশোৰ যাদৱে সংবাদ মাধ্যমৰ আগত কয় যে ভেকচিনৰ দাম নিৰ্ণয় কৰা, পৰিবহণ নিশ্চিত কৰা আৰু অন্যান্য আইনী দিশবোৰ পৰ্যবেক্ষণ কৰিব চৰকাৰে নিযুক্ত কৰা এজেন্সিৰ জৰিয়তে। ইফালে নেপালৰ সংবাদ মাধ্যমত প্ৰকাশ পোৱা মতে চীনৰ পৰা ক্ৰয় কৰিব খোজা ভেকচিনৰ দুপালিৰ মূল্য ২০ আমেৰিকান ডলাৰতকৈ অধিক। এই মূল্য অতি বেছি হোৱা বুলিও চীনৰ স্বাস্থ্য মন্ত্ৰালয়ৰ সূত্ৰত কোৱা হৈছে। কিয়নো ভাৰতৰ ছিৰাম ইনষ্টিটিউট অব ইণ্ডিয়াই প্ৰস্তুত কৰা ক'ভিশ্বিল্ড ভেকচিনৰ দুপালিৰ দাম চাৰি আমেৰিকান ডলাৰৰ অধিক নহয়। সেয়েহে কি কাৰণত নেপালে অধিক দাম ভৰি হ'লেও চীনৰ পৰা ভেকচিন ক্ৰয় কৰিব খুজিছে সেয়া ৰহস্যজনক হৈ পৰিছে। উল্লেখ্য যে কিছুদিনৰ পূৰ্বে বাংলাদেশ চৰকাৰেও চীনৰ পৰা চীনুফাৰ্ম ক'ভিড ভেকচিন ক্ৰয় কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। কিন্তু কিমান দামত এই ভেকচিন ক্ৰয় কৰিবলৈ সিদ্ধান্ত লৈছিল সেয়া বাংলাদেশ চৰকাৰে বৰ্তমানলৈয়ো সদৰী কৰা নাই। ইয়াৰ পূৰ্বে শ্ৰীলংকাত এই একেই ভেকচিন ক্ৰয় কৰা হৈছিল আৰু দুপালিহৰ বিনিময়ত আদায় দিয়া হৈছিল ১৫ আমেৰিকান ডলাৰ। এই মূল্য বাংলাদেশে ক্ৰয় কৰাতকৈ পাঁচ ডলাৰ অধিক আছিল বুলিও শ্ৰীলংকাত বিৰোধী ৰাজনৈতিক দলবোৰে অভিযোগ কৰিছিল। যাৰ বাবে পৰৱৰ্তী সময়ত এই ভেকচিন ক্ৰয় স্থগিত ৰাখিবলৈ বাধ্য হৈছিল শ্ৰীলংকা চৰকাৰে।

## বিৰোধীৰ মুখা খুলিবলৈ বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতিৰ নিৰ্দেশ

### দলৰ সাংসদ আৰু নেতাক সম্বোধন জে পি নড্ডাৰ

**নতুন দিল্লী, ১৮ জুন ঃ** দেশত বিৰোধী দলবোৰে ক'ভিড ভেকচিন প্ৰদান প্ৰক্ৰিয়া বিঘ্নিত কৰিবলৈ অহৰহ মিছা তথ্যৰে চলাইছে অপপ্ৰচাৰ। লগতে অক্সিজেনৰ যোগান সম্পৰ্কতো অসত্য তথ্যৰে ৰাইজক বিভ্ৰান্ত কৰিছে। ই.য়াৰ আৰত বিজেপি দলক ৰাইজৰ ওচৰত হেয় প্ৰতিপন্ন কৰাটোহে। সেয়েহে দলৰ সকলো নেতা-কৰ্মীয়ে বিৰোধীৰ ওপৰত চকু ৰাখিব লাগে আৰু তেওঁলোকৰ কাম-কাজৰ খুটিনাতি দাঙি ধৰি মুখা খুলি দিব লাগে। এই বক্তব্য জে পি নাড্ডাৰ। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতিজনে আজি ভাৰ্চুৱেল পদ্ধতিৰে দলৰ সাংসদ, ৰাজ্যিক সভাপতি, ৰাষ্ট্ৰীয় বিষয়বাবত নিয়োজিত নেতাসকলক সম্বোধন কৰি এক অনুষ্ঠানত অংশগ্ৰহণ কৰে। তেওঁ কয় যে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৰ'না ভাইৰাছৰ সংকট মোকাবিলা কৰিবৰ বাবে অতি সাহসী পদক্ষেপ গ্ৰহণ কৰিছে। দুখীয়া ৰাইজৰ কাষত কেন্দ্ৰীয়



চৰকাৰ ঠিয় দিছে। সকলো অভাৰী লোককে সহায় কৰিছে। তেনেস্থলত বিৰোধী দলবোৰে চলাই থকা অপপ্ৰচাৰ ৰোধ কৰিবলৈ দলৰ নেতা-কৰ্মীসকল সাজু হ'ব লাগে। কোনো কাৰণতে বিৰোধীক ৰাইজৰ কাষ চাপি যোৱাৰ সুযোগ দিব নালাগে। গেৰুৱা দলটোৰ ৰাজ্যিক সভাপতিজনে কয় যে দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱাল আৰু পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে নিজেই ভেকচিন ক্ৰয় কৰিব খোজে। গতিকে প্ৰধানমন্ত্ৰী মেদীয়ে ভেকচিন ক্ৰয় প্ৰক্ৰিয়া বিকেন্দ্ৰিকৰণ কৰিছে। কিন্তু তেওঁ সফল হ'ব পৰা নাই। এতিয়া পুনৰ কেন্দ্ৰীভূত কৰাৰ আৱশ্যকতা নাই। ৰাষ্ট্ৰীয় সভাপতিজনৰ মতে ৰাইজক সকলোৰে বুজাব লাগে এইবুলি যে চৰকাৰে দেশবাসীক সেৱা কৰিবলৈ আগুৱাই আহিছে আৰু একাংশ বিৰোধীয়ে চৰকাৰৰ এই প্ৰক্ৰিয়া বাধাগ্ৰস্ত কৰি আছে। জে পি নড্ডাই নিজৰ বক্তব্যত কয় যে কংগ্ৰেছ নেতা শশী ঠাৰুৰ আৰু মণীষ তিৱাৰীয়ে ভেকচিনৰ নামত দেশবাসীক ভয় খুৱাইছে। তেওঁলোকে কৈছে যে চৰকাৰে ভেকচিনৰ নামত দেশবাসীক গাহৰী বা এন্দুৰৰ দৰে ব্যৱহাৰ কৰিব খুজিছে। এনেকৈয়ে কংগ্ৰেছে ভেকচিন সম্পৰ্কত দেশবাসীৰ মাজত ভয় বিয়পাই দিছে। যাৰ বাবে ভেকচিন গ্ৰহণ কৰিবলৈ একাংশ ৰাইজ শংকিত হৈছে। অন্য একাংশ ৰাজ্যই কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰা ভেকচিনৰ নীতি-নিয়ম সম্পূৰ্ণকৈ উলংঘা কৰিছে। ফলত সংশ্লিষ্ট ৰাজ্যসমূহ ভেকচিন গ্ৰহণত পিছ পৰি আছে। কিন্তু ইয়াৰ বাবে দোষ জাপি দিয়া হৈছে কেন্দ্ৰীয় চৰকাৰৰ ওপৰত। সেয়েহে ৰাষ্ট্ৰীয় সভাপতিজনৰ মতে এতিয়া দলটোৰ সকলোবোৰ সাংসদ আৰু জনপ্ৰতিনিধিয়ে ৰাইজৰ কাষলৈ গৈ ভেকচিন গ্ৰহণৰ বাবে সকলোকে নিৰ্ভয় প্ৰদান কৰিব লাগে। লগতে বিৰোধী দলবোৰৰ যি স্থিতি সেয়া ৰাইজক সবিশেষ অৱগত কৰিব লাগে। বিৰোধীৰ বিৰোধিতাৰ বাবে দেশত ভেকচিন প্ৰদান প্ৰক্ৰিয়া বাধাগ্ৰস্ত হোৱা বুলি ৰাইজক বুজাই দিবলৈ জে পি নড্ডাই সকলোবোৰ দলীয় সাংসদ আৰু নেতা-কৰ্মীক নিৰ্দেশ দিছে। তেওঁ অৱশ্যে লগতে কয় যে ক'ভিড মহামাৰীৰ সময়ছোৱাত বিৰোধী দলৰ কোনো সাংসদ বা নেতাক ৰাইজৰ কাষত দেখা পোৱা নাই। ইয়াৰ বিপৰীতে বিজেপি দলৰ সকলো পৰ্যায়ৰ নেতা-কৰ্মীক ৰাইজৰ কাষত থিয় দিয়া পৰিলক্ষিত হৈছে। এই কাৰ্য অধিক সক্ৰিয় কৰি তুলিবলৈ তেওঁ দলৰ সাংসদসকলক নিৰ্দেশ দিছে।

### অধ্যক্ষৰ হাতত দাখিল কৰিলে পত্ৰ

## মুকুল ৰয়ৰ বিধায়কপদ কৰ্তন কৰিবলৈ বিজেপিৰ আৰ্জি

**কলকাতা, ১৮ জুন ঃ** পশ্চিমবংগ বিধানসভাৰ বিজেপি দলৰ সদস্য তথা অলপতে তৃণমূল কংগ্ৰেছত যোগদান কৰা মুকুল ৰয়ৰ বিধায়ক পদ কৰ্তন কৰিবলৈ দাবী জনাইছে ৰাজ্যিক বিজেপিয়ে। সেই অনুসৰি বিধানসভাৰ বিৰোধী দলপতি তথা বিজেপি নেতা শুভেন্দু অধিকাৰীয়ে আজি লিখিতভাৱে এখন পত্ৰ দাখিল কৰিছে বিধানসভাৰ অধ্যক্ষৰ হাতত। উল্লেখ্য যে দুবছৰৰ পূৰ্বে মুকুল ৰয়ে তৃণমূল কংগ্ৰেছ ত্যাগ কৰি যোগ দিছিল বিজেপি দল। সম্প্ৰতি তেওঁ ৰাজ্যখনৰ কৃষ্ণ নগৰ উত্তৰ বিধানসভা সমষ্টিৰ বিজেপি দলৰ বিধায়ক। কিন্তু বিধায়ক পদ ত্যাগ নকৰাকৈয়ে মুকুৰ ৰয়ে অলপতে বিজেপি দল ত্যাগ



কৰিছিল আৰু যোগ দিছিল তৃণমূল কংগ্ৰেছ দলত। কিন্তু দলবিৰোধী আইনৰ আধাৰত মুকুল ৰয়ৰ বিধায়ক পদ বৈধ তথা বাহাল হৈ নাথাকে। প্ৰণিধানযোগ্য এয়ে যে পশ্চিমবংগ বিধানসভাৰ বৰ্তমানৰ বিৰোধী দলপতি শুভেন্দু অধিকাৰীও আছিল তৃণমূল কংগ্ৰেছৰ বিধায়ক তথা মন্ত্ৰী। বিধানসভা নিৰ্বাচনৰ প্ৰাকক্ষণত তেওঁ তৃণমূল কংগ্ৰেছ ত্যাগ কৰি বিজেপি দলত যোগদান কৰিছিল। নন্দীগ্ৰাম সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰা শুভেন্দুৱে নিৰ্বাচনত পৰাজিত কৰিছিল ৰাজ্যখনৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীক। কিন্তু ভোট গণনাত অনিয়ম হোৱা বুলি অভিযোগ তুলি মমতা বেনাৰ্জীয়ে ইতিমধ্যে কলকাতা উচ্চ ন্যায়ালয়ত গোচৰ ৰুজু কৰিছে আৰু পুনৰ গণনা দাবী কৰিছে নন্দী গ্ৰামত। ৰাজ্যখনত ক্ষমতা দখল কৰিবলৈ বিজেপিয়ে ব্যাপক প্ৰচেষ্টা চলাইছিল যদিও সফল হোৱা দেখা নগ'ল। পুনৰ মমতা বেনাৰ্জী ক্ষমতাত অধিষ্ঠিত থাকিল। পশ্চিমবংগত ক্ষমতা দখলৰ পৰা বিজেপি দল পিছুৱাই যোৱাৰ লগে লগে ৰাজ্যখনত একাংশ বিজেপি নেতা-কৰ্মীয়ে দল এৰিবলৈ সাজু হৈছে আৰু ইতিমধ্যে বিধায়ক মুকুল ৰয়কে ধৰি একাংশই দল ত্যাগ কৰিছেই। ইয়াৰ বাবে হতাশ হৈ পৰা বিজেপি দলে এতিয়া সুযোগ পালেই তৃণমূল কংগ্ৰছৰ বিৰুদ্ধে আইনী পদক্ষেপ গ্ৰহণ কৰিবলৈ তৎপৰ হৈ থাকে।

## পথ দুৰ্ঘটনা হ্ৰাস কৰিবলৈ চৰকাৰৰ লক্ষ্য নিৰ্ধাৰণ

**নতুন দিল্লী, ১৮ জুন ঃ** কেন্দ্ৰীয় পথ পৰিবহণ আৰু ৰাষ্ট্ৰীয় ঘাইপথ মন্ত্ৰালয়ে আগন্তুক ২০২৪ চনৰ ভিতৰত দেশত পথ দুৰ্ঘটনা পঞ্চাশ শতাংশ হ্ৰাস কৰিবলৈ লক্ষ্য নিৰ্ধাৰণ কৰিছে। এই কথা প্ৰকাশ কৰিছে বিভাগীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে। মন্ত্ৰীজনে আজি ভাৰ্চুৱেল পদ্ধতিৰে পথ দুৰ্ঘটনাৰ সম্পৰ্কত আয়োজিত এক আলোচনা চক্ৰত ভাগ লৈ এই কথা ব্যক্ত কৰে। পথ পৰিবহণ মন্ত্ৰালয়ৰ ভূমিকা আৰু পথ দুৰ্ঘটনাত মৃত্যুৰ হাৰ বিষয়ত এই আলোচনা অনুষ্ঠিত কৰা হৈছিল। এই আলোচনা চক্ৰৰ আয়োজন কৰিছিল এফ আই চি চি আই কৰ্তৃপক্ষই নিজৰ বক্তব্যত মন্ত্ৰী গাডকাৰীয়ে কয় যে প্ৰতিখন ৰাজ্যই অতি সতৰ্কতাৰে দুৰ্ঘটনাপ্ৰৱণ অঞ্চলসমূহ চিনাক্ত কৰিব লাগিব। ইয়াৰ বাবে ৰাজ্য চৰকাৰৰ উপৰিও প্ৰতিখন জিলা আৰু স্থানীয় চহৰৰ প্ৰশাসকৰ দায়িত্ব আছে। কি কাৰণত সংশ্লিষ্ট অঞ্চলত পথ দুৰ্ঘটনা সংঘটিত হয় তাৰ এক বৈজ্ঞানিক অধ্যয়ন হোৱা উচিত। ইয়াৰ বাবে বিশ্ব বেংক আৰু এছিয়ান ডেভেলপমেণ্ট বেংকৰ পৰা ১৪ হেজাৰ কোটি টকা ভাৰত চৰকাৰে লাভ কৰিছে। এই ধনৰাশি চৰকাৰে বিভিন্ন ৰাজ্য, ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ আৰু অন্যান্য সম্পৰ্কিত সংস্থালৈ আৱণ্টন দিয়া হৈছে যাতে দুৰ্ঘটনা হ্ৰাস কৰিবলৈ সংশ্লিষ্ট পক্ষই পদক্ষেপ গ্ৰহণ কৰিব পাৰে। এই ক্ষেত্ৰত কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰীজনে বিভিন্ন বেচৰকাৰী সংগঠন, সামাজিক সংগঠন, বিশ্ববিদ্যালয়, শিক্ষক তথা অন্যান্য সংগঠনসমূহৰ সমৰ্থন আশা কৰিছে। ইতিমধ্যে চৰকাৰে পথ সুৰক্ষা পৰিষদ নামেৰে এখন স্বতন্ত্ৰীয়া সমিতি গঠন কৰিব বুলিও ব্যক্ত কৰিছে। অৱসৰপ্ৰাপ্ত আই এ এছ বিষয়াৰ নেতৃত্বত এই সমিতি গঠন কৰি দিয়া হ'ব।



প্ৰশিক্ষণ ঃ সদ্যোজাত এটা হাতী পোৱালিক মাতৃ আৰু তেওঁৰ সংগীয়ে জলকেলি কৰিবলৈ শিকাইছে, এই ভিডিঅ' ভাইৰেল হৈ পৰিছে সামাজিক মাধ্যমত

### উচ্চতম ন্যায়ালয়ত মুখ থেকেচা খালে দিল্লী আৰক্ষীয়ে

## দেবাংগনাসহ তিনি কাৰাবন্দীৰ জামিন স্থগিত নহয় বুলি দৃঢ় স্থিতি প্ৰকাশ



**নতুন দিল্লী, ১৮ জুন ঃ** আদালতত মুখ থেকেচা খালে দিল্লী আৰক্ষীয়ে। দেশৰ উচ্চতম ন্যায়ালয়ত দিল্লী আৰক্ষীতে এক আবেদন দাখিল কৰি দিল্লী উচ্চ ন্যায়ালয়ে প্ৰদান কৰা জামিন আবেদন নাকচ কৰিবলৈ আহ্বান জনাইছিল। এই জামিনৰ জৰিয়তে দেবাংগনা কলিতা, নাটাছা নৰৱাল আৰু আছিফ ইকবাল তানহা তিহাৰ কাৰাগাৰৰ পৰা মুক্ত হ'বলৈ সক্ষম হৈছিল। কালি সন্ধিয়া আটাইকেইজনে মুকলি আকাশৰ তললৈ আহিছিল। কিন্তু এই কাৰ্য সহ্য হোৱা নাছিল দিল্লী আৰক্ষীৰ। যোৱা ১৫ জুনতে জামিন প্ৰদান কৰাৰ পিছতো তথ্যপাতি পৰীক্ষাৰ নামত দিল্লী আৰক্ষীয়ে দুদিন ধৰি তেওঁলোকক মুক্তিৰ পৰা বিৰত ৰাখিছিল। কালি গোটেই বিষয়টো দিল্লী উচ্চ ন্যায়ালয়ে পুনৰীক্ষণ কৰি অবিলম্বে তিনিওজনকে মুক্ত কৰিবলৈ দিয়া কঠোৰ নিৰ্দেশনাৰ পিছত সন্ধিয়ালৈ তিহাৰ কাৰাগাৰৰ পৰা মুক্ত কৰি দিয়া হৈছিল। কিন্তু দিল্লী আৰক্ষীয়ে আজি ইউ এ পি এ অৰ্থাৎ বেআইনী কাৰ্যকলাপ প্ৰতিৰোধ আইনৰ প্ৰসংগ দাঙি ধৰি উক্ত জামিনৰ বিৰোধিতা কৰিছিল। চৰকাৰী পক্ষৰ হৈ যুক্তি দাঙি ধৰিছিল ছলিচিটৰ জেনেৰেল তুষাৰ মেহতাই। কিন্তু ন্যায়াধীশ হেমন্ত গুপ্তা আৰু ভি ৰাম সুব্ৰমণিয়মে আৰক্ষীৰ এই আবেদন অপ্ৰাসংগিক বুলি নাকচ কৰাৰ লগতে এনেধৰণৰ জটিলতা সৃষ্টি নকৰিবলৈ সকিয়নী প্ৰদান কৰে। দিল্লী উচ্চ ন্যায়ালয়ে এশ পৃষ্ঠাৰ জামিনৰ নিৰ্দেশনাত ইউ এ পি এ আইনৰ বিষয়ে বিশদভাৱে বৰ্ণনা কৰিছে। ইয়াৰ পিছত এই বিষয়ে কোনো হস্তক্ষেপ গ্ৰাহ্য নহয় বুলি উচ্চতম ন্যায়ালয়ে বিমুখ কৰে দিল্লী আৰক্ষীক।

## নয়দাৰ শ্বপিং কমপ্লেক্সত ভয়ংকৰ অগ্নিকাণ্ড

**নয়দা, ১৮ জুন ঃ** দিল্লী আৰু উত্তৰ প্ৰদেশৰ সীমান্তৱৰ্তী চহৰ নয়দাৰ গংগা শ্বপিং কমপ্লেক্সত ভয়ংকৰ অগ্নিকাণ্ড সংঘটিত হৈছে। আজি বিয়লি সংঘটিত



হোৱা এই অগ্নিকাণ্ডৰ ফলত বিস্তৰ ক্ষয়-ক্ষতি হোৱা বুলি প্ৰকাশ কৰা হৈছে। দিনৰ ২.১৫ বজাত এই অগ্নিকাণ্ড দৃষ্টি গোচৰ হয় আৰু লগে লগে স্থানীয় আৰক্ষীক অৱগত কৰা হয়। আৰক্ষীয়ে ছখন অগ্নিনিৰ্বাপক বাহনৰ সহযোগত অগ্নি নিৰ্বাপন কৰিবলৈ চেষ্টা চলোৱা দেখা যায়। বাতৰি লিখা পৰলৈকে প্ৰাপ্ত তথ্য মতে নয়দাৰ ২৯ খণ্ডত অৱস্থিত গংগা শ্বপিং কমপ্লেক্সৰ সৈতে সংযুক্ত হৈ থকা অন্যান্য বহু দোকান পোহাৰ, নয়দা মেডিয়া ক্লাব আৰু নয়দা মেট্ৰ' ৰে'ল কৰ্প'ৰেচনৰ কাৰ্যালয় আদিও এই অগ্নিকাণ্ডৰ ফলত ক্ষতিগ্ৰস্ত হ হৈছে।।

## বন বিভাগৰ বেতন বঞ্চিত কেজুৱেল শ্ৰমিকৰ নিযুক্তি প্ৰক্ৰিয়া শীঘ্ৰে আৰম্ভ কৰাৰ আহ্বান

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ১৮ জুন ঃ** অসম চৰকাৰৰ বন বিভাগৰ বিভিন্ন সংমণ্ডলত বছৰ বছৰ ধৰি বিনা বেতনে কৰ্মৰত কেজুৱেল বন শ্ৰমিকসকলৰ নিযুক্তি প্ৰক্ৰিয়া শীঘ্ৰে আৰম্ভ কৰি সমস্যাটোৰ চিৰস্থায়ী সমাধানৰ বাবে বিভাগীয় কৰ্তৃপক্ষক আহ্বান জনাইছে সদৌ অসম কেজুৱেল বন শ্ৰমিক সন্থাই। এটা বিবৃতিত সন্থাৰ কাৰ্যকৰী সভাপতি চিকণ ডেকা আৰু কোষাধ্যক্ষ পবিত্ৰ হালৈয়ে কয় ইতিমধ্যে ২০০৫-০৬ চনত ফি'ড পে বা নিৰ্ধাৰিত হাৰত বেতনৰ পৰা বাদেও পৰি যোৱা প্ৰায় ১৩০০ জন মান বন শ্ৰমিকক নিৰ্ধাৰিত হাৰত বেতন প্ৰদান কৰি নিযুক্তি দিয়া সন্দৰ্ভত বিগত সপ্তাহত বন বিভাগৰ পাঞ্জাবাৰীস্থিত মুখ্য কাৰ্যালয় 'অৰণ্য ভৱন'ত অসম চৰকাৰৰ বন আৰু পৰিবেশ বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্য, প্ৰধান মুখ্য বন সংৰক্ষক আৰু বন বাহিনীৰ মুৰব্বী অৰবিন্দ মাধৱ সিং আৰু নিযুক্তি কমিটিৰ অধ্যক্ষ আৰু অতিৰিক্ত প্ৰধান মুখ্য বন সংৰক্ষক এছ সূৰ্য নাৰায়ণক সন্থাৰ সজাতি দলে সুকীয়াকৈ সাক্ষাৎ কৰি নিযুক্তিৰ বিষয়টো আলোচনা কৰিছে। আলোচনা কালত ক'ভিডৰ বাবে কাৰ্যালয় বন্ধ থাকিবলগীয়া হোৱাত আৰু কেইবাজনো দায়িত্ববাহী কৰ্মচাৰী ক'ভিডত আক্ৰান্ত হোৱা বাবে নিযুক্তি প্ৰক্ৰিয়া ২০ জুনৰ পাছতহে আৰম্ভ কৰিব বুলি সন্থাক অৱগত কৰা হয়। যাৰ বাবে সন্থাই ২০ জুনৰ পাছতেই যেন নিযুক্তি দিয়ে আৰম্ভ কৰে, তাৰ বাবে বনমন্ত্ৰী, প্ৰধান মুখ্য বন সংৰক্ষক আৰু বন বাহিনীৰ মুৰব্বী, নিযুক্তি কমিটিৰ অধ্যক্ষক আহ্বান জনাইছে।



মহানগৰীৰ গণেশগুৰিৰ এটা যোগ প্ৰশিক্ষণ কেন্দ্ৰত যোগ প্ৰদৰ্শন কৰিছে কেইগৰাকীমান ব্যক্তিয়ে, শুক্ৰবাৰে

## ডিব্ৰুগড়ত ১৪৪ ধাৰাৰ অধীনত নিষেধাজ্ঞা জাৰি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ১৮ জুন ঃ** ডিব্ৰুগড় জিলাৰ অতিৰিক্ত জিলা দণ্ডাধীশে বৃহস্পতিবাৰে এক নিৰ্দেশযোগে ডিব্ৰুগড় জিলাৰ শান্তি-শৃংখলা অটুট ৰখাৰ স্বাৰ্থত ভাৰতীয় ফৌজদাৰী আইনৰ ১৪৪নং ধাৰাৰ অধীনত সমগ্ৰ জিলাতে প্ৰযোজ্য হোৱাকৈ কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। এই নিষেধাজ্ঞা অনুসৰি ৰাজহুৱা স্থানত পাঁচজন বা ততোধিক লোকৰ সমাৱেশ, ৰাজহুৱা স্থানত লাঠী,ডেগাৰ, তৰোৱাল বা অন্য যিকোনো ধৰণৰ অস্ত্ৰ কঢ়িওৱা, ৰাজহুৱা স্থানত তথা ৰাজহুৱা পথ বা ঘাইপথেদি যাতায়াতত অসুবিধাৰ সৃষ্টি কৰি সমদল উলিওৱা, প্ৰতিবাদ, ধৰ্ণা, অনশন, আমৰণ অনশন আদি কাৰ্যসূচী হাতত লোৱা, প্ৰতিকৃতি দাহ, চৰকাৰী বা অৰ্ধ-চৰকাৰী স্থানত শ্বহীদ বেদী নিৰ্মাণ, ৰাজহুৱা স্থানত লাঠী বা অন্য যিকোনো ধৰণৰ অস্ত্ৰচালনাৰ প্ৰশিক্ষণ প্ৰদান, ৰাজহুৱা স্থানৰ লগতে চৰকাৰী কাৰ্যালয়, ৰাস্তা-ঘাটত বলপূৰ্বক ধন সংগ্ৰহ, ব্যৱসায়িক প্ৰতিষ্ঠান, কাৰ্যালয়ৰ পৰা বলপূৰ্বক বৰঙণি সংগ্ৰহ, জুৱা, লটাৰী খেল অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত বাধা আৰোপ কৰা হৈছে। একেটা নিৰ্দেশতে ৰাজহুৱা স্থান,পথ, পদপথত ফটকা জ্বলোৱা, ৰাস্তাইদি অহা-যোৱা কৰা ব্যক্তি বিশেষকৈ মহিলা-শিশুলৈ ৰঙ বা অন্যান্য আপত্তিজনক সামগ্ৰী নিক্ষেপ, পদপথ, ষ্ট্ৰীট কৰ্ণাৰ আদিত এনেই গোট খাই ভীৰ কৰা, মহিলাৰ প্ৰতি অপমানজনক মন্তব্য কৰা, নিশা দহ বজাৰ পৰা পুৱা ছয় বজাৰ ভিতৰত অনুভাষ যন্ত্ৰৰ ব্যৱহাৰ কৰা, শিক্ষানুষ্ঠান, চিকিৎসালয়, আদালতৰ ওচৰত অনুভাষ যন্ত্ৰৰ ব্যৱহাৰ কৰা, সাধাৰণ জনতাক উত্তেজিত কৰিব পৰা সাম্প্ৰদায়িক, ৰাজ্য বা ৰাষ্ট্ৰবিৰোধী মন্তব্য/ভাষণ প্ৰদান কৰা, গাড়ীত কলা গ্লাছ, ভেকুৱাম হৰ্ণ, কালাৰড লাইট, হাই বীম লাইটৰ ব্যৱহাৰ কৰা, চৰকাৰী কৰ্মচাৰী, অধিবক্তা, চিকিৎসক, মহিলা, বিদ্যালয়লৈ যোৱা শিশু, সাংবাদিক, ৬০ ৰ উৰ্দ্ধৰ ব্যক্তি বাহিৰে দুচকীয়া বাহনত দুজন আৰোহী উঠা, হেলমেট অবিহনে দুচকীয়া বাহন চলোৱাত সম্পূৰ্ণৰূপে নিষেধাজ্ঞা আৰোপ কৰা হৈছে। অৱশ্যে পাঁচজন বা ততোধিক লোক সমাবেশৰ ক্ষেত্ৰত জাৰি কৰা নিষেধাজ্ঞা চিনেমা হ'ল বা আন বিনোদনৰ স্থান, শিক্ষানুষ্ঠান, ৰে'ল ষ্টেচন, বাছ আস্থান, বিমানবন্দৰ, বিবাহনুষ্ঠান, ধৰ্মীয় অনুষ্ঠানৰ থলী আদিৰ ক্ষেত্ৰত প্ৰযোজ্য নহ'ব। এই নিষেধাজ্ঞা অহা ৬০ দিনলৈকে প্ৰযোজ্য থাকিব আৰু এই নিষেধাজ্ঞা উলংঘা কৰা ব্যক্তি ভাৰতীয় দণ্ডবিধি আইনৰ ১৮৮ নং ধাৰাৰ অধীনত দণ্ডিত হ'ব।

### স্বাস্থ্য বীমাৰ নামত ৰাজ্যৰ সৰ্বসাধাৰণ জনতাক লুণ্ঠন বহিঃৰাজ্যৰ বীমা কোম্পানীৰ

# চিকিৎসাৰ সঠিক তথ্য-পাতি প্ৰদান কৰাৰ পিছতো গ্ৰাহকক হাৰাশাস্তি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ১৮ জুন ঃ** ৰাজ্যৰ সহজ-সৰল জনসাধাৰণক অধিক মুনাফাৰ প্ৰলোভনেৰে সৰ্বস্বান্ত কৰা বিত্তীয় বা বীমা প্ৰতিষ্ঠানৰ সংখ্যা কম নহয়। এই বিত্তীয় প্ৰতিষ্ঠানসমূহে বিভিন্ন প্ৰকাৰে সৰ্বসাধাৰণ গ্ৰাহকক প্ৰতাৰণা কৰি গ্ৰাহকৰ কষ্টোপাৰ্জিত ধন আত্মসাৎ কৰি মুকলিকৈ চলাই আহিছে লুণ্ঠনৰ বজাৰ। কেৱল ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানেই নহয়, কেন্দ্ৰীয় চৰকাৰৰ ওচৰত পঞ্জীয়নকৃত বহু বীমা কোম্পানীয়েও গ্ৰাহকৰ মূৰত মাধমাৰ শোধোৱাৰ দেধাৰ উদাহৰণ দেখিবলৈ পোৱা যায়। যান-বাহনৰ দুৰ্ঘটনা বা স্বাস্থ্য বীমাৰ নামত নানা ছলাহী কথাৰে সৰ্বসাধাৰণ গ্ৰাহকৰ কাষ চাপি সময়ত অতি উচ্চ হাৰত বিনিয়োগৰ প্ৰতিদান দিয়াৰ প্ৰলোভন দি এই তথাকথিত বীমা কোম্পানীৰ এজেণ্টে লুণ্ঠনৰ জাল পেলাই আহিছে আৰু এই এজেণ্ট বা কোম্পানীৰ বিষয়ববীয়াৰ ছলাহী কথাত ভোল গৈ বহু গ্ৰাহকে তেওঁৰ বা তেওঁলোকৰ জমা ধনখিনিও বিচাৰি হাবাথুৰি খাব লগা পৰিস্থিতিৰ সৃষ্টি হৈছে। স্বাস্থ্য বীমা যোজনাৰ অন্তৰ্ভুক্ত গ্ৰাহকে চিকিৎসালয়ত চিকিৎসাধীন হৈ থকা, চিকিৎসকৰ নিদান-পত্ৰ, ঔষধ ক্ৰয় বা বিভিন্ন শাৰীৰিক পৰীক্ষাৰ মূল প্ৰতিবেদন আৰু ৰচিদ আদি বিশ্বাসযোগ্যভাৱে বীমা কোম্পানীত জমা দিয়াৰ পিছত সংশ্লিষ্ট বীমা কোম্পানীটোৱে গ্ৰাহকজনক চিকিৎসা ব্যয় আদায় দিয়াটো দূৰৰে কথা, গ্ৰাহকক বিভিন্ন অজুহাত দেখুৱাই বীমাৰ ধন আদায় দিয়াৰ পৰা বিৰত থকাৰ গুৰুতৰ অভিযোগ উত্থাপন হোৱাৰ লগতে এই বহিৰাগত কোম্পানীসমূহে ৰাজ্যৰ সহজ-সৰল ৰাইজৰ কষ্টোপাৰ্জিত ধন বহিঃৰাজ্যলৈ লৈ যোৱাটো একপ্ৰকাৰ নিশ্চিত হৈছে। এনে কাৰ্যৰ দ্বাৰা এই বহিৰাগত বীমা কোম্পানীসমূহে সৰ্বসাধাৰণ ৰাইজক ঠগ-প্ৰৱঞ্চনাৰে প্ৰতি বছৰে বৃহৎ পৰিমাণৰ ধন লুণ্ঠন কৰি অহাৰ পিছতো কিন্তু ৰাজ্য চৰকাৰেই হওক বা কোনো দল-সংগঠনো এনে কাৰ্যৰ প্ৰতিবাদ কৰিবলৈ ওলাই অহা পৰিলক্ষিত হোৱা নাই। বহিঃৰাজ্যৰ এটা বীমা কোম্পানী নেশ্বনেল ইন্সুৰেঞ্চৰ এনে এক জালিয়াতি শেহতীয়াকৈ পোহৰলৈ আহিছে ডিব্ৰুগড়ত। প্ৰাপ্ত অভিযোগ অনুসৰি ডিব্ৰুগড় চহৰৰ খনীয়া গাঁও নিৱাসী শইকীয়া উপাধিৰ এজন ব্যক্তিয়ে নেশ্বনেল ইন্সুৰেঞ্চ কোম্পানীত প্ৰায় চাৰি বছৰ পূৰ্বে নিজৰ লগতে পত্নী আৰু পুত্ৰৰ নামত বছৰি এক নিৰ্দিষ্ট প্ৰিমিয়ামৰ বিপৰীতে এটা স্বাস্থ্য বীমা কৰাই বিগত বছৰসমূহত নিয়ম মতে প্ৰিমিয়াম আদায় দি আহিছিল। কিন্তু বিগত জানুৱাৰী মাহত বীমাকৃত ব্যক্তিজন জটিল ৰোগত আক্ৰান্ত হোৱাত তেওঁক ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ৰ পেয়িং কেবিনত ভৰ্তি কৰোৱা হয় আৰু বিভিন্ন স্বাস্থ্যজনিত পৰীক্ষা আৰু ঔষধ গ্ৰহণ কৰাৰ ফলত ব্যক্তিজন পৰ্যায়ক্ৰমে সুস্থ হয় আৰু সুদীৰ্ঘ দুসপ্তাহৰ পিছত তেওঁক ঘৰলৈ যাবলৈ অনুমতি প্ৰদান কৰা হয়। ইয়াৰ পৰৱৰ্তী পৰ্যায়ত বীমাকৃত ব্যক্তিজনে সকলো নথি-পত্ৰসহ প্ৰায় ষাঠি হাজাৰ টকাৰ এখন বিল বীমা কোম্পানীত বিধি অনুসৰি দাখিল কৰে। এই বিলৰ বিপৰীতে বিভিন্ন প্ৰশ্ন উত্থাপন কৰি বীমা কোম্পানীটোৰ বিষয়াই বীমাকৃত ব্যক্তিজনক মানসিকভাৱে হাৰাশাস্তি কৰাৰ পিছতো ব্যক্তিজনে কোম্পানীটোৰ সকলো প্ৰশ্নৰ উত্তৰ প্ৰদান কৰি আহিছে। কিন্তু শেহতীয়াকৈ কোম্পানীটোৱে বীমাকৃত ব্যক্তিজনক এক অদ্ভুত চিকিৎসাজনিত শব্দ ব্যৱহাৰ কৰি এই কাৰণৰ বাবে কোম্পানীয়ে তেওঁক বীমাকৃত ধন আদায় দিব পৰা নহ'ব বুলি জনোৱাৰ লগতে এই বীমাৰ লগত নেশ্বনেল ইনচুৰেঞ্চ কোনোপধ্যে জড়িত নহয় আৰু এই সমগ্ৰ বিষয় তৃতীয় পক্ষৰহে বিচাৰ্যৰ বিষয় বুলি জানিবলৈ দিয়ে শাৰীৰিকভাৱে অসুস্থ ব্যক্তিজন বীমা কোম্পানীটোৰ এই মানসিক হাৰাশাস্তিৰ সন্মুখীন হৈ আৰু অধিক অসুস্থ হৈ পৰিছে। উন্নত চিকিৎসাৰ বাবে বীমাকৃত ব্যক্তিজনক যিহেতু আৰু অধিক ধনৰ প্ৰয়োজন আছে, তেনে পৰিস্থিতিত বীমাকৃত ব্যক্তিজনৰ শাৰীৰিক অৱস্থা আৰু অধিক অৱনতি ঘটিলে সংশ্লিষ্ট বীমা কোম্পানীটোৱেই জগৰীয়া হ'ব বুলি মত ব্যক্ত কৰিছে বীমাকৃত ব্যক্তিজনৰ অসহায় পৰিয়ালে। আনহাতে এই সমগ্ৰ কাণ্ডক লৈ আইনৰ সহায় বিচাৰিছে বীমাকৃত শইকীয়া উপাধিৰ ব্যক্তিজনে।

## ৰঙিয়াৰ জয়ন্তী শ্মশান কালী মন্দিৰত এৰি দিয়া ছাগলী ভক্ষণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙিয়া, ১৮ জুন ঃ** জীৱ শ্ৰেষ্ঠ মানুহৰ পশুতকৈও অধম কাণ্ড। বৃহস্পতিবাৰে ৰঙিয়াৰ নিকটৱৰ্তী ঐতিহাসিক জয়ন্তীপুৰ শ্মশান কালী মন্দিৰত ৰাইজে হাতে-লোটে ধৰে নৰৰূপী অধম চোৰ দুজনক আনহাতে অন্য এজন পলাবলৈ সক্ষম হয়। ঘটনাৰ বিৱৰণী অনুসৰী ৰঙিয়াৰ ঐতিহাসিক জয়ন্তী কালী শ্মশান মন্দিৰত ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ভক্তবৃন্দই সময়ে সময়ে নিজৰ মনোকামনা পূৰণাৰ্থে পৰম্পৰা অনুসৰী ছাগলী এৰি দিয়ে। কিন্তু বিধৰ্মী চোৰকেইটাই মন্দিৰ চৌহদত এৰি দিয়া ছাগলীসমূহ গোপনে আজি বহুদিনৰ পৰা ভক্ষণ কৰি অহাৰ লগতে বিক্ৰী কৰা বুলি অভিযোগ ৰাইজৰ। বিগত দিনত প্ৰায় ডেৰশ ছাগলী চুৰি কৰাৰ অভিযোগ। ধৃত চোৰকেইজন ক্ৰমে ৰুবুল দাস, পিংকু বৈশ্য আৰু আন এজন পলাই সাৰিবলৈ সক্ষম হয়। ধৃত চোৰকেইটাক ৰাইজে উত্তম-মধ্যম দি আৰক্ষীক গতাই দিয়ে। উল্লেখযোগ্য যে উক্ত মন্দিৰটোৰ চৌহদ বৰ্তমান ড্ৰাগছ, তীৰ, জুৱাৰ আড্ডাস্থলীলৈ পৰিণত হোৱা বুলি অভিযোগ ৰাইজৰ।

### উচ্ছেদৰ প্ৰতিশ্ৰুতি পাহৰিলে জিলা প্ৰশাসনে

# গড়কাপ্তানী পথৰ ওপৰত থকা পকীবেৰ ভঙাত বিজেপি নেতাৰ বাধা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাওবৈঠা, ১৮ জুন ঃ** উত্তৰ অসমৰ ভিতৰতে সৰ্ববৃহৎ লখিমপুৰ জিলাৰ নাওবৈচাৰ দ'লহাট দেওবৰীয়া বজাৰখনে সম্প্ৰতি জনস্বাস্থ্যৰ প্ৰতি প্ৰচণ্ড ভাবুকি কঢ়িয়াই আনিছে। লখিমপুৰ জিলাৰ ভিতৰতে নহয় উত্তৰ অসমৰ শোণিতপুৰ-ধেমাজিৰ ভিতৰতে অতি পুৰণি সাপ্তাহিক বজাৰখনে সম্প্ৰতি অতি কদৰ্য বিশৃংখল তথা অস্বাস্থ্যকৰ পৰিৱেশ সৃষ্টি হোৱা গুৰুত্বৰ অভিযোগ উত্থাপিত হৈছে। দ'লহাট সাপ্তাহিক বজাৰ খনলৈ উত্তৰ অসমৰ বিভিন্ন জিলাৰ পৰা গৰু, ম'হ, ছাগলী, শাক-পাচলি, কাপোৰ কানি, বিভিন্ন ধৰণৰ কাঠৰ সামগ্ৰি, মনোহাৰি সামগ্ৰী বিক্ৰিৰ বাবে হাজাৰ হাজাৰ বেপাৰী গ্ৰাহকে ভিৰ কৰে যদিও বজাৰখনৰ কদৰ্য অস্বাস্থ্যকৰ পৰিৱেশৰ বাবে সকলোৰে হাৰাশাস্তি সন্মুখীন হ'ব লগাত পৰিছে। জিলাখনৰ বিভিন্ন স্থানৰ পৰা শাক পাচলি, হাঁহ-কুকুৰা বেচিবলৈ অহা বেপাৰী সকলে বহিবলৈ উপযুক্ত স্থান নথকাৰ বাবে ৰদ বৰষুনে ব্যৱহায় কৰিব লগা হোৱাৰ ওপৰি একাংশ ব্যৱসায়ীয়ে বজাৰত বহিবলৈ স্থান নাপাই বজাৰ খনৰ মাজেৰে পাৰ হৈ যোৱা গড়কাপ্তানি পথৰ ওপৰতে বজাৰ বহুৱাই। অৱশ্যে বৰ্তমান আংশিক লক ডাউনৰ বাবে সপ্তাহিক বজাৰ খন বন্ধ হৈ আছে বুলি স্থানীয় ৰাইজে কয়। বজাৰখনৰ মাজমজিয়াৰ লগতে কঠালপুখুৰী ৰেল ষ্টেচনলৈ যোৱা গড়কাপ্তানি পথৰ পশ্চিমফালে পকা ৱাল বনোৱাৰ পিছতো গড়কাপ্তানী (পথ) বিভাগে দখলকাৰী ব্যক্তিৰ লগত গোপন বুজা বুজিৰে বিষয়টি গাপ দি ৰখাৰ অভিযোগ উত্থাপন হৈছে। একেদৰে বজাৰখনত মুকলিকৈ চলে অবৈধ চুলাই মদৰ ব্যৱসায়। বজাৰখন বহু মদ্যপায়ী ব্যক্তিৰ আকৰ্ষণৰ কেন্দ্ৰ বিন্দু হিচাপে গঢ়ি উঠাই নহয় অস্বাস্থ্যকৰ পৰিৱেশ, অত্যাধিক চুলাই মদ পান কৰাৰ বাবে ইতিমধ্যে বহুলোক যকৃৎ, জণ্ডিচ, পেটফুলা, লিভাৰ বেয়া হোৱা আদি ৰোগত আক্ৰান্ত হৈ বহুলোক মৃত্যু মুখত পৰা বুলি জানিব পৰা গৈছে। জনচক্ষু তথা আৰক্ষীৰ সন্মুখতে এনেদৰে মুকলিকৈ চুলাই মদ বেচি থকাৰ আঁৰতো কমিচনৰ অংক থকা বুলি ৰাইজে দাবী কৰিছে। কঠালপুখুৰী ৰেল ষ্টেচনৰ গাতে লাগি থকা, দ'লহাট বাগানখন আৰু ফুলবাৰী অঞ্চলৰ কেন্দ্ৰস্বৰূপ দ'লহাট বজাৰ খনত আছে ৩০০ ৰ পৰা ৫০০ খন পৰ্যন্ত সৰু বৰ স্থায়ী দোকান। প্ৰায় ছয় সাত বিঘা এটা বৃহৎ এলেকা জুৰি বহা বজাৰখনত চৰকাৰে কেইবাটাও স্থায়ী গৃহ নিৰ্মাণ কৰিছে যদিও ঘৰ সমূহ অপৰিকল্পিত ভাৱে স্থাপন কৰাত বজাৰখনৰ পৰিৱেশ অতি প্ৰতিকূল হৈ পৰিছে। বজাৰ খনৰ ভিতৰৰ গলিসমূহৰ পৰা পানী ওলাই যাব পৰাকৈ উপযুক্ত ব্যৱস্থা নথকাৰ বাবে এজাক বৰষুণতে বজাৰৰ অৱস্থা শোচনীয় হৈ পৰে। ইফালে বজাৰ খনৰ মাজেৰে বৰ্তমান নিৰ্মান হৈ থকা গড়কাপ্তানি পথটোও ঠাই বিশেষে বেকাতেৰা কৰি বনাই যোৱাৰ অভিযোগ উঠিছে। জনৈক বিজেপি নেতাৰ হেচাঁত পথৰ ওপৰত নিৰ্মান কৰি থোৱা ৱালবোৰো ভাঙিব পৰা নাই ঠিকাদাৰজনে বুলি জানিব পৰা গৈছে। আনহাতে এই পথটোতে কেইবছৰ মান আগত এক পথ দুৰ্ঘটনা হৈ এজন সপ্তম শ্ৰেণীৰ ছাত্ৰ মৃত্যু হোৱাৰ পাছত বজাৰ খনত উচ্ছেদ অভিযান চলাব বুলি জিলা প্ৰশাসনে ৰাইজক প্ৰতিশ্ৰুতি দি যোৱাৰ পাছত সেই একেজন তথাকথিত বিজেপি নেতাৰ হেচাঁত বজাৰখন দখল কৰি ৰখা চুলাই ভাটিবোৰ উচ্ছেদ নহ'ল আজিও। স্থানীয় ৰাজইজে এইজন বিজেপি নেতাক নিয়ন্ত্ৰণ কৰিবলৈ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনোৱাৰ লগতে বজাৰখন দখল কৰি থকা চুলাই মদৰ ভাটিবোৰ উচ্ছেদ কৰিবলৈ দাবী জনাইছে।

### পে'ট্ৰলকে ধৰি অত্যাৱশ্যকীয় সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধি

## ডিমৌ আঞ্চলিক তাই আহোম ছাত্ৰ সন্থাৰ প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ১৮ জুন ঃ** পেট্ৰ'ল, ডিজেলকে ধৰি অত্যাৱশ্যকীয় সামগ্ৰীৰ আকাশলম্বী মূল্যবৃদ্ধি নিয়ন্ত্ৰণৰ দাবীত বৃহস্পতিবাৰে ডিমৌ আঞ্চলিক তাই আহোম ছাত্ৰ সন্থাই সামাজিক মাধ্যম ফেচবুকৰ জড়িতে হাতে হাতে প্লেকাৰ্ড লৈ অসম চৰকাৰৰ নিৰ্বিকাৰ ভূমিকাৰ বিৰুদ্ধে এক ডিজিটেল প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে। আটাছু ডিমৌ আঞ্চলিকৰ অৰ্ধশতাধিক কৰ্মীয়ে ফেচবুকত হাতত প্লেকাৰ্ড লৈ মূল্যবৃদ্ধি ৰোধ কৰক, যোগান মন্ত্ৰী ৰঞ্জিত দাস কাম নাই, বিজেপি চৰকাৰ হায় হায় আদি শ্লোগানেৰে প্ৰতিবাদ কৰি চৰকাৰক মূল্যবৃদ্ধি নিয়ন্ত্ৰণ কৰিবলৈ দাবী জনায়। তাই আহোম সন্থাৰ ডিমৌ আঞ্চলিকৰ সভাপতি সুমিত কুমাৰ সন্দিকৈ, উপ সভাপতি দ্ৰয় চিন্ময় গগৈ, দেৱাশীষ গগৈ আৰু সম্পাদক সৌৰভ দিহিঙীয়াই অসম চৰকাৰ মূল্যবৃদ্ধি নিয়ন্ত্ৰণত চূড়ান্তভাৱে ব্যৰ্থ বুলি অভিহিত কৰাৰ লগতে কোটিটকীয়া ঋণ মাফৰ সিদ্ধান্ত গ্ৰহণ কৰা চৰকাৰে খাটি খোৱা সাধাৰণ ৰাইজক এই ক'ভিড মহামাৰী সময়ত আকাশলংঘী মূল্যবৃদ্ধিৰে জনসাধাৰণক মৃত্যুৰ মুখলৈ ঠেলি দিয়া কাৰ্যত তীব্ৰ ভাষাৰে গৰিহণা দিয়ে। শীঘ্ৰে মূল্যবৃদ্ধি নিয়ন্ত্ৰণ কৰিব নোৱাৰিলে সংগঠনেটোৱে ৰাজপথত উত্তাল প্ৰতিবাদৰ হুংকাৰ দিছে।

## মৈৰাবাৰী চিকিৎসালয়ৰ স্বাস্থ্য কৰ্মীৰ মাজত পি পি ই কীট, অক্সিমিটাৰ, মাস্ক বিতৰণ সাংসদ গৌৰৱ গগৈৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৈৰাবাৰী, ১৮ জুন ঃ** সাংসদ গৌৰৱ গগৈয়ে বৃহস্পতিবাৰে Farm 2 Food Foundation নামৰ এনজিঅ'ৰ কৰ্মকৰ্তাসকলৰ সৈতে মৈৰাবাৰী গ্ৰাম্য চিকিৎসালয়ত উপস্থিত হৈ ক'ভিড যোদ্ধাসকলৰ শলাগ লয় আৰু তেওঁলোকৰ মাজত পিপিই কীট, অক্সিমিটাৰ, মাস্ক আদি বিতৰণ কৰাৰ লগতে মৈৰাবাৰী গ্ৰাম্য চিকিৎসালয়খনৰ অভাৱ-অভিযোগৰ বুজ লয় আৰু সেইসমূহ সমাধান কৰাৰ ব্যৱস্থা কৰিব বুলি কয়। তদুপৰি সাংসদ গগৈয়ে মৈৰাবাৰী গ্ৰাম্য চিকিৎসালয়খনক এফআৰইউলৈ উন্নীত কৰাৰ লগতে এম্বুলেঞ্চ প্ৰদানৰ আশ্বাস দিয়ে। ইয়াৰ পাছত সাংসদজন দাঁতিয়ালবৰীত উপস্থিত হৈ দৰিদ্ৰ পৰিয়ালৰ মাজত সামগ্ৰী বিতৰণ কৰে।

# অসম-নাগালেণ্ড সীমান্তত নগাৰ দাদাগিৰিৰ বিৰুদ্ধে ধনশিৰিত জাতীয় সংগঠনৰ প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধনশিৰি, ১৮ জুন ঃ** অসম-নগালেণ্ড সীমান্তত চুবুৰীয়া নগা ৰাজ্যৰ নগা দুৰ্বৃত্তই অ'এনজিচি খনন কাৰ্য বন্ধ কৰি দিয়াৰ প্ৰতিবাদত ধনশিৰি মহকুমাৰ সৰুপথাৰত ধনশিৰি মহকুমাৰ মহকুমাধিপতিৰ কাৰ্যালয় সন্মখত প্ৰতিবাদী কাৰ্যসুচী হাতত লয়। উল্লেখযোগ্য যে অসম-নগালেণ্ড সীমান্ত বি চেক্টৰত অ'এনজিচিয়ে যোৱা পিহেখু, টকিচে আৰু নিকোহি বস্তিত ২০১৩ চনৰ পৰাই তিনিটা তৈল খাদত খনন কাৰ্য চলাই আহিছিল। কিন্তু যোৱা এক জুনত ডিমাপুৰৰ উপায়ুক্ত ৰাজেস সুৰেন্দ্ৰ ৰাজনে এক প্ৰত্ৰ যোগে অ'এনজিচিৰ যোৰহাটস্থিত আছাম এণ্ড আছাম অৰাকান বেছিনলৈ এক পত্ৰ প্ৰেৰণ কৰে। পত্ৰখনিত অ'এনজিচিয়ে পিহেখু, টকিচে আৰু নিকোহি বস্তিত যি খনন কাৰ্য চলাই আহিছে উক্ত খনন কাৰ্যৰ বাবে নগালেণ্ড চৰকাৰৰ পৰা কোনো অনুমতি পত্ৰ লোৱা নাই, গতিকে উক্ত অঞ্চলত কোম্পানীটোৱে খনন কাৰ্য বন্ধ ৰাখিব লাগে পত্ৰত উল্লেখ কৰে। নগাৰ এনে আগ্ৰাসনী মনোভাৱৰ বাবে অসমৰ দল-সংগঠনসমূহ জাঙুৰ খাই উঠিছে। অসমৰ মাটিত নগাৰ গুণ্ডাগিৰি বন্ধ কৰিবলৈ লগতো অসম-নগালেণ্ডৰ দীৰ্ঘদিনীয়া সীমা সমস্যাটো স্থায়ী সমাধান কৰিবলৈ ধনশিৰি মহকুমাৰ মহকুমাধিপতিৰ কাৰ্যালয় সন্মুখত আছু, চুতীয়া ছাত্ৰ সন্থা, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে এক মানৱ শৃংখল প্ৰতিবাদী কাৰ্যসুচী হাতত লয়। সংগঠনকেইটাই মহকুমাধিপতিৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰীলৈ একোখনকৈ স্মাৰক প্ৰত্ৰ প্ৰেৰণ কৰে। যদিহে অসম চৰকাৰে নগা অসমীয়াৰ সীমা সমস্যাটো অতি সোনকালে স্থায়ী সমাধান নকৰে, তেনেহ'লে অনাগত দিনত সংগঠনকেইটাই নগালেণ্ডৰ বিৰুদ্ধে অৰ্থনৈতিক আন্দোলন কৰিবলৈ বাধ্য হ'ব বুলিও সকীয়াই দিয়ে।




দিল্লীৰ এটা স্বেচ্ছাসেৱী সংগঠনে ঢকুৱাখনাত লাগতিয়াল সামগ্ৰী বিক্ৰী কৰাৰ দৃশ্য, শুক্ৰবাৰে


No.23/228/2021-2022/5A Dated Kokrajhar, the 17-06-2021

**SHORT NOTICE INVITING TENDER**

Sealed tender subsequently to be drawn in F-2 form affixing Non-refundable court fee .stamp of Rs.**8.25p** (Rupees eight and paise twenty five) only are invited from the Registered PWD Contractor's under Class-I (A, B, C) of Assam PWD (Rural Roads) and Class-II Roads category will be received for the following works up to **2-00 P.M.** of **28-06-2021** in the office of the Executive Engineer, PWRD Kokrajhar Rural Roads Division, Kokrajhar which will be opened on the same date, place at **2.15 P.M** in presence of the tenderers or their authorized agent.

| Sl. No. | Name of work | Tender Amount (in Rs.) | Earnest Money (in Rs.) (ST, SC, OBC -1% & GEN-2%) | Cost of Tender Paper (in Rs.) | Time for completion In days |
|---|---|---|---|---|---|
| 1 | Restoration of road from Simbargaon Duramari Road to Dotma Balajan Road via Jaoliapara Road with CD works in Kokrajhar District under SDRF for the year 2020-21. | 27, 01,800.00 | 1%-Rs.27,018/- 2%-Rs.54,036/- | 3000.00 | 90 (Ninety) |
| 2 | Restoration of road from Thingkhlanguri Thaletbari Road via Balahama Road with CD works in Kokrajhar District under SDRF for the year 2020-21. | 19,99,800.00 | 1%-Rs. 19,998/- 2%-Rs.39,996/- | 1000.00 | 60 (Sixty) |

Details NIT may be seen in all working days in the office of the undersigned. Tender paper will be issued to the contractors or their authorized agent up to **12.00 Noon** on all working days from **19-06-2021** to **22-06-2021** in the office of the undersigned on payment of in the form of Banker cheque/Demand draft of any nationalized Bank (Preferable SBI) duly pledged to the Executive Engineer, PWRD Kokrajhar Rural Roads Division. The contractor should submit valid Registration certificate, **GSTIN, PAN Card and Labour License** along with the tender. In case the office remain closed in tender receiving/ opening day the same will be received/opened on the next working day.

**Note:-**

1. The Executive Engineer, PWD Rural Roads Division, Kokrajhar does not bind himself to accept the lowest tender and also reserves the right to reject all tenders without assigning any reason.
2. Payment will be made subject to availability of fund.
3. Taxes will be deducted as per relevant provision of Act.
4. Work order will be issued on receipt of Administrative Approval from competent authority
5. Contractors will have to submit their tender with upto date registration certificate and item of annexure should be enclosed with the tender otherwise tender will be treated as cancelled.
6. No T&P and stock materials issued to the contractors by the deptt. Contractor has to arrange the same by himself
7. The tenderer should submit their tender with upto date **GSTIN** certificate and **PAN card** failing which the tender may be treated as cancelled.
8. The tenderer must demonstrate the key equipment for road work specially the road Roller etc. failing which the tender may be treated as cancelled.

Sd/-
Executive Engineer, PWD
Kokrajhar Rural Roads Division

IPR(BTC)-75/2021


# আন্ধাৰ কোঠাত দিন পাৰ কৰিছে উচ্চ শিক্ষাৰে জীৱনৰ গতি পথ সলনি কৰিব খোজা সমাজতত্ত্ব বিষয়ৰ ছাত্ৰী ৰিতুমণি

### জটিল ৰোগত আক্ৰান্ত ৰিতুমণি ঃ মুখ্যমন্ত্ৰী-স্বাস্থ্যমন্ত্ৰীৰ লগতে অসমৰ ৰাইজক উন্নত চিকিৎসাৰ বাবে বিচাৰিলে সহায়

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ১৮ জুন ঃ** শিক্ষাৰ জখলাৰে জীৱনত ডাঙৰ ডাঙৰ সপোন বিলাকক বাস্তৱ ৰূপ দিয়াৰ মানসেৰে শিক্ষাৰ মন্দিৰত লেখ জোখ কৰি থাকোতেই হঠাৎ তেওঁৰ জীৱনলৈ নামি আহিল কাল অমানিষা। যি সময়ত জীৱনটোক এক ন' ৰূপ দিবলৈ তাইৰ অন্তৰ আত্মা ব্যাকুল হৈ আছিল, সেই সময়তে নভবা-নিচিন্তাকৈ তেওঁৰ শীৰৰত দেখা দিলে এক অচিন ৰোগে। যিটো ৰোগক শৰীৰত লৈ আজি দুটা বছৰে পৰি আছে নিজ গৃহৰ আন্ধাৰ কোঠাত। বৰ্তমান তেওঁৰ এনে এটা ৰোগত আক্ৰান্ত হৈ আছে যে যদি শৰীৰত এখন পাতল কাপোৰো দিয়া হয়, তৎক্ষণাত চিঞৰি উঠে। যিহেতু এই ৰোগবিধৰ বাবে শৰীৰৰ ওপৰত এখন কাপোৰো ল'ব নোৱাৰে। এনেকৈ বিছনাতে পৰি আছে দুটাকৈ বছৰ। উল্লেখ্য যে শিৱসাগৰ চেৰেকাপাৰ আৰক্ষী চকীৰ অন্তৰ্গত হাঁহচৰা মৈৰামাৰী বোকাপানী গাঁৱৰ ৰঞ্জিত হাজৰিকা আৰু লখিমী হাজৰিকাৰ একমাত্ৰ কন্যা ৰিতুমণি হাজৰিকা। নাজিৰা মহাবিদ্যালয়ৰ পৰা বিগত ২০১৯ বৰ্ষত সমাজতত্ত্ব বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছিল তেওঁ। দৰিদ্ৰ ঘৰখনৰ ভৱিষ্যতৰ দিশ নিৰ্ণয় কৰাৰ তাইৰ ওপৰত আছিল এক গধুৰ দায়িত্ব। হঠাৎ দুটা বছৰৰ পূৰ্বে তাইৰ শৰীৰত দেখা দিছিল এই জটিল ৰোগবিধে। প্ৰথম অৱস্থাত ৰোগবিধক সাধাৰণ ৰোগ বুলি তাইৰ লগতে পৰিয়ালৰ লোকে ভাবি লৈছিল যদিও দিন বাগৰাৰ লগে লগে ৰোগবিধেও তাইৰ সম্পূৰ্ণ শৰীৰৰ ক্ৰমাৎ বিয়পি পৰিব ধৰিলে। প্ৰাথমিক পৰ্যায়ত শিমলুগুৰি, শিৱসাগৰ আদিত চিকিৎসকক তাইৰ ৰোগবিধ দেখুওৱা হৈছিল যদিও আৰোগ্য লাভ নকৰিলে। পৰৱৰ্তী সময়ত উন্নত চিকিৎসাৰ বাবে দৰিদ্ৰ পৰিয়ালটোৱে ৰিতুমণিক লৈ গৈছিল ডিব্ৰুগড়লৈ। কিন্তু তাতো চিকিৎসা কৰি ৰিতুমণিৰ স্বাস্থ্যৰ কোনো উন্নতি নহ'ল। বৰঞ্চ দিনক দিনে ৰোগবিধে তাইক কাতৰ যন্ত্ৰণাত আৱদ্ধ কৰি ল'লে। এতিয়া তাইৰ শৰীৰৰ এখন কাপোৰো দিব নোৱাৰে। যদি এখন কাপোৰ দিয়া হয় তাই চিঞৰি উঠে। যিহেতু কাপোৰখনে তাইৰ সৰ্বশৰীৰত প্ৰতিটো সময়তে বিন্ধি থাকে। এনেদৰে শৰীৰত বিন্ধি থকাৰ বাবে তাইৰ নিজ শৰীৰত কোনো কাপোৰেই পিন্ধিব নোৱাৰে। যাৰ বাবে পিতৃ-মাতৃয়ে তাইক এটা আন্ধাৰ কোঠাৰ ৰাখিবলগীয়া হৈছে। ৰিতুমণিয়ে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰি কয় যে তেওঁৰ প্ৰথমে বমি হৈছিল। ইয়াৰ পিছত মূৰৰ বিষ আৰু হাতৰ বিষ অনুভৱ হৈছিল। ইয়াৰ পিছৰেই পৰা তাই শৰীৰত কাপোৰ পিন্ধিব নোৱৰা অৱস্থা হ'ল। নিজ কন্যাৰ এনে অৱস্থা প্ৰতিটো সময়তে নিজ পিতৃ-মাতৃয়ে প্ৰত্যক্ষ কৰি কান্দোনত ভাগি পৰে। কি কৰিব, কি নকৰিব। যিগৰাকী কন্যাক লৈ ভৱিষ্যতৰ সপোন দেখিছিল, তেওঁলোকে আজি তাইয়েই অন্ধকাৰ ভৱিষ্যতক বুকুত সাৱতি এক জটিল ৰোগৰ সৈতে যুঁজ দি আছে। ইতিমধ্যে দৰিদ্ৰ পৰিয়ালটোৱে নিজ কন্যাৰ লগতে চিকিৎসাৰ বাবে ঘৰৰ সকলো সা-সম্পত্তি বিক্ৰী কৰিবলগীয়াত পৰিল। বৰ্তমান হাতত নাই ৰিতুমণিক উন্নত চিকিৎসাৰ বাবে অসমৰ বাহিৰলৈ লৈ যাব পৰা পৰ্যাপ্ত ধন। পৰিয়ালৰ লগতে ৰিতুমণিয়েও নিজৰ উন্নত চিকিৎসাৰ বাবে অসম চৰকাৰৰ মুখ্যমন্ত্ৰী আৰু স্বাস্থ্য মন্ত্ৰীগৰাকীৰ লগতে অসমৰ ৰাইজৰ পৰা সহায় বিচাৰিছে। অসম চৰকাৰৰ হৈ স্বাস্থ্য মন্ত্ৰীগৰাকীয়ে যদি এই গৰাকী মেধাৱী দৰিদ্ৰ ছাত্ৰীৰ উন্নত চিকিৎসাৰ বিষয়টোক আন্তৰিকতাৰে লৈ এক পদক্ষেপ গ্ৰহণ কৰে, তেন্তে নিশ্চিতভাৱে তাই লাভ কৰিব এক নতুন জীৱন। স্মৰ্তব্য যে এইগৰাকী ৰোগাগ্ৰস্ত মেধাৱী ছাত্ৰীক কোনো সদাশয় ব্যক্তি, অনুষ্ঠান-প্ৰতিষ্ঠানে সহায় কৰিব বিচাৰে, তেন্তে ৰিতুমণিৰ কানাড়া বেংক একাউণ্ট নং Ritumoni hazarika, Account no (5353108000120) IFSC CODE-CNRB0005353, Mobile no-8811948650 ৰ যোগেদি জমা কৰিব পাৰিব।

# ইউৰো কাপত আজি হাইভ'ল্টেজ মেচত পৰ্তুগাল-জাৰ্মানী

**মিউনিখ, ১৮ জুন ঃ** চলিত ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ কাইলৈ হ'বলগা এখন হাইভ'ল্টেজ মেচত বিগত বৰ্ষৰ চেম্পিয়ন পৰ্তুগালে খেলিব বিশ্ব চেম্পিয়ন জাৰ্মানীৰ বিৰুদ্ধে। উল্লেখ্য যে পৰ্তুগালে চলিত ইউৰো কাপ ফুটবল প্ৰতিযোগিতাত চমকপ্ৰদ জয়েৰে অভিযান আৰম্ভ কৰিছে। গ্ৰুপ 'এফ'ৰ মেচত পৰ্তুগালে ৩-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে হাংগেৰীক। উল্লেখ্য যে খেল সমাপ্ত হ'বলৈ ন মিনিট থকা অৱস্থাত তিনিটা গ'ল দি প্ৰথম মেচৰ পৰা গুৰুত্বপূৰ্ণ তিনি পইণ্ট লাভ কৰে পৰ্তুগালে। ইয়াৰে দুটা গ'ল কৰে অধিনায়ক তথা বিশ্ব ফুটবলৰ তাৰকা ক্ৰিষ্টিয়ানো ৰোণাল্ডোই। খেলৰ ৮৪ মিনিটত পৰ্তুগালৰ ৰাফেলে মৰা তীব্ৰ শ্বট হাংগেৰীৰ ৰক্ষণপন্থীৰ ভৰিত লাগিয়ে বল দুৰ্গত প্ৰৱেশ কৰে। ১-০ ৰ অগ্ৰগতি লাভ কৰা পৰ্তুগালে ৮৭ মিনিটত পেনাল্টি লাভ কৰে আৰু ৰোণাল্ডোই সেই সুযোগ গ্ৰহণ কৰি দলক ২-০ ৰ অগ্ৰগতি দিয়ে দলক। কিন্তু চি আৰ ছেভেনৰ যাদু ফুটবলপ্ৰেমীয়ে প্ৰত্যক্ষ কৰে মেচৰ ইঞ্জুৰী টাইমত। নিজৰ দ্বিতীয়টো গ'লেৰে দলৰ জয় নিশ্চিত কৰে ৰোণাল্ডোই। উল্লেখ্য যে বিগত ২০১৬ ৰ ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত ফ্ৰান্সক একমাত্ৰ গ'লত হৰুৱাই প্ৰথমবাৰৰ বাবে ইউৰো কাপৰ চেম্পিয়ন ট্ৰফী হাতত লৈছিল পৰ্তুগালে। এইবাৰো পৰ্তুগাল খিতাপৰ অন্যতম দাবীদাৰ। ইফালে, জাৰ্মানী প্ৰথম মেচত পৰাস্ত হোৱাত কাইলৈৰ মে মৰণপণ। উল্লেখ্য যে ইউৰো কাপৰ প্ৰথম মেচত ২০১৮ ৰ ৰাছিয়া ফিফা বিশ্বকাপৰ চেম্পিয়ন ফ্ৰান্সৰ মুখামুখি হৈছিল ২০১৪ ৰ ব্ৰাজিল ফিফা বিশ্বকাপৰ চেম্পিয়ন জাৰ্মানী। গ্ৰুপ 'এফ'ৰ মেচখন উভয় দলৰে চলিত ইউৰো কাপ ফুটবল প্ৰতিযোগিতাত প্ৰথম মেচ আছিল। উত্তেজনাপূৰ্ণ মেচত আত্মঘাটি গ'লৰ বাবে ফ্ৰান্সৰ বিৰুদ্ধে একমাত্ৰ গ'লত পৰাস্ত হয় জাৰ্মানী। খেলৰ ২০ মিনিটত জাৰ্মানীৰ বস্কত থকা বল গ'লপষ্টৰ বাহিৰলৈ মাৰিবলৈ যোৱা হুমেলছে নিজৰে দুৰ্গত সোমাই দিয়ে। কাইলৈৰ মেচ জাৰ্মানীক নিশ্চিত জয়ৰ প্ৰয়োজন। উল্লেখ্য যে ইউৰো কাপ ফুটবল প্ৰতিযোগিতাত গৌৰৱময় ইতিহাস আছে জাৰ্মানীৰ। উল্লেখ্য যে বিশ্ব চেম্পিয়ন জাৰ্মানীয়ে তিনিবাৰকৈ দখল কৰিছে ইউৰো কাপৰ চেম্পিয়ন ট্ৰফী। জাৰ্মানীয়ে ১৯৭২, ১৯৮০ আৰু ১৯৯৬ ত লাভ কৰিছে ইউৰো কাপৰ খিতাপ।





## টেষ্টত ইংলণ্ডৰ বিৰুদ্ধে ভাৰতৰ মহিলাৰ ফল'অন শ্বেফালীৰ অনবদ্য বেটিং

**লণ্ডন, ১৮ জুন ঃ** ইংলণ্ড ভ্ৰমণলৈ যোৱা ভাৰতীয় মহিলা ক্ৰিকেট দলে ঘৰুৱা দলৰ বিৰুদ্ধে খেলা একমাত্ৰ টেষ্টখনত ফল'অনৰ সন্মুখীন হৈ দ্বিতীয় ইনিংছ আৰম্ভ কৰি অন্তিম খবৰ অনুসৰি স্মৃতি মান্ধানাৰ (৮ ৰাণ) উইকেটতো হেৰুৱাই ৬৩ ৰাণ কৰিছে। প্ৰথম ইনিংছত অনবদ্য বেটিং কৰা শ্বেফালী বাৰ্মাই ৪৬ ৰাণত খেলি আছে। উল্লেখ্য যে পোনতে বেটিং কৰা ইংলণ্ডে ন উইকেটত ৩৯৬ ৰাণ কৰি প্ৰথম ইনিংছ ঘোষনা কৰে। দলৰ হৈ নাইটে ৯৫, ছ'ফিয়াই ৭৪ আৰু টেমিয়ে ৬৬ ৰাণ কৰে। ভাৰতৰ হৈ স্নেহ ৰানাই চাৰিটা আৰু দিপ্তী শৰ্মাই তিনিটা উইকেট পায়। প্ৰত্যুত্তৰত ভাৰতে প্ৰথম ইনিংছ আৰম্ভ কৰি শ্বেফালিৰ (৯৬) আৰু মান্ধানাৰ (৭৮) ১৬৭ ৰাণৰ অপেনিং যুটীৰে সুন্দৰ আৰম্ভণি কৰিছিল যদিও বাকীসকল ব্যৰ্থ হয় আৰু ২৩১ ৰাণত ইনিংছ সামৰি ফল'অনৰ সন্মুখীন হয়। উল্লেখ্য যে দীৰ্ঘ বিৰতিৰ পাছত ভাৰতীয় মহিলা ক্ৰিকেট দলে টেষ্ট খেলিছে। উল্লেখ্য যে ইংলণ্ডত ভাৰতীয় মহিলা ক্ৰিকেট দলে এখন টেষ্ট খেলাৰ লগতে তিনিখন এদিনীয়া আৰু তিনিখন টি-২০ মেচ খেলিব। এইবাৰ ভাৰতীয় মহিলা দলে ইংলণ্ডৰ লগতে অষ্ট্ৰেলিয়া ভ্ৰমণতো এখন টেষ্ট খেলিব। ভাৰতীয় মহিলা ক্ৰিকেট দলে পোন প্ৰথমবাৰৰ বাবে চলিত বৰ্ষতে দিবা-নৈশ টেষ্ট খেলিব। অষ্ট্ৰেলিয়া ভ্ৰমণলৈ যাব লগা ভাৰতীয় মহিলা ক্ৰিকেট দলে পাৰ্থত অহা ৩০ ছেপ্টেম্বৰৰ পৰা তিনি অক্টোবৰলৈ ঘৰুৱা দলৰ বিৰুদ্ধে দিবা-নৈশ টেষ্টখন খেলিব। অষ্ট্ৰেলিয়া ভ্ৰমণত ভাৰতীয় মহিলা ক্ৰিকেট দলে তিনিখন এদিনীয়া আৰু টি-২০ মেচো খেলিব।

## প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ বেলজিয়াম

## ক্ৰমাগত দুখন মেচত পৰাস্ত হৈ বিদায় ডেনমাৰ্কৰ

**ক'পেনহাগেন, ১৮ জুন ঃ** বেলজিয়ামে চলিত ১৬ সংখ্যক ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। উল্লেখ্য যে দলে প্ৰথম মেচত জয়েৰে প্ৰত্যাসিত আৰম্ভণি কৰাৰ পাছত যোৱানিশা দ্বিতীয় মেচখনত খেলে ডেনমাৰ্কৰ বিৰুদ্ধে। খেলৰ দুই মিনিটতে গ'ল হজম কৰাৰ পাছতো প্ৰত্যাবৰ্তন কৰি বেলজিয়ামে ২-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে ডেনমাৰ্কক। ক্ৰমাগত দুখন মেচত জয়েৰে বেলজিয়াম প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। উল্লেখ্য যে খেলৰ দুই মিনিটত ডেনমাৰ্কৰ হৈ পুলছেনে গ'ল কৰি দলক ১-০ গ'লৰ অগ্ৰগতি দিয়ে আৰু বিৰতিলৈ এয়া ধৰি ৰাখে। কিন্তু দ্বিতীয়াৰ্ধত বেলজিয়ামে সফল প্ৰত্যাৱৰ্তন কৰি দুটা গ'ল দিয়ে। খেলৰ ৫৪ মিনিটত হাজাৰ্ডে গ'ল কৰি মেচত সমতা স্থাপন কৰাৰ পাছত ৭০ মিনিটত বিজয়সুচক গ'লটো দিয়ে কেভিন ব্ৰুনিয়ে। এই পৰাজয়ৰ পাছত ডেনমাৰ্কৰ বিদায় নিশ্চিত হয়। গ্ৰুপত ক্ৰমাগত দুখন মেচত পৰাস্ত হয় দল। উল্লেখ্য যে প্ৰতিযোগিতাৰ নিজৰ প্ৰথমখন মেচত বেলজিয়ামে ৩-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল ৰাছিয়াক। বেলজিয়ামৰ হৈ দুটাকৈ গ'ল কৰে তাৰকা ষ্ট্ৰাইকাৰ লুকাকুই।




ইফালে, ডেনমাৰ্ক প্ৰথম মেচতো পৰাস্ত হয় ফিনলেণ্ডৰ হাতত। ক্ৰিষ্টিয়ান এৰিকছনৰ আঘাতৰ পাছত ডেৰ ঘণ্টা বন্ধ হৈ থকা মেচ আৰম্ভ হোৱাত ফিনলেণ্ডে একমাত্ৰ গ'লত জয়ী হয়।

## চেম্পিয়ন ব্ৰাজিলৰ জয়যাত্ৰা অব্যাহত

## কোপা আমেৰিকা ফুটবলত কলম্বিয়াৰ ড্ৰ



**ছাও পাওলো, ১৮ জুন ঃ** ডিফেণ্ডিং চেম্পিয়ন তথা নবাৰ খিতাপ লাভ কৰা ব্ৰাজিলে কোপা আমেৰিকা ফুটবলত জয়যাত্ৰা অব্যাহত ৰাখিছে। উল্লেখ্য যে আজি ব্ৰাজিলে খেলা দ্বিতীয়খন গ্ৰুপ মেচত পেৰুক ৪-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। দলৰ হৈ গ'ল কৰে ছানড্ৰো (১২ মিনিট), নেইমাৰ (৬৮ মিনিট), ৰিবেইৰো (৮৯ মিনিট) আৰু ৰিচাৰ্লিছন (৯০ মিনিট)। ইয়াৰপূৰ্বে ডিফেণ্ডিং চেম্পিয়ন তথা নবাৰ খিতাপ লাভ কৰা ব্ৰাজিলে কোপা আমেৰিকা ফুটবলৰ উদ্বোধনী মেচত জয়লাভ কৰি প্ৰত্যাসিত সাফল্যৰে অভিযান আৰম্ভ কৰিছিল। পাঁচবাৰৰ বিশ্ব চেম্পিয়ন তথা চলিত কোপা আমেৰিকাৰ আয়োজক ব্ৰাজিলে প্ৰথম মেচত ৩-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল ভেনিজুৱেলাক। ব্ৰাজিলৰ হৈ খেলৰ ২২ মিনিটত প্ৰথমটো গ'ল কৰে মাৰকুইনহোই। বিৰতিলৈ দল ১-০ ত আগুৱাই থাকে। ৬৪ মিনিটত ব্ৰজিলৰ অগ্ৰগতি ২-০ কৰে অধিনায়ক নেইমাৰে। পেণাল্টিৰ জড়িয়তে চলিত কোপা আমেৰিকাৰত প্ৰথমটো গ'ল কৰে নেইমাৰে। আনহাতে, মেচ সামৰিবলৈ এক মিনিট থকা অৱস্থাত ব্ৰাজিলৰ হৈ তৃতীয়টো গ'ল কৰে বাৰ্বোচাই (৮৯ মিনিট)। উল্লেখ্য যে ব্ৰাজিলে ক্ৰমাগত আঠখন মেচত জয়ৰ সফলতা লাভ কৰিছে। কোপা আমেৰিকাৰ পূৰ্বে দক্ষিণ আমেৰিকাৰ ফিফা বিশ্বকাপৰ যোগ্যতা অৰ্জনকাৰী মেচত পাঁচবাৰৰ বিশ্ব চেম্পিয়ন ব্ৰাজিলে নিজৰ জয়যাত্ৰা অব্যাহত ৰাখি ছয়খন মেচত অপৰাজেয় হৈ পইণ্ট তালিকাৰ শীৰ্ষত থাকি অভিযান সামৰিছিল। ইফালে, কলম্বিয়াই কোপা আমেৰিকাত জয়েৰে অভিযান আৰম্ভ কৰাৰ পাছত যোৱানিশা গ'লশূন্য ড্ৰ খেলে ভেনিজুৱেলাৰ লগত। ইয়াৰপূৰ্বে প্ৰথম মেচত কলম্বিয়াই একমাত্ৰ গ'লত পৰাস্ত কৰিছিল ইকুৱেডৰক। প্ৰথমাৰ্ধৰ অন্তিম ক্ষণত দলৰ হৈ বিজয়সুচক গ'লটো কৰে এডৱিনে।

## ইউক্ৰেইনে বিদায় দিলে ইউৰোত অভিষেক কৰা উত্তৰ মেচিড'নিয়াক


**বুচাৰেষ্ট, ১৮ জুন ঃ** চলিত ইউৰো কাপ ফুটবল প্ৰতিযোগিতাত যোৱানিশা অনুষ্ঠিত হোৱা মেচত ইউক্ৰেইনে ২-১ গ'লত পৰাস্ত কৰে উত্তৰ মেছিড'নিয়াক। ইউক্ৰেইনৰ হৈ এণ্ডি (২৯ মিনিট) আৰু ৰ'মানে (৩৪ মিনিট) প্ৰথমাৰ্ধতে গ'ল কৰাৰ পাছত উত্তৰ মেছিড'নিয়াৰ হৈ ৫৭ মিনিটত একমাত্ৰ গ'লটো এলিছ'কিয়ে কৰে যদিও দলৰ পৰাজয় নিশ্চিত হয়। এই পৰাজয়ৰ পাছত উত্তৰ মেছিড'নিয়াৰ বিদায় নিশ্চিত হোৱাৰ বিপৰীতে ইউক্ৰেইনৰ আশা অন্তিম মেচলৈ আছে। উল্লেখ্য যে উভয় দলে প্ৰথম মেচত পৰাজয়ৰ সন্মুখীন হৈছিল। ইয়াৰপূৰ্বে বুচাৰেষ্টত হোৱা গ্ৰুপ 'চি'ৰ মেচত অষ্ট্ৰিয়াই ৩-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল উত্তৰ মেছিড'নিয়াক। উল্লেখ্য যে উত্তৰ মেছিড'নিয়াই এইবাৰ চলিত ইউৰো কাপ ফুটবল প্ৰতিযোগিতাত অভিষেক কৰিছে। ইফালে, গ্ৰুপ 'চি'ৰ অন্য এখন মেচত নেদাৰলেণ্ডছে ৩-২ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল ইউক্ৰেইনক। এতিয়া ইউক্ৰেইনে অন্তিম মেচ খেলিব অষ্ট্ৰিয়াৰ বিৰুদ্ধে। উভয় দলৰ বাবে সেই মেচ গুৰুত্বপূৰ্ণ হ'ব নকআউট যোগ্যতাৰ বাবে। আনহাতে, উত্তৰ মেছিড'নিয়া অন্তিম মেচত মুখামুখি হ'ব নেদাৰলেণ্ডছৰ।




## বিশ্ব চেম্পিয়ন ফ্ৰান্সৰ লক্ষ্য প্ৰি-কোৱাৰ্টাৰত স্থান

### আজি দ্বিতীয় মেচ খেলিব হাংগেৰীৰ বিৰুদ্ধে

**পেৰিছ ১৮ জুন ঃ** চলিত ইউৰো কাপ ফুটবল প্ৰতিযোগিতাত কাইলৈ হ'বলগা মেচত ফ্ৰান্সে খেলিব হাংগেৰীৰ বিৰুদ্ধে। উল্লেখ্য যে এমবাপ্পে, কৰিম বেনজেমা, গ্ৰীজমান আৰু প'গবাৰ দৰে আক্ৰমনপন্থী থকাৰ পাছতো চলিত ইউৰো কাপ ফুটবল প্ৰতিযোগিতাত বিশ্ব চেম্পিয়ন ফ্ৰান্সে প্ৰথম মেচত জয়লাভ কৰিলে বিপক্ষৰ আত্মঘাটি একমাত্ৰ গ'লেৰে। তথাপি এই জয় দল আৰু ফৰাচী সমৰ্থকৰ বাবে আনন্দময়। কাৰণ বিপক্ষ জাৰ্মানী। আনহাতে, মেচ হৈছিল মিউনিখত। এতিয়া দলৰ লক্ষ্য কাইলৈৰ দ্বিতীয় মেচত জয়েৰে প্ৰি-কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰা। উল্লেখ্য যে বিগত ২০১৬ ৰ ইউৰো কাপ ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল ফ্ৰান্সত। আনহাতে, ফাইনেলত ফ্ৰান্স মুখামুখি হয় পৰ্তুগালৰ। কিন্তু চেম্পিয়ন ট্ৰফী হাতত ল'ব নোৱাৰিলে। তাৰ দুবছৰ পাছত দলে ৰাছিয়াত লাভ কৰে বিশ্বকাপৰ ট্ৰফী। এইবাৰ ইউৰোৰ সবাতোকৈ ভাৰসাম্য দল ফ্ৰান্স। উল্লেখ্য যে বৰ্তমানৰ বিশ্ব চেম্পিয়ন ফ্ৰান্সে ১৯৮৪ আৰু ২০০০ ত দুবাৰকৈ লাভ কৰিছে ইউৰো কাপ। ইফালে, হাংগেৰী প্ৰথম মেচত পৰাস্ত হৈছে পৰ্তুগালৰ হাতত।



## প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল

## বৰষুণৰ বাবে প্ৰথমদিনাৰ খেল বাতিল

**লণ্ডন, ১৮ জুন ঃ** ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচখনৰ প্ৰথমদিনাৰ খেল বৰষুণৰ বাবে বাতিল হয়। উল্লেখ্য যে এতিয়া এই টেষ্টখনত প্ৰয়োজন হ'লে এটা অতিৰিক্ত দিন পুনৰ খেল হ'ব। আজি পুৱাৰে পৰা বৰষুণ দি থকাত চাহ বিৰতিৰ পাছতে আম্পায়াৰে মেচ দিনটোৰ বাবে বাতিল কৰাৰ কথা ব্যক্ত কৰে। উল্লেখ্য যে ভাৰত আৰু নিউজিলেণ্ড দলে শীৰ্ষস্থান লাভ কৰি ফাইনেল খেলাৰ সুযোগ পাইছে। ভাৰতে ছটা শৃংখলাৰ পাঁচটা দখল কৰি ফাইনেলত উপনীত হৈছে। টীম ইণ্ডিয়াই বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ মুঠ ১৭ খন টেষ্টৰ ১২ খনত জয়ী হোৱাৰ বিপৰীতে চাৰিখনত পৰাস্ত হোৱাৰ লগতে এখন ড্ৰ খেলিছে। আনহাতে, নিউজিলেণ্ডে ১১ খন টেষ্টৰ সাতখনত জয়ী হোৱাৰ বিপৰীতে চাৰিখনত পৰাস্ত হয়। নিউজিলেণ্ডে প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলৰ পূৰ্বে ইংলণ্ডৰ বিৰুদ্ধে দুখনীয়া টেষ্টৰ এক শৃংখলা খেলে আৰু ১-০ ত সেয়া দখল কৰিছে।




## আজি গুৰুত্বপূৰ্ণ মেচত স্পেইন-পোলেণ্ড

**ছেভিলা, ১৮ জুন ঃ** পূৰ্বৰ বিশ্ব চেম্পিয়ন তথা ইউৰোৰ খিতাপ লাভ কৰা স্পেইনে চলিত ১৬ সংখ্যক ইউৰো কাপ ফুটবল প্ৰতিযোগিতাত ড্ৰ খেলি নিজৰ অভিযান আৰম্ভ কৰিছে। কাইলৈ দলে গ্ৰুপৰ দ্বিতীয় মেচখন খেলিব পোলেণ্ডৰ বিৰুদ্ধে। প্ৰথম মেচত পৰাস্ত হৈছিল পোলেণ্ড। উল্লেখ্য যে ইয়াৰপূৰ্বে গ্ৰুপ 'ই'ৰ এখন মেচত স্পেইনৰ প্ৰতিদ্বন্দ্বী আছিল ছুইডেন। মেচখন গ'লশূন্য ড্ৰ ৰূপে সমাপ্ত হয়। উল্লেখ্য যে ইউৰো কাপ ফুটবল প্ৰতিযোগিতাত গৌৰৱময় ইতিহাস আছে স্পেইনৰ। ফিফা বিশ্ব কাপৰ চেম্পিয়ন স্পেইনে তিনিবাৰকৈ দখল কৰিছে ইউৰো কাপৰ চেম্পিয়ন ট্ৰফী। স্পেইনৰ সফলতা আন এক দৃষ্টিৰেও অনন্য। ক্ৰমাগত দুবাৰ ইউৰো কাপৰ খিতাপ লাভ কৰা একমাত্ৰ দলটো হ'ল স্পেইন। উল্লেখ্য যে স্পেইনে ২০০৮ আৰু ২০১২ ত ক্ৰমাগত দুবাৰ ইউৰো কাপ লাভ কৰিছে। ইয়াৰপূৰ্বে স্পেইনে ১৯৬৪ ত প্ৰথমবাৰৰ বাবে ইউৰোৰ চেম্পিয়ন হৈছিল। ইফালে, আত্মঘাটি গ'ল হজম তথা ৰঙা কাৰ্ড লাভ কৰা বেদনাৰে চলিত ১৬ সংখ্যক ইউৰো কাপ ফুটবল প্ৰতিযোগিতাত অভিযান আৰম্ভ কৰা পোলেণ্ডে প্ৰথম মেচত পৰাজয়ৰ সন্মুখীন হৈছে। ছেইণ্ট পীটাৰ্ছবাৰ্গত অনুষ্ঠিত গ্ৰুপ 'ই'ৰ মেচত পোলেণ্ড ১-২ গ'লত পৰাস্ত হয় শ্ল'ভাকিয়াৰ বিৰুদ্ধে। খেলৰ ১৮ মিনিটতে গ'লৰক্ষক ছজজেছনিৰ ভুলৰ বাবে আত্মঘাটি গ'ল হজম কৰে পোলেণ্ডে। বিৰতিলৈ শ্ল'ভাকিয়া ১-০ ত আগুৱাই থাকে যদিও ৪৬ মিনিটত পোলেণ্ডৰ লিনেটিয়ে গ'ল কৰি মেচত ১-১ ত সমতা স্থাপন কৰে। কিন্তু ৬২ মিনিটত পোলেণ্ডৰ ক্ৰিচ'ৱিকক ৰঙা কাৰ্ড দিয়াত দলে ১০ জনৰে খেলিব লগা হয়। ইয়াৰ সুযোগ লৈয়ে ৬৪ মিনিটত স্কিনিয়াৰে বিজয়সুচক গ'লটো কৰি শ্ল'ভাকিয়াক তিনি পইণ্ট সংগ্ৰহত গুৰুত্বপূৰ্ণ ভূমিকা লয়। উল্লেখ্য যে চলিত ইউৰো কাপত লেৱাড'স্কিৰ ওপৰতে নিৰ্ভৰ হ'ব পোলেণ্ডৰ সফলতা।



## অষ্টিয়াৰ বিৰুদ্ধে জয়ৰে প্ৰি-কোৱাৰ্টাৰ ফাইনেলত নেদাৰলেণ্ডছ

**আমষ্টাৰডাম, ১৮ জুন ঃ** পূৰ্বৰ চেম্পিয়ন নেদাৰলেণ্ডছে চলিত ইউৰো কাপ ফুটবল প্ৰতিযোগিতাত জয়েৰে নিজৰ অভিযান আৰম্ভ কৰাৰ পাছত যোৱানিশা গ্ৰুপৰ দ্বিতীয় মেচতো সফলতা লাভ কৰি নকআউট প্ৰি-কোৱাৰ্টাৰ ফাইনেললৈ যোগ্যতা অৰ্জন কৰে। উল্লেখ্য যে যোৱানিশা নেদাৰলেণ্ডছ মুখামুখি হয় অষ্টিয়াৰ। মেচখনত ২-০ গ'লৰ ব্যৱধানত জয়লাভ কৰে নেদাৰলেণ্ডছ। খেলৰ ১১ মিনিটত নেদাৰলেণ্ডছে এটা পেনাল্টি লাভ কৰে আৰু দিপেই সেয়া গ'ল কৰি দলক ১-০ ৰ অগ্ৰগতি দিয়ে। বিৰতিলৈ এই ব্যৱধানৰে আগুৱাই থাকে নেদাৰলেণ্ডছ। আনহাতে, দ্বিতীয়াৰ্ধত নেদাৰলেণ্ডছৰ হৈ দ্বিতীয়টো গ'ল দিয়ে ডেনজেলে (৬৭ মিনিট)। অৱশ্যে পৰাস্ত হ'লেও অন্তিম মেচ খেলিবলৈ বাকী থকা অষ্টিয়াৰ সুযোগ আছে। উল্লেখ্য যে ইয়াৰপূৰ্বে গ্ৰুপ 'চি'ৰ প্ৰথমখন মেচত ১৯৮৮ ৰ ইউৰো কাপৰ চেম্পিয়ন নেদাৰলেণ্ডছে ৩-২ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল ইউক্ৰেইনক। আনহাতে, অষ্টিয়া দলেও প্ৰথম মেচত জয়ী হৈছিল। বুচাৰেষ্টত হোৱা গ্ৰুপ 'চি'ৰ মেচত অষ্টিয়াই ৩-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল উত্তৰ মেছিড'নিয়াক। খেলৰ ১৮ মিনিটত অষ্টিয়াৰ হৈ প্ৰথমটো গ'ল কৰে লাইনাৰে। কিন্তু বিৰতিলৈ মেচৰ ফলাফল ১-১ হোৱাৰ পাছত ৭৮ মিনিটত অষ্টিয়াৰ হৈ দ্বিতীয়টো গ'ল কৰে গ্ৰেগ'ৰিটচে। আনহাতে, ৮৯ মিনিটত অষ্টিয়াৰ হৈ তৃতীয়টো গ'ল কৰে আৰ্ণাউট'ভিকে। ইফালে, ইউক্ৰেইনৰ বিৰুদ্ধে মেচখন খেলৰ ৮০ মিনিটলৈ কাৰ্য্যতঃ একপক্ষীয় আছিল আৰু নেদাৰলেণ্ডছৰ জয় তেনেই সহজ হৈছিল। কিন্তু অন্তিম ১০ মিনিটত ইউক্ৰেইনৰ চমকপ্ৰদ প্ৰত্যাৱৰ্তনে মেচত উত্তেজনা বৃদ্ধি কৰে। কিন্তু চাপ আৰু ৰোমাঞ্চৰ মাজত জয় নেদাৰলেণ্ডছৰে হয়।



# নগাঁৱত নিৰ্মীয়মাণ গড়কাপ্তানী পথত ছিৰাল ফাঁট



## নিম্নমানৰ কামত অসন্তুষ্ট ৰাইজৰ ক্ষোভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৮ জুন ঃ** ঠিকাদাৰৰ নিম্নমানৰ কামৰ বাবেই নিৰ্মীয়মান অৱস্থাতে এটা গুৰুত্বপূৰ্ণ গড়কাপ্তানী পথত মেলিছে চিৰাল ফাঁট। প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন চৰকাৰৰ কাৰ্যকালতে আৰম্ভ কৰি বৰ্তমানেও কাম সম্পূৰ্ণ নোহোৱা নগাঁও জিলাৰ বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত বামুনীৰ পৰা চাপানালা হৈ লুংচুং সংযোগী পকী পথটোত বিগত কেইবাদিন ধৰি এফালৰ পৰা বৃহৎ ফাঁট মেলা সত্বেও এই পৰ্যন্ত মেৰামতিৰ কোনো পদক্ষেপ গ্ৰহণ কৰা নাই। এই পথটোৰ বৰবাৰী অঞ্চলৰ বৰবাৰী গাঁও পঞ্চায়ত কাৰ্যালয়ৰ কাষতে থকা এখন পকী দলঙৰ দুয়োপাৰে ফাঁট মেলাৰ ফলত সম্প্ৰতি পথটোৰে যাতায়াতৰ ক্ষেত্ৰত দুশ্চিন্তাত পৰিছে জনসাধাৰণ। ১০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মীয়মান এই পথটোৰ ফাঁট মেলা অংশত ইতিমধ্যে দুই, এটা সৰু-সুৰা দুৰ্ঘটনা সংঘটিত হৈছে যদিও অচিৰেই এক ভয়ংকৰ দুৰ্ঘটনা সংঘটিত হোৱাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। এই সম্পৰ্কত পথ নিৰ্মাণকাৰী সংস্থাটোৰ এজন কৰ্মচাৰীৰ পৰা প্ৰতিক্ৰিয়া জানিবলৈ বিচৰাত তেওঁ কয় যে পথটোৰ সেই অংশ এতিয়া নিৰ্মাণ কৰিব পৰা নাযাব। আনকি গড়কাপ্তনি বিভাগৰ বিষয়া-অভিযন্তাই এই ক্ষেত্ৰত কোনো গুৰুত্ব নিদিয়াৰ অভিযোগো উঠিছে। যাৰ বাবে স্থানীয় ৰাইজক ক্ষোভিত কৰি তুলিছে। এতিয়া প্ৰশ্ন হৈছে, শূন্য সহণশীলতাৰ কথা কোৱা বিজেপি নেতৃত্বাধীন চৰকাৰখনে এইদৰে নিম্নমানৰ কাম কৰি জনসাধাৰণৰ লগত হেতালি খেলা ঠিকাদাৰৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবনে? নে সৰ্বসাধাৰণ ৰাইজে ইয়াৰ কুফল ভোগ কৰিব লাগিব।



## কৰ'না মহামাৰীৰ সজাগতা সৃষ্টিৰ প্ৰয়াস পুৰণিগুদামৰ চিত্ৰশিল্পী মহেন্দ্ৰ বৰাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৮ জুন ঃ** কৰ'না মহামাৰীৰ ভয়াৱহতাৰ সময়তে নগাঁও জিলাৰ পুৰণিগুদাম কাষৰিগাঁৱৰ এজন ৭০ উৰ্দ্ধৰ চিত্ৰশিল্পীয়ে দেখুৱাইছে এক উল্লেখনীয় নিদৰ্শন। চাৰিওফালে ক'ভিডৰ ভয়াৱহতা আৰু ইয়াৰ মাজতেই মহেন্দ্ৰ বৰা নামৰ বৃদ্ধশিল্পীজনে হাতত ৰং-তুলিকা লৈ ৰাজহুৱা স্থানত অংকন কৰিছে ক'ভিড সন্দৰ্ভত সজাগতামূলক বহুবোৰ বাণী। সম্পূৰ্ণ খৰচ নিজাববীয়াকৈ বহন কৰি চিত্ৰশিল্পীগৰাকীয়ে প্ৰথম অৱস্থাত কাষৰিগাঁও মজলীয়া বিদ্যালয় প্ৰাংগণৰ দেৱালত অংকন কৰাৰ পাছতেই এইবাৰ পুৰণিগুদাম ৰাজ্যিক চিকিৎসালয়ৰ দেৱালত ক'ভিড মহামাৰীৰ ভয়াৱহতাৰ বাণী অংকন কৰিছে। ইয়াৰ জৰিয়তে শিল্পীগৰাকীয়ে এই জটিল সন্ধিক্ষণত ৰাইজে চৰকাৰ তথা স্বাস্থ্য বিভাগে জাৰি কৰা ক'ভিড সংক্ৰান্তিয় সকলো নীতি-নিৰ্দেশনা আখৰে-আখৰে পালন কৰি মাস্ক পৰিধান কৰাৰ লগতে সামাজিক দূৰত্ব প্ৰতিমুহূৰ্ততে বজাই ৰাখিবলৈ আহ্বান জনাইছে। বয়সীয়াল শিল্পীজনে আগবঢ়োৱা এনে ইতিবাচক পদক্ষেপে এতিয়া বৃহত্তৰ পুৰণিগুদাম অঞ্চলৰ সকলোৰে দৃষ্টি আকৰ্ষিত কৰিবলৈ সক্ষম হৈছে।

## বকোত পত্নীৰ প্ৰহাৰত পতি নিহত, হত্যাকাণ্ডৰ ঘটনা ফাদিল গাঁওবুঢ়াই আদালত

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ১৮ জুন ঃ** এগৰাকী তিনি পত্নীৰ পতিক তৃতীয় পত্নীয়ে উপৰ্যুপৰি প্ৰহাৰ কৰি হত্যা কৰা খবৰে কামৰূপ জিলাৰ বকোৰ নাৰেঙাপাৰাত সৃষ্টি কৰিছে তীব্ৰ চাঞ্চল্য। প্ৰাপ্ত তথ্য মতে বকো ৰাজহ চক্ৰৰ অন্তৰ্গত বকো আৰক্ষী থানা এলেকাৰ নাৰেঙাপাৰাত সংঘটিত হৈছে এই লোমহৰ্ষক হত্যাকাণ্ডৰ ঘটনা। এই ঘটনাত গাঁওখনৰ চৰকাৰী গাঁও বুঢ়াই বিশেষ ভূমিকা গ্ৰহণ কৰি চৰকাৰী নীতি নিৰ্দেশনাক উপলুঙা কৰি স্বয়ম্ভু আদালত হোৱা অভিযোগ উত্থাপিত হৈছে। ঘটনাৰ পাকচক্ৰ অনুসৰি বকোৰ নাৰেঙাপাৰাৰ বাসিন্দা বিলাছ বসুমতাৰীক (৮৪) নিজৰ তৃতীয় পত্নী সবিতা দাসে পাৰিবাৰিক কন্দল সূত্ৰে যোৱা মঙ্গলবাৰে আবেলি প্ৰায় ৪ বজাত উপৰ্যুপৰি প্ৰহাৰ কৰাত শেষ নিশ্বাস ত্যাগ কৰে। এই হত্যাকাণ্ডৰ ঘটনা ফাদিল হোৱাত নাৰেঙাপাৰা ৰাইজ গয়ৰহৰ চৰকাৰী গাঁওবুঢ়া উপেন দাসক বিষয়টো অৱগত কৰা হয় আৰু গাঁওবুঢ়াই বকো আৰক্ষী থানাত জনোৱা বুলি ৰাইজক অৱগত কৰে। কিন্তু হত্যাকাণ্ডৰ দৰে ঘটনা এটি প্ৰশাসনৰ তদন্ত অথবা দণ্ডাধিকাৰী নোহোৱাকৈ তথা পোষ্ট মৰ্টেম নকৰাকৈ গাঁওৰ ৰাইজৰ সহযোগ নোহোৱাকৈ মৃতদেহ সৎকাৰ কৰাত নাৰেঙাপাৰা ৰাইজ জাঙুৰ খাই উঠিছে। এই বিষয়ে হত্যাকাণ্ডৰ ঘটনাটো তদন্ত কিয় নহ'ল, মৃতকৰ গৃহত আৰক্ষীৰ লোক কিয় উপস্থিত নহ'ল, পোষ্ট মৰ্টেম নকৰাকৈ কিয় আৰু কাৰ নিৰ্দেশত মৃতদেহ সৎকাৰ কৰা হ'ল এনে বিষয়বোৰ আলোচনা কৰিবলৈ যোৱা নিশা আয়োজন কৰে ৰাইজমেল। এই ৰাইজমেলত ৰাইজে ঘটনাৰ বিষয়ে গাঁওবুঢ়াক প্ৰশ্নৰ উপৰি প্ৰশ্ন কৰাত গাঁওবুঢ়াই নিৰুত্তৰ হৈ পৰে। ইফালে চৰকাৰী গাঁওবুঢ়াই স্বয়ম্ভু আদালত হোৱাত নাৰেঙাপাৰা ৰাইজ উত্তেজিত হৈ পৰিছে। বিষয়টোত প্ৰশাসনৰ কৰ্তৃপক্ষক গুৰুত্ব আৰোপ কৰিবলৈ ৰাইজে আহ্বান জনাইছে।

## বাক্সাৰ ৩ দুৰ্ভগীয়া সন্তানৰ পঢ়াৰ দায়িত্ব ল'লে আছুই

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ১৮ জুন ঃ** বাক্সাৰ শিংৰাপাৰা গাঁৱৰ তিনিগৰাকী দুৰ্ভগীয়া সন্তানক সহায়ৰ হাত আগবঢ়াবলৈ আগুৱাই আহিল সদৌ অসম ছাত্ৰ সন্থা। তিনি সন্তানৰ পঢ়া-শুনাৰ দায়িত্ব গ্ৰহণ কৰিব ছাত্ৰ সন্থাই। উল্লেখ্য যে শিংৰাপাৰা গাঁৱৰ দুৰ্ভগীয়া তিনি সন্তানে পাঁচ মাহৰ ভিতৰত অগা-পিচাকৈ হেৰুৱাইছিল নিজ পিতৃ- মাতৃক। পাঁচ মাহ পূৰ্বে সন্তান তিনিগৰাকীৰ মাতৃ কেঞ্চাৰ ৰোগত আক্ৰান্ত হৈ মৃত্যুমুখত পৰাৰ শোকৰ বেদনা পাৰ নৌহওঁতেই পিতৃও হৃদৰোগত আক্ৰান্ত হৈ মৃত্যুমুখত পৰিছিল। একমাত্ৰ আইতাকগৰাকীও আক্ৰান্ত দুৰাৰোগ্য কেঞ্চাৰ ৰোগত। যাৰ বাবে নিঃসহায় হৈ পৰিছিল বাক্সাৰ শিংৰাপাৰা গাঁৱৰ এই তিনি সন্তান ক্ৰমে ভাগ্যশ্ৰী দত্ত, সীমাশ্ৰী দত্ত আৰু সৌৰভ দত্ত। পিতৃ-মাতৃৰ আকস্মিক বিয়োগত তিনিওগৰাকীৰ ভৱিষ্যৎ জীৱনলৈ ঘোৰ অন্ধকাৰ নামি আহিছিল। কিয়নো পিতৃৰ উপাৰ্জনেৰে পৰিয়ালটো চলিছিল। ফলত পিতৃ চাণক্য দত্তৰো আকস্মিক মৃত্যুত দিশহাৰা হৈ পৰে দুৰ্ভগীয়া দুই কন্যা আৰু একমাত্ৰ পুত্ৰ। এই সন্দৰ্ভত বিভিন্ন সংবাদ মাধ্যমত বাতৰি প্ৰচাৰ কৰাত সন্তান তিনিগৰাকীৰ কাষ চাপিছিল বিভিন্ন দল-সংগঠন। আজি সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক ৰিয়াজুদ্দিন আহমেদে বাক্সা জিলা ছাত্ৰ সন্থা আৰু বাক্সা আঞ্চলিক ছাত্ৰ সন্থাৰ নেতৃবৃন্দৰ সৈতে শিংৰাপাৰাৰ দুৰ্ভগীয়া পৰিয়ালটোৰ বাসগৃহত উপস্থিত হয়। ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদকগৰাকীয়ে দুৰ্ভগীয়া সন্তান তিনিটাৰ খা- খবৰ লৈ সম্পূৰ্ণ পঢ়া-শুনাৰ খৰচৰ উপৰিও বিভিন্ন সময়ত সহায়ৰ হাত আগবঢ়াম বুলি আশ্বাস প্ৰদান কৰে। তেওঁ জানিব দিয়া মতে বিভিন্ন সংবাদ মাধ্যমত ঘাটমাউৰা তিনি সন্তানৰ বিষয়ে জানিব পাৰি আজি জিলা ছাত্ৰ সন্থাৰ সৈতে পৰিয়ালটোত উপস্থিত হয়। বিশেষকৈ পিতৃ- মাতৃ অবিহনে ল'ৰা- ছোৱালী তিনিটাই পঢ়া-শুনা কিদৰে আগুৱাই নিব সেই বিষয়ে চিন্তা-চৰ্চা কৰা হৈছে বুলি জানিব দিয়ে ৰিয়াজুদ্দিন আহমেদে। অৱশ্যে আছুৰ কেন্দ্ৰীয় নেতাগৰাকীয়ে দুৰ্ভগীয়া পৰিয়ালটোৰ বিষয়ে সংবাদ মাধ্যমত প্ৰচাৰ হোৱাৰ পিচতো আজিলৈকে প্ৰশাসনে এবাৰো খবৰ নোলোৱাতো দুৰ্ভাগ্যজনক আখ্যা দিয়ে।

## ব্যাপক হাৰত টিকাকৰণ কাৰ্যসূচী চলিছে বিশ্বনাথ জিলাত

# আগশাৰীৰ কৰ্মী আৰু ক'ভিডত সহজে আক্ৰান্ত হ'ব পৰা ব্যক্তিক দিয়া হৈছে প্ৰাধান্য

**দৈনন্দিন বাৰ্তা বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি,** ১৮ জুন কোভিড মহামাৰীৰ সৈতে যুঁজ কৰা আগশাৰীৰ কৰ্মীসকল আৰু কোভিড ১৯ত সহজে আক্ৰান্ত হ'ব পৰা ব্যক্তিসকলক টিকাকৰণৰ ক্ষেত্ৰত যাতে প্ৰাধাণ্য দিয়া হয় সেইটো সুনিশ্চিত কৰিবৰ বাবে বিশ্বনাথ জিলা প্ৰশাসনে টিকাকৰণ প্ৰক্ৰিয়া ক্ষিপ্ৰ কৰি তুলিছে আৰু তেওঁলোকৰ বাবে নিয়মীয়া টিকাকৰণ শিৱিৰৰ আয়োজন কৰি আহিছে। সকলো স্বাস্থ্যকৰ্মী আৰু আৰক্ষীৰ লোকসকলক টিকাকৰণ প্ৰদান সম্পূৰ্ণ কৰাৰ পাছত বৰ্তমান প্ৰশাসনে জেষ্ঠ্য নাগৰিক, অঙ্গনৱাদী কৰ্মী, অঙ্গনৱাদী সহায়িকা, দিব্যাঙ্গ ব্যক্তি, চাহ বাগিছাৰ কৰ্মী, পেট্ৰোল পাম্পৰ কৰ্মচাৰী, ঔষধালয়ৰ কৰ্মচাৰী, ই-বাণিজ্যৰ সৈতে জড়িত কৰ্মচাৰী, গেছ এজেন্সীৰ কৰ্মচাৰী আদিক টিকাকৰণ কৰাৰ ক্ষেত্ৰত বিশেষ প্ৰাধাণ্য দিছে। শেহতীয়াকৈ, জিলা উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মাৰ ব্যক্তিগত তত্ত্বাৱধাণত কাৰাগাৰৰ কয়দী আৰু বৃদ্ধাশ্ৰমৰ বাসিন্দাসকলৰ বাবে টিকাকৰণ শিৱিৰৰ আয়োজন কৰা হয়। তদুপৰি, বয়সস্থ লোক আৰু গুৰুতৰভাৱে ৰোগাক্ৰান্তলোকক নিজাগৃহতে যাতে টিকাকৰণৰ ব্যৱস্থা কৰিব পৰা যায়, তাৰ বাবে জিলা প্ৰশাসনে ভ্ৰাম্যমান টিকাকৰণৰ ব্যৱস্থা কৰিবৰ বাবে পৰিকল্পনা কৰি আছে। কোভিড ৰোগাক্ৰান্ত এলেকাসমূহত 'ঘৰৰ ওচৰৰ প্ৰতিষেধক কেন্দ্ৰ' স্থাপনৰ বাবেও আচঁনি যুগুতোৱা হৈছে। অতিৰিক্ত উপায়ুক্ত তথা টিকাকৰণৰ ভাৰপ্ৰাপ্ত বিষয়া সুৰ্য কমল বৰাই প্ৰকাশ কৰা মতে জনসাধাৰণৰ সৈতে প্ৰত্যক্ষ সংস্পৰ্শলৈ অহা লোকসকলক টিকাকৰণৰ ক্ষেত্ৰত প্ৰাধাণ্য দিয়াৰ ব্যৱস্থা কৰা হৈছে। 'এই লোকসকলৰ বাবে টিকাকৰণ কেন্দ্ৰলৈ গৈ টিকাগ্ৰহণ কৰাটো সম্ভৱ নহ'ব পাৰে, সেয়েহে তেওঁলোকৰ বাবে বিশেষ টিকাকৰণ অভিযান চলোৱা হৈছে য'ত গৈ টিকা লোৱাটো তেওঁলোকৰ বাবে বাধ্যতামূলক কৰা হৈছে', বৰাই প্ৰকাশ কৰে। তেখেতে লগতে জনায় যে গৃহহীন ব্যক্তি, শিশু যতন কেন্দ্ৰৰ কৰ্মী আৰু কোভিড ৰোগাক্ৰান্ত এলেকাসমূহৰ আশে-পাশে থকা লোকক প্ৰতিষেধকৰ ক্ষেত্ৰত প্ৰাধাণ্য দিয়া হৈছে। সহকাৰী আয়ুক্ত কঙ্কণা শইকীয়াই প্ৰকাশ কৰা মতে, জিলাখনত বৰ্তমানলৈকে ১,০৩,৭৩৮ জন লোকক কোভিডৰ টিকা প্ৰদান কৰা হৈছে। ইয়াৰে ভিতৰত, ষাঠিৰ উৰ্দ্ধৰ ব্যক্তিক ১৭,৯৮৮ পালি টিকা, ৪৫ৰ পৰা ৬০ বছৰ বয়সৰ লোকক ৪৪,৫৭৩ পালি টিকা আৰু ১৮ৰ পৰা ৪৪ বছৰ বয়সৰ লোকক ২২,৫৫৭ পালি টিকা দিয়া হৈছে। ইয়াৰ উপৰিও সাতটা সংহত শিশু উন্নয়ন সেৱা খণ্ড চিনাক্ত কৰা হৈছে য'ত কেৱল অঙ্গনৱাদী কৰ্মী আৰু সহায়িকাক টিকাপ্ৰদান কৰা হৈছে। জিলা প্ৰশাসনে মোবাইল ফোনৰ জৰিয়তে কোভাচিন টিকাৰ দ্বিতীয় পালি ল'বলগীয়া সকললৈ বাৰ্তা প্ৰেৰণ কৰি খবৰ দিয়াৰো ব্যৱস্থা কৰিছে। ড: বৰাই প্ৰকাশ কৰে যে দুই এদিনতে সকলো হিতাধিকাৰীকে কোভাচিন দ্বিতীয় পালি প্ৰতিষেধক প্ৰদানৰ কাৰ্যাসূচী সৰ্ম্পূৰ্ণ কৰা হ'ব।



## মানকাচৰত মাৰোৱাৰী যুৱ মঞ্চ শিখৰ উদ্যোগত ক'ভিড ভেকচিন প্ৰদান

## ভেকচিন লোৱাসকলক ফুলাম গামোচা, বিনামূলীয়া ৰেচন প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, মানকাচৰ, ১৮ জুন ঃ** দক্ষিণ শালমাৰা-মানকাচৰ জিলাখন ভাৰতবৰ্ষৰ জিলাসমূহৰ ভিতৰতে ক'ভিড ভেকচিন তালিকাত ৩.২ শতাংশ লোকে ভেকচিন লৈ তালিকাৰ সৰ্বনিম্ন স্থান লাভ কৰে। জিলা উপায়ুক্ত আই এ এছ বিষয়া এন এইচ গৌতমে জিলাখনৰ এনে সৰ্বনিম্ন স্থানৰ প্ৰতি লক্ষ্য ৰাখি বিশেষভাৱে তৎপৰ হৈ পৰিছে। উপায়ুক্তগৰাকীয়ে জিলাখনৰ বিভিন্ন স্বেচ্ছাসেৱী সংগঠনসমূহক মাতি আনি ৰাইজৰ মাজত ভেকচিন ল'বলৈ সজাগতা বৃদ্ধিৰ কৰিবলৈ আহ্বান জনায়। ইয়াৰ লগত সংগতি ৰাখি মানকাচৰত আজি জে এম উচ্চতৰ মাধ্যমিক বিদ্যালয়ত নতুনকৈ আজিৰে পৰা মানকাচৰ মাৰোৱাৰী যুৱ মঞ্চ শিখৰ উদ্যোগত এক ভেকচিন প্ৰদান শিবিৰ আয়োজন কৰে। শিবিৰটো উদ্বোধন কৰে কাকৰীপাৰা জিলা পৰিষদ সদস্যা হাছিনা ইছলাম, উপস্থিত থাকে অতিৰিক্ত উপায়ুক্ত ধ্ৰুৱজ্যোতি দাস, জিলা ইমুনাইজেচন বিষয়া ডাঃ ছিৰাজুল ইছলামকে ধৰি ভালেমান বিষয়া আৰু মাৰোৱাৰী যুৱ মঞ্চ শিখৰ বিষয়াববীয়াসকল। ৰাইজক ভেকচিন লোৱাৰ প্ৰতি আকৰ্ষিত কৰিবলৈ ভেকচিন ল'বলৈ অহা লোকসকলক মাৰোৱাৰী যুৱ মঞ্চৰ শিখৰৰ তৰফৰ পৰা দুই কিলোগ্ৰাম কৈ চাউল এখনকৈ ফুলাম গামোচা প্ৰদান কৰে। অনুষ্টপীয়াকৈ অনুষ্ঠিত হোৱা সভাখনত অতিৰিক্ত উপায়ুক্ত, ইমুনাইজেচন বিষয়া, জিলা পৰিষদৰ সদস্যাই ভাষণ প্ৰদান কৰি ৰাইজক ভেকচিন ল'বলৈ আহ্বান জনোৱাৰ লগতে ভূৱা বাতৰিৰ প্ৰতি ভোল নাযাবলৈ আহ্বান জনায়।

## নগাঁৱত কণ্টেইনমেন জ'নৰ পৰিয়ালৰ সা-সুবিধাৰ বুজ ল'লে বিধায়ক ৰূপক শৰ্মাই

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৮ জুন ঃ** নগাঁও সদৰ সমষ্টিৰ অন্তৰ্গত ডাকৰঘাট গাঁও পঞ্চায়তৰ অধীনৰ ফেটাচুক অঞ্চলৰ কণ্টেইনমেণ্ট জ'নত থকা পৰিয়ালসমূহৰ কাষত আজি উপস্থিত হৈ নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই তেওঁলোকৰ লগত মত-বিনিময় কৰাৰ লগতে সা-সুবিধা আৰু স্বাস্থ্যৰ বুজ লয়। আনহাতে নগাঁও চহৰৰ আমোলাপট্টিস্থিত সঙ্গিন সংঘৰ কাৰ্যালয়ত অনুষ্ঠিত ক'ভিডৰ ভেকচিন শিবিৰত উপস্থিত হৈ বিধায়ক শৰ্মাই ভেকচিন



প্ৰদান কাৰ্যসূচী পৰ্যবেক্ষণ কৰে। বিধায়ক শৰ্মাই এনেধৰণৰ জনকল্যানমূলক কাৰ্যসূচী আয়োজনৰ ক্ষেত্ৰত আগবঢ়োৱা সহযোগিতাৰ বাবে সঙ্গিন সংঘৰ শলাগ লয়। আনহাতে ক'ভিডৰ এই জটিল ক্ষণত নগাঁৱৰ বহু অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে বিভিন্ন ব্যক্তিয়ে ভেকচিন শিৱিৰ, ক'ভিড টেষ্ট শিবিৰকে ধৰি ক'ভিড ৰোগীৰ শুশ্ৰূষা আৰু সাহাৰ্য আদিৰ ক্ষেত্ৰত বিভিন্ন ধৰণে সহযোগিতা আগবঢ়াই অহাৰ বাবে সংশ্লিষ্ট ব্যক্তি আৰু প্ৰতিষ্ঠানসমূহক বিধায়কগৰাকীয়ে কৃতজ্ঞতা জ্ঞাপন কৰে। পৰৱৰ্তী সময়ত আন আন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তিসকলক পাৰ্যমানে এনেধৰণৰ জনকল্যানমূলক সেৱা আগবঢ়াই জনসাধাৰণক কৃতাৰ্থ কৰিবৰ বাবে বিধায়ক শৰ্মাই আহ্বান জনায়।

## ব্ৰহ্মপুত্ৰৰ ওপৰত পলাশবাৰী আৰু শুৱালকুছিৰ মাজত চাৰিলেনযুক্ত দলং নিৰ্মাণ

## মুখ্যমন্ত্ৰীৰ ঘোষণাক পশ্চিম গুৱাহাটী-পলাশবাৰীৰ বিধায়কৰ আদৰণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ১৮ জুন ঃ** গুৱাহাটী মহানগৰীৰ পৰা কিছু নিলগৰ দক্ষিণ কামৰূপৰ এসময়ৰ বাণিজ্যিক চহৰ পলাশবাৰী আৰু অসমৰ মানচেষ্টাৰ স্বৰূপ উত্তৰ কামৰূপৰ শুৱালকুছিৰ মাজত ব্ৰহ্মপুত্ৰৰ ওপৰত অতি শীঘ্ৰে এখন চাৰিলেনযুক্ত দলং নিৰ্মাণ কৰা হ'ব বুলি শেহতীয়াভাৱে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যি ঘোষণা কৰিছে তাক আদৰণি জনাইছে পশ্চিম গুৱাহাটী আৰু পলাশবাৰী সমষ্টিৰ বিধায়কদ্বয় ৰমেন্দ্ৰ নাৰায়ণ কলিতা আৰু হেমাংগ ঠাকুৰীয়াই। এই সন্দৰ্ভত বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই কয় পশ্চিম গুৱাহাটী সমষ্টিৰ গাতে লাগি আছে পলাশবাৰী অঞ্চল। গতিকে দুয়োপাৰ সংযোগ কৰি দলং নিৰ্মিত কৰিলে পলাশবাৰীৰ লগতে গাতে লাগি থকা পশ্চিম গুৱাহাটীৰ মাজিৰগাঁও গাঁও পঞ্চায়ত এলেকাকে ধৰি কাষৰীয়া অঞ্চলসমূহতো ইয়াৰ ইতিবাচক প্ৰভাৱ পৰিব। আনকি ব্যৱসায়- বাণিজ্যৰ ক্ষেত্ৰখনৰ উন্নয়ন সাধন হোৱাৰ লগতে যাতায়ত ব্যৱস্থাও সুচল হৈ পৰিব বুলি ব্যক্ত কৰি মুখ্যমন্ত্ৰীৰ ঘোষণাক এক সুদূৰপ্ৰসাৰী বুলি কলিতাই ব্যক্ত কৰে। তেনেদৰে বিধায়ক হেমাংগ ঠাকুৰীয়াই কয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমক দেশৰ পাঁচখন শ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰত স্থান পোৱাৰ লক্ষ্যৰে যাতায়ত ব্যৱস্থাকে ধৰি আন আন ক্ষেত্ৰ সমূহৰ উন্নয়ন সাধনৰ বাবে দিনে নিশাই কাম কৰি আহিছে। এক ঐতিহাসিক সম্পৰ্কৰে বিজড়িত ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে থকা দুখন নিজস্ব বৈশিষ্ট্য থকা সৰু বণিজ্যিক চহৰ দুখনক সংযোগ কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে দলং নিৰ্মাণ হ'ব বুলি কৰা ঘোষণাক মই স্থানীয় বিধায়ক হিচাপে অতি আনন্দিত হৈছোঁ। ইফালে দলং নিৰ্মাণ হলে কেৱল পলাশবাৰীয়ে নহয় দুয়োটা পাৰৰে এক বৃহৎ অঞ্চলৰ উন্নয়নে এক নতুন মাত্ৰা লাভ কৰিব। বিজেপি দল আৰু চৰকাৰে সদায় ৰাজনীতিৰ উৰ্ধত উন্নয়নৰ কাম কৰি আহিছে আৰু মুখ্যমন্ত্ৰীৰ এই ঘোষণাই তাকেই প্ৰতীয়মান কৰিছে বুলি বিধায়ক হেমাংগ ঠাকুৰীয়াই সদৰি কৰে। উল্লেখ্য, মুখ্যমন্ত্ৰীয়ে অসমমালা আঁচনিৰ অধীনত নিৰ্মাণ হ'বলগীয়া চাৰিলেনযুক্ত দলংখনৰ এলাইণ্টমেণ্ট চূড়ান্ত কৰিবলৈ লোকনিৰ্মাণ বিভাগক দুমাহ সময় নিৰ্দিষ্ট কৰি দিছে। ২০২০ বৰ্ষৰ বাজেট অধিৱেশনৰ সময়তে তেতিয়া বিত্ত আৰু লোকনিৰ্মাণ বিভাগৰ দায়িত্বত থকা মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পলাশবাৰী আৰু শুৱালকুছিৰ মাজত ব্ৰহ্মপুত্ৰৰ ওপৰত চাৰিলেনযুক্ত দলং নিৰ্মাণ কৰা হ'ব বুলি ঘোষণা কৰিছিল। জানিব পৰা মতে বিগত মাৰ্চ মাহৰ শেষৰফালে লোকনিৰ্মাণ বিভাগৰ অভিযন্তাৰ দলে দ্ৰোণৰ সহায়ত পলাশবাৰীত কোনখিনিত দলংখন সংযোগ হ'ব তাৰ জৰীপ চলাইছিল। জৰীপৰ সময়ত হুদুমপুৰৰ পৰা দখলা সংযোগী মথাউৰিত কেবাবাৰো দ্ৰোণৰ সহায়ত আলোকচিত্ৰ গ্ৰহণ কৰা হয়।




শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯
■ মুখ্য সম্পাদক ঃ নৰেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া
■ সম্পাদক ঃ শংকৰ গোহাঞি

### ডিমৌ শুকানপুখুৰী গাঁও পঞ্চায়তত চৰকাৰী ধন ব্যৱহাৰত চূড়ান্ত অনিয়ম

# নিৰ্মাণৰ তিনি মাহৰ পিছতে খহি পৰিল নিম্নমানৰ পকী নলা



## তদন্তৰ দাবী পঞ্চায়তৰ ৰাইজৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ১৮ জুন ঃ** শিৱসাগৰ জিলাৰ ডিমৌ খণ্ড উন্নয়ন বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত শুকানপুখুৰী গাঁও পঞ্চায়তত আঁচনি ৰূপায়ণৰ নামত সচিব, সভানেত্ৰীয়ে দুৰ্নীতিৰ আশ্ৰয় লোৱাৰ গুৰুতৰ অভিযোগ কৰিছে পঞ্চায়তবাসীয়ে। ডিমৌৰ কাষৰীয়া শুকানপুখুৰী গাঁও পঞ্চায়ত প্ৰতিনিধি আৰু পঞ্চায়ত সচিবে বিভিন্ন সময়ত পঞ্চায়তত ৰূপায়ণ কৰিবলৈ অহা আঁচনিসমূহত ব্যাপক অনিয়ম কৰি অহাত ৰাইজে বিভিন্ন সময়ত ক্ষোভ প্ৰকাশ ডিমৌ উন্নয়ন খণ্ডত অভিযোগো প্ৰদান কৰি আহিছে। এই পঞ্চায়তত চৰকাৰে প্ৰদান কৰা বিভিন্ন শিতানৰ আঁচনিসমূহ পঞ্চায়ত প্ৰতিনিধিয়ে নিজৰ খেয়াল খুচি মতে ব্যৱহাৰ কৰি ধন আত্মসাৎ কৰাৰো গুৰুতৰ অভিযোগ কৰিছে স্থানীয় ৰাইজ তথা পঞ্চায়তবাসীয়ে। শুকান পুখুৰী গাঁও পঞ্চায়তৰ সভানেত্ৰী কৃপা গগৈয়ে শুকান পঞ্চায়ত কাৰ্যালয়ৰ সন্মুখৰ সদাগড় ঐতিহাসিক নিতাই বৰবৰুৱাৰ পথৰ পৰা মাত্ৰ এক ফুট আঁতৰত বিধানসভা নিৰ্বাচনৰ পূৰ্বে চতুৰ্দশ বিত্তীয় আয়োগৰ বৃহৎ পৰিমাণৰ ধনেৰে এটা পকী নলা নিৰ্মাণ কৰি স্থানীয় ৰাইজক আগত চমক সৃষ্টি কৰিছিল। কিন্তু ভৰ বাৰিষা অহাৰ পূৰ্বে ভাঙি পৰিল উক্ত পকী নলাটো। ১৭ জুনত নিতাই বৰবৰুৱাৰ পথেৰে গৈ থকা এখন গাড়ীয়ে আন এখন গাড়ীক অতিক্ৰম কৰাৰ সময়তে অতিকৈ নিম্নমানৰ পকী নলাটোৰ কাষেৰে পাৰ হ'ব খোজোঁতেই বগলা বগলে ভাঙি পৰিল লাখ টকীয়া পকী নলাটো। ইয়াৰ পিছতে ওলাই পৰিল পঞ্চায়তত ৰূপায়ণ কৰা উন্নয়নৰ প্ৰকৃত স্বৰূপ। কিয়নো অতি নিম্নমানৰ সামগ্ৰী ব্যৱহাৰ কৰি নিৰ্মাণ কৰা নলাটোৰ দুই পাৰৰ মাত্ৰ এক পাৰহে ইটাৰে গঠা আছে তাকো নিম্ন মানদণ্ডৰ ইটা বুলি ৰাইজে অভিযোগ কৰিছে। পঞ্চায়ত সভানেত্ৰী আৰু সচিবগৰাকীয়ে এই নলাটো চৰকাৰৰ কোনখন আঁচনিত অন্তৰ্ভুক্ত কৰিছে কিমান টকা ব্যৱহাৰ কৰিছে, তাৰ কোনোধৰণৰ ফলক আঁৰি নিদিয়াকৈয়ে নিজৰ খেয়াল খুচি মতে উক্ত কাম সম্পন্ন কৰি চৰকাৰী ধন আত্মসাৎ কৰাৰো অভিযোগ তুলিছে স্থানীয় ৰাইজে। জানিব পৰা মতে এই কামৰ সমুদায় ধন ইতিমধ্যে মুকলি কৰি নিয়া হ'ল বুলি প্ৰকাশ কৰিছে এক সূত্ৰই। ইয়াৰ উপৰিও এইগৰাকী সভানেত্ৰীয়ে চৰকাৰৰ বিভিন্ন আঁচনিসমূহৰ পৰা জনসাধাৰণক অন্ধকাৰত ৰাখি ধনৰ অপব্যৱহাৰ কৰাৰো গুৰুতৰ অভিযোগ উঠাত ৰাইজে বিভাগীয় কৰ্তৃপক্ষই সভানেত্ৰী আৰু এই কামত সহযোগ কৰা সচিবৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈও বিভাগীয় কৰ্তৃপক্ষক দাবী জনায়। আনহাতে লোক নিৰ্মাণ বিভাগৰ নিয়ম অনুসৰি তেওঁলোকৰ অধীনৰ পথৰ দাঁতিত যিকোনো কাম কৰিবলৈ হ'লে বিভাগটোৰ অনুমতি ল'ব লাগে। বিভাগটোৱে অনুমতি দিলেও পথৰ পৰা তিনি মিটাৰ আঁতৰত কোনো মেচিন ব্যৱহাৰ নকৰাকৈ গাঁত খান্দিব লাগে কিন্তু কেৱল টকা আত্মসাৎ কৰাৰ মনোবৃত্তিৰে নলা নিৰ্মাণ কৰাত কিছুদিন পূৰ্বে নিতাই বৰবৰুৱা পথৰ চিগনেচৰ ১০ কোটি পুঁজিৰে নিৰ্মাণ কৰা পথৰ আয়ুস কমাই গাঁত খান্দি নলা নিৰ্মাণ কৰাত বিভাগটো জাতুৰ খাই উঠিছে। ইতিমধ্যে ডিমৌৰ লোক নিৰ্মাণ বিভাগৰ কাৰ্যালয়ত এই বিষয়টোৰ সন্দৰ্ভত অৱগত কৰিছে আৰু এই ঐতিহাসিক পথ খান্দি এনেদৰে নিম্নমানৰ কাম কৰিবলৈ কাৰ পৰা অনুমতি ল'লে সেই বিষয়ে স্পষ্ট কৰিবলৈ শুকানপুখুৰী পঞ্চায়তৰ সভাপতি, সচিবগৰাকীক দাবী জনাইছে।




*চিকিৎসক তথা আগশাৰীৰ ক'ভিড যোদ্ধাৰ নিৰাপত্তা নিশ্চিত কৰাৰ দাবীত ইণ্ডিয়ান মেডিকেল এছ'চিয়েশ্বনে জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাই আগৰতলাত চিকিৎসকৰ প্ৰতিবাদ, শুকুৰবাৰে*

### ৰাজ্য চৰকাৰৰ এছঅ'পিৰ দুদিনৰ পাছতে চৰাইদেউ জিলা প্ৰশাসনৰ নতুন নিৰ্দেশনা

# চৰাইদেউৰ চেপন আৰু মৰাণ অংশৰ সকলো দোকান দিনৰ ১২ বজাৰ লগে লগেই বন্ধৰ নিৰ্দেশ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাহমৰা, ১৮ জুন ঃ** ক'ভিডৰ শেহতীয়া পৰিস্থিতিয়ে কেইখনমান জিলালৈ অশনি সংকেত কঢ়িয়াই আনিছে। ক'ভিডৰ দ্বিতীয় ঢৌৱে প্ৰথম অৱস্থাত সংহাৰী ৰূপ লৈ লাহে লাহে নিয়ন্ত্ৰণ হোৱাৰ দিশে অগ্ৰসৰ হোৱাৰ সময়ত ডিব্ৰুগড়, তিনিচুকীয়া, শোণিতপুৰ, নগাঁও আদি কৰি কেইখনমান জিলাত পুণৰবাৰ সংক্ৰমণৰ হাৰ বৃদ্ধি পাইছে। উপায়ন্তৰ হৈ জিলা প্ৰশাসনে ল'বলগীয়া হৈছে কঠোৰ পদক্ষেপ। শেহতীয়া পৰিস্থিতিৰ সন্দৰ্ভত চৰকাৰে জাৰি কৰা নতুন এছঅপি অনুসৰি উজনি অসমৰ চৰাইদেউ জিলাত আবেলি চাৰি বজাৰ লৈকে দোকান-পোহাৰ খোলা দিছিল। ফলত চৰাইদেউ জিলা আৰু ডিব্ৰুগড় জিলাৰ সীমামূৰীয়া মৰাণত চৰাইদেউ জিলা অংশৰ দোকান-পোহাৰ খোলা ৰাখিছিল। আনহাতে ডিব্ৰুগড় জিলাৰ অংশৰ দোকান পোহাৰ সমূহ দিনৰ ১২ বজাতে বন্ধ কৰিছিল। কিন্তু এই পৰিস্থিতিত মৰাণ আৰু চেপনত সৃষ্টি হৈছিল বিশৃংখল পৰিৱেশ। সেয়ে নতুন এছ অ পি প্ৰয়োগ কৰা দুটা দিনৰ পাছতে পুনৰ চৰাইদেউ জিলা প্ৰশাসনে দিলে নতুন নিৰ্দেশনা। আজিৰে পৰা পুনৰ মৰাণ পৌৰসভা এলেকা আৰু চেপন টাউনৰ পৰা ২ কিলোমিটাৰ ভিতৰৰ লৈকে সকলো বিলাক ব্যৱসায়ী প্ৰতিষ্ঠান দিনৰ ১২ বজাতে বন্ধ কৰি দিয়ে প্ৰশাসনে। লগতে বিয়লি ১ বজাৰ পৰা পুৱা ৫ বজালৈ কোনো লোককে চলা ফুৰা কৰা ক্ষেত্ৰত বাধা আৰোপ কৰিছে চৰাইদেউ জিলা প্ৰশাসনে। এতিয়া চৰাইদেউ জিলাৰ দুটা অংশত দুখন এছঅ'পি কাৰ্যকৰী হৈ পৰিল।

# অৱসৰপ্ৰাপ্ত অধ্যাপিকা, সাহিত্যৰ নীৰৱ সাধক ড° ঊষাৰাণী বৰুৱাৰ বিয়োগত

### কানৈ মহাবিদ্যালয় আৰু ডিব্ৰুগড় সাহিত্য সভাৰ শোক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ১৮ জুন ঃ** ডিএইচএছ কানৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা, বিশিষ্ট লেখিকা ড° ঊষাৰাণী বৰুৱাৰ আজি পুৱা ৫.১০ বজাত আকস্মিক বিয়োগ ঘটাত কানৈ মহাবিদ্যালয় পৰিয়াল শোকত মৰ্মাহত হৈ পৰে। কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি ড° শশীকান্ত শইকীয়াই এক বিবৃতিত জনোৱা মতে অৱসৰপ্ৰাপ্ত অধ্যাপিকা তথা বিশিষ্ট লেখিকা, অসমীয়া সাহিত্যৰ নীৰৱ সাধক ড° বৰুৱাই ১৯৮২ চনত কানৈ মহাবিদ্যালয়ত যোগদান কৰাৰ পূৰ্বে ১৯৭৪ চনত কামপুৰ কলেজ, ১৯৭৮-১৯৮২ চনলৈ জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ত অধ্যাপনা কৰি ২০১১ চনৰ ফেব্ৰুৱাৰী মাহত কানৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা হিচাপে অৱসৰ গ্ৰহণ কৰে। অধ্যক্ষ ড° শইকীয়াই কয়— 'অসমীয়া ভাষা-সাহিত্যত হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাৰ অৱদান ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন' শীৰ্ষক গৱেষণা গ্ৰন্থৰ বাবে ১৯৯৭ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা পিএইচডি ডিগ্ৰী লাভ কৰা ড° বৰুৱাই অনেক মৌলিক সাহিত্য সৃষ্টি কৰি অসমীয়া সাহিত্যৰ ভঁড়াল চহকী কৰি গৈছে। ড° বৰুৱাৰ বিয়োগত কানৈ মহাবিদ্যালয় পৰিয়াল শোকত ভাগি পৰাৰ লগতে শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। আনহাতে ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি ড° শশীকান্ত শইকীয়া আৰু ভাৰপ্ৰাপ্ত সম্পাদক ৰাতুল বুঢ়াগোহাঁয়ে প্ৰাক্তন অধ্যাপিকা তথা বিশিষ্ট লেখিকাগৰাকীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰি তেওঁৰ আত্মাৰ সদ্গতি কামনা কৰে।




*মাইক্ৰ'ফাইনেন্সৰ ঋণ ৰেহাইৰ দাবীত লখিমপুৰত মহিলাৰ প্ৰতিবাদ, শুকুৰবাৰে*

# শিৱসাগৰত কৰ'না আক্ৰান্তৰ খাদ্যৰ নামত লুণ্ঠনৰাজৰ অভিযোগ

### প্ৰতিগৰাকী চিকিৎসাধীন ৰোগীৰ বাবদ চৰকাৰে ধাৰ্য কৰিছে তিনিশ টকা ঃ দৈনিক তিনিশ টকাৰ খাদ্যৰ নামত নিম্ন মানৰ খাদ্য যোগান ধৰাৰ গুৰুতৰ অভিযোগ চিকিৎসাধীন ৰোগীৰ ঃ শিৱসাগৰ প্ৰেছ ক্লাবৰ ভেকচিন কেন্দ্ৰত অখাদ্য যোগান ধৰাক লৈ উত্তপ্ত পৰিস্থিতি

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ১৮ জুন ঃ** ক'ভিডৰ দ্বিতীয়টো ঢৌৱে সাধাৰণ মানুহৰ জীৱন যাত্ৰা সম্পূৰ্ণৰূপে ধূলিসাৎ কৰি দিয়াৰ সময়তেই শিৱসাগৰত মহামাৰী কৰ'নাই এতিয়া একাংশৰ বাবে কঢ়িয়াই আনিছে লুণ্ঠনৰ সুবিধা। যি সময়ত মহামাৰী কৰ'নাৰ গ্ৰাসত পৰি সাধাৰণ ৰাইজে এক আতংকময় পৰিৱেশৰ মাজত জীৱন নিৰ্বাহ কৰিবলৈ বাধ্য হৈছে সেই সময়তেই শিৱসাগৰত দেখা গৈছে ক'ভিড আক্ৰান্ত চিকিৎসাধীন ৰোগীৰ নামত লুণ্ঠনৰ এখন মুকলি বজাৰ। চিকিৎসালয়ে চিকিৎসালয়ে চিকিৎসাধীন হৈ থকা কৰ'না আক্ৰান্তৰ বাবে দৈনিক যোগান ধৰা খাদ্যৰ নামতেই চলিছে এই বেহা। শিৱসাগৰ জিলা প্ৰশাসন আৰু স্বাস্থ্য বিভাগৰ জ্ঞাতসাৰেই অব্যাহত থকা এই লুণ্ঠনৰাজৰ ফলত ঠিকাদাৰী গোষ্ঠীয়ে ব্যাপক মুনাফা আদায় কৰাৰ বিপৰীতে আক্ৰান্তই চিকিৎসালয়ত উপযুক্ত খাদ্যৰ অভাৱত ককবকাব লগীয়া এক পৰিস্থিতিৰ উদ্ভৱ হৈছে, সেই সময়তে আজি শিৱসাগৰ প্ৰেছ ক্লাবৰ ভেকচিন কেন্দ্ৰত নিয়োজিত কৰ্তব্যৰত স্বাস্থ্য কৰ্মীক অতি নিম্ন মানদণ্ডৰ খাদ্য যোগান ধৰাক লৈ এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। পুৱাৰে পৰা ভেকচিন ল'বলৈ অহা ব্যক্তিসকলক বিভিন্ন প্ৰক্ৰিয়াৰে স্বাস্থ্য পৰীক্ষা কৰাৰ উপৰিও পিপিই কিট পৰিধান কৰি কভিড পৰীক্ষা কৰি থকা স্বাস্থ্য কৰ্মীসকলে ভোকে লঘোণে থকাৰ পিছতো ঠিকাদাৰী প্ৰতিষ্ঠানে এনে নিম্ন মানদণ্ডৰ আহাৰ যোগান ধৰাকলৈ এই ক্ষোভ আৰু উত্তেজনাৰ সৃষ্টি হয়। একে সময়তেই কভিড চিকিৎসালয়ৰ ভিতৰত আক্ৰান্তক খাদ্য যোগানৰ নামত নীল-কমল নামৰ এটা ঠিকাদাৰী প্ৰতিষ্ঠানে চলাই অহা লুণ্ঠন সন্দৰ্ভতো গুৰুতৰ অভিযোগ উত্থাপন কৰিছে একাংশ চিকিৎসাধীন ৰোগীয়ে। বিগত এটা মাহ ধৰি অব্যাহত থকা এই অনিয়ম সন্দৰ্ভত চিকিৎসাধীন ৰোগীয়ে সামাজিক মাধ্যমত নিজে মুখামুখী হোৱা সমস্যাৰ বিষয়ে ধাৰাবাহিক অভিযোগ উত্থাপন কৰাৰ লগতে দৈনিক আহাৰৰ নামত কিদৰে অতি নিম্ন মানদণ্ডৰ খাদ্য যোগান ধৰিছে সেই সন্দৰ্ভতো অভিযোগ ৰাজহুৱা কৰিছে যদিও অদ্যপৰিমিত নীল-কমল নামৰ ঠিকাদাৰী প্ৰতিষ্ঠানটোৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ নকৰাৰ ঘটনাই ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। জানিব পৰা মতে চিকিৎসাধীন প্ৰতিগৰাকী কৰ'না আক্ৰান্ত ৰোগীক দৈনিক খাদ্যৰ বাবে তিনিশ টকা ধাৰ্য কৰিছে। এই তিনিশ টকাৰ বাবদ পুৱা একাপ লাল চাহ আৰু বিস্কুট, ৯ বজাত ব্ৰেকফাষ্টৰ লগত পুৰি, কল, কণী, দুপৰীয়া আহাৰৰ বাবদ মাছ-মাংস অথবা চব্জি, বিয়লি একাপ লাল চাহ-বিস্কুট আৰু নিশা পুষ্টিকৰ এসাঁজ ভাত। কিন্তু চৰকাৰে ধাৰ্য্য কৰি দিয়া এই নীতি নিৰ্দেশনাৰ বিপৰীতে পুৱা একাপ লালচাহ-বিস্কুট খোৱাৰ পিছতে এখন পুৰি আৰু গোন্ধ ওলোৱা ভাজিৰে ব্ৰেকফাষ্টৰ নামত ঠিকাদাৰী গোষ্ঠীটোৱে চলাইছে লুণ্ঠন। দুপৰীয়া অতি নিম্ন মানদণ্ডৰে ভাত-ছবজি আৰু নিশাও দিনৰ চবজিৰেই আহাৰ যোগান ধৰাৰ বাবে বহু ৰোগীয়ে নিশা খালি পেটেৰে উজাগৰি নিশা পাৰ কৰিবলগীয়াত পৰে। আনহাতে উক্ত প্ৰতিষ্ঠানে যোগান ধৰা নিম্নমানৰ খাদ্যক লৈ অভিযোগ উত্থাপন কৰিছে স্বয়ং স্বাস্থ্য কৰ্মীয়ে। শিৱসাগৰৰ বিভিন্ন ক'ভিড পৰীক্ষা কেন্দ্ৰ, প্ৰতিষেধক প্ৰদান কেন্দ্ৰ আদিসমূহত কৰ্মৰত স্বাস্থ্য কৰ্মীসকলক এই প্ৰতিষ্ঠানটোৱে যোগান ধৰে দিনৰ আহাৰ। এনে নিম্নমানৰ আহাৰকলৈ আজি শিৱসাগৰ প্ৰেছ ক্লাৱৰ প্ৰতিষেধক প্ৰদান কেন্দ্ৰত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। স্বাস্থ্য কৰ্মীক দিনৰ আহাৰৰ নামত নিসিজা মাংসৰ পনীয়া জোল আৰু খাব নোৱাৰা ভাত যোগান ধৰাকলৈ স্বাস্থ্য কৰ্মীসকলৰ মাজত এক গণ্ডগোলীয়া পৰিস্থিতিৰ সৃষ্টি হয়। ভোজনৰ অযোগ্য এনে নিম্ন মানদণ্ডৰ খাদ্য যোগান ধৰাক লৈ স্বাস্থ্য কৰ্মীসকলে উষ্মা প্ৰকাশ কৰি এনে খাদ্য গ্ৰহণ কৰিলে শৰীৰৰ অনিষ্ঠহে হ'ব পাৰে বুলি মত প্ৰকাশ কৰে। এতিয়া ক'ভিডত আক্ৰান্ত ৰোগীসকলক নিম্নমানৰ খাদ্য প্ৰদান কৰা বুলি উত্থাপিত হোৱা অভিযোগক স্বাস্থ্য বিভাগে মনেসজ্জা আৰু ভিত্তিহীন বুলি সময়ে সময়ে কৈ আহিছিল যদিও এতিয়া খোদ স্বাস্থ্য কৰ্মীয়ে এনে পৰিৱেশিত খাদ্য খোৱাৰ অযোগ্য বুলি মুকলিকৈ অভিযোগ কৰাৰ পিছত কি উত্তৰ দিব শিৱসাগৰ জিলা প্ৰশাসন তথা স্বাস্থ্য বিভাগে? কাৰ দৰদত নীলি-কমল নামৰ ঠিকাদাৰী প্ৰতিষ্ঠানটোক এইদৰে অখাদ্য বিতৰণৰ দায়িত্ব দিয়া হৈছে সেয়া হৈ পৰিছে আজিৰ দিনৰ এক লাখ টকীয়া প্ৰশ্ন।

# আপকুৰ চৰাইদেউ জিলা সমিতিৰ প্ৰথমখন কাৰ্যনিৰ্বাহক

**দৈনন্দিন বাৰ্তা সেৱা, সাপেখাঁতী, ১৮ জুন ঃ** আসাম প্ৰেছ ক'ৰেছপণ্ডেন্স ইউনিয়ন চমুকৈ আপকু'ৰ চৰাইদেউ জিলা সমিতিৰ প্ৰথমখনি কাৰ্যনিৰ্বাহক সভা মাহমৰা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰা হয়। আপকু চৰাইদেউ জিলা সমিতিৰ সভাপতি সুনন্দ গগৈৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত আৰম্ভণিতেই ক'ভিড মহামাৰীত হেৰাই যোৱা সতীৰ্থ সাংবাদিকসকলৰ আত্মাৰ সদ্গতিৰ অৰ্থে এক মিনিট মৌন প্ৰাৰ্থনা কৰা হয়। জিলা সমিতিৰ সম্পাদক নিৰঞ্জন শইকীয়াই সভাৰ উদ্দেশ্যে ব্যাখ্যা কৰা সভাত আপকু উজনি সংমণ্ডলৰ সম্পাদক কেশৱ গগৈ, কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদক ৰুষ্টম গগৈ, উপ-সভাপতি মুকুল বড়া, প্ৰাক্তন সম্পাদক অঞ্জন গগৈৰ লগতে বহুকেইজনে বক্তব্য প্ৰদান কৰে। উক্ত সভাতে আপকুৰ সদস্যই যিকোনো সাংবাদিক সংগঠনত থাকিব নোৱাৰিব, জধে মধে নীতি বৰ্হিভূতভাৱে গঠন সুউচ্চ ৰেব পৰ্টেলক নাকী লগাবলৈ উপায়ুক্তৰ জৰিয়তে চৰকাৰলৈ স্মাৰক-পত্ৰ প্ৰদান কৰা, আপকুৰ চৰাইদেউ জিলা সমিতিৰ সদস্যই জিলা তথা ৰাজ্যিক সমিতিৰ তিনিটাকৈ কাৰ্যসূচী তথা কাৰ্যনিৰ্বাহক সভাত উপস্থিত নাথাকিলে সদস্য পদ বাতিল কৰা কোনোধৰণৰ ৰাজনৈতিক দলত থকা ব্যক্তিৰ আপকুৰ চৰাইদেউ জিলা সমিতিত থাকিব নোৱাৰিব, নতুন কোনো সংবাদ সেৱী আপকুত যোগদান কৰিব বিচাৰিলে আদৰণি জনোৱাৰ লগতে যদিহে মিডিয়া হাউছৰ পৰিচয় পত্ৰ নাথাকে তেনেহ'লে শুভাকাংক্ষী সদস্য হিচাপে অন্তৰ্ভুক্ত কৰিব। আপকু চৰাইদেউ জিলাৰ কাৰ্যালয় স্থাপনৰ বাবে শীঘ্ৰে মাটি বিচাৰি জিলা উপায়ুক্ত তথা ৰাজহ বিভাগত আবেদন জনোৱাৰ লগতে স্থায়ী কাৰ্য্যলয় স্থাপন কৰিবলৈ পুঁজি বিচাৰি শীঘ্ৰে বিভাগীয় কৰ্তৃপক্ষক আবেদন জনোৱাৰ প্ৰস্তাৱ আৰু সিদ্ধান্ত গ্ৰহণ কৰে। উক্ত সভাত সঞ্জীৱ গগৈ, মিন্টু বড়া, অভিজিত ভূএগ্ৰা, ঘন বড়া, ৰূপামণি গগৈ, ৰাজীৱ কলিতা, কপিল চেতিয়া, নৱদ্বীপ বৰুৱা, অৰোপ দিহিঙীয়া, ৰফিক আহমেদৰ লগতে বহুকেইজন সদস্য উপস্থিত থাকে।

# সান্ধ্য আইন ভংগ কৰি শিৱসাগৰ পলাশনিৰ ৰাজীৱ গান্ধী পেট্ৰ'লিয়াম টেকনলজীত চলিছে নিৰ্মাণ কাৰ্য

### আন্তঃজিলা যাতায়াত বন্ধ থকাৰ পিছতো কিদৰে ৰে'লেৰে শ্ৰমিক আনি বেৰিৱাল কনষ্ট্ৰাকশ্বনে নিৰ্মাণ কাৰ্য চলাইছে, ইয়াক লৈ শিৱসাগৰত সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়া

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ১৮ জুন ঃ** সম্প্ৰতি সমগ্ৰ ৰাজ্যখনতে দেখা দিয়া অতিমাৰী ক'ভিড-১৯ৰ গণ সংক্ৰমণৰ বাবে ৰাজ্য চৰকাৰে ৰাজ্যখনত মিনি লকডাউনৰ লগতে কঠোৰভাৱে সান্ধ্য আইন বলবৎ কৰিছে। যাতে এই লকডাউনৰ ফলশ্ৰুতিত জনসমাগম জিলাসমূহত হ্ৰাস পাই আৰু দ্ৰুতগতিত বৃদ্ধি পোৱা ক'ভিডৰ গণ সংক্ৰমণৰ পৰা ৰাজ্যখনৰ জনসাধাৰণ ৰক্ষা পৰে। ইয়াৰ উপৰি এখন জিলাৰ পৰা আন এখন জিলালৈ যাতে কোনো ব্যক্তিয়ে নিজৰ শৰীৰৰ ক'ভিডৰ এই মাৰাত্মক ভাইৰাছ বিধ কঢ়িয়াই নিব নোৱাৰে, ইয়াৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্য চৰকাৰ আৰু প্ৰশাসনে আন্তঃজিলা যাতায়াতো সম্পূৰ্ণৰূপে বন্ধ কৰি ৰাখিছে। কেৱল মেডিকেল আৰু অত্যান্ত জৰুৰী বিষয়ত ই-পাছৰ জৰিয়তে আন্তঃজিলা পৰিভ্ৰমণ কৰিবৰ বাবে প্ৰশাসনে অনুমতি প্ৰদান কৰিছে যদিও অন্যান্য যেনে— নিৰ্মাণ কাৰ্যৰ শ্ৰমিকক আন্তঃজিলালৈ সৰবৰাহ কৰা, ব্যক্তি বিশেষৰ আন্তঃজিলা ভ্ৰমণ আদি দিশবোৰক সামৰি কিন্তু ৰাজ্য প্ৰশাসনে কোনো অনুমতি প্ৰদান কৰা নাই। যদি কোনো লোকে আন্তঃজিলা যাতায়াত বন্ধ ৰখাৰ সময়ত নিয়ম ভংগ কৰি আন জিলাত প্ৰৱেশ কৰে, তেন্তে তেনে ব্যক্তি অথবা অনুষ্ঠান-প্ৰতিষ্ঠানৰ বিৰুদ্ধে প্ৰশাসনে ক'ভিড প্ৰটকল ভংগ কৰাৰ অপৰাধত অপৰাধমুলক গোচৰ ৰুজু কৰিব পাৰিব। কিন্তু ৰাজ্য চৰকাৰ অথবা ৰাজ্য প্ৰশাসনৰ এনে কঠোৰ সান্ধ্য আইন অথবা আন্তঃজিলা যাতায়াত বন্ধ ৰখাৰ ক'ভিড প্ৰটকলক ভংগ কৰি শিৱসাগৰ নগৰৰ নাতি দুৰৈত অৱস্থিত ৰাজীৱ গান্ধী পেট্ৰ'লিয়াম টেকনলজী (আছাম এনাৰ্জী ইন্সটিটিউত)ত নিৰ্মাণকাৰী প্ৰতিষ্ঠানে আন জিলাৰ পৰা সৰবৰাহ কৰি অনা যথেষ্ট সংখ্যক শ্ৰমিকক নিয়োগ কৰি নিৰ্বিঘ্নে চলাই গৈছে এটা একাডেমীক বিল্ডিঙৰ নিৰ্মাণৰ কাৰ্য। প্ৰায় ১১ কোটি চৰকাৰী ধনেৰে নিৰ্মাণ কৰা এই নিৰ্মাণ কাৰ্যৰ ঠিকাৰ আৱণ্টন লাভ কৰিছিল বেৰিৱাল কন্সট্ৰাকশ্বন নামৰ এটি নিৰ্মাণকাৰী প্ৰতিষ্ঠানে। দেশৰ আন প্ৰান্তৰ লগতে অসমতো অতিমাৰী ক'ভিডৰ দ্বিতীয়টো ঢৌৱে এক গণ সংক্ৰমণৰ ৰূপ লোৱাৰ পিছতেই ৰাজ্য প্ৰশাসনে এক মিনি লকডাউন ঘোষণা কৰি ৰাজ্যবাসীৰ বাবে বহু নীতি-নিয়ম সন্নিবিষ্ট কৰি সান্ধ্য আইনৰ সহিতে বহু কঠোৰ নিদেৰ্শনা জাৰি কৰিছিল। আন্তঃজিলা যাতায়াত কৰাতো দুৰৈৰ কথা নিজ জিলাতে পুৱা ৫ বজাৰ পৰা দিনৰ ১১ বজালৈকেহে দোকান-সমাৰসমূহ খোলাৰ নিৰ্দেশ দিছিল। জনসমাগম সম্পূৰ্ণৰূপে বন্ধ কৰি দিয়াৰ লগতে এই নিৰ্দিষ্ট সময়ৰ পূৰ্বেই আৰক্ষীয়ে চাইৰেন বজাই নগৰৰ পৰা গ্ৰামাঞ্চললৈকে সমূহ দোকান-সমাৰ বন্ধ কৰি দিয়াৰ লগতে ৰাজপথ, পদপথ আৰু নিৰ্মাণস্থলীসমূহ জনশূন্য কৰি তুলিছিল। চৰকাৰে মিনি লকডাউনৰ বাবে ঘোষণা কৰা সময়ৰ পিছত আৰম্ভ হোৱা সান্ধ্য আইনৰ সময়ত পথৰ ওপৰত সাধাৰণ লোকে যদি কোনো অত্যন্ত জৰুৰী কামতো যাবলগীয়া হয়, তেন্তে তেওঁ আৰক্ষীৰ কিল খোৱাটো স্বাভাৱিক। কিন্তু ক'ভিডৰ এই জটিল সময়ত চৰকাৰে জাৰি কৰা কঠোৰ নীতি-নিয়মৰ মাজত দৰিদ্ৰ জনতাৰ পানীত হাঁহ নচৰা অৱস্থাই দেখা দিছে যদিও বেৰিৱাল কন্সট্ৰাকশ্বনৰ স্বত্বাধিকাৰী ৰাজেশ বেৰিৱালৰ দৰে পুঁজিপতি ঠিকাদাৰৰ বাবে চৰকাৰী এনে সান্ধ্য আইনৰ কোনো মূল্য নাই। আন্তঃজিলা যাতায়াত বন্ধ থকা আৰু সান্ধ্য আনৰ মাজতে ঠিকাদাৰী প্ৰতিষ্ঠানৰ স্বত্বাধিকাৰী ৰাজেশ বেৰিৱালে কাক মেনেজ কৰি ৰে'লেৰে বৰ্হিঃজিলাৰ পৰা যথেষ্ট সংখ্যক শ্ৰমিকক আনি শিৱসাগৰ পলাশনীত দিনে-নিশাই নিৰ্মাণ কাৰ্য চলাই যাবলৈ সক্ষম হৈছে ইয়াক লৈ শিৱসাগৰত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

### ডিব্ৰুগড় প্ৰশাসন আৰু স্বাস্থ্য বিভাগৰ সহযোগ

# প্ৰতিশ্ৰুতি কেন্সাৰ এণ্ড পেলিয়েটিভ ট্ৰাষ্ট, ডিব্ৰুগড়ৰ বিশেষ টিকাকৰণ ব্যৱস্থা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ১৮ জুন ঃ** ডিব্ৰুগড় প্ৰশাসন-স্বাস্থ্য বিভাগৰ সহযোগত প্ৰতিশ্ৰুতি কেন্সাৰ এণ্ড পেলিয়েটিভ ট্ৰাষ্ট, ডিব্ৰুগড়ে ১৮ বছৰৰ পৰা ৪৫ বছৰ বয়সৰ ব্যক্তি যিসকল লোক কেন্সাৰ, কিডনীৰ অসুখ, মধুমেহ, ব্লাড প্ৰেছাৰ, হাৰ্টৰ অসুখ, নিউমোনিয়া, হাপানি বা দীৰ্ঘদিন আন কোনো ৰোগত আক্ৰান্ত হৈ আছে তেনে লোকৰ ক'ভিড টিকাকৰণৰ বাবে বিশেষ ব্যৱস্থা হাতত লৈছে। সেই অনুসৰি প্ৰকল্প সঞ্চালক ডাঃ গায়ত্ৰী গগৈয়ে জনাইছে যে, ডিব্ৰুগড় জিলাৰ ৭টা স্বাস্থ্য খণ্ডৰ (হেলথ ব্লক) বাবে প্ৰতিশ্ৰুতি ট্ৰাষ্টে সাতটা হেল্পলাইনৰ ব্যৱস্থা কৰিছে। ইচ্ছুক ব্যক্তিসকলে নিজৰ নিজৰ খণ্ডৰ বাবে নিৰ্দিষ্ট কৰি দিয়া নম্বৰত পুৱা ১০ বজাৰপৰা সন্ধিয়া ৬ বজালৈ ফোন কৰি নাইবা মেছেজ দি যোগাযোগ কৰিব পাৰিব। তেনে ব্যক্তিৰ স্বাস্থ্য সম্বন্ধীয় ৰিৰ্পটসমূহ হোৱাটচ' আপ জৰিয়তে প্ৰতিশ্ৰুতিৰ মেডিকেল ব'ৰ্ডৰ চিকিৎসকসকলে পৰীক্ষণ কৰাৰ পিছত ক'ভিড টিকাকৰণৰ বাবে উপযুক্ত হয় নে নহয় বিবেচনা কৰিব আৰু সেইমতে তেখেতসকলক টিকাকৰণৰ স্থান আৰু তাৰিখৰ বিষয়ে অৱগত কৰা হ'ব। আগ্ৰহী ব্যক্তিসকলক বৰবৰুৱা ব্লকৰ বাবে ৰাজিৱ বিন কুটুব (৯৬৭৮০৮৫১০৪), খোৱাং ব্লকৰ বাবে মৌচুমী গগৈ (৯০৮৫২৬৭৯৪২), পানীতোলা ব্লকৰ বাবে মুছফী ৰহমান হাজৰিকা (৯১০১৭৫৮৯৫৬), লাহোৱাল ব্লকৰ বাবে যুতিকা নাথ (৭৮৯৬২০৩৪১২), নাহৰনি ব্লকৰ বাবে অস্মিতা কলিতা (৯৪৩৫৬৫৭৩৮৪), টেঙাখাট ব্লকৰ বাবে পিণ্টু দেৱনাথ (৮৪৭৩০২০৬১৫) আৰু ডিব্ৰুগড় আৰবান ব্লকৰ বাবে পান্না ভৰালীক (৯৪৫৩৪৭৬০২৭) যোগাযোগ কৰিবলৈ অনুৰোধ জনোৱা হ'ল।

# অনলাইন কবিতা আবৃত্তি কৰ্মশালাৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাহমৰা, ১৮ জুন ঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ চৰাইদেউ জিলাৰ সাহিত্য, শিক্ষা শাখা আৰু শিশু আই-মাতৃ কল্যাণ সমিতিৰ উদ্যোগত ২৩ জুন তাৰিখে সন্ধিয়া ৭ বজাৰ পৰা এলানি অনলাইন কবিতা আবৃত্তি কৰ্মশালা আয়োজন কৰিছে। গুগল মিটত উপলব্ধ হোৱাকৈ আয়োজন কৰা এই কৰ্মশালাখনত মূল সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰিব আবৃত্তি ৰত্ন তথা অসম মহিলা বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপিকা গীতিমণি হাতীমূৰীয়া আৰু আবৃত্তি ৰত্ন তথা বৰহাট সাহিত্য কাব্য কাননৰ কেন্দ্ৰ ব্যৱস্থাপক অপৰাজিতা ভূএগ্ৰা বৰগোঁহাইয়ে। ইচ্ছুক অংশ গ্ৰহণকাৰীসকলে নিজৰ নাম, প্ৰাথমিক শাখাৰ নাম, বয়স ওৱাটছাপৰ নম্বৰ আঞ্চলিক শাখাৰ জৰিয়তে প্ৰেৰণ কৰিব লাগিব। তদুপৰি অংশ গ্ৰহণকাৰীসকলে মাৰ্জিত পোচাক পৰিধান কৰি নিৰ্দিষ্ট সময়ৰ ২৫ মিনিটৰ পূৰ্বে প্ৰৱেশ কৰিব লাগিব বুলি উল্লেখ কৰিছে। অধিক তথ্য জানিবলৈ আহ্বায়কত্ৰয় ৰণ্টু খনিকৰঃ ৮৬৩৮৯২৬২৭২, নবীন হাজৰিকাঃ ৭০০২৫২৭৪৬৩ আৰু অঞ্জলি চাংমাইবৰাঃ ৯৩৬৫৮৪১৩০০ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

# কাইলৈ চিলাপথাৰলৈ যাব মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা

**দৈনন্দিন বাৰ্তাৰ সেৱা, চিলাপথাৰ, ১৮ জুন ঃ** দুদিনীয়া চৰকাৰী কাৰ্যসূচীৰে ২০ জুনত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা চিলাপথাৰত উপস্থিত হ'ব। চিলাপথাৰৰ দেউৰী ঘাটৰ পৰা মাজুলীলৈকে ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে নিৰ্মাণ কৰিবলগীয়া দ্বৈত পকী পথৰ স্থানসমূহ পৰিদৰ্শন কৰিব। অসম-অৰুণাচল প্ৰদেশৰ মাজত দীৰ্ঘদিন ধৰি চলি থকা সীমা বিবাদ আলোচনা কৰি লিকাবালিৰ ৰাষ্ট্ৰীয় ঘাইপথৰ মাজেদি যোৱা নলা বন্ধ কৰি সীমান্তৰ সমস্যা সমাধান কৰিব। অসম-অৰুণাচল চৰকাৰে যৌথভাৱে আঁচনি ৰূপায়ণ কৰি অঞ্চলটোৰ উন্নয়ন সাধন কৰিব। ঐতিহাসিক মালিনী থানক এক পৰ্যটক উদ্যোগ লৈ গঢ় দিয়াৰ কাৰণে ৰাজ্য চৰকাৰে যুটীয়াভাৱে আঁচনি গ্ৰহণ কৰিছে। মালিনী থান, ব্ৰহ্মপুত্ৰ পাৰত পৰি থকা চৰ চাপৰি অঞ্চল পৰিদৰ্শন কৰিব মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মায়। ধেমাজি জিলাৰ বাণিজ্যিক চহৰ চিলাপথাৰক এক উদ্যোগিক কেন্দ্ৰ লৈ পৰিণত কৰাৰ কাৰণে মুখ্যমন্ত্ৰী ঘোষণা কৰিব। বৃহস্পতিবাৰে জোনাই বিধানসভা সমষ্টিৰ বিধায়ক ভুবন পেগু আৰু ধেমাজিৰ উপায়ুক্ত পি ভিজয়া ভাস্কৰে একেলগে অঞ্চলসমূহ পৰিদৰ্শন কৰে।

# বিধ্বস্ত ফিল'বাৰী-কাকপথাৰ সংযোগী লোক নিৰ্মাণ বিভাগৰ অধীনৰ পথে জ্বলা-কলা খুৱাইছে পথাচাৰীক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডুমডুমা, ১৮ জুন ঃ** তিনিচুকীয়া জিলাৰ ১২৫ নং ডুমডুমা বিধান সভা সমষ্টিৰ অন্তৰ্গত মুঠ পোন্ধৰ কিলোমিটাৰ দৈৰ্ঘ্যৰ ফিল'বাৰী -কাকপথাৰ সংযোগী লোক নিৰ্মাণ বিভাগৰ অধীনৰ পথৰ প্ৰায় ২ কিলোমিটাৰ দৈৰ্ঘ্যৰ অংশ বিগত দুবছৰ ধৰি বিধ্বস্ত হৈ থকা অৱস্থাই জ্বলা-কলা খুৱাইছে অঞ্চলটোৰ ৰাইজক। ডুমডুমা-ফিল'বাৰী ঘাই পথৰ পৰা গৌৰীপুৰ, শিতলপুৰ, নগাঁও, ৰুমাই গাভৰু আদি গাঁৱৰ মাজেদি পাৰহৈ কাকপথাৰ- টঙনা পথত সংযোগ হোৱা দুৱাৰমৰা খেৰজান পথ নামেৰে লোক নিৰ্মান বিভাগে নাম কৰণ কৰা তথা ফিল'বাৰীৰ ৰাইজৰ কাকপথাৰস্থিত উন্নয়ন খণ্ড কাৰ্য্যালয়লৈ যাতায়তৰ একমাত্ৰ পথটোৰ ডুমডুমা নদীৰ দলঙৰ দুয়ো পাৰে বিধ্বস্ত হোৱা প্ৰায় তিনি কিলোমিটাৰ অংশ মেৰামতিৰ দাবীত বাৰম্বাৰ দাবী সাব্যস্ত কৰি অহা হৈছে যদিও কোনো গুৰুত্ব প্ৰদান কৰা নাই গড়কাপ্তানী বিভাগ আৰু জনপ্ৰতিনিধিয়ে। প্ৰায় চাৰি বছৰৰ আগতে প্ৰধানমন্ত্ৰী গ্ৰাম চৰক যোজনাৰ অধীনত পকীকৈ নিৰ্মাণ কৰা এই পথটোৰ বৰ্তমান ফিল'বাৰী নেপালী প্ৰাথমিক বিদ্যালয়ৰ পৰা ডাঙৰীয়া থান লৈকে প্ৰায় তিনি কিলোমিটাৰ অংশত সৃষ্টি হৈছে প্ৰকাণ্ড প্ৰকাণ্ড গাঁতৰ। যাৰ ফলত, দুচকীয়া-চাৰিচকীয়া বাহনটো বাদেই, পদচাৰীয়েও সেই পথ অংশ অতিক্ৰম কৰাত অসুবিধাৰ সৃষ্টি হয়। সেই পথেৰে বিশেষকৈ ৰোগীক অনা নিয়া কৰাটো হৈ পৰিছে অন্যতম প্ৰত্যাহ্বান। বিগত সময়ত তদানীন্তন কংগ্ৰেছী বিধায়ক দুৰ্গা ভূমিজক ৰাইজে বহুবাৰ আবেদন জনোৱাত তেওঁ সেই ভগ্ন অংশ মেৰামতিৰ আশ্বাস দিছিল যদিও, এই আবেদন অৰণ্য ৰোদনত পৰিণত হয়। তদুপৰি, বৰ্তমান ডুমডুমা সমষ্টিৰ নৱনিৰ্বাচিত বিজেপি দলৰ বিধায়ক ৰূপেশ গোৱালায়ো এই ক্ষেত্ৰত নীৰৱতা অৱলম্বন কৰা দেখা গৈছে। উল্লেখ্য যে, প্ৰধানমন্ত্ৰী গ্ৰাম চৰক যোজনাৰ নীতি অনুসৰি, সংশ্লিষ্ট নিৰ্মাণকাৰী সংস্থাই নিৰ্দিষ্ট সময়লৈকে পথৰ মেৰামতি কৰিব লাগে যদিও, লোকনিৰ্মান বিভাগৰ গুৰুত্বহীনতাত কোনো ধৰণৰ মেৰামতি কৰা নাই। কিন্তু, লোক নিৰ্মাণ বিভাগৰ অকৰ্মণ্যতাতেই হওক কিম্বা জনপ্ৰতিনিধিসকলৰ অমনোযোগিতাই হওক এই পথঅংশৰ মেৰামতি বা পুনৰ নিৰ্মাণৰ ক্ষেত্ৰত বাৰে বাৰে বঞ্চিত হোৱাত অঞ্চলবাসীৰ পুঞ্জীভূত ক্ষোভৰ উদ্‌গীৰণ যে নিশ্চিতভাৱে এদিন হ'ব সেয়া ধ্ৰুৱপ।



## কাজিৰঙাত ১৩ হাজাৰ পোহনীয়া জন্তুক প্ৰতিষেধক প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাজিৰঙা, ১৮ জুন ঃ** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ গঁড়, পহু, ম'হ আদি বিশেষকৈ তৃণভোজী প্ৰাণীৰ সুৰক্ষাৰ কথা চিন্তা কৰি ৰাষ্ট্ৰীয় উদ্যানখনৰ কাষৰীয়া গাঁৱৰ গৰু, ম'হ আদি পোহনীয়া জন্তুক কেইবাটাও পৃথক মেগা শিবিৰ পাতি প্ৰতিষেধক দিয়াৰ কাম আৰম্ভ কৰা হৈছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষৰ উদ্যোগত তথা বেচৰকাৰী স্বেচ্ছাসেৱী সংগঠন আৰণ্যক, বিশ্ব প্ৰকৃতি নিধি, কৰবেট ফাউণ্ডেশ্যন আদিৰ লগতে বোকাখাত আৰু কলিয়াবৰ মহকুমা পশু চিকিৎসা বিভাগৰ সহযোগত মেগা পশুধন প্ৰতিষেধক শিবিৰ অনুষ্ঠিত হৈ আছে। ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই জানিবলৈ দিয়া মতে, ৰাজ্যখনৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ ক্ৰমে ৰাষ্ট্ৰীয় উদ্যানখনৰ অগৰাতলী, কঁহৰা, বাগৰি আৰু বুঢ়াপাহাৰ বনাঞ্চলৰ অধীনত অৰ্থাৎ ৰাষ্ট্ৰীয় উদ্যানৰ গাতে লাগি থকা সকলো গাঁৱৰ পোহনীয়া জন্তুক প্ৰতিষেধক দিয়াৰ কাম দ্ৰুত গতিত চলাই থকা হৈছে। ইফালে বেচৰকাৰী স্বেচ্ছাসেৱী সংগঠন আৰণ্যকৰ জ্যেষ্ঠ প্ৰকল্প বিষয়া আৰিফ হুছেইনে জানিবলৈ দিয়া মতে, বুঢ়াপাহাৰ বনাঞ্চলৰ কাষৰীয়া নতুনডাঙা, আমগুৰি চাং, আমগুৰি বাগানকে আদি কৰি ২০খন গাঁৱৰ ৩,৬০০ টা পোহনীয়া জন্তুক প্ৰতিষেধক দিয়া হৈছে। ঠিক তেনেদৰে অগৰাতলী বনাঞ্চলৰ অধীনত থকা গাঁৱত, ব্ৰহ্মপুত্ৰৰ চাপৰি, কঁহৰা বনাঞ্চলৰ কাষৰীয়া গাঁৱৰ পোহনীয়া জন্তুক প্ৰতিষেধক প্ৰদান কৰা হৈছে। বিভাগীয় এক তথ্যৰ পৰা জানিব পৰা মতে, পশু চিকিৎসক পৰীক্ষিত কাকতী, ক্ষীৰোদ শৰ্মা, প্ৰশান্ত শৰ্মা, বিশ্বজিৎ বৰুৱা, জানমণি শ্যাম পম্পী দেউৰী, চৈয়দ মেহতাজ আৰু প্ৰণিতা কোৱঁৰৰ সৈতে বহু সংখ্যক চিকিৎসা কৰ্মীয়ে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ প্ৰায় এশতকৈও অধিক গাঁৱৰ প্ৰায় ১৩ হাজাৰ পশুধনক বিভিন্ন ৰোগৰ প্ৰতিষেধক ইতিমধ্যে দিয়ে।

## কাকপথাৰৰ ৰাজহুৱা স্থানসমূহত চেনিটাইজ্যেচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকপথাৰ, ১৮ জুন ঃ** সাম্প্ৰতিক সময়ত ক'ভিড ১৯ অতিমাৰীৰ সংক্ৰমন প্ৰতিৰোধৰ অৰ্থে আজি কাকপথাৰ আঞ্চলিক ছাত্ৰ সন্থা,কাকপথাৰ আঞ্চলিক মটক যুৱ-ছাত্ৰ সন্মিলন আৰু কাকপথাৰ আঞ্চলিক টাই আহোম ছাত্ৰ সন্থাৰ যৌথ উদ্যোগত আৰু ডুমডুমা অগ্নি নিৰ্বাপক বাহিনীৰ সহযোগত বৃহত্তৰ কাকপথাৰ অঞ্চলটোত চেনিটাইজ্যেচন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। কাকপথাৰ খণ্ড উন্নয়ন বিষয়া কাৰ্যলয়ৰ পৰা আৰম্ভ হোৱা এই কাৰ্যসূচীৰ শুভাৰম্ভণি কৰে মটক যুৱ-ছাত্ৰ সন্মিলন তিনিচুকীয়া জিলাৰ সাধাৰণ সম্পাদক কমল দ্বীপ বৰুৱা আৰু সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ ক্ৰীড়া সম্পাদক কনচেং গগৈয়ে। বৃহত্তৰ কাকপথাৰ অঞ্চলটোৰ চৰকাৰী বেচৰকাৰী কাৰ্যলয়ৰ লগতে ক্ষুদ্ৰ চহৰখনৰ দৈনিক সাপ্তাহিক বজাৰ আৰু কাকপথাৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰটো চেনিটাইজ কৰে। কাকপথাৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি অতুল বৰা, সাধাৰণ সম্পাদক হেমাংগ গগৈ, কাকপথাৰ আঞ্চলিক মটক যুৱ-ছাত্ৰ সন্মিলনৰ সাধাৰণ সম্পাদক নিপু দত্ত,টাই আহোম ছাত্ৰ সন্থা কাকপথাৰ আঞ্চলিকৰ সাধাৰণ সম্পাদক পাৰ্থ গগৈৰ লগতে অগ্নি নিৰ্বাপক বাহিনীৰ বিষয়া আৰু ছাত্ৰ সন্থা সদস্য সকলে চেনিটাইজ্যেচন পক্ৰিয়াটোত পুৰ্ণ সহযোগিতা আগবঢ়ায়।

## ঢকুৱাখনা মহকুমাৰ সকলো বিভাগৰ মুৰব্বী বিষয়াৰে উপায়ুক্ত, বিধায়কৰ বৈঠক



**দৈনন্দিন বাৰ্তাৰ সেৱা, ঢকুৱাখনা, ১৮ জুন ঃ** লখিমপুৰ জিলাৰ ঢকুৱাখনা মহকুমাৰ বিভিন্ন চৰকাৰী বিভাগবোৰৰ মুৰব্বী বিষয়াসকলক লৈ আজি ঢকুৱাখনাৰ মহকুমাধিপতিৰ কাৰ্যলয়ৰ সভা কক্ষত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। আজি ঢকুৱাখনা মহকুমাধি পতিৰ কাৰ্যালয়ৰ সভাকক্ষত লখিমপুৰ জিলাৰ উপায়ুক্ত সুমিত সত্ৱানৰ উপস্থিতিত বিধায়ক নৱ কুমাৰ দলেৰ অধ্যক্ষতাত আৰু ঢকুৱাখনাৰ মহকুমাধিপতি গুৰনেইল সিঙৰ সহযোগত অনুষ্ঠিত সভাখনত ঢকুৱাখনা মহকুমাটোৰ-স্বাস্থ্য বিভাগ, শিক্ষা বিভাগ,লোক নিৰ্মাণ বিভাগ, জন স্বাস্থ্য কাৰিকৰী বিভাগ, পশুপালন বিভাগ, কৃষি বিভাগ, বিদ্যুৎ বিভাগ, জল সিঞ্চন বিভাগ, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ লগতে অন্যান্য চৰকাৰী বিভাগৰ মুৰব্বী বিষয়া সকলে অংশগ্ৰহণ কৰে। সভাত জিলা উপায়ুক্ত আৰু বিধায়ক গৰাকীৰ আগত বিভিন্ন চৰকাৰী বিভাগবোৰে মহকুমাটোত ৰূপায়ন কৰা ভিন্ন আঁচনিৰ কাম-কাজৰ অগ্ৰগতিৰ সন্দৰ্ভত এক পৰ্যালোচনা আগবঢ়াই। তদুপৰি এই সভাখনতে ক'ভিড-১৯ মহামাৰীয়ে সৃষ্টি কৰা সাম্প্ৰতিক পৰিস্থিতি, সম্ভাব্য বানপানী,খহনীয়া সমস্যা আৰু ইয়াৰ সমাধান, কৃষি, যাতায়ত-যোগাযোগ ব্যৱস্থা আদি কৰি বিভিন্ন বিষয়ৰ ওপৰত আলোচনা কৰা হয়। বৈঠকত লখিমপুৰ জিলা পৰিষদৰ সভানেত্ৰী মঞ্জু বৰগোঁঞহাই, ঢকুৱাখনা, ঘিলামৰা আৰু বগীনদী উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া সকলৰ লগতে ভালে সংখ্যক অন্যান্য বিভাগৰ বিষয়া-কৰ্মচাৰী সকলো উপস্থিত থাকে।

## শিৱসাগৰ শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ সমাজ আৰু শ্ৰীশ্ৰী নিত্যানন্দ থান পৰিচালনা সমিতিয়ে মুখ্যমন্ত্ৰী সাহাৰ্য পুজিলৈ আগবঢ়ালে নগদ ধন

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ ১৬ জুন ঃ** সাম্প্ৰতিক সময়ত অতিমাৰী ক'ভিডৰ সৈতে মোকাবিলা কৰিবৰ বাবে ৰাজ্য চৰকাৰৰ মুখ্যমন্ত্ৰীৰ সাহাৰ্য পুজিলৈ ৰাজ্যখনৰ ৰাজনৈতিক নেতা, অনুষ্ঠান-প্ৰতিষ্ঠান, সাধাৰণ জনতাই ইতিমধ্যে আগবঢ়াই আহিছে আৰ্থিক সাহাৰ্য। শিৱসাগৰ শ্ৰী শ্ৰী অনিৰুদ্ধদেৱ সমাজ আৰু শ্ৰীশ্ৰী নিত্যানন্দ থান পৰিচালনা সমিতিয়েও আজি শিৱসাগৰ জিলা উপায়ুক্তৰ যোগেদি মুখ্যমন্ত্ৰীৰ সাহাৰ্য পুজিলৈ আৰ্থিক সাহাৰ্য আগবঢ়াই। শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ সমাজৰ ফালৰ পৰা ৩৬ হেজাৰ আৰু শ্ৰী শ্ৰী নিত্যানন্দ দেৱ থান পৰিচালনা সমিতিৰ তৰফৰ পৰা ১০ হেজাৰ টকাৰ আৰ্থিক সাহাৰ্য মুখ্যমন্ত্ৰীৰ সাহাৰ্য পুজিলৈ আগবঢ়াইছে বুলি শ্ৰীশ্ৰী অনিৰুদ্ধ সমাজৰ প্ৰধান সম্পাদক বুদ্ধেশ্বৰ চুতীয়াই প্ৰকাশ কৰিছে।

## কাজিৰঙাত এটা দিনৰ ব্যৱধানত ক'ভিডে প্ৰাণ ল'লে পিতা-পুত্ৰৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাজিৰঙা, ১৮ জুন ঃ** কাজিৰঙা অঞ্চলত কোভিড ৰোগৰ সংক্ৰমণ তীব্ৰ ৰূপত ঘটা দেখা গৈছে। প্ৰতিদিনে নতুন নতুন গাঁৱত কোভিড ৰোগী চিনাক্ত হৈ থকাৰ সময়ত মাত্ৰ এদিনৰ ব্যৱধানত কাজিৰঙাত পিতা পুত্ৰৰ মৃত্যুৰ ঘটনা অতি মৰ্মান্তিক হৈ পৰিছে। জানিব পৰা মতে মধ্য কাজিৰঙা গাঁও পঞ্চায়তৰ অধীনত মহপৰা গাঁও নিৱাসী তথা উদীয়মান যুৱক সঞ্জয় গগৈ (৪০) ক'ভিড নিগেটিভ হোৱাৰ পিছতো মংগলবাৰে নিশা উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ নি থকা অৱস্থাত মৃত্যু হয়। ইফালে পিছদিনা অৰ্থাৎ পুত্ৰৰ মৃত্যুৰ মাত্ৰ এদিন পিছত বুধবাৰে নিশা যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসালয়ত কোভিড ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ থকা তেওঁৰ পিতৃ উমেশ গগৈ (৭২)ৰ মৃত্যু হয়। মাত্ৰ এদিনৰ ব্যৱধানত পিতা-পুত্ৰৰ মৃত্যুৰ ঘটনাই সমগ্ৰ কাজিৰঙাতেই শোকৰ ছাঁ পৰিছে। উল্লেখ্য উমেশ গগৈৰ মাজু পুত্ৰও ক'ভিড ৰোগত আক্ৰান্ত হৈছিল যদিও তেওঁ বৰ্তমান সুস্থ হৈ উঠিছে। উমেশ গগৈয়ে মৃত্যুৰ সময়ত তিনিজন পুত্ৰৰ ভিতৰত দুজন পুত্ৰ, পত্নী, এগৰাকী কন্যা ইহ সংসাৰত এৰি থৈ গৈছে। অতি পৰিতাপৰ কথা একে বছৰতেই একেখন গাঁৱৰ চাৰিজন লোক ক'ভিড মহামাৰীত মৃত্যু হৈছে। বোকাখাত মহকুমা প্ৰশাসনে উক্ত গাঁওখন কণ্টেইনমেন জ'ন হিচাপে ঘোষণা কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ সচেতন মহলে আহ্বান জনাইছে।



## ঢকুৱাখনাত ব্ৰহ্মপুত্ৰৰ খহনীয়া প্ৰতিৰোধ আঁচনিৰ কাম আৰম্ভ জলসম্পদ বিভাগৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, ঢকুৱাখনা, ১৮ জুন ঃ** ঢকুৱাখনা মহকুমাৰ লগতে বিশ্বৰ বৃহত্তম নদীদ্বীপ মাজুলীক ব্ৰহ্মপুত্ৰৰ বানৰ পৰা ৰক্ষা কৰা সুৰক্ষা কৱচ চিচি-টেকেলিফুটা মথাউৰিৰ প্ৰতি কিছু কিছু অংশত চলিত বাৰিষাৰ আৰম্ভণিৰ পৰা গৰাখহনীয়াই ভয়াৱহ ভাবুকিৰ সৃষ্টি কৰি আহিছে।চলিত ঋতুত মাতমৰাৰ পূব দিশত বান্দেনা চেক বান্ধৰ নামনি অংশ আৰু মাতমৰাৰ পশ্চিম দিশত মদাৰগুৰি অংশত খহনীয়া অব্যাহত আছে। বিশেষকৈ বান্দেনা অঞ্চলত প্ৰায় ১ কিলোমিটাৰ এলেকাত এই খহনীয়াই মে' মাহত ভয়ংকৰ ৰূপ লৈছিল। উক্ত অংশৰ গৰাখহনীয়া অসম চৰকাৰৰ নৱ নিযুক্ত জল সম্পদ দপ্তৰৰ মন্ত্ৰী পীযুষ হাজৰিকাই ২৭ মে'ত পৰিদৰ্শন কৰে। ইয়াৰ পিছতে বিভাগৰ নিৰ্দেশনা অনুসৰি প্ৰায় ১ কিলোমিটাৰ এলেকাত খহনীয়া প্ৰতিৰোধৰ বাবে ঢকুৱাখনা জল সম্পদ সংমণ্ডলে আৰ চি চি পাৰ্কিউপাইন দি খহনীয়া প্ৰতিৰোধৰ কাম আৰম্ভ কৰিছে। ব্ৰহ্মপুত্ৰৰ বক্ষৰ পৰা ফেৰীৰ সহায়ত আৰু পাৰৰ পৰা মানৱ শ্ৰমিকৰ সহায়ত প্ৰতি ৩০ মিটাৰৰ মূৰে মূৰে পাৰ্কিউপাইন পাইনৰ একোখনকৈ স্কীন দিয়াৰ ব্যৱস্থা কৰা হৈছে। সম্প্ৰতি ব্ৰহ্মপুত্ৰৰ জলস্তৰ বহু কম হৈ থকাত পাৰ্কিউপাইন স্কীন কেইখনে আশাপ্ৰদ ফলাবল দেখুৱাবলৈ সক্ষম হৈছে। প্ৰতিখন স্কীনে পানী সোঁত পাৰৰ পৰা নদীৰ মাজলৈ থেলা পৰিলক্ষিত হৈছে আৰু গৰাৰ ফালে বালিও জমা হৈছে। পাৰ্কিউপাইন স্থাপনৰ উক্ত কাম আজি ঢকুৱাখনা ৰাজহ চক্ৰৰ চক্ৰ বিষয়া অপূৰ্ব কুমাৰ নাথে পৰিদৰ্শন কৰে। আনহাতে জল সম্পদ বিভাগৰ ঢকুৱাখনা সংমণ্ডলৰ সহকাৰী কাৰ্যবাহী অভিযন্তা কৃষ্ণ কান্ত পেগুৰ নেতৃত্বত বিভাগৰ এটা বিষয়া-কৰ্মচাৰীৰ দলে উক্ত আঁচনিৰ তদাৰক কৰিছে। উক্ত পাৰ্কিউপাইন আঁচনি সফল হ'লে আগন্তুক বাৰিষাত ঢকুৱাখনা মহকুমাৰ লগতে মাজুলী জিলাৰ ৫ লক্ষাধিক নাগৰিকৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা নিশ্চিত হ'ব।

## মাজুলী জিলা লেখিকা সমাৰোহ সমিতিৰ ব্যতিক্ৰমী অনুষ্ঠান

## সংস্কৃতিৰ পূজাৰী জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্মদিন পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ১৮ জুন ঃ** মাজুলী জিলা লেখিকা সমাৰোহ সমিতিয়ে সংস্কৃতিৰ পূজাৰী জ্যোতিপ্ৰসাদ আগৰৱালাৰ পবিত্ৰ জন্ম দিনত অনলাইন যোগে এখনি কবিতানুষ্ঠানৰ আয়োজন কৰে। জিলা সমিতিৰ সভানেত্ৰী মিনতি শইকীয়াই আঁত ধৰা অনুষ্ঠানটিত শাখাসমূহৰ সদস্যাসকলে অসমীয়াৰ প্ৰাণৰ শিল্পীগৰাকীক একোটিকৈ স্বৰচিত কবিতা পাঠেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অনুষ্ঠানত লীলাৱতী পেগু, সৰযু দত্ত বৰুৱা, স্মৃতি ৰেখা দত্ত, লাৱণ্য ওজা, বন্তি বৰা, অমিয়া দেৱী বৰঠাকুৰ, ইন্দুলেখা হাজৰিকা, ৰুবী শইকীয়া,হীৰা বৰা, কবিতা শইকীয়া হাজৰিকা, কল্পনা দেৱী, কৌশল্যা বায়ন হাজৰিকাহ, মৌচুমী কলিতা, ৰেখা মুদৈ, শোভ্ৰা দলে আদি ন-পুৰনি কবিসকলৰ মননশীল কবিতা সমূহে অনুষ্ঠানতো জীপাল কৰি তোলে। সামৰণিত সভানেত্ৰী মিনতি শইকীয়াই অংশ গ্ৰহণ কৰা কবিসকলক অভিনন্দন জ্ঞাপন কৰি কৃষ্টিৰ খনিকৰ গৰাকীক স্মৰণ কৰি এটি স্ব-ৰচিত কবিতাৰে শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। উল্লেখযোগ্য যে মাজুলী জিলা লেখিকা সমাৰোহ সমিতিয়ে লকডাউনৰ সময়ছোৱাত অনলাইনত পোন্ধৰটা সাহিত্য সংস্কৃতিৰ আৰু শিশুৰ অনুষ্ঠান সফল ভাৱে ৰূপায়ণ কৰে। গত মে' মাহত শিশুৰ সাধুকথা কোৱা প্ৰতিযোগিতা আৰু সাধু, কবিতা লিখা কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

## ড্ৰাগছ-ভাঙৰ বিৰুদ্ধে দুলীয়াজান আৰক্ষীৰ মাৰাথান অভিযান অব্যাহত

# তিনি যুৱকক আটক কৰি ৰঙাঘৰলৈ প্ৰেৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰডুবি, ১৮ জুন ঃ** নিষিদ্ধ ড্ৰাগছ আৰু ভাং বিৰুদ্ধে দুলীয়াজান আৰক্ষীৰ মাৰাথান অভিযান অব্যাহত ৰাখিছে। আজি দুলীয়াজান আৰক্ষীয়ে চহৰখনৰ বিভিন্ন অঞ্চলত অভিযান চলাই তিনিজন ড্ৰাগছ সেৱনকাৰী যুৱকক আটক কৰে। ধৃত যুৱক তিনিজন হৈছে দুলীয়াজানৰ কমলাবাৰী বিক্ৰম পথৰ মনোজ গগৈৰ পুত্ৰ সুৰজ গগৈ (২১), দুলীয়াজানৰ অইল ইণ্ডিয়া লিমিটেডৰ আৱাসিক অঞ্চল 'এ' টাইপ ৫৮৬ আৱাসগৃহৰ অমৰজিৎ বাল্মীকিৰ পুত্ৰ মনোজ কুমাৰ বাল্মীকি (২৭) আৰু কমলাবাৰী ধুবিঘাট অঞ্চলৰ দ্বিপেন চেতিয়াৰ পুত্ৰ সমীৰ চেতিয়া (২১) বুলি আৰক্ষী সূত্ৰই জানিবলৈ দিয়ে। শেহতীয়াকৈ দুলীয়াজান আৰক্ষীয়ে ধৃত দলটোৰ বিৰুদ্ধে দুলীয়াজান আৰক্ষী থানাত ২৬২/২০২১ নম্বৰৰ এক গোচৰ ৰুজু কৰি ডিব্ৰুগড় কাৰাগাৰলৈ নিক্ষেপ কৰে।




*চিকিৎসক তথা আগশাৰীৰ ক'ভিড যোদ্ধাৰ নিৰাপত্তা নিশ্চিত কৰাৰ দাবীত ডিব্ৰুগড়স্থিত অসম মেডিকেল চিকিৎসা মহাবিদ্যালয়ৰ শিক্ষক সংস্থা আৰু জেডিএৰ প্ৰতিবাদ*

## যোৰহাটত চিকিৎসা মহাবিদ্যালয় লৈ ২০খন আই চিইউ সহ ১২০খন বিছনা আগবঢ়ায় এনআৰ এলএ

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোৰহাট, ১৮ জুন ঃ** যাৰহাট চিকিৎসা মহাবিদ্যালয় লৈ নুমলীগড় ৰিফাইনেৰী লিমিটেডয়ে ক'ভিড-১৯ মোকামিলা কৰি বৰ বাবে যোৰহাট চিকিৎসা মহাবিদ্যালয় লৈ আৰু হস্পিতালৰ বাবে ২০খন আইচিউ বিছনাসহ সম্পূৰ্ণ ১২০খন বিছনা সহ ক'ভিড সেৱা হস্পিতালৰ সুবিধা প্ৰদান কৰে। উজনি অসমৰ জনসাধাৰণৰক ক'ভিদ সেৱা প্ৰদানত যোৰহাট, গোলাঘাট, শিৱসাগৰ আদিৰ ৰাইজৰ বাবে সুচল জিলা ৰূপে পৰিগণিত হৈছে। এন আৰ এলৰ পৰিছালন সম্বালক এছ কে বৰুৱা ই শুভাৰম্ভ কৰা অনুস্থানত যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন কুমাৰ গগৈ, ৰাজ্যসভাৰ সাংসদ কমাখ্যা প্ৰসাদ তাছা আৰু যোৰহাট সমষ্টিৰ বিধায়ক হীতেন্দ্ৰ নাথ গোস্বামীসহ বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ১৫জুনত উদ্বোধন কৰা প্ৰায় ৭ কোটি ব্যয়ৰে এই কেন্দ্ৰটোত ১০০খন বিছনা, ২০খন আই চিউ বিছনা কাডিক মনিটৰ, ভেণ্টিলেটৰ, নেবুলাইজাৰ্ছ, অক্ছী মিটাৰ, অক্সিজেন কনচেনট্ৰেটৰ আৰু টল্লী, লকাৰ, হুইল চেয়াৰ আদিৰ লগতে আচবাব অৰ্পণ কৰে।

# কাজিৰঙাত আৰক্ষীৰ জালত চোৰাং কাঠ-কয়লা ভৰ্তি ট্ৰাক

## ২০ হাজাৰ টকা দাবী আৰক্ষীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাজিৰঙা, ১৮ জুন ঃ** নতুন চৰকাৰ গঠন হোৱাৰ পাছৰে পৰা অবৈধ ব্যৱসায়ৰ বিৰুদ্ধে ৰাজ্যত অতি তৎপৰতাৰে আৰক্ষীয়ে অভিযান আৰম্ভ কৰিছে। তাৰ মাজতো আৰক্ষীৰ চকুত ধূলি দি একাংশই চলাই গৈছে চোৰাং বেহা। কাজিৰঙাত কঁহৰা আৰক্ষীয়ে চোৰাংভাৱে সৰবৰাহ কৰাৰ সন্দেহত জব্দ কৰিছে এখন কাঠ ভৰ্তি আৰু এখন কয়লা ভৰ্তি ট্ৰাক। মঙলবাৰে নিশা কাজিৰঙাৰ ৰাজপথত আৰক্ষীৰ তালাচীত ধৰা পৰে জালিয়াতিৰে কাঠ কঢ়িওৱা এখন ট্ৰাক। জানিব পৰা মতে, এজন ৰাজনৈতিক নেতাৰ তত্বাৱধানত ট্ৰাকখনে তিনিচুকীয়াৰ পৰা মঙলদৈ লৈ কাঠ কঢ়িয়াই আনিছিল। ম্যাদ উকলি যোৱা নথিপত্ৰ লৈ কাঠ কঢ়িওৱা ট্ৰাকখনৰ গাড়ীৰ নম্বৰ জালিয়াতি কৰিছে বুলি প্ৰকাশ কৰে আৰক্ষীয়ে। কঁহৰা আৰক্ষীয়ে জানিবলৈ দিয়া মতে, এ এছ ০৬ বি চি ০১০৯ নম্বৰৰ ট্ৰাকখনে নথিপত্ৰত অন্তৰ্ভুক্ত কৰিছিল এ এছ ০১ বি চি ০১০৯ নম্বৰ। ইয়াক লৈ সন্দেহ হোৱাত আৰক্ষীয়ে ট্ৰাকখনক লৈ তদন্ত আৰম্ভ কৰিছে। ইফালে কঁহৰা আৰক্ষীয়ে কাঠ বোজাই কৰাট্ৰাকখনৰ পৰা ২০ হাজাৰ টকা দাবী কৰিছিল বুলি ট্ৰাকখনৰ চালকে সাংবাদিকক জানিবলৈ দিয়ে। কঁহৰা আৰক্ষীয়ে দাবী কৰা ধন নিদিয়াৰ বাবেই ট্ৰাকখন জব্দ কৰে বুলিও চালকজনে অভিযোগ উত্থাপন কৰে। আনহাতে, চালকে কৰা অভিযোগ মিছা বুলি কঁহৰা আৰক্ষীয়ে জানিবলৈ দিয়ে। আনহাতে, কঁহৰা আৰক্ষীয়ে জব্দ কৰিছে আন এখন কয়লা ভৰ্তি ট্ৰাক। এ এছ ০১ এফ চি ৩৮৯৩ নম্বৰৰ ট্ৰাকখনে যোৰহাটৰ পৰা নগাঁও অভিমুখে কয়লা কঢ়িয়াই নিথকা অৱস্থাত আৰক্ষীয়ে ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথত টহল দি থকা সময়ত সন্দেহ হোৱাত ট্ৰাকখন জব্দ কৰি এনফ'চমেণ্টৰ লোকক গতাই দিয়ে। ইফালে এনফ'চমেণ্ট লোকে ট্ৰাকখনৰ কিছু বিসংগতি ধৰা পেলাই ১০ হাজাৰ টকা জৰিমনা বিহাৰ পাছত কঁহৰা আৰক্ষীক পুনৰ গতাই দিয়াত কঁহৰা আৰক্ষীয়ে এইবাৰ জি এছ টিৰ জৰিমনা বিহাৰ ব্যৱস্থা কৰিছে বুলি ভাৰপ্ৰাপ্ত বিষয়া ত্ৰিভুৱন শইকীয়াই জানিবলৈ দিয়ে।

## চৰাইদেউ জিলাৰ চাহ বাগিচাসমূহত ক'ভিড-১৯ প্ৰতিষেধক প্ৰদানৰ বাবে বিশেষ ব্যৱস্থা

**দৈনন্দিন বাৰ্তাৰ সেৱা, সোণাৰি, ১৮ জুন ঃ** চৰাইদেউ জিলাৰ চাহ বাগিচাসমূহত ১০০ শতাংশ ক'ভিড-১৯ ৰ প্ৰতিষেধক প্ৰদানৰ লক্ষ্য আগত ৰাখি আজি চৰাইদেউ জিলাৰ উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত চাহ বাগিচাৰ পৰিচালকসকলক লগত লৈ এক বিশেষ আলোচনা অনুষ্ঠিত হৈ যায়। আজিৰ সভাত সভাপতিত্ব কৰে চৰাইদেউ জিলাৰ উপায়ুক্ত বিনীতা পেগুৱে। অতিৰিক্ত উপায়ুক্ত জাবেদ আৰমান আৰু মৌচুমী চেতিয়াৰ লগতে চৰাইদেউ জিলাৰ স্বাস্থ্য বিভাগৰ বিষয়া কৰ্মচাৰীসকলে উক্ত সভাত অংশগ্ৰহণ কৰি আগন্তুক দিনত চাহ বাগিচাসমূহত ক'ভিড-১৯ প্ৰতিষেধক প্ৰদান সন্দৰ্ভত সজাগতা সৃষ্টিৰ লগতে চাহ বাগিচাৰ প্ৰতিজন ব্যক্তিয়ে যাতে এই প্ৰতিষেধক গ্ৰহণ কৰে তাৰ বাবে পদক্ষেপ গ্ৰহণ কৰাৰ ওপৰত আলোচনা কৰা হয়। উক্ত সভাত চাহ বাগিচাৰ পৰিচালকসকলক এই কাৰ্যসূচীত সহযোগিতা আগবঢ়াবলৈ উপায়ুক্তগৰাকীয়ে আহ্বান জনায়।

## শিৱসাগৰত সপ্তম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদ্‌যাপনৰ প্ৰস্তুতি সন্দৰ্ভত সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, শিৱসাগৰ, ১৮ জুন ঃ** সমগ্ৰ দেশ তথা ৰাজ্যৰ লগতে শিৱসাগৰ জিলাতো ২১ জুন তাৰিখে সপ্তম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসণ্ধ উদ্‌যাপন কৰা হ'ব। আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদ্‌যাপনৰ প্ৰস্তুতি সম্পৰ্কে আলোচনা কৰাৰ উদ্দেশ্যে আজি অতিৰিক্ত উপায়ুক্ত বিতোপন নেওগৰ সভাপতিত্বত তেওঁৰ কাৰ্য্যালয় কক্ষত এখন সভা অনুষ্ঠিত হয়। এই বছৰ আন্তঃ ৰাষ্ট্ৰীয় যোগ দিৱসৰ কাৰ্যসূচী সম্পূৰ্ণ ক'ভিড প্ৰট'কল মানি উদযাপন কৰা হ'ব বুলি উল্লেখ কৰি অতিৰিক্ত উপায়ুক্তগৰাকীয়ে যোগ দিৱসৰ জিলা পৰ্যায়ৰ কাৰ্যসূচী অহা ২১ জুনৰ পুৱা ৭ বজাত উপায়ুক্ত কাৰ্যালয়ৰ চৌহদত স্থিত অফিচাৰ্ছ ক্লাৱত অনুষ্ঠিত হ'ব বুলি অৱগত কৰে। যোগ দিৱস উপলক্ষে পুৱা ৭ বজাৰ পৰা ৮ বজালৈ যোগাসন (Common Yoga Protocol or CYP) অনুষ্ঠিত কৰা হ'ব বুলি তেওঁ জনায়। তেওঁ লগতে উল্লেখ কৰে যে, যোগ দিৱসৰ প্ৰস্তুতিৰ অংশস্বৰূপে অফিচাৰ্ছ ক্লাবত অহা ১৯ আৰু ২০ জুন তাৰিখে পুৱা ৭ বজাত যোগৰ কৰ্মশালাৰ আয়োজন কৰা হৈছে। উল্লেখযোগ্য যে, এই বছৰৰ আলোচ্য বিষয় হৈছে 'যোগৰ সৈতে, ঘৰতে থাকক' (Be with Yoga, be at home)। এই বছৰৰ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস শিৱসাগৰ জিলা প্ৰশাসনৰ উদ্যোগত তথা জিলা ক্ৰীড়া বিষয়াৰ কাৰ্য্যালয়, আয়ুস (AYUSH), শিৱসাগৰ আৰু দিখৌপৰীয়া সন্মিলিত যুৱ সংঘৰ সহযোগত উদযাপন কৰা হ'ব। আজিৰ সভাত সহকাৰী আয়ুক্তসকল ক্ৰমে মনীষা কলিতা, মনালী প্ৰসাদ ৰজক আৰু দীপাৱলী কুৰ্মী, জিলা ক্ৰীড়া বিষয়াৰ কাৰ্য্যালয়ৰ শাৰীৰিক শিক্ষক অনন্ত হাজৰিকা, যোগ প্ৰশিক্ষক ক্ৰমে অনন্ত ৰাজকোঁৱৰ আৰু কৃতাৰ্থী গগৈ, যোগ মিত্ৰ জয়ন্ত বেজ, দিখৌপৰীয়া সন্মিলিত যুৱ সংঘৰ সভাপতি ৰতন শইকীয়া আৰু সম্পাদক ৰাতু কুমাৰ দাস উপস্থিত থাকে।

# দেৰগাঁও চাৰিআলিৰ পৰা দিচৈ সংযোগী পথ নিৰ্মাণৰ দাবীত উপায়ুক্তক স্মাৰকপত্ৰ দেৰগাঁও ছাত্ৰ সন্থাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, দেৰগাঁও, ১৮ জুন ঃ** দেৰগাঁও চাৰিআলিৰ পৰা দিচৈ চাৰিআলি সংযোগী অতি গুৰুত্বপূৰ্ণ পথটো দীৰ্ঘদিন ধৰি বিধ্বস্ত হৈ আছে। পথটো মেৰামতিৰ বাবে ৰাইজে বাৰম্বাৰ কৰ্তৃপক্ষক দাবী জনাই আহিছে যদিও পথৰ দুৰৱস্থা আতৰা নাই। দেৰগাঁও সামূহিক চিকিৎসালয়, শিক্ষা খণ্ড কাৰ্যালয়, ডায়েট, বুনিয়াদী শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰ, কেইবাখনো শিক্ষানুষ্ঠানকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠান থকা এই পথটোৱেই হৈছে বৃহত্তৰ ব্ৰহ্মপুত্ৰ অঞ্চলৰ দেৰগাঁও নগৰৰ লগত যোগাযোগৰ মূল পথ। তেনে পৰিপেক্ষিতত এজাক বৰষুণতে একাঠু পানী বোকাৰে উপচি পৰি যাতায়ত বিঘ্নিত হোৱা পথটো দীৰ্ঘদিনে চৰকাৰৰ কোনো আঁচনিতে অন্তৰ্ভুক্ত নোহোৱাটো উল্লেখনীয়। পুখুৰী সদৃশ গাতেৰে ভৰি পৰা পথটোত নিতৌ দুৰ্ঘটনা সংঘটিত হৈ অহাৰ উপৰি দেৰগাঁৱৰ একমাত্ৰ ত্ৰিশ খন বিছনাযুক্ত চিকিৎসালয়লৈ অহা যোৱা কৰা ৰোগীসকলক পথটোৱে জীয়াতু ভোগাইছে। সেইহে বিষয়টো গুৰুত্বসহকাৰে লৈ দেৰগাঁও আঞ্চলিক ছাত্ৰ সন্থাই গোলাঘাট জিলাৰ উপায়ুক্তক এখনি স্মাৰকপত্ৰ দি পথটি শীঘ্ৰে নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে। সভাপতি ছগীৰ আহমেদ আৰু সম্পাদক দুস্মন্ত মাধৱ দত্তৰ লগতে উপদেষ্টা দীপ বৰঠাকুৰ স্বাক্ষৰিত স্মাৰকপত্ৰ ৰ প্ৰতিলিপি দেৰগাঁও গড়কাপ্তানী উপসংমণ্ডল বিষয়ালৈকো প্ৰেৰণ কৰিছে।